KAMPUR COLLEGE MAGAZINE
Session : 2015-16

স্থাপিত ১৯৬৮ চন

# কামপুৰ মহাবিদ্যালয় আলোচনী

## ২০১৫-১৬ বৰ্ষ




তত্ত্বাৱধায়িকাদ্বয়
শ্ৰীমিনি দেৱী,
শ্ৰীৰিজু লস্কৰ

সম্পাদিকা
শ্ৰীময়ুৰী দাস

# মহাবিদ্যালয় সংগীত

গীতিকাৰ - ভানু শইকীয়া
সুৰকাৰ - গগণ বৰুৱা

আলোক সন্ধানী আমি
আগুৱাই যাবলৈ প্ৰেৰণা দিয়া
বজাই জ্ঞান বীণা
বন্দো বাগ্‌দেবী
আমি আলোকৰে যাত্ৰী।

কপিলী নিশাৰীৰ তীৰ উজলাই
জ্ঞানৰ দিপালী উঠিছে জ্বলি
ভেদা-ভেদ পৰিহৰি
যাওঁ আগবাঢ়ি
জ্ঞানৰ সৰগ ধিয়াই।

কন্দলি মাধৱৰ চৰণ ধিয়াই
জগত গুৰুৰ বন্দনা গাই
সম্প্ৰীতি বঢ়াই তুলি
যাওঁ আগবাঢ়ি
জ্ঞানৰ পোহৰ বিলাই
দশোদিশ যাওঁ উজ্বলাই।।

KAMPUR COLLEGE MAGAZINE

Session : 2015-16

স্থাপিত ১৯৬৮ চন

# কামপুৰ মহাবিদ্যালয় আলোচনী

২০১৫-১৬ বৰ্ষ



তত্ত্বাৱধায়িকাদ্বয়
শ্ৰীমিনি দেৱী,
শ্ৰীৰিজু লস্কৰ

সম্পাদিকা
শ্ৰীময়ুৰী দাস

# কামপুৰ মহাবিদ্যালয় আলোচনী

২০১৫-১৬ বৰ্ষ

স্থাপিত ১৯৬৮ চন

# KAMPUR COLLEGE MAGAZINE

**Session : 2015-16**

তত্ত্বাবধায়িকাদ্বয়
শ্ৰীমিনি দেৱী,
শ্ৰীৰিজু লস্কৰ

সম্পাদিকা
শ্ৰীময়ূৰী দাস

# KAMPUR COLLEGE MAGAZINE

An annual magazine of Kampur College, Session 2015-16
Guided by Mini Devi and by Riju laskar, Edited by Mayouri Das and
Published by the Principal i/c, Hirendra Nath Sharma, Kampur College, Kampur, Nagaon (Assam)

স্থাপিত ১৯৬৮ চন

# কামপুৰ মহাবিদ্যালয় বাৰ্ষিক আলোচনী

## ২০১৫-১৬ বৰ্ষ

শ্ৰীমিনি দেৱী আৰু শ্ৰীৰিজু লস্কৰৰ তত্বাৱধানত সম্পাদিকা শ্ৰীময়ূৰী দাসৰ দ্বাৰা সম্পাদিত
আৰু ভাৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীযুত হীৰেন্দ্ৰ নাথ শৰ্মাৰ দ্বাৰা প্ৰকাশিত

**সম্পাদনা সমিতি**

শ্ৰীযুত হীৰেন্দ্ৰ নাথ শৰ্মা , ভাৰপ্ৰাপ্ত অধ্যক্ষ, সভাপতি
শ্ৰীযুত প্ৰদীপ লস্কৰ, উপদেষ্টা
শ্ৰীযুত পূৰ্ণানন্দ নাথ, উপদেষ্টা
শ্ৰীযুতা নমিতা বৰঠাকুৰ, উপদেষ্টা
শ্ৰীযুত পদুম কাকতি, উপদেষ্টা
শ্ৰীযুতা মিনি দেৱী, তত্বাৱধায়িকা
শ্ৰীযুতা ৰিজু লস্কৰ, তত্বাৱধায়িকা
শ্ৰীযুত প্ৰশান্ত লস্কৰ, শিক্ষক সদস্য
শ্ৰীযুতা নলিনী বৰা, শিক্ষক সদস্য
শ্ৰীযুত প্ৰশান্ত কুমাৰ দাস, শিক্ষক, সদস্য

**ছাত্ৰ সদস্য**

মঃ মুক্তাৰ হুছেইন, সভাপতি, ছাত্ৰ একতা সভা
শ্ৰীপ্ৰিয়তম গোস্বামী, সাধাৰণ সম্পাদক, ছাত্ৰ একতা সভা

**আলোচনী সম্পাদিকা**

শ্ৰীয়য়ূৰী দাস

**বেটুপাত**

শ্ৰীযুত ৰিজু লস্কৰ

**মুদ্ৰণ**

গিগাবাইট্চ প্ৰেছ এণ্ড পাব্লিকেশ্যন
মিলনপুৰ, নগাঁও (অসম)

# উচৰ্গা



**স্বৰ্গীয় গহিত চন্দ্ৰ শইকীয়া**

বৃহত্তৰ কামপুৰ অঞ্চলৰ উচ্চ শিক্ষানুষ্ঠান
কামপুৰ মহাবিদ্যালয়ৰ জন্মদাতা সকলৰ অন্যতম ব্যক্তি
কামপুৰ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যাপক
তথা প্ৰাক্তন ভাৰপ্ৰাপ্ত অধ্যক্ষ,
সদ্যপ্ৰয়াত মাননীয় গহিত চন্দ্ৰ শইকীয়াদেৱৰ
পবিত্ৰ স্মৃতিত ২০১৫-১৬ বৰ্ষৰ
মহাবিদ্যালয় আলোচনীখন উচৰ্গা কৰা হ'ল।

- **সম্পাদনা সমিতি**

# সশ্ৰদ্ধ সোঁৱৰণ



**স্বৰ্গীয় তৰুণ চন্দ্ৰ শইকীয়া**
কাৰ্যকাল ঃ ১৯৬৮-১৯৯৯ চন
মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যাপক তথা
প্ৰাক্তন ভাৰপ্ৰাপ্ত অধ্যক্ষ



**স্বৰ্গীয় হেম চন্দ্ৰ লস্কৰ**
কাৰ্যকাল ঃ ১৯৭৫-২০০৭ চন
মহাবিদ্যালয়ৰ প্ৰাক্তন মুৰব্বী অধ্যাপক,
ইংৰাজী বিভাগ



# শ্ৰদ্ধাঞ্জলি

২০১৫-১৬ বৰ্ষৰ
সময়ছোৱাত যিসকল ব্যক্তিয়ে
সমাজ আৰু দেশৰ বাবে
সেৱা আগবঢ়াই
ইহসংসাৰৰ পৰা বিদায় ল'লে
সেইসকল নমস্য ব্যক্তিলৈ
মহাবিদ্যালয়ৰ পৰিয়ালৰ
তৰফৰপৰা
শ্ৰদ্ধাঞ্জলি নিবেদিছো।

**Dr. Himanta Biswa Sarma,** MA, LLB, Ph.D.
**Minister, Government of Assam**
*Finance, P&D, Health & F.W., Education, Guwahati Development Department, Tourism, Cooperation, Handloom & Textile (Khadi & Village Industry), Pension & Public Grievance*

सत्यमेव जयते

Assam Secretariat (Block-E)
Dispur, Guwahati-781 006
Telephone No. : (0361) 2237315
Fax : 0361-2237012
email : himantab@hotmail.com



# শুভেচ্ছাবাণী

কামপুৰ মহাবিদ্যালয়, নগাঁৱৰ বাৰ্ষিক আলোচনীখনৰ ২০১৫-১৬ সংখ্যাটি প্ৰকাশৰ যো-জা কৰিছে বুলি জানিবলৈ পাই অতিকৈ সুখী হৈছো।

বাৰ্ষিক আলোচনী এখনে শিক্ষানুষ্ঠান এখনৰ বৌদ্ধিক প্ৰতিচ্ছবি তুলি ধৰে। আশা ৰাখিছো কামপুৰ মহাবিদ্যালয়ৰ শিক্ষাৰ্থীসকলে বাৰ্ষিক আলোচনীখনৰ জৰিয়তে সৃষ্টিশীল চিন্তাধাৰা আৰু প্ৰতিভা বিকাশৰ সুযোগ পোৱাৰ লগতে এই আলোচনীখনত শিক্ষা, সাহিত্য, সমাজ সম্পৰ্কীয় মূল্যৱান লিখনি প্ৰকাশ পাব।

আশা ৰাখিছো মহাবিদ্যালয়খনে অনাগত দিনবোৰত আৰু অধিক শিক্ষাৰ্থীক জ্ঞানৰ বন্তিৰে আলোকিত কৰি বিদ্যাৰ্থীবৃন্দৰ সোণোৱালী সপোনবোৰ বাস্তৱত ৰূপায়িত কৰাৰ লগতে শিক্ষানুষ্ঠানখনৰ অধ্যাপক-অধ্যাপিকাবৃন্দই সুস্থ শৈক্ষিক বাতাবৰণ সৃষ্টিৰে মহাবিদ্যালয়খনক আৰু অধিক আগবঢ়াই নিবলৈ যত্নপৰ হ'ব।

সদৌ শেষত কামপুৰ মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতি কামনা কৰাৰ লগতে শিক্ষানুষ্ঠানখনৰ অধ্যাপক-অধ্যাপিকা, শিক্ষাৰ্থী তথা সমূহ কৰ্মচাৰীবৃন্দলৈ মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলো।

(ড° হিমন্ত বিশ্ব শৰ্মা)



## শুভেচ্ছাবাণী

জানিব পাৰি সুখী হৈছোঁ যে কামপুৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাই তেওঁলোকৰ বছেৰেকীয়া আলোচনীখন প্ৰকাশৰ ব্যৱস্থা হাতত লৈছে। আদৰণীয় যদিও এই আলোচনীখন প্ৰকাশত ইতিমধ্যে যথেষ্ট পলম হৈছে। এই আলোচনীখনৰ প্ৰকাশে মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলৰ সাহিত্য চৰ্চাৰ জৰিয়তে অন্যান্য দিশতো মহাবিদ্যালয়খনিৰ উন্নতিৰ ছবি দাঙি ধৰিব আৰু প্ৰতিভাবান নৱ প্ৰজন্মই ব্যক্তিগত প্ৰতিভা বিকাশৰ সুযোগ গ্ৰহণ কৰি নিজৰ সাহিত্য সৃষ্টিৰ ভেটি তৈয়াৰ কৰাত ব্যৱহাৰ কৰিবলৈ সক্ষম হ'ব। এই আলোচনীয়ে ভবিষ্যতে এক আলোড়নৰ সৃষ্টি কৰি সময়মতে প্ৰকাশ কৰিবলৈ সক্ষম হওক।

মই এজন প্ৰতিষ্ঠাপক শিক্ষক হিচাপে এই বিষয়ত জড়িত হ'বলৈ পাই আনন্দিত হৈছো।

**(শ্ৰীসভাৰাম মজুমদাৰ)**
সভাপতি, মহাবিদ্যালয় পৰিচালনা সমিতি



# অধ্যক্ষৰ একাষাৰ

শিক্ষাই সমাজত শুভ পৰিবৰ্তনৰ সূচনা কৰে। শিক্ষা আহৰণ কৰাৰ মহান স্থানেই হ'ল শিক্ষানুষ্ঠান। ছাত্ৰ সমাজৰ শাৰীৰিক, মানসিক, সামাজিক, বৌদ্ধিক আদিৰ উৎকৰ্ষ সাধনৰ মূল ভেটিটোৱেই হৈছে শিক্ষা। সুস্থ সমাজ গঠনৰ বাবে প্ৰয়োজন সুস্থ মানসিকতাৰে পৰিপুষ্ট সৎ চৰিত্ৰৱান এচাম ছাত্ৰ-ছাত্ৰীৰ। সাহিত্য সৃষ্টি, অধ্যয়ন, সাহিত্য সাধনা হৈছে মানসিক চিন্তা চৰ্চাৰ ফল। কামপুৰ মহাবিদ্যালয়ৰ আলোচনীখনেও প্ৰতিবছৰে চিন্তাশীল ছাত্ৰ-ছাত্ৰী অধ্যাপক-অধ্যাপিকাৰ সাহিত্য সৃষ্টিৰ এটি নিৰৱচ্ছিন্ন ধাৰা অব্যাহত ৰাখি আহিছে। অনাগত ভৱিষ্যতে এই সকলৰ মাজৰ পৰাই হয়তো সৃষ্টি হ'ব একোটি উজ্জ্বল নক্ষত্ৰৰ। বৰ্তমান বিশ্বায়ন, কম্পিউটাৰ আৰু বিজ্ঞানৰ জয় জয়কাৰ অৱস্থাত আমাৰ ছাত্ৰ-ছাত্ৰীয়ে যাতে আধুনিক পৃথিৱীৰ জ্ঞানৰ উজ্জ্বল পোহৰত উন্নতিৰ শিখৰত আৰোহণ কৰি দেশ তথা জাতিৰ নাম উজ্বলাব পাৰে তাৰে প্ৰয়াস অহৰহ চলি আহিছে। সাহিত্য উৎকৰ্ষ সাধনৰ ক্ষেত্ৰত মহাবিদ্যালয়ৰ পৰা প্ৰকাশিত আলোচনী এখনৰ লক্ষ্যণীয় অৱদান আছে। আমাৰ ছাত্ৰ-ছাত্ৰী সকলে আমাৰ মাজৰ সু-সাহিত্যিক, মহাপুৰুষৰ জীৱনৰ চানেকিৰে যাতে আগুৱাই যাব পাৰে, সেয়ে আমাৰ মহান উদ্দেশ্য। ইতিহাসৰ পাতত আজি এই আলোচনীখনে কামপুৰ মহাবিদ্যালয়ৰ নাম উজ্বলাই তোলক।

**শ্ৰীহীৰেন্দ্ৰ নাথ শৰ্মা**
ভাৰপ্ৰাপ্ত অধ্যক্ষ
কামপুৰ মহাবিদ্যালয়



# তত্ত্বাৱধায়কৰ একাষাৰ

নগাঁও জিলাৰ দক্ষিণ পশ্চিম অংশত অৱস্থিত কামপুৰ অঞ্চলটো এখন ঐতিহ্যপূৰ্ণ ঠাই। সাহিত্য সংস্কৃতিৰ উৎকৰ্ষ সাধনৰ দিশত কামপুৰে অতীজৰে পৰা অগ্ৰণী ভূমিকা লৈ আহিছে। অসম সাহিত্য সভাৰ ৫২তম্ অধিবেশন অতি সফলভাৱে কামপুৰত অনুষ্ঠিত হৈছিল। কিন্তু সাম্প্ৰতিক সময়ত সাহিত্য সংস্কৃতিৰ সেই উৎকৰ্ষ সাধনৰ ধাৰাবাহিকতা ক'ৰবাত নহয় ক'ৰবাত যেন স্তিমিত হৈছে।

বৃহত্তৰ কামপুৰ অঞ্চলটোত অৱস্থিত একমাত্ৰ উচ্চ শিক্ষানুষ্ঠানখন হৈছে কামপুৰ মহাবিদ্যালয়। মহাবিদ্যালয়খনৰ বাৰ্ষিক আলোচনীৰ তত্বাৱধায়ক হিচাপে আমাৰ অনুভৱ সিমান সুখকৰ নহয়। ছাত্ৰ একতা সভাৰ নিৰ্বাচনত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত উৎসাহ উদ্দীপনা যিমানদেখা যায় সাহিত্য সংস্কৃতিৰ সৃষ্টিশীল ক্ষেত্ৰসমূহত সিমানখিনি উৎসাহ -উদ্দীপনা দেখা নাযায়। এই আলোচনীখনৰ বাবে ছাত্ৰ-ছাত্ৰীসকলৰপৰা লেখা বিচাৰি বিবুধিত পৰিব লগা হৈছিল। দুবাৰ তিনিবাৰকৈ তাগিদা দিয়াৰ পাছত যি কম সংখ্যক লেখা পোৱা হৈছিল তাৰ সৰহখিনিৰে মানদণ্ড আশানুৰূপ নাছিল। তথাপি তাৰ পৰাই প্ৰকাশউপযোগী কৰি আলোচনীখন সজোৱা হৈছে। ভৱিষ্যতলৈ আশা কৰিম যে ছাত্ৰ-ছাত্ৰীসকলে সাহিত্য-সংস্কৃতিৰ সৃষ্টিশীল কৰ্মৰাজিতো সমানে মনোনিবেশ কৰিব।

শেষত আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত বিশেষভাৱে সহায় সহযোগিতা আগবঢ়োৱা অধ্যক্ষ মহোদয় প্ৰমুখ্যে অধ্যাপক-অধ্যাপিকাসকলক ধন্যবাদ জনাইছো। আলোচনীখনত লেখা প্ৰদান কৰা সমূহ লেখক-লেখিকালৈ গভীৰ কৃতজ্ঞতা যাচিছো। আলোচনীখন ছপা কৰি উলিওৱা গিগাবাইট্চ প্ৰেছ এণ্ড পাব্লিকেশ্যনৰ স্বত্বাধিকাৰী শ্ৰীকঙ্কন গোস্বামী আৰু সমূহ কৰ্মচাৰী বৃন্দলৈ ধন্যবাদ জনাইছো। তত্বাৱধায়কৰ দায়িত্ব পালনত যদি কিবা ভুল ভ্ৰান্তি ৰৈ গৈছে তাৰ বাবে ক্ষমা প্ৰাৰ্থনা মাগিছো।

বিনয়ৰে
**শ্ৰীমিনি দেৱী**
**শ্ৰীৰিজু লস্কৰ**
তত্বাৱধায়িকাদ্বয়



# সম্পাদকীয়

সাহিত্য হ'ল এখন সমাজৰ দাপোণ স্বৰূপ। সাহিত্যত সমাজৰ সকলোদিশ প্রতিবিম্বিত হয়। ঠিক সেইদৰে শিক্ষানুষ্ঠান এখনৰ বাৰ্ষিক আলোচনীখনো শিক্ষানুষ্ঠানখনৰ দাপোণ স্বৰূপ। ইয়াত শিক্ষানুষ্ঠানখনৰ বিভিন্ন দিশ প্রতিফলিত হয়। সাহিত্যৰ বিস্তীর্ণ পথাৰখনত পদার্পণ কৰিবলৈ মহাবিদ্যালয়ৰ আলোচনীখন এক বাটচ'ৰা সদৃশ। মহাবিদ্যালয়ৰ এখন আলোচনীয়ে মহাবিদ্যালয়খনৰ ছাত্র-ছাত্রীসকলৰ বৌদ্ধিক বিকাশ আৰু শ্রীবৃদ্ধিত সহায় কৰে। আলোচনীখনে ছাত্র-ছাত্রীসকলৰ মাজত অধ্যয়নৰ, সাহিত্য চৰ্চা, চিন্তাধাৰা আৰু প্রমূল্যবোধৰ উত্তৰণ ঘটোৱাত বিশেষ ভূমিকা পালন কৰে।

কিন্তু অতি পৰিতাপৰ কথা যে বৰ্তমান সময়ত সৰহসংখ্যক ছাত্র-ছাত্রীয়ে অধ্যয়নৰ পৰিৱৰ্তে মোবাইল ফোন, ইণ্টাৰনেট, কম্পিউটাৰ, টি.ভি আদিত বেছি সময় কটাবলৈ লৈছে। পাঠ্যপুথিসমূহ অধ্যয়ন কৰে কেৱল নম্বৰ লাভৰ বাবে, জ্ঞানলাভৰ বাবে নহয়। ইয়ে যুৱ সমাজত বিশৃংখলা, নৈতিকতাৰ স্খলন, মূল্যবোধৰ অবক্ষয় আদি নানান সমস্যাৰ সৃষ্টি কৰিছে। সেয়ে মহাবিদ্যালয় আলোচনীখনৰ জৰিয়তে আমি ছাত্র-ছাত্রীসকলৰ মানসিক উৎকৰ্ষ সাধনৰ লগতে ছাত্র-ছাত্রীসকলক যাতে সুসংস্কাৰ, সুঅভ্যাস আৰু সু-চিন্তাৰ বাবে অনুপ্রাণিত কৰিব পাৰো তাৰ প্রতি লক্ষ্য ৰাখি কামপুৰ মহাবিদ্যালয়ৰ এই বৰ্ষৰ বাৰ্ষিক আলোচনীখন সজাবলৈ প্রয়াস কৰা হৈছিল। কিন্তু মহাবিদ্যালয়ৰ ছাত্র-ছাত্রীসকলৰপৰা লেখা সংগ্ৰহ কৰাত অসুবিধাৰ সন্মুখীন হৈছিলো। তথাপি ছাত্র-ছাত্রীসকলৰ লগতে মহাবিদ্যালয়ৰ ছাৰ বাইদেউসকল সকলোৰে সন্মিলিত প্রচেষ্টাৰ অন্তত আলোচনীখনক এটা ৰূপ দিয়াটো সম্ভৱ হ'ল। এই প্রচেষ্টা কিমানদূৰ সফল হৈছে সেয়া পাঠকৰ বিচাৰ্য।

আলোচনীখন প্রকাশৰ ক্ষেত্রত যিসকলে বিভিন্ন লেখাৰে আলোচনীখন সমৃদ্ধ কৰিলে তেওঁলোকলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলো। আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ে সকলো সময়তে দিহা পৰামৰ্শৰে আলোচনীখন প্রকাশত সহায়-সহযোগিতা আগবঢ়াই আমাক কৃতাৰ্থ কৰিলে। তেখেতলৈ আমি কৃতজ্ঞতা জ্ঞাপন কৰিলো। আলোচনীখনৰ তত্বাৱধায়কৰ দায়িত্বত থকা শ্রীযুতা ৰিজু লস্কৰ বাইদেউ আৰু শ্রীযুতা মিনি দেৱী বাইদেউৰ সহায়-সহযোগিতা অবিহনে আলোচনীখন প্রকাশ কৰা সম্ভৱ নহ'লহেঁতেন। দুয়োগৰাকী বাইদেউলৈ মোৰ আন্তৰিক ধন্যবাদ জনালো। আলোচনীখনৰ সকলোবোৰ দিশতে সহায় সহযোগ কৰা আলোচনীখনৰ সম্পাদনা সমিতিৰ সমূহ সদস্য-সদস্যালৈ, ছাত্র একতা সভাৰ বিষয়ববীয়া সকললৈও কৃতজ্ঞতা জনালো। আলোচনীখন সুন্দৰকৈ ছপা কৰা গিগাবাইটছ প্ৰিণ্টাৰ্ছক ধন্যবাদ জনালো।

শেষত আলোচনীখনত জ্ঞাতে অজ্ঞাতে হোৱা ভুল-ত্রুটিৰ বাবে ক্ষমা প্রাৰ্থনা মাগিলো।

জয়তু কামপুৰ মহাবিদ্যালয়।

**ময়ূৰী দাস**
আলোচনী সম্পাদিকা

# সূচীপত্ৰ

## প্ৰবন্ধ


কপিলী কপিলী ৰাংঢালী ছোৱালী ♦ সভাৰাম মজুমদাৰ।। ১৭
কৰ্ম সংস্কৃতিৰ অভাৱেই অসমৰ অৰ্থনীতিৰ অনগ্ৰসৰতাৰ অন্যতম কাৰণ ♦ মিনি দেৱী।। ২০
শিক্ষাৰ উদ্দেশ্য কি হোৱা উচিত ♦ কবিতা দেৱী।। ২২
খাদ্য আৰু জাতীয় জীৱন ♦ পূৰ্ণানন্দ নাথ।। ২৪
মহিলা আৰু মানৱ অধিকাৰ ♦ ৰূপা লস্কৰ।। ২৯
আজৰি সময়ৰ শিক্ষা ♦ সুৰুযস্মিতা বৰা।। ৩০
গদ্য-ৰীতি আৰু বেজবৰুৱা ♦ পদুম কাকতি।। ৩১
অসম বুৰঞ্জীৰ অলিখিত এটি অধ্যায় 'ঢকুৱাখনাৰ ফাটবিহু' ♦ মণ্টু চেতিয়া।। ৩৭
হোমেন বৰগোহাঞিৰ উপন্যাস 'মৎস্যগন্ধা' আৰু 'পিতাপুত্ৰ'ত গ্ৰামাঞ্চলৰ মৎস্যজীৱী সম্প্ৰদায়ৰ আৰ্থ-সামাজিক জীৱনৰ প্ৰতিফলন ♦ প্ৰশান্ত কুমাৰ দাস।। ৪০
বিশ্বায়ন আৰু যুৱ সমাজ ♦ জলী ডেকাৰজা।। ৪৬
মিচিংসকলৰ কৃষিভিত্তিক উৎসৱ-অনুষ্ঠান ঃ এটি চমু অৱলোকন ♦ ড° কুশল টাইদ।। ৪৮
তিৱা জনগোষ্ঠী ♦ নিৰলা খাতুন।। ৫৮
বন্ধুত্বঃ এক মধুৰ অনুভৱ ♦ স্নিগ্ধা বৰা।। ৫৯
ধৰ্মৰ নামত চলা অপকৰ্মবোৰ ৰোধ কৰো আহক ♦ মুক্তাৰ হুছেইন।। ৬১
ই-আবৰ্জনা ♦ ৰিজু লস্কৰ।। ৬২
অসমৰ ঐতিহ্য বনভোজ স্থলী - টেঙাপানী ♦ পাৰ্থপ্ৰতিম নাথ।। ৬৪
বিদেশ ভ্ৰমণৰ অভিজ্ঞতা ♦ হীৰেন্দ্ৰ নাথ শৰ্ম্মা।। ৬৫


## গল্প


নমস্কাৰ ছাৰ ♦ বিপ্লৱ মণ্ডল।। ৭৩
চকুলোৰে হাঁহিৰ ফুলপাহ ফুলিল ♦ প্ৰগতী কলিতা।। ৭৬
আধা লিখা কবিতা ♦ আতাবুৰ ৰহমান।। ৭৯
এখনি অভিমানৰ নৈ ♦ লতামণি মহন্ত।। ৮২
গহনা ♦ ধন্তি বৰদলৈ।। ৮৩
অচিন চিনাকি ♦ অৰ্চনা দেৱী।। ৮৫
সন্তাপ ♦ লক্ষ্যজ্যোতি বৰুৱা।। ৮৬


## কবিতা


অমৰ কণ্ঠশিল্পী ♦ সুমিত্ৰা দাস।। ৮৭
শ্ৰদ্ধাৰ হীৰেন ভট্টাচাৰ্য দেৱলৈ (হিৰুদা) ♦ নিটুমণি লস্কৰ।। ৮৭
ৰেঙনি ♦ অৰ্পনা বিশ্বাস।। ৮৮
শিক্ষাগুৰু ♦ টিনামনি দাস।। ৮৮
জীৱন ♦ পিংকী কলিতা।। ৮৯
সাৰে থাকে আকাশ ♦ জ্যোতিৰেখা কলিতা।। ৮৯
নিৰুদ্দেশ যাত্ৰা ♦ অৰূপ জ্যোতি বৰদলৈ।। ৯০
জীৱনৰ গান ♦ পূজামণি শইকীয়া।। ৯০
কপিলীৰ পাৰৰ পৰা বৰপানী লৈ ♦ বুল্টি দাস।। ৯১
দুৰ্গম পথৰ যাত্ৰী ♦ নজমূল কবিৰ।। ৯১
ভুলৰ বাবে ♦ তছলিমা খাতুন।। ৯১
জীৱন এখনি নৈ ♦ প্ৰাঞ্জল বৰা।। ৯২

অবুজ শিহৰণ ✦ অনিৰ্বাণ ৰাজখোৱা।। ৯২
তুমি সুখী হোৱা চিৰদিন ✦ দীক্ষিতা শৰ্মা।। ৯২
অনুভৱ ✦ মিংকু বৰা।। ৯৩
সেউজী সখী ✦ কংকনা লস্কৰ।। ৯৩
অপেক্ষা ✦ মীনাক্ষি হীৰা।। ৯৩
মোৰ দুখ ✦ প্ৰশান্ত সৰকাৰ।। ৯৪
আশা ✦ গায়ত্ৰী লস্কৰ।। ৯৪
তৃপ্তি ✦ ছেলিনা আক্তাৰ।। ৯৫
অচিনাকি মন ✦ গোবিন্দ নাথ।। ৯৫
প্ৰেমেই জীৱন ✦ জাহিৰ আব্বাছি।। ৯৬
আনন্দ ✦ ইক্ৰামুল ইছলাম।। ৯৬

## অন্যান্য শিতান

কি, কিয়, কেনেকৈ ✦ পাৰুল কাকতি।। ৯৭
জানানে ✦ সংগ্ৰহ - ৰবিনচন বে।। ৯৯
ৰন্ধন প্ৰণালী ✦ সংগ্ৰহ- গুপা দেবনাথ।। ১০০
অমৃত বাণী ।। ১০১
কৌতুক।। ১০১

## English Section

Kampur College – At a Glance ✦ Pradip Laskar।। ১০৩
Importance of a college Megazine ✦ Hiran Kr. Hira।। ১০৫
The Great man Dr. A.P.J. Abdul Kalam ✦ Priyatam Goswami।। ১০৬
Terrorism - A Major threat to International Peace and Security ✦ Juli Laskar।। ১০৭
Love, Discipline and Independence ✦ Parul Bhuyan।। ১০৯
Importance Of Unity in India ✦ Mayuri Das।। ১১১
Importance of English in Education ✦ Nazmul Kabir।। ১১৩
Rabindranath Tagore ✦ Mridusmita Saikia।। ১১৫
Feminism and Anita Desai ✦ Nalini Bora।। ১১৬
A Perspective of Ensuing Gender Equality ✦ Debasish Saikia।। ১১৯
NCC, Job, Social Service etc ✦ Dr. Jyoti Rupa Deka।। ১২২
A Review on the Book 'Interrogating Development : State, Displacement and Popular Resistance in North-East India' ✦ Pranami Laskar।। ১২৫
Urbanization and Environmental Degradation ✦ Gayatri Baruah।। ১২৮
Remote sensing and electromagnetic radiation ✦ Shaswati Borah।। ১৩০
Friendship ✦ Sushmita Das।। ১৩২
A Beautiful Spring Morning ✦ Kaberi Das।। ১৩২
Happy world ✦ Azmal Hussain।। ১৩২
What is life ✦ Bhagyashree Borah।। ১৩২

## हिन्दी विभाग

शिक्षा और शांति स्थापना ✦ भुपेन चन्द्र शर्मा।। ১৩৩
शिकवा ✦ सरस्वती देबनाथ।। ১৩৪
कामाख्या ✦ बिप्लव मण्डल।। ১৩৫
২০১৫-১৬ বৰ্ষৰ অনুষ্ঠিত মহাবিদ্যালয় সপ্তাহ প্ৰতিযোগিতাসমূহৰ ফলাফল।। ১৩৬
ছাত্ৰ একতা সভাৰ সভাপতিৰ প্ৰতিবেদন।। ১৩৮
সাধাৰণ সম্পাদকৰ প্ৰতিবেদন।। ১৩৯

অসমীয়া বিভাগ

প্ৰবন্ধ

# কপিলী কপিলী ৰাংঢালী ছোৱালী

**সভাৰাম মজুমদাৰ,** প্ৰাক্তন ভাৰপ্ৰাপ্ত অধ্যক্ষ

ড° ভুপেন হাজৰিকাৰ ৰাংঢালী ছোৱালীজনী ডিমা হাছাও জিলাৰ ১৫২৫ মিটাৰ উচ্চতাৰ বৰাইল পৰ্বতৰ পৰা নামি আহিছে ভৈয়ামলৈ, বৰ লুইতলৈ ২৯০ কি.মি. পথ। যাত্ৰাপথত ইয়াৰ লগ লাগিছে অসংখ্য শাখা নদী, জান, জুৰি ইত্যাদি। কপিলী যি স্থলভাগৰ ওপৰেদি বৈ আহিছে ইয়াৰ প্ৰাকৃতিক ইতিহাস বিচাৰি পূৰ্বৰ বহু কল্প (যুগ) লৈ যাব লাগিব। এই উপত্যকাৰ ভূ-প্ৰকৃতি আৰু ভুতাত্ত্বিক গঠন প্ৰক্ৰিয়া অতি প্ৰাচীন অৰ্কিয়ান যুগৰ পৰা আৰম্ভ হৈছে। সেই সময়ত অৱবাহিকাৰ অধিকাংশ অঞ্চল আছিল স্থলভাগৰূপে। এই ভুমিভাগ নানা ভূ-প্ৰাকৃতিক ঘটনাৰ পাছত ভূ তাত্ত্বিক আন্দোলন, পশ্চিম আৰু দক্ষিণফালৰ পৰা অগ্ৰসৰ হোৱা সাগৰৰ দ্বাৰা নিমৰ্জন আদি প্ৰক্ৰিয়াৰ সন্মুখীন হৈছে। এই সময়ছোৱাত অৱবাহিকাৰ উচ্চভূমি অঞ্চলৰ পৰা কটিয়াই অনা অৱক্ষেপ জমা হৈ বৰ্তমানৰ ভূ-প্ৰাকৃতিক সংৰচনাৰ সৃষ্টি হৈছে। সেয়ে পাহাৰসমূহৰ আশে পাশে পুৰণি পৈণত মাটি পোৱা যায়। ওখ চানেকীয়া আৰু পাহাৰৰ দাঁতিকাষৰীয়া অঞ্চলত এই পৈণত মাটিৰ বৰণ গাঢ়। এই মাটিত লো, মেংগানিজ আদি থকাৰ বাবে ইয়াৰ বৰণ ৰঙা, মুগা আৰু গাঢ় মুগা হয়। কপিলী উপত্যকাক পূবা-পশ্চিমাকৈ ভগালে পুবে প্ৰধানকৈ কাৰ্বি মালভূমি অঞ্চল আৰু পশ্চিমে মেঘালয় মালভূমি। ইয়াৰ এটা অংশ প্ৰাক কেম্ব্ৰিয়ান যুগৰ। এই অঞ্চলটো ভাৰতৰ দাক্ষিণাত্য মালভূমিৰ (গন্দোৱানা লেণ্ড) উত্তৰ-পূৱৰ অংশ। এই অঞ্চলৰ শিলা পুৰণি ৰূপান্তৰিত শিলেৰে গঠিত। এই মালভূমি সম্ভৱতঃ ক্ৰেটাচিয়াচ যুগত তললৈ বহি গৈছিল। সেয়ে এই এলেকাত কয়লা, চুণশিল পোৱা যায়। এই মালভূমিটো দুটা ভাগত ভাগ হৈছে। এটাত কপিলী নদী, ইয়াৰ উপনৈ দৈয়াং, নামদিং আছে। হামৰেন মালভূমি ৩০০০ বৰ্গ কিঃমিঃ আৰু মধ্যকাৰ্বি মালভূমি ৭৪০০ বৰ্গ কিঃমিঃ। মধ্য কাৰ্বি মালভূমিক হামৰেণৰ সৈতে কপিলী আৰু ইয়াৰ উপনৈসমূহে বেলেগ কৰিছে। এই মালভূমিৰ দক্ষিণত নতুন ভাঁজবিশিষ্ট পৰ্বত আছে। এই মালভূমিত হোৱা প্ৰচুৰ বৃষ্টিপাত আৰু সেমেকা জলবায়ুয়ে খহনীয়াৰ সৃষ্টি কৰিছে। এনে হোৱা সত্বেও অতি কঠিন শিলাসমূহ খনন প্ৰতিৰোধ কৰি বৰ্তি আছে। যেনে ৰেংমা পৰ্বত ১৩৬৩ মিটাৰ। অঞ্চলটোত ভূমিৰ বিস্তৰ ক্ষয়ীভৱন, ভূমিস্খলন, বানপানী আৰু বন ধ্বংস আদি প্ৰধান সমস্যা। কপিলীয়ে ক্ষয়কাৰ্যৰ দ্বাৰা নিজা উপত্যকা গঠন কৰাৰ লগতে কাৰ্বিআংলং অঞ্চলৰপৰা ছিলং মালভূমিক পৃথক কৰিছে। এই কপিলী ৯৭ মিটাৰ বহল আৰু ৭.১০ মিটাৰ পৰ্যন্ত গভীৰ। কপিলীখনে নগাঁও, কাৰ্বিআংলং, ডিমা হাচাও, মৰিগাঁও জিলা সামৰি ইয়াৰ অৱবাহিকাত ১৫৮৬৮ বৰ্গ কিঃমিঃ ঠাই আগুৰি আছে। কপিলীৰ পাৰ্বত্য এলেকাত পুণৰযৌৱনায়নৰ সৃষ্টি হৈছে আৰু কপিলী উপত্যকাত প্ৰস্থভাৱে হোৱা চ্যুতিৰ ফলত ৰেইলী জলপ্ৰপাতৰ সৃষ্টি হৈছে। ইয়াৰ পাছতে ২০ মিটাৰ গভীৰ নদীখাট অঞ্চল পোৱা যায়। এই অঞ্চলটো চুণশিল অঞ্চল। কপিলীৰ দক্ষিণপাৰে গৰমপানী, লাংলাই, উমৰং আৰু নামকিন্‌ডং উপত্যকাত চুণশিল পোৱা যায়। উপত্যকাসমূহৰ চুণশিল স্তৰৰ মাজত গহ্বৰবোৰ। গহ্বৰৰ চালৰপৰা ওলমি থকা ষ্টেলেকটাইট আৰু গহ্বৰৰ মজিয়াৰ পৰা ঠিয়হৈ থকা ষ্টেলেগমাইটবোৰ দেখা যায়।

কপিলী নৈখন ডিমা হাচাও জিলাৰ হাফলং মহকুমাৰ থুৰুক নামৰ ঠাইৰপৰা ৩ কিঃমিঃ আগত ওলাইছে। মেঘালয়ৰ দক্ষিণপূব কোণৰ চাইপুং সংৰক্ষিত বনৰ পৰা উৎপত্তি হোৱা ডিকিছিম মেঘালয়ৰ সীমাৰূপে পূবদিশত বৈ আহিছে। এনেকৈ ৮ মিটাৰ পাছত ছেৰপাই জানক আৰু চাৰি কিলোমিটাৰ ভটিয়াই আহি মায়াখোৰা জানক সোঁপাৰে লগতে লয়। এই সন্মিলিত কপিলীয়ে সমকোণত ঘূৰি উত্তৰ পশ্চিমমুৰা হৈ ৫ কি.মি. নামি 'বাওলা' বাওঁপাৰে লগ লৈ উত্তৰ পূৱদিশত ঘূৰে। এনেদৰে আহি আহি বাওঁপাৰে বাওলা, চিনি, খৈয়ট, উমবাছা আৰু সোঁপাৰে

টোকঠাই, (বাওঁপাৰে) মেৰপুং, উমফুৎ উমটলং শাখা নদীৰ লগ হয় আৰু এইঠাইতে ১৩৫০ মিটাৰ ওখ কপিলী শৃংগ পোৱা যায়। তাৰপৰা ৩ কি.মি. আহি উমবাছা, চিনদিং সোঁপাৰে আৰু উমপ্ৰাং নৈক বাওঁপাৰে লয় আৰু ৭ মিটাৰ আহি খাৰকৰ নৈক লগ লয়। ইয়াৰ পাছত ৰেইনব' ফলছ বা ৰালে জলপ্ৰপাত নামনিত বাওঁপাৰে উমলুৰেম আৰু ভটিয়াই ললিপ, টুমবুং নৈ সোঁপাৰে পৰে। ইয়াৰ পৰা ৬ কিঃমিঃ ক্ষুদ্ৰ জলপ্ৰপাতৰ সমষ্টি গৰমপানী তথা উমৰাংচু পায়। ইয়াতে কপিলীৰ বান্ধ দি জলবিদ্যুৎ প্ৰকল্প নিৰ্মাণ কৰা হৈছে। তাৰপৰা ৫ কিঃমিঃ আহি বাওঁপাৰে পৰা মাইনটাং নৈখনে মেঘালয় আৰু কাৰ্বি আংলঙৰ সীমা। ইয়াৰ পাছত কপিলী আহি দিনাৰ নৈক বাওঁপাৰে "ছুদাৰিয়াংছক ছুক্ৰ, লচিটুং আৰু লংছমেপি সোঁপাৰে লগ কৰে। নাছংমোপিৰ উপনৈ উমৰং, লামডিং, খৰটুংছ আৰু লংলাই। উমৰং নৈত জলবিদুৎ প্ৰকল্প সজা হৈছে। পাছত লাংছমেপি আৰু দাংমেপি খনে থেছু নৈক বাওঁপাৰে লগ লয়। কপিলীৰ সোঁপাৰে লংকু আৰু ছুহো, ফাংলাংছ, ফাংলাংছক বাওঁপাৰে লয়। এই অঞ্চলত ভালেমান ক্ষুদ্ৰ জলপ্ৰপাত আছে। ইয়াৰ পাছত বাওঁপাৰে চাৰচিম, গিকংলাংচু, আমাৰিং আৰু লাংমিপি আৰু সোঁপাৰে লংকাংচাম, লংছিটুং, মেকাংডাক, লাংকি আৰু ফাংলাংচুক লগ লয়। তাৰপৰা আহি দৈয়াঙৰ মুখত দৈয়াং নৈ সোঁপাৰে লগ লয়। ইয়াৰ পৰা ১১ কি.মি. আহি খেৰনি ওচৰৰ খাৰিখন গাঁৱত নগাঁৱত উপস্থিত হয়। ইয়াতে কপিলীয়ে তিনিবাৰ সুঁতি সলনি কৰি তিনিখন বিল সৃষ্টি কৰিছে। ইয়াৰপৰা কপিলীয়ে উত্তৰ-পশ্চিম হৈ ৯ কিঃমিঃ আহি সোঁপাৰে লংকাজানক লগ পায়। তাৰপৰা ৮ কিঃমিঃ পিছত ডেৰাজুৰি আৰু টিলাহোৰ জানৰ বাওঁপাৰে হাৱাইপুৰ ফৰেষ্টৰ পশ্চিমে কপিলী পৰিছে। এইছোৱা পথত কপিলী বৰসুঁতিৰ পৰা হোৱা খান্দা, হাৱাইপুৰ বৰধানছা, সৰুধানছা, ছামলাং আদি ভালেমান বিল দুয়োপাৰে আছে। ইয়াৰ পিছত বিষ্ণুপুৰ তাৰ পিছত কলঙামুখ পায়। ইয়াৰ পৰা কপিলী অধিক সৰ্পিল হয় আৰু পৰিত্যক্ত সুঁতিবোৰ এতিয়া ঘোঁৰাখোজীয়া হ্ৰদ হৈ আছে। যেনে ৰাইকন্টা, বিবথুং এৰা কপিলী, নলনি, জয়ৰাৰা, থেপলিগুৰি নভঙা, কেন্দুগুৰি, ৰাৰিগেডেং আদি বিলবোৰ কপিলীয়ে কলঙামুখৰ পৰা ১৫ কিলোমিটাৰ আহি যমুনামুখত সৰ্ববৃহৎ উপনৈ যমুনাক সোঁপাৰে লয়। তাৰ পাছত একাঁবেকা হৈ ১৮ কিলোমিটাৰ আহি কামপুৰ আৰু ১১ কিলোমিটাৰ ভটিয়াই চাপৰমুখ পায় আৰু বাওঁপাৰে বৰপানী নৈক লগ হৈ আৰু সোঁপাৰে এটা সুঁতি কলঙত পৰেগৈ। বাটত সোঁপাৰে পোটকোচা, বাওঁপাৰে বালিচৰা কপিলীত পৰে। চাপৰমুখৰ পৰা ২০ কিলোমিটাৰ আহি ধৰমতুল পায় তাৰ পৰা ভটিয়াই কিলিং নৈ কপিলীত পৰে আৰু এককিলোমিটাৰ আহি কপিলী কলং সুঁতি লগ পায় আৰু মৰিগাঁৱৰ কাজলীমুখত ব্ৰহ্মপুত্ৰত পৰেগৈ। এই অঞ্চলটো বিস্তীৰ্ণ এক জলাহ অঞ্চল, তাৰ ভিতৰত ভাৰ, বৰজলাহ, নলধৰা, নোৱা, উদমাৰি, শিলখোৱা, দাবৰিটলি, চনুৱা আৰু আঁঠুভঙা আদি ভালেমান বিল দেখা যায়।

কপিলীৰ সমান্তৰালকৈ বৈ অহা দৈয়াং এখন ডাঙৰ উপনৈ। বৰাইলে পৰ্বতৰপৰা ওলোৱা সকলোবোৰ নৈয়েই দৈয়াঙৰ উপনৈ। ইয়াৰ উপনৈ সমূহ যেনে — ৰবি, ভালাইয়া, দাৰে, মাছৰ মুপা, লাংলাই, লাংটি আদি। আন এখন অন্যতম উপনৈ হ'ল যমুনা। কাৰ্বি আংলং জিলাৰ ডিফু মহকুমাৰ ১৩৬০ মিটাৰ ওখ টিং এটাৰ কাষত ইয়াৰ উৎপত্তি। ডিমাচাসকলে যমুনাক ডিজেন বোলে। ইয়াৰ উপনৈ সমূহ দিনাৰ, ডিফু, দিখৰ, হৰগাতি, দীঘলীয়াপানী, বুঢ়ীগঙ্গা, ডিমৰু আদিয়ে যমুনামুখত যমুনা কপিলীত পৰে। যমুনাৰ যিটো শাখা ফাটি উত্তৰ-পশ্চিমলৈ আহি নিগৰি-নিশাৰী আহি বৰঘাটত নৈখন কপিলীৰ নিচেই কাষ চাপে যদিও তাত নপৰি উত্তৰ দিশলৈ যায়। এইদৰে ৫ কিলোমিটাৰ আহি ননৈক সোঁপাৰে লগত লৈ হাৰিয়া নাম লয়। হাৰিয়া নৈ পথচোৱা বিলেৰে ভৰা। যেনে — কলাইখোৱা, ভলুকাগুৰি, খাৰতলি, ৰঙাজান, ডেৰাবতলি, দবালু, ববালু, পোহাৰীখাতি, চাকনিল, ধনঞ্জয়, হাগাৰতলি, হাতীমৰা, বগৰীগুৰি, দুখীছা বিল। এইদৰে ১৪ কিলোমিটাৰ আহি ৰহাৰ ওচৰত হাৰিয়ামুখত কলঙত লগ লাগে। কপিলী আন এখন প্ৰধান উপনৈ বৰপানী — ১১০ কিলোমিটাৰ আহি কপিলীত পৰিছে। নৈখনে মেঘালয়ৰ জোৱাই জিলাৰ টিৰছাঙত ওলায়। বৰপানীৰ উপনৈ সমূহ উমলেৰ, আমটুন, লুটুমাৰী, বালিজুৰি, শুকানি আৰু কিলিং। এই নৈত বৰপানী (উমিয়াম) জলবিদ্যুৎ প্ৰকল্প পতা হৈছে। বৰপানী আৰু লুটুমাৰীৰ মাজত বহুতো বিল আছে। কপিলী নৈৰ অৱবাহিকাই পৰ্বত ভৈয়াম লগ কৰি মুঠ ১৫৮৬৮ বৰ্গকিলোমিটাৰ আগুৰি আছে। কপিলীৰ বিপদসীমা হ'ল ৫৬.৩০ মিটাৰ (ধৰমতুল)। তথ্যসূত্ৰ মতে কপিলী সৰ্বোচ্চ, সৰ্বনিম্ন আৰু গড় জল বিসৰ্জনৰ পৰিমাণ হ'ল যথাক্ৰমে — প্ৰতি ছেকেণ্ডত ১৯৪১.৫৮, ১৮.৬২ আৰু ৫৮৯ ঘনমিটাৰ। নৈখনে কঢ়িওৱা গেদৰ পৰিমাণ বছৰি ৯.০৪ লাখ হেক্টৰ মিটাৰ।

এইখন এখন প্ৰাচীন নৈ। ডিমাচাসকলে নৈখনক লাংক্লাং আৰু জয়ন্তীয়াসকলে বোলে কুপ্‌লী। এই নৈ ব্ৰহ্মাৰ পৰা সৃষ্ট পিল বা জলাশয়ৰ পৰা ওলাইছে, গঙ্গাৰ দৰে ফলদায়িনী সেয়ে ই কপিল গঙ্গিকা। ক শব্দৰ অৰ্থ ব্ৰহ্মা আৰু পিল শব্দৰ অৰ্থ এই জলময়। অৱশ্যে নৈখনে বাৰিষাকালি কঢ়িয়াই অনা কপিলা ৰঙৰ পানীৰ বাবেও কপিলী হ'ব পাৰে। কালিকা পুৰাণৰ মতে সৰ্ববংশীয় ৰজা মগৰৰ ষাঠি হেজাৰ পুত্ৰ কপিল মুনিৰ শাপত ভস্ম হৈ আছিল তেওঁৰ আশ্ৰমতে। অভিশপ্ত সকলক মুক্ত কৰিবলৈ তেওঁলোকৰ পৰিনাতি ভগীৰথে স্বৰ্গৰ পৰা গঙ্গাক নমাই আনে। ভৈয়ামত গঙ্গা শতমুখী হয়। তাৰে এটা শাখা অন্তঃশ্ৰোতা হৈ আহি ডিমা হাচাও আৰু জয়ন্তীয়া পাহাৰৰ মাজত থকা কপিল মুনিৰ আশ্ৰমত ওলাইছে। এই গঙ্গাই ভগীৰথৰ



উৎসৰপৰা কপিলী নদীৰ স্কেছ মেপ

পূৰ্বপুৰুষ সকলৰ ভস্ম স্পৰ্শ কৰি শাপ মুক্ত কৰে। কপিল মুনিৰ আশ্ৰমৰ মাজেৰে প্ৰৱাহিত হোৱাৰ বাবে এই নদীৰ নাম কপিলী বা কপিলী গঙ্গা। খাচীয়া জয়ন্তীয়া সকলৰ মতে কপিলী নামটো কা-ৰেইলী শব্দৰ পৰাহে হৈছে। খাচী ভাষাত 'কা' মানে ছোৱালী 'ৰেইলী' মানে জয়ন্তীয়া ৰজাৰ জীয়ৰীৰ নাম। গাভৰু ৰাজকন্যা 'ৰেইলী' কচাৰী ৰজাৰ পুত্ৰৰ সৈতে প্ৰেম হয়। জয়ন্তীয়া ৰজাই শত্ৰু পক্ষৰ কছাৰী যুৱৰাজক ধৰি বান্ধি কপিলী জলপ্ৰপাতত পেলাই হত্যা কৰে। মনৰ দুখতে ৰেইলীয়েও তাতে আত্মহত্যা কৰে। এই জলপ্ৰপাত আজিও 'ৰেইলী' নামেৰে জনাজাত। খাচী জয়ন্তীয়াৰ জনশ্ৰুতি মতে এই 'কা-ৰেইলী'ৰ পৰাই কাপিলী বা কপিলী হৈছেগৈ।

ৰাংঢালী কপিলী তথা কপিলী উপত্যকাত বৰ্তমান কিছু আধুনিকতাৰ চাপ পৰিছে। শক্তিৰ উৎপাদন, খনিজ সম্পদ উদ্‌ঘাটন, বনজ সম্পদৰ সদ্ব্যৱহাৰ সম্পূৰ্ণ সফলতাৰে সম্পাদন কৰি উদ্যোগ গঢ়ি তুলি কপিলীপৰীয়া ৰাইজৰ অৰ্থনৈতিক উন্নতি কৰাতো সকলোৰে কাম্য। ■

প্ৰসঙ্গ

১। অসমৰ নদনদী — ড° যোগেন্দ্ৰনাথ শৰ্মা।
২। ভৌগোলিকা — ডিচেম্বৰ, ১৯৮৭।
৩। Assam : A Geographical Profile - Taher and Ahmed.

# কৰ্ম সংস্কৃতিৰ অভাৱেই অসমৰ অৰ্থনীতিৰ অনগ্ৰসৰতাৰ অন্যতম কাৰণ

**মিনি দেৱী,** মুৰব্বী অধ্যাপিকা, অসমীয়া বিভাগ

মানুহে সমাজ পাতি কাম কৰাৰ পৰাই বিভিন্ন কৰ্ম সংস্কৃতিৰ লগত জড়িত। প্ৰকৃতিৰ বুকুত জন্মগ্ৰহণ কৰি মৌলিক প্ৰয়োজনৰ তাগিদাত ভিন্ ভিন্ কৰ্ম পদ্ধতিৰ মাজেদি আগবাঢ়ি আহি সভ্যতাৰ জখলা বগাই জীৱশ্ৰেষ্ঠ প্ৰাণীহিচাপে প্ৰতিপন্ন হৈছে। কৰ্মপ্ৰেৰণাই মানুহক সৃষ্টিশীল কৰি গঢ়ি তোলাৰ লগতে অৰ্থনৈতিক গাঁঠনি সবল কৰাতো অৰিহণা যোগায়। গতিকে কৰ্মস্পৃহাৰ অভাৱত অৰ্থনৈতিক দিশো স্খলিত হয়।

বৰ্তমান অসমৰ অৰ্থনৈতিক গাঁঠনিৰ অনগ্ৰসৰতাৰ অন্যতম কাৰণ হৈছে কৰ্ম সংস্কৃতিৰ অভাৱ। অসমৰ জলবায়ু আৰু পৰিবেশৰ ওপৰত ভিত্তি কৰি গঢ় লৈ উঠা অন্যতম প্ৰধান কাৰ্য হৈছে কৃষি কাৰ্য। অসমৰ গাঁৱে-ভূঁঞে পৰি থকা বিশাল কৃষি খণ্ডত আজি সুদক্ষ খেতিয়কৰ অভাৱ। বিজ্ঞানৰ ন ন পদ্ধতিৰে আৰম্ভ কৰিব পৰা কৃষি কাৰ্যৰ প্ৰতি বৰ্ত্তমান জীৱন যাপনৰ প্ৰৱণতাই কৃষিভূমিৰ পৰা আঁতৰাই আনিছে। কৃষি কাৰ্যৰ বাবে পাৰিশ্ৰমিক দি খেতিকৰা বা চুক্তি অথবা আধি দিয়াৰ প্ৰথাৰে কৃষি কাৰ্য চলি থকা প্ৰয়োজনীয় ফচল উৎপাদন কৰিব নোৱাৰাত অৰ্থনৈতিক দিশত বিশেষ প্ৰভাৱ পৰিছে। ইয়াৰ উপৰিও কৃষি কাৰ্যক উপলক্ষ কৰি দুটা শ্ৰেণীৰ জন্ম হৈছে। এটা হৈছে বাপতিসাহোন স্বৰূপ ভূমিৰ ভূমিস্বত্বাধিকাৰী আৰু আনফালে চুক্তি বা আধিলোৱা প্ৰথাত পেটে-ভাতে খাই থকা নিশকতীয়া কৃষি শ্ৰমিক। যৌথ পৰিয়ালৰ পৰা একক পৰিয়ালৰ প্ৰৱণতাই মানুহক আত্মকেন্দ্ৰিক আৰু স্বাৰ্থপৰ কৰি তোলাত কৰ্মৰ প্ৰতি থকা দায়িত্বত অনগ্ৰসৰতাই দেখা দিছে। সেয়ে গাঁৱে-ভূঁঞেও যৌথভাৱে কাম কৰাৰ প্ৰবৃত্তি দিনক দিনে কমি যোৱাত আৰ্থিক দিশত কু-প্ৰভাৱ পেলাইছে।

অসমীয়া সমাজত গঢ় লোৱা বস্ত্ৰশিল্প কৰ্মৰ মৰ্যাদা আজি দিনক দিনে হ্ৰাস পাইছে। মাত্ৰ শুৱালকুছিৰ বস্ত্ৰ শিল্পই অসমীয়া শিপিনীৰ মৰ্যাদা বহন কৰিছে। এই বস্ত্ৰশিল্পতো মহিলাতকৈ শ্ৰমিক পুৰুষৰ সংখ্যা বেছি। স্বাৱলম্বী মনোভাবেৰে গঢ়লৈ উঠা শিল্পী এতিয়া তেনেই তাকৰ। আনকি ঘৰুৱা কাম-কাজতো বন কৰা লৰা বা ছোৱালীৰ আৱশ্যকতাই বাৰুকৈয়ে প্ৰভাৱ বিস্তাৰ কৰিছে। গতিকে কৰ্মদক্ষতাৰ বিপৰীতে বিলাসী জীৱন যাপনৰ প্ৰৱণতাই অৰ্থনৈতিক দিশত মাধমাৰ সোধাইছে।

অসম প্ৰাকৃতিক সম্পদত চহকী দেশ। এই প্ৰাকৃতিক সম্পদৰ সুব্যৱহাৰ দ্বাৰা অৰ্থনৈতিক দিশ সবল কৰাৰ যথেষ্ট সুবিধা আছে। বিশেষকৈ বনজ সম্পদেৰে ভৰা ডাঙৰ ডাঙৰ হাবি বা অৰণ্যৰ গছ-বন কাটি তাহিলং কৰাত অৰ্থনৈতিক দিশতেই নহয় পৰিবেশ প্ৰদূষণেও দেখা দিছে। জীৱ-জন্তু, চৰাই চিৰিকটিৰ প্ৰতি থকা মোহ কমি যোৱাত জীৱ-জন্তুৰ হানি দিনক দিনে বৃদ্ধি পাইছে। গতিকে বনজ সম্পদেই হওক বা প্ৰাকৃতিক আন সম্পদেই হওক সুৰক্ষিত বা সংৰক্ষণৰ মনোভাব, সদ্‌ব্যৱহাৰৰ মনোভাব গঢ়লৈ নুঠাত সম্পদৰ ক্ষয় ক্ষতি অৰ্থনৈতিক দিশত যথেষ্ট ব্যাঘাত জন্মাইছে।

গতিকে দেখা গৈছে যে কৰ্মসংস্কৃতিৰ প্ৰতি মানুহৰ আগ্ৰহ দিনক দিনে কমি গৈছে। ইয়াৰ কেইটামান কাৰণ হ'ল —

(১) বিলাসী জীৱন যাপনৰ প্ৰৱণতাই কম আয়াসতে অধিক সুখ লাভ কৰাৰ মানসিকতা গঢ় লোৱাত কৰ্মৰ প্ৰতি থকা একান্ত অনুৰাগ কমি গৈছে।

(২) নতুন প্ৰজন্মক গঢ় দিবৰ বাবে অভিভাবকৰ দায়িত্বৰ প্ৰতি সচেতনতাৰ অভাৱ। সন্তানৰ যিকোনো অভাৱ যুক্তি

বিবেচনাৰে বিচাৰ নকৰাকৈ পূৰাব বিচাৰে। উদাহৰণ স্বৰূপে অতি সহজে বিশেষকৈ মোবাইল, বাইক আদি যোগান ধৰে।

(৩) স্বাৱলম্বিতাৰ অভাৱত অসৎ পন্থা (চোৰ, ডকাইত, পকেটমাৰগৈ, প্ৰবঞ্চনা) ৰে ধন ঘটাৰ অভিপ্ৰায় বাঢ়ি গৈছে। গতিকে সমাজত বিশৃংখলাই দেখা দিছে। সমাজত সুনাগৰিকৰ পৰিবৰ্তে দিনক দিনে দুষ্ট চক্ৰৰ সংখ্যা ক্ৰমাৎ বাঢ়ি গৈছে।

(৪) বক্তৃতাৰ ফুলজাৰিৰে সুষ্ঠ সমাজ গঠন কৰিব বিচৰা সমাজৰ বহু লোকেই আদৰ্শবান নহয়। আদৰ্শবান নহ'লে কৰ্মপ্ৰেৰণা যোগোৱাটো অসম্ভৱ।

(৫) বৰ্তমান যুবসমাজৰ সৰহ লোকেই নিচাযুক্ত দ্ৰব্য সেৱনৰ প্ৰতি আগ্ৰহী। নিচাযুক্ত দ্ৰব্য সেৱন কৰালোকৰ কৰ্মৰ প্ৰতি আগ্ৰহ নাথাকে। তাৰোপৰি সুস্থ চিন্তাৰে প্ৰগতিশীল সমাজ গঢ়াত আগবাঢ়ি যাব নোৱাৰে। অথচ অৰ্থনৈতিক দিশৰ অগ্ৰগতিত মানৱ সম্পদ'ৰ গুৰুত্ব বহুতগুণে বেছি। গতিকে 'মানৱ সম্পদ'ৰ ক্ষতিয়ে অৰ্থনৈতিক দিশ সবল কৰাত সহায় কৰিব নোৱাৰে।

(৬) দুৰদৰ্শন, চি.ডি., ডি.ভি.ডি., ইণ্টাৰনেট, লেপ্‌টপ্ আদিৰ যথোপযুক্ত ভাৱে ব্যৱহাৰ কৰিব নোৱাৰাত কৰ্মৰ ক্ষেত্ৰখনত যথেষ্ট সময়ৰ অভাৱ ঘটিছে আৰু দিনে দিনে সবল সুস্থ যুৱক-যুৱতীয়ে 'পঙ্গুজীৱন'ৰ দৰে সময় কটোৱাত অৰ্থনৈতিক দিশৰ অনেক ক্ষতি হৈছে।

(৭) শিক্ষানুষ্ঠানত শিক্ষা গ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীসকলে শিক্ষানুষ্ঠান আৰু গৃহ শিক্ষকৰ লগত ব্যস্ত ৰাতিপুৱাৰ পৰা গধূলিলৈকে থকাত ঘৰখনত সৰুৰে পৰা শিকিবলগীয়া কাম-কাজৰ পৰা আঁতৰি অহাত কৰ্মস্পৃহা একেবাৰে কমি গৈছে। অভিভাৱক সকলেও কৰ্মস্পৃহা জগাই তোলাত উৎসাহী নহয়।

(৮) অসমৰ জাতীয় জীৱনত প্ৰভাৱ বিস্তাৰ কৰা কুটিৰ শিল্প কাঁহ শিল্প, মাটিৰ শিল্প, বাঁহবেতৰ শিল্প আদিৰ প্ৰতি থকা আগ্ৰহৰ পৰা জনসাধাৰণ আঁতৰি অহাত আৰ্থিক দিশত বহুত ক্ষতি সাধন হৈছে।

উক্ত কাৰণবোৰে বৰ্ত্তমান কৰ্মসংস্কৃতিৰ ক্ষেত্ৰখনৰ পৰা উঠি অহা যুৱক-যুৱতীক অপসাৰিত কৰাত অৰ্থনৈতিক ভাৱে দুৰ্বল বাতাবৰণৰ সৃষ্টি হৈছে। শিক্ষা আৰু কৰ্মৰ মাজত বিসংগতিয়ে দেখা দিছে। ফলত মানসিক চিন্তা চৰ্চাৰ স্তৰ অনুন্নত হোৱাটো স্বাভাৱিক। বৰ্ত্তমান প্ৰযুক্তি বিদ্যা আৰু বিশ্বায়নৰ যুগত ফেৰ মাৰি আগবাঢ়ি যাবলৈ হ'লে কৰ্মমুখী শিক্ষাৰে অৰ্থনৈতিক অনগ্ৰসৰতাক দূৰ কৰিব পাৰিব লাগিব। নহ'লে ভৱিষ্যত জগত অসমৰ প্ৰজন্মৰ বাবে অন্ধকাৰ। এক পক্ষীয় ভাৱে শিক্ষা বা বুদ্ধিমত্তাৰে অথবা একপক্ষীয় ভাৱে কেৱল কৰ্মৰে বৰ্ত্তমান বিশ্বায়ণৰ যুগত উন্নত প্ৰক্ৰিয়াৰে আগবাঢ়ি যোৱাত বাধক হ'ব। সেয়ে নব প্ৰজন্মৰ মানসিক চিন্তা চৰ্চা উন্নত কৰাত বৈজ্ঞানিক দৃষ্টিভংগীৰে আগবাঢ়ি শিক্ষা আৰু কৰ্মৰ ক্ষেত্ৰখন পৈণত কৰা উচিত। এইক্ষেত্ৰত নব প্ৰজন্মই যাতে কৰ্মস্পৃহাৰ পৰা আতৰি নাযায়, তাৰ বাবে উদ্যোগ লোৱা উচিত। যুৱ উচ্ছৃংখলতা দূৰ কৰাৰ কাৰণে পদক্ষেপ লোৱা উচিত। অসমৰ উদ্যোগ, কল কাৰখানা আদিও অসমৰ বাহিৰৰ লোকেৰে ঠাহ খাই পৰাৰ পিছত সাধাৰণ কাম এটা কৰাৰো সুৰুঙা নাথাকিব। যুৱ প্ৰজন্মৰ উচ্চাত্মিক মনোভাবৰ ঘাই শিপা ডালে খোপনি পুতি ল'লে সাধাৰণ কাম এটা কৰাৰ প্ৰতিও তেওঁলোকৰ আগ্ৰহ নাথাকিব। মুঠতে কৰ্ম সংস্কৃতিৰ ওপৰত অধিক মনোযোগ দিলেহে অসম অৰ্থনৈতিক আনগ্ৰসৰতাৰ সংকটৰ পৰা মুক্ত হব পাৰিব। এইক্ষেত্ৰত চৰকাৰীভাৱেও নতুনকৈ ন ন উদ্যোগ হাতত লৈ সমাজখনৰ নাগৰিকক উৎসাহিত কৰি কৰ্ম-সংস্কৃতিৰ ক্ষেত্ৰখন শক্তিশালী কৰাত গুৰুত্ব দিয়াতো সমাজখনৰ বাবেই মঙ্গলজনক।

## অমৃত বচন



**আত্মনিৰ্ভৰশীল হ'বলৈ শিকা, তেতিয়াহে সংসাৰক প্ৰকৃততে ভাল পাব পাৰিবা।**

**—স্বামী বিবেকানন্দ।**

# শিক্ষাৰ উদ্দেশ্য কি হোৱা উচিত

**কবিতা দেৱী,** প্ৰাক্তন ছাত্ৰী

শুদ্ধ শিক্ষা আৰু শুদ্ধ ভগৱানৰ মাজৰ পাৰ্থক্য অতি কম। প্ৰকৃত ধৰ্মই আমাক যিদৰে জ্ঞান দিয়ে, সাধু, সত্যপৰায়ণ, উপকাৰী হ'বলৈও উপদেশ দিয়ে। সেইদৰে প্ৰকৃত শিক্ষাই সৎ চৰিত্ৰসম্পন্ন, সদাচাৰ, সমভাষ হ'বলৈ পৰামৰ্শ দিছে। দাৰ্শনিক বিচাৰ, শুদ্ধ নীতি, নিৰহংকাৰ, কু-সংস্কাৰ বৰ্জন কৰাটো আমাৰ ছাত্ৰসকলৰ অতি প্ৰয়োজন। ভগৱানে মানৱ জাতিক বিচাৰ-বিবেচনা কৰিবলৈ শক্তি দিছে। সেইদৰে শুদ্ধ শিক্ষাই পাৰ্থিৱ সংকীৰ্ণতা, অপ্ৰীতি, কদাচাৰ, ত্যাগ কৰি প্ৰগতিশীল চিন্তাৰ পটভূমিত নিজকে সমাজত প্ৰতিষ্ঠা কৰিবলৈ বিভিন্ন উপায় উদ্ভাৱন কৰিছে। সাহিত্য, কলা, সংস্কৃতিৰ মাধ্যমেৰে সৃষ্টিৰ বুকুত চেষ্টাক আৱিষ্কাৰ কৰা প্ৰৱণতাক প্ৰকট কৰি পেলাইছে। অতীতৰ ঈশ্বৰক বাদ দি শিক্ষাৰ মাজত গুণগত পাৰ্থক্য দেখা পোৱা নাই। ধৰ্মই শিক্ষা আৰু শিক্ষাই আছিল ধৰ্ম বা ঈশ্বৰৰ তত্ত্ব।

শিক্ষাৰ মূল বুনিয়াদ হৈছে চৰিত্ৰ গঠন, শিশুকালৰ পৰা ধৰি এজন পূৰ্ণাঙ্গ সুস্থ মানসিক গুণসম্পন্ন ব্যক্তি হিচাপে গঢ়ি তোলা। গান্ধীজীয়ে কোৱাৰ দৰে Head, Heart and Hand তিনিটাৰ উন্নতি হ'লেহে এজন মানুহ পূৰ্ণাঙ্গ বুলি ধৰিব পাৰি। শিক্ষাই মানুহৰ অপ্ৰীতি ব্যভিচাৰ নাইকীয়া কৰি এজন নিকা সংস্কাৰমুখী ব্যক্তি সৃষ্টি কৰে। শিক্ষাৰ মূল লক্ষ্য হৈছে সামাজিক চেতনাবোধ, নিজৰ বুদ্ধি বৃত্তিৰে জীৱনলৈ অহা যিকোনো সমস্যা সমাধান কৰাৰ যোগ্যতা, সমাজৰ প্ৰতিজন ব্যক্তিৰ প্ৰতি মৰম, দয়া, ক্ষমা, সহনশীলতা সৃষ্টি কৰিব পৰা গুণ। শিক্ষাৰ কোনো সীমা ৰেখা নাই। ই জীৱন জোৰা সাধনা। জ্ঞান মহাসাগৰত সাঁতুৰিবলৈ হেঁপাহ থাকিব লাগিব। যি শিক্ষাত মানৱতাবোধ, চাৰিত্ৰিক বৈশিষ্ট্য, আধ্যাত্মিক জ্ঞান নাই, তেনে শিক্ষা, সাহিত্য, শিল্প, কলা, কৃষ্টি-সংস্কৃতি অসাৰ পলস। শিক্ষাই আনে মানৱ প্ৰেম, সত্যৰ অন্বেষণ, শিক্ষক, পিতৃ-মাতৃ, জ্যেষ্ঠজনৰ প্ৰতি শ্ৰদ্ধা ভক্তি। এই ক্ষেত্ৰত অভিভাৱক, সমাজ বিশেষকৈ শিক্ষা গুৰুসকলৰ কথা, চাল-চলন, ব্যৱহাৰ, পোছাক এই সকলোবোৰৰ প্ৰভাৱ ফুল-কুমলীয়া শিশুসকলৰ ওপৰত ক্ৰিয়া কৰে। শিক্ষক হ'ল অভিভাৱক, দায়িত্বশীল ব্যক্তি। শিক্ষকৰ সুস্থ ব্যক্তিত্বই ছাত্ৰ-ছাত্ৰীৰ পথ প্ৰদৰ্শক।

ওপৰত উল্লেখিত শিক্ষাৰ গুণসমূহ আমি যদি অনুশীলন কৰি জীৱন সংগ্ৰামত বাস্তৱত ৰূপায়ণ কৰিলোহেঁতেন নিশ্চয় শিক্ষাৰ মূল তত্ব, উদ্দেশ্য, লক্ষ্য ভ্ৰষ্ট নহ'লহেঁতেন অৰ্থাৎ শিক্ষাৰ অপচয় হ'বলগীয়া নহ'লহেঁতেন। মুধাফুটা ডিগ্ৰীধাৰী উচ্চ পদ-মৰ্যদাৰ বিষয়াই ধনৰ আত্মসাত, শিশুৰ খাদ্য বস্তু অপচয়, ছাত্ৰই শিক্ষকক অপমান, শিক্ষকে নিজৰ ছাত্ৰীৰ ওপৰত অশালীন ব্যৱহাৰ, বলাৎকাৰ, পৰীক্ষাগৃহত নিৰীক্ষকে পৰীক্ষাৰ্থীক অসৎ উপায় লোৱাত সহায় কৰা, বৃদ্ধ পিতৃ-মাতৃক নিঃসহায়, নিঃসঙ্গ কৰি বাটত, বৃদ্ধাশ্ৰমত এৰি থৈ যোৱা, পিতৃ-মাতৃক আৱৰ্জনা জ্ঞান কৰি নিজে সুখত থকা, ঘৰত কাম কৰা কিশোৰীৰ ওপৰত শাৰীৰিক, মানসিক নিৰ্যাতন চলোৱা, পৰকীয়া প্ৰেমত পৰি বিবাহিত পত্নীক নিৰ্যাতন, অমানসিক অত্যাচাৰ এইবোৰৰ দ্বাৰা বৰ্তমান সমাজৰ মূল ভেঁটিটোতে ঘূণে ধৰিছে। শিক্ষাই সংস্কাৰ কৰি এজন সুস্থ মস্তিষ্কৰ পূৰ্ণাঙ্গ মানুহ সৃষ্টি কৰাত যেন ব্যৰ্থ হৈছে। ই শিক্ষাৰ অৱক্ষয়।

শিক্ষক জীৱনৰ বাস্তৱ অভিজ্ঞতাৰে শিক্ষকৰ উন্নতি আৰু মানৱ জীৱনত ইয়াৰ প্ৰয়োগ সম্পৰ্কে কিছু কথা আলোচনা কৰিবলৈ চেষ্টা কৰিছো। বাস্তৱ দৃষ্টিকোণৰপৰা বিবেচনা কৰি ক'ব পাৰি যে শিক্ষা কেৱল বিধিগত ভাৱে পাঠদান কৰা অনুষ্ঠানেই নহয়, ই সমাজ জীৱনৰ বহুল পৰিসৰৰ মূল কেন্দ্ৰস্থল। সামাজিক জীৱন বিচ্ছিন্ন বা সমাজৰ প্ৰয়োজন আৰু পৰিস্থিতিৰ প্ৰতি আওকণীয়া হৈ থাকিব নোৱাৰে। ই সামাজিক জীৱনৰ অবিচ্ছেদ্য অংগ আৰু প্ৰাণকেন্দ্ৰ। শিক্ষাৰ মূল হ'ব লাগে নৈতিক চৰিত্ৰ গঠন, যাতে শুদ্ধ পথত শুদ্ধ মানসিক চিন্তাৰে অগ্ৰসৰ হ'ব পাৰে, প্ৰতিজন

ছাত্ৰ-ছাত্ৰীয়ে আত্ম প্ৰকাশ কৰিব পৰাকৈ সুযোগ পাব পাৰে। সমাজৰ প্ৰতি থকা গুৰুত্বপূৰ্ণ ভূমিকা গঢ়ি তোলাটো প্ৰয়োজন। শিক্ষাত জ্ঞান অভিজ্ঞতা, অন্তদৰ্শনৰ ওপৰত গুৰুত্ব দিব লাগে। তাত্বিক দিশৰ পুথিগত জ্ঞানে ছাত্ৰৰ ব্যৱহাৰিক জীৱনত বৰ প্ৰভাৱ পেলাব নোৱাৰিলেও ভৱিষ্যত জীৱনত পথৰ সন্ধান দিয়াত সহায় কৰিব পাৰে। অনুশাসনহীন শিক্ষণ, পৰিয়াল, স্কুল, সমাজ সকলো ক্ষেত্ৰতে বিপদজনক। ছাত্ৰ-ছাত্ৰীৰ মানসিক জগতখন নিকা আৰু শুদ্ধ চিন্তাৰে গঢ় নল'লে ভৱিষ্যতে যিমানেই শিক্ষা গ্ৰহণ কৰি সমাজৰ নেতৃত্ব ল'লেও নিকা ভাবাদৰ্শৰ পৰিচয় দিব নোৱাৰে। শিক্ষাৰ লগতে ধৰ্ম্মৰ বিশ্বাস, ঈশ্বৰ তত্ব, জীৱনত কৰি যোৱা কামৰ ফলাফল, মানবীয় প্ৰমূল্যবোধ, সামাজিক দায়বদ্ধতা, শিষ্টাচাৰ আদি গুণবোৰ শিক্ষাৰ অবিচ্ছেদ্য অংগ হিচাপে গণ্য হোৱা উচিত। বৰ্তমান যুগৰ সমাজ ব্যৱস্থা যিদৰে ঐহিক দেহজ ভোগ বিলাসিতাৰ প্ৰতি আকৰ্ষিত হৈছে সিমানেই ব্যক্তিকেন্দ্ৰিক চিন্তাই সমাজৰ নৈতিক চৰিত্ৰ অধঃপতিত কৰিছে। সমাজৰ শান্তি, প্ৰেম, ভাতৃত্ববোধৰ আজি শূন্য বিন্দুত গতি কৰিছে। ইয়াৰ মূলতে শিক্ষাৰ যেন ক'ৰবাত অৱক্ষয় ঘটিছে। ভাবিবলৈ মন যায়, নিৰক্ষৰ, সৰল-সহজ সমাজখন বৰ্তমান শিক্ষিত সমাজতকৈ বহু ক্ষেত্ৰত নিকা। হয়তো এখেতসকলে নিজৰ বুদ্ধি বৃত্তি প্ৰতিভাৰে বৰ্তমান সমাজৰ লগত নিজক প্ৰতিষ্ঠা কৰিবলৈ সমৰ্থ নহ'ব পাৰে। গাখীৰত পানী দি, চাউলত পাথৰ দি, আহাৰত বিষাক্ত দ্ৰব্য মিহলাই, ঔষধত ভেজাল কৰা, সঁচাক মিছা আৰু মিছাক সঁচা কৰা আদি দুষ্ট বুদ্ধিবোৰৰ শিক্ষাৰে শিক্ষিত নহয়। নিজৰ বৃদ্ধ পিতৃ-মাতৃক, ওচৰ চুবুৰীয়া সকলক সদায়ে নিজৰ লগত সমভাগী কৰি শান্তি-সম্প্ৰীতিৰে বসবাস কৰি আছে। পিছে এইটো সত্য যে তাৰ বাবে শিক্ষাৰ মহৎ উদ্দেশ্য বিনষ্ট হোৱা নাই, হৈছে শিক্ষাক বৃত্তি হিচাপে লৈ অপব্যৱহাৰ কৰাৰ বাবেহে। উপাসকৰ দোষৰ বাবে যিদৰে উপাস্য দেৱতা জগৰীয়া হ'ব নোৱাৰে ঠিক সেইদৰে শিক্ষাৰ প্ৰকৃত সত্যক আন্তৰিকতাৰে শুদ্ধভাৱে প্ৰয়োগ নকৰাৰ ফলত শিক্ষিত সমাজতেই বেছি ব্যভিচাৰ, অনাচাৰে গা কৰি উঠিছে। আজি যদি কোনোবাই প্ৰশ্ন কৰে যে শিক্ষা, কৃষ্টি, সংস্কৃতি, সাহিত্য, বিজ্ঞানৰ উন্নতি হোৱা নাই নে কি? হয়, এই সকলোৰে পূৰ্ণ প্ৰয়োগেৰে উৰ্দ্ধগামী হৈছে, প্ৰাচ্য-পাশ্চাত্যৰ সমন্বয়ত গঢ় লৈ উঠিছে বিশ্ব সভ্যতা, দুৰ্বাৰ গতিত, নব নব আবিষ্কাৰ হৈছে বিজ্ঞানৰ, সাহিত্য জগতখনত অতি উচ্চ মানৰ কিতাপ ছপা হৈ ওলাইছে, ধৰ্মৰ জয়যাত্ৰা পূবে-পশ্চিমে আকাশ লংঘিছে, শিক্ষাৰ উন্নতি দ্ৰুত গতিত অগ্ৰসৰ হৈছে এই সত্য অস্বীকাৰ কৰাৰ সাহস কাৰোৰে নাই।

ইমান উন্নতি হোৱাৰ পিছটো বিশ্বৰ মানৱ সমাজখনত নৈতিক, চাৰিত্ৰিক, শৈক্ষিক, ধৰ্মৰ, সাহিত্যৰ সংস্কৃতিৰ মানৱতাবোধৰ যিদৰে উন্নতি হ'ব লাগিছিল, কিন্তু হৈছে বুলি বাস্তৱত স্বীকাৰ কৰাৰ অৱকাশ নাই। নহ'লেনো অসমীয়া ভাষা সাহিত্যৰ হৃদপিণ্ড সাহিত্যৰ মূলাধাৰ জ্ঞান আৰিয়া লৈ থকা ব্যক্তিৰ মাজতে অৰিয়া অৰি হয় কিয়? ধৰ্ম বুলিলে সমাজৰ, দেশৰ, পশু, পক্ষী, জীৱ-জন্তুৰ সকলোৰে মঙ্গল কামনাই প্ৰকৃত ধৰ্ম, তেনেহ'লে অসংখ্য জীৱ-জন্তু, তেজ মঙহৰ মানুহ নিৰ্ম্মম ভাৱে হত্যা কৰিব লাগিছে কিয়? উচ্চ মুধাফুটা শিক্ষিত সমাজতেই বেছি ব্যক্তিকেন্দ্ৰীক চিন্তাই গ্ৰাস কৰা পৰিলক্ষিত হৈছে। ভৱিষ্যতে নিজৰ পুত্ৰ-পৰিবাৰ, আত্মীয় সকলৰ সুখ-শান্তি, বিনোদনৰ বাবে চৰকাৰী ধনৰ আত্মসাৎ কৰি ফাঁকি দি বিদেশী বেংকত কোটি কোটি টকা জমা ৰখা সকল জানো বৰ্তমান শিক্ষাৰে শিক্ষিত লোক নহয়? সেইবাবে ক'ব খুজিছো এই শিক্ষাই মানুহৰ উন্নতি, বৌদ্ধিক, আত্মচেতনা সংস্কাৰ সাধন কৰি এজন পূৰ্ণাঙ্গ মানুহ গঢ়ি তোলাত যেন বিফল হৈছে।

"গীতাৰ" এটি কথা অতি তাৎপৰ্যপূৰ্ণ— সেয়াই হৈছে 'নিষ্কাম কৰ্ম। কৰ্মই ধৰ্ম। কৰ্ম কৰা কিন্তু ফলাফলৰ আশা নকৰিবা।' সদায় সত্যৰ পথেৰে খোজ কাঢ়িলে হেনো পিছলি পৰাৰ ভয় নাথাকে।

শিক্ষাৰ্থীয়ে প্ৰথমে বুজা উচিত যে 'শিক্ষাৰ উদ্দেশ্য কি হোৱা উচিত'? মই বিদ্যালয়লৈ কিয় যাম, বিদ্যালয়লৈ যোৱাৰ লক্ষ্য কি, উদ্দেশ্য কি? লক্ষ্যবিহীন শিক্ষাই শিক্ষাৰ্থীসকলক একো উপকাৰ সাধন কৰিব নোৱাৰে। সেয়েহে লক্ষ্য স্থিৰ কৰি শিক্ষাৰ্থীয়ে শিক্ষাৰ জ্ঞান আহৰণ কৰিব লাগে। সাধাৰণতে সমাজৰ প্ৰত্যেকজন ব্যক্তিয়ে জীৱনৰ পুৱাবেলাৰ পৰাই শিশুক গঢ় দি প্ৰস্তুত কৰাৰ চেষ্টা কৰাটো বহু প্ৰয়োজন। ■

**অমৃত বচন**

*আমি এনে শিক্ষাহে ল'ব লাগে যি শিক্ষাই চৰিত্ৰ গঢ়ে, মানসিক উৎকৰ্ষ সাধন কৰে, বুদ্ধিৰ বিকাশ ঘটায় আৰু প্ৰত্যেককে নিজৰ ভৰিৰ ওপৰত থিয় হ'বলৈ শিকায়।*

*— স্বামী বিবেকানন্দ*

# খাদ্য আৰু জাতীয় জীৱন

**পূৰ্ণানন্দ নাথ,** মুৰব্বী অধ্যাপক, ৰাজনীতি বিজ্ঞান বিভাগ

খাদ্যই প্ৰাণ। খাদ্যই জীৱন। খাদ্যই গঢ়ে জাতীয় জীৱন। এই অনুভৱকে ভিত্তি কৰি হাবা খোৱাৰ সময়ত বা বিৰামৰ সময়ত অসমীয়াৰ খাদ্যৰ বৰ্তমান স্থিতি সম্পৰ্কে আলোকপাত কৰিবলৈ বিচৰা হৈছে। যিহেতু খাদ্য সম্পৰ্কীয় কথা, কাগজ-পাত অলপ খাব। কাৰণ জাতীয় জীৱন বুলিলেই নৃগোষ্ঠীয় খাদ্য সমাহাৰক বাদ দি অসমীয়া জাতীয় জীৱনটো অংকন কৰিব নোৱাৰি। আকৌ অসমৰ বিভিন্ন নৃগোষ্ঠীয় গোটৰ বা বিভিন্ন ঠাইৰ খাদ্য বিভিন্নতাক স্বীকাৰ নকৰাকৈ অসমীয়া জাতীয় জীৱনটো অংকন কৰিব নোৱাৰি। এই যে খাদ্য সম্ভাৰ আৰু ভিন্নতা সেইবোৰ স্বীকাৰ কৰি জগতগুৰু শঙ্কৰদেৱে সবাৰে গ্ৰহণীয় কেঁচা আহাৰ বুট-মাহ, চাউলৰ মিশ্ৰণৰ প্ৰসাদ উলিয়ালে। নাম আৰু নামঘৰক মাধ্যম কৰি জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে সকলোকে একত্ৰ কৰিলে। অসমৰ উৎসৱে-পাৰ্বণে এক জাতীয় ভোগৰূপে স্বীকৃতি কৰিলে। এটা জাতীয় জীৱনৰ সূচনা কৰাত খাদ্যৰ প্ৰভাৱ যে আছে সেইটো শঙ্কৰগুৰুৱে অনুভৱ কৰিলে।

পোন্ধৰশ শতিকাতে জাতীয় জীৱনৰ ভেটি নিৰ্মাণ হ'ল। এতিয়া একবিংশ শতিকা। প্ৰগতিৰ বাটত জাতীয় পৰিচয়ৰ ক্ষেত্ৰত মাৰ খোৱাৰ সম্ভাৱনা কিছু আহিল। বৰ্তমান পৰিয়ালত জন্মদিবস উদ্‌যাপন কৰোতে মম জ্বলাই কেক কটাৰ দিন। মাহ-প্ৰসাদ ঠিক এলাগিৰ ঘৰলৈ যাব লগা হ'ল। সান্দহখোৱা গাঁৱৰ ল'ৰাই জলপানৰ মখা চিনি নাপায়। মখা বুলিলে কি কি বুলি প্ৰশ্ন কৰে। মাছখোৱাৰ নগৰীয়া বোৱাৰীয়ে বেচেলি মাছ চিনি নাপায়। পিঠাখোৱাৰ ল'ৰাই দহটা অসমীয়া পিঠাৰ নাম একে উশাহতে ক'ব নোৱাৰা হ'ল। পিঠাখোৱাত এতিয়া ঘৰে ঘৰে ঢেঁকী নাই। তপকমৰাই গাঁৱৰ ল'ৰাক যদি সুধা হয় শুকান জলপান চোবালে এটা শব্দ হয়, শব্দটো কি? উত্তৰৰ সলনি এক ভেবা লগা দৃষ্টিহে চকুত পৰিব। মকৰ মকৰ কৈ শব্দ হয় বুলি ক'ব নোৱাৰে। যিকোনো আঞ্জাত নহ'লেই নহয় বাবে আলুৰ এটা নাম আছে 'আঞ্জা সুন্দৰী'। পিছে সেই আলুৰ যে ভিন্ ভিন্ নাম আছে আৰু অসমতেই যে ভিন্ ভিন্ আলু উৎপাদন হয় বা হৈছিল সেই কথাটো আজিৰ প্ৰজন্মই নাজানে। পাঁচবিধ অসমৰ আলুৰ নাম কোৱা বুলিলে আজিৰ প্ৰজন্মই উত্তৰ দিয়াৰ সলনি প্ৰশ্নকৰ্তাক প্ৰশ্ন ভুলকৈ সুধিছে বুলি খঙেৰে চাব। কাঠআলু, মোৱাআলু, খাছীয়াআলু, শ'লজুকীয়া আলু, গৰীয়া আলুবোৰ মুখৰপৰা হেৰুৱাৰ দিন আহিল।

ৰসগোল্লাৰ বাবে ওৰাং বিখ্যাত, কিন্তু তিলপিঠাৰ বাবে অসম বা অসমৰ একোখন ঠাই বিখ্যাত নহ'ল। দুখ লাগে। পেৰাৰ বাবে গোলাঘাট বিখ্যাত, কিন্তু টেকেলী পিঠাৰ বাবে অসম বা অসমৰ একোখন ঠাই বিখ্যাত নহ'ল। টেকেলী পিঠাক বিখ্যাতৰ শাৰীলৈ নিবলৈ সাহ নকৰে। কালাকান্দৰ বাবে জাগীৰোড বিখ্যাত, তিলৰ লাৰুৰ বাবে এখনো ঠাই বিখ্যাত নহ'ল। তিলৰ লাৰুক বিখ্যাতৰ মৰ্যাদা দিবলৈ লাজ লাগে। থলুৱা খাদ্যই দেখোন নিজৰ ঠাইতে ক'তো বিশিষ্টতাৰ আসন দখল নকৰিলে? বাহিৰৰ খাদ্যই বাণিজ্যিক বিস্তাৰৰ বাবে অসমত বিশিষ্টতাৰ আসন ঠাই বিশেষে দখল কৰিলে। অসমীয়া খাদ্যৰ ই এটা প্ৰধান বৈশিষ্ট্য।

খোৱাৰ নামত অসমীয়াই অপবাদ খায় আৰু অপবাদ হজম কৰিবও পাৰে। সোতৰশ-ওঠৰশ শতিকাৰ ভিতৰত অসমীয়াই এটা অপবাদ ল'লে 'খাৰখোৱা অসমীয়া'। কোনোবাই জানো নিজে নিজক অপবাদ দিয়ে? খাৰ চিনি নোপোৱা বিজতৰীয়া বাহিৰৰজনেই নিজৰ অস্তিত্ব জাহিৰ কৰিবলৈ এই অপবাদ জাতীয় অপবাদ বুলি জাপিলে বুলি অনুভৱ হয়। বৰ্তমান একবিংশ শতিকাৰ প্ৰজন্মই অখাদ্যকো খাদ্য ৰূপে লৈছে। লক্ষণ ভাললৈ নে বেয়ালৈ সতকাই কোৱা টান। চীনাইহে সাপ খাব পাৰেনে? এতেকে খাদ্য বিপ্লৱৰ বৃহৎ মেলাত সোমাই নতুন সোৱাদ লওঁবুলি দুই একে ভজা সাপ চোবাইছে। ঠিক সেইদৰে মেক্সিকান খাদ্য

পোক-পতংগ আৰু গোবৰুৱাৰ চাটনি চেলেকিছে। খাদ্যমেলাত কিমানবিধ যে অখাদ্য মঙহ! নাই কি? নেউল, শামুক, গুঁই সাপ, কেঁকোৰা, কাউৰী, কুকুৰ, পলু, নিগনি, ডালশলীয়া আদিৰ মঙহ মোক খা মোক খা কৈ ওলায়। এনে অখাদ্য খাই অসমীয়া ডেকাই বৰ্তমান ওকালি নামাৰে। প্ৰমাণ দিয়ে সৰ্বভোজী। একবিংশ শতিকাত সৰ্বভোজী হৈ উঠা অসমীয়াই জাতীয় অপবাদৰ নামত কি বা নাম পায়? খোৱাৰ নামতেই আগতে অপবাদ পাইছে যেতিয়া অপবাদৰ ধাৰাবাহিকতা সহিব পাৰিব। অসমীয়াই অপবাদ হজম কৰিব পাৰে। অসমীয়া খাৰখীয়াৰ ই এক প্ৰধান বৈশিষ্ট্য।

অপবাদৰ ধাৰাবাহিকতা ৰাখিবলৈ গৈ অপবাদকাৰীৰ জিভাও যে লুটি খায় তাৰ প্ৰমাণো আছে। ঊনবিংশ শতিকাত দিলে নহয় আনটো অপবাদ। কানীয়া অসমীয়া। অপবাদ দিলেই হ'লনে? অসমীয়াই ভাঙো খায়। ভাঙৰ খোলাত বহে। মদো খায়। মদৰ ঘাটিত বহে। বৰ্তমান অসমীয়া ডেকাই ভাঙৰ খোলাতকৈ হুকা ক্লাবক বেছি অগ্ৰাধিকাৰ দিব খোজিছে। মদৰ ঘাটিতকৈ ৱাইন চ'প, ৰেষ্টুৰেণ্ট, মদৰ বাৰ আদিৰ কেবিনবোৰক বেছি অগ্ৰাধিকাৰ দিব খুজিছে। কানি খোৱাৰ ফলস্বৰূপে এলেহুৱা হৈছিল বুলি বদনাম অসমীয়াই ল'লে। পিছে এতিয়া ধোঁৱা, পানীয় সেৱন কৰি অসমীয়া ডেকা-গাভৰু দুঃসাহসী হৈছে। এবিধ খাদ্যকে জিভাত লুটি খোৱাই খোৱাই কিমান নামেৰে যে নামাতে! চেপেটা, প্ৰিং, গেলা, কোৱাৰ্টাৰ, হাফ, ফুল আদি শব্দকেইটা উচ্চাৰণ কৰিলেই হ'ল। খাদ্যফেৰানো কি কোনে নজনাকৈ থাকে? এটা বস্তুকে বিভিন্ন নামেৰে মতাৰ ক্ষেত্ৰত বাৰম্বাৰ যে জিভা লুটি খায় সিও একপ্ৰকাৰৰ দুঃসাহস। এনে দুঃসাহসেৰে অসমীয়া ভাষা চহকী কৰিবলৈ যাওঁতে চেপেটা খোৱা অসমীয়া বুলি এফেৰা অপবাদ পোৱাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি।

খোৱাৰ নামত অসমত এতিয়া ভ্ৰাম্যমাণ ৰন্ধনশালাৰ পয়োভৰ। পাকঘৰৰ খাদ্যই আমুৱাইছে। বাটে-ঘাটে থিয়ৈ থিয়ৈ আহাৰ গ্ৰহণ কৰাটো এটা চখ হৈ পৰিছে। নহ'লেনো ভ্ৰাম্যমাণ ৰন্ধনশালাই গাঁৱৰ তিনিআলি/চাৰিআলি দখল কৰেনে? অসমীয়াৰ অৱশ্যে 'ভ্ৰাম্যমাণ ৰন্ধনশালা' দুটা শব্দ উচ্চাৰণ কৰাৰ বেলিকা জিভা টপ্‌কৰে ঘূৰ নাখায়। কিন্তু "ষ্ট্ৰীট্ ফুড" শব্দদুটা পট পটকৈ জিভাৰে ঘূৰ খাই ওলায় আহে। 'ষ্ট্ৰীট্ ফুড'ৰ দোকানত খাদ্য সামগ্ৰী পটাপট তৈয়াৰ হয়। কিমান যে খাদ্য সামগ্ৰী! ম'ম, চাওমিন, পকোৰা, ৰ'ল, জালমুৰী, কচুৰী, ফুচ্‌কা, বেগুনী চপ, কাটলেট, ইডলি, কুলফী আদি অলেখ। ভাগ্য ভাল যে থলুৱা খাদ্য খোলাচাপৰী পিঠা, চিৰা লাড়ু, তেল পিঠা আদি ষ্ট্ৰীট ফুডৰ তালিকাভুক্ত হোৱা নাই। অসমীয়া মানুহৰ জিভাৰো কিন্তু এটা বৈশিষ্ট্য আছে। বাটে-ঘাটে থিয়ৈ থিয়ৈ অসমীয়া খাদ্য লোভ থাকিল বুলিয়েই নাখায়। বজাৰৰ মাৰ্কা খাদ্য সম্ভাৰহে বাটে-ঘাটে খোৱাত অসমীয়া মানুহ অভ্যস্ত। ভ্ৰামামাণ ভোজনশালাৰ গৰাকীও কিন্তু অসমীয়া মানুহ হ'ব নোখোজে। এইবোৰ দেখি শুনি ক'ব পাৰি যে অসমীয়া খাদ্যক লৈ অসমীয়া মানুহৰ এক গোপণীয় চহকী অভিলাস আছে।

একবিংশ শতিকাৰ অসমীয়াই বাণিজ্যিকীকৰণৰ প্ৰবল ঘহনি যে খাইছে সেইটো নিশ্চিত। অসমীয়াৰ জিভাখন খোৱা-বোৱাৰ ক্ষেত্ৰত বেছিকৈ বাণিজ্যিকীকৰণ সপক্ষে গৈছে বুলি ভবা হয়। ফুড ফেয়াৰ, ফুড ফেষ্টিভেল, ইন্‌ষ্টেণ্ট ফুড, বেবি ফুড, মিড ডে মিল্ক, ফ্ৰাইড ৰাইচ, ডায়েট চাৰ্ট, জাংক ফুড, টিন ফুড, প্ৰছেছ ফুড, নিউ ইয়েৰ কেক, বাৰ্থডে কেক আদিয়ে পৰম্পৰাগত বাণিজ্য বৰ্হিভূত অসমীয়া খাদ্য সম্ভাৰক ইতিমধ্যে দুৰ্বল প্ৰতিযোগী বুলি চিহ্নিত কৰিছে। ফুড ফেয়াৰত কলপাতত বান্ধি সিজোৱা বৰা চাউলৰ 'টোপোলা ভাত' ৰাইজে চাইহে, নাখায়। কুঁহিয়াৰৰ পকা ৰহত দিয়া বগৰী আৰু ঔটেঙাৰ বখলাৰ ফুড ফেয়াৰত ওলাবলৈ সাহেই হোৱা নাই। ফুড ফেয়াৰত অসমীয়া খাদ্য সম্ভাৰৰ তালিকা পুতৌলগা। তিলপিঠা, চুঙাপিঠাৰ বাহিৰে ঘিলা, পানী, তেল, কল, কঠাল আৰু তালপিঠা আদিয়ে ফুড ফেয়াৰ সবলভাৱে দখল কৰিবলৈ সক্ষম হোৱা নাই। ৰহিপাহ বুলি যে এবিধ পায়স আছে সেইয়া ফুড ফেয়াৰত প্ৰদৰ্শনৰ হেঁপাহ অসমীয়াৰ কেতিয়াবাই মৰহিল। ফুড ফেষ্টিভেলত ধানৰ ভাপত সিজোৱা কচুথোৰ জাতিৰ বাবে অপমানৰ কাৰক হ'ব বুলিয়েই অসমীয়াই ভাবে। খলিহৈ, খাৰলি, বাঁহৰ চুঙাত সংৰক্ষণ কৰি ৰখা শুকটি, বাঁহৰ চুঙাত গৰম ভাতৰ লগত চকল চকলকৈ মাছ কাটি কলপাতেৰে সোঁপা দি ৰখা টেঙা-মাছ, চুঙাত সিজোৱা মঙহ, চুঙাত সিজোৱা ভাত আদিক বাণিজ্যিক খাদ্য বুলি ক'বলৈ অলপ অসহজ-অসহজ লাগে। এইবোৰ বাণিজ্যিক খাদ্য কৰিব খুজিলে অসমীয়াই খঙহে খায়। ভীমকল-পিঠাগুৰি-গাখীৰৰ মিশ্ৰণক শিশুৰ জাতীয় খাদ্য বুলি ক'বলৈ ইতঃস্ততবোধ কৰে। আনহাতে লেক্‌ট'জেন, চেৰলেক, হৰলিক্স, ব'ৰ্নভিটা, মালটোভা আদি বেবি ফুড বুলি ক'বলৈ অকণো দ্বিধাবোধ নকৰে। চেৰলেক, ব'ৰ্নভিটা আদি খালী টেমাকেইটাৰো মূল্য সুকীয়াকৈ নিৰূপণ কৰে। ভজা চাউল, পিঠাগুৰি, মগুৰ-মচুৰ দাইল আদি ভৰাই থ'ব পাৰি। জলপানৰ কলহ টেকেলীৰ মূল্য নিম্নগামী হ'বলৈ ল'লে। বজাৰৰ বিভিন্ন খালী টিন-প্লাষ্টিকৰ টেমাবোৰ মূল্যবান বা লাগী হ'ল। বাণিজ্যিকীকৰণে নিজৰ আপোন সম্পদক এলাগী কৰাত হাত উজান দিছে।

অসমীয়াৰ ৰন্ধনশালৰ দুৱাৰখন বহলকৈ খোলখোৱা। অসমীয়া ৰান্ধনীয়ে খাদ্য প্ৰস্তুতকৰণ, সংৰক্ষণ আৰু বিতৰণৰ ক্ষেত্ৰত উদাৰীকৰণৰ সপক্ষে থিয় দিছে। উদাৰীকৰণে ৰান্ধনীৰ মুখলৈ অনাবিল হাঁহি আনিলে। এতেকে বৰ্তমান সময়ত ৰান্ধনীৰ ক'লা মুখ, ভোজনত নাই সুখ কথাষাৰ নিস্ফল। পাকঘৰৰ

বহল দুৱাৰখনে কি সুমোৱা নাই। কোনো নহয় কোনো বহু জাতিক, ৰাষ্ট্ৰীয়, আন্তৰাষ্ট্ৰীয় কোম্পানীৰ প্ৰেচাৰ কুকাৰ, গ্ৰিণ্ডাৰ, ফিল্টাৰ, ৰিফিজাৰেটৰ, গেছ ষ্টোভ, হটকেচ, একুৱাগাৰ্ড, গেছ চিলিণ্ডাৰ, মাইক্ৰ' অভেন, আটক ধুনীয়া ড্ৰাইনিং টেবুল, দিচ্, গ্লাচ, বেকিং চ'ডা, ভেনিলা, এচেন্স, ৰিফাইন তেল আদি। গৃহস্থকো উদাৰীকৰণে অধিক এই ক্ষেত্ৰত উদাৰ কৰি তুলিছে। ঠিক সেইদৰে ঢেঁকীশাল, খুন্দনা, মলা-চৰু, কলাখাৰ, টেকেলী আদি বিসৰ্জন দিয়াৰ ক্ষেত্ৰত সকলোকে উদাৰ কৰি তুলিছে।

অসমীয়া ৰন্ধন শালাৰ দুৱাৰখন উদাৰভাৱে খোল খাই থাকে বাবেই ফৰ্দি, মা-মছলা, হজম, খানচামা, খোৰাক, নিমখ, পেস্তা, ইলাছী, আচাৰ, বাৰ্বুচি, আয়া, আনাৰস আদি আৰবী ফৰাচী আৰু পতুৰ্গীজ মূলৰ শব্দবোৰ অনায়াসে পাকঘৰত সোমাল। অসমীয়া ৰান্ধনী এতিয়া ইমান উদাৰ যে পাৰ্ট-টাইম ৰান্ধনীক লৈহে বৈঠক খানা উজ্জ্বলাব পাৰে। একালত কিন্তু পাকঘৰৰ বাহিৰা মানুহৰ প্ৰৱেশ নিষেধ আছিল। পাকঘৰত কটকটীয়া বান্ধ আজি-কালি খোল খালে।

গোলকীকৰণে থলুৱা অসমীয়াক ভয় খুৱাইছে। অসমৰ নগৰে-চহৰে থকা হোটেল, বাৰ, ৰেষ্টুৰেণ্ট, ধাবা, কেফতেৰিয়া আদি গোলকীকৰণৰ জ্বৰত আক্ৰান্ত হৈছে। এনেবোৰ প্ৰতিষ্ঠানে জিৰা-ৰাইচ, ছিংগাপুৰী ৰাইচ্, ভিজিটেবল বিৰিয়ানি, পোলাও, ইটালীয়ান হাফমোন, পেষ্টা ইটালীয়ান আদি পৰিৱেশন কৰিহে সুনাম বঢ়াইছে। যোগযোগ যাতায়াত ব্যৱস্থা দ্ৰুত বিস্তাৰৰ ফলত এইবোৰ প্ৰতিষ্ঠানে নৱ-প্ৰজন্মক কিমানবোৰ যে খাদ্যৰ সৈতে পৰিচয় কৰাইছে! থাই আহাৰ ক-টম-কা (চিকেন), কা-হু-কুং (ভেজ), কুং-চুপ (চিকেন), কটেজচিজ (মাখন), চেম্ব' চুট (খৰিচা); মেক্সিকোৰ আহাৰ ৰুটি টৰচিলাছ, এৰ'জৰালা, পনীৰ-পিকাডিল, প'ল পিকাডিল (মাছ); কড়ি-কাশ্মীৰী (পকোৰা), চিকেন কাবাব (কাশ্মীৰ), চমন ক্ষীৰ (কাশ্মীৰ), মূলি-কি-পৰঠা (কাশ্মীৰ); মাক্কি-কি-পৰঠা (পাঞ্জাব), মালাই কা লাচি (পাঞ্জাব), চুজি কি হালোৱা (পাঞ্জাব); প্ৰেষ্টি, বাৰগাৰ, পিজা, প্লেটেন, দ'চাই, উপমা, ৰাচামবাৰা, জাপানৰ ফৰিং ভজা, জাম্বিয়াৰ মুমলা নামৰ বিচা ভজা, চীনত উঁই খোৱা মানুহ আছে। খবৰটো গোলকগ্ৰামে পাইছে। যিকি নহওক খাদ্যসামগ্ৰীৰ এনে গোলকীয় বজাৰ বিস্তাৰৰ লক্ষণটোৱে যেন কৈছে — "Be global by global foods" থলুৱা হাৰলং, চুলাই, লাওপানী, মোহনী ভাং, ধতুৰা, থাকোতেও পৰ্টুগালৰ পৰ্ট ওৱাইন, ইটালীৰ বিয়েন্তি ওৱান, মাৰিজোৱানা আহি অসমত সোমাল। থলুৱা কলপাত, কলৰ বৌখা, ঢকুনা আদি থাকোতেও মহাভোজত আহি ভোজপত্ৰ বা আধুনিক প্ৰ'টেবল দিচ্-প্লাচ সোমাল। গোলকীয় পৃথিৱীৰ লগত খোজ মিলাবলৈকে ডাঙৰ-ডাঙৰ হোটেল, ৰেষ্টুৰেণ্ট, ৰিজ'ৰ্ট আদিয়ে এইখন অসমতে গুৰু আহাৰ পৰিৱেশন কৰোতে আধুনিক খাদ্যৰ থালখনৰ চুকত খোদমান পৰিমাণৰ ঢেকিয়াৰ ভাজি, মাছৰ চৰচৰি, মাহগুড়ি পিটিকা, পোৰা মাছৰ পিটিকা আদি দি বাকী অন্য সমস্ত খাদ্যৰ পৰিমাণ বঢ়াই পৰিৱেশন কৰে। খাদ্যৰ এনে পৰিৱেশন কলাই বুজাব খোজে যে থলুৱা খাদ্যসমূহ তৃতীয় শ্ৰেণীৰ খাদ্য। ঔ-টেঙা, কচুগুটিৰ মাছৰ আঞ্জা, কোমোৰাৰ মাছ সহ সাৰৰ আঞ্জা, এশবিধ শাকৰ মাছৰ জাল আদি কিন্তু পৰিৱেশন নকৰে। এইবোৰ আঞ্জাৰ খবৰ গোলকীয় পৃথিৱীক জনাবলৈ সাহস অৱশ্যে এনে পশ্চিমপন্থী প্ৰতিষ্ঠানে নকৰে। প্ৰকৃততে এনে থলুৱা আঞ্জাৰ সুকীয়া বিশিষ্টতাক এতিয়াও পশ্চিম পন্থী সকলে লৰচৰ কৰিব পৰা নাই। তথাপি এটা দুৰুদুৰু কঁপনি অসমতে বাহিৰৰ আঞ্জা বা কাৰীৰ ইমান দপ্‌দপনি।

উদাৰীকৰণ, গোলকীকৰণ, বাণিজ্যিকীকৰণে অসমৰ খাদ্যাভ্যাসৰ ওপৰত অশুভ প্ৰভাৱ পেলালেও খোৱা-বোৱাৰ নামত অসমীয়াই যে ধাৰ নাখায় সেইটো প্ৰমাণ কৰিব পাৰে। কাৰণ অসমীয়াই মাছে গৰকা পাচলি খাবই। মলঙি যোৱা চাউলৰ ভাত নাখায়। ধেনা নাৰিকল ব্যৱহাৰ নকৰে। তামোলৰ লগত লালি সনা ধপাত খাবই। কুঁহিয়াৰৰ পকা ৰহত মুঠি ডাবৰি পেলাই কোনো জাতিয়ে নোপোৱা সোৱাদ অসমীয়াই ল'বই। জন্ম দিনত পিঠাৰে যে গা সেকে সেই কথা নেপাহৰে। শেলেকু সিজাই খাইও যে ভোক নিবাৰণ কৰিব পাৰে সেই কথাটো অসমীয়াৰ বাহিৰে আনে নাজানে। মাহী জলপান খোৱাই মৰমৰ স্পৰ্শৰে যে জ্বৰ খজুৱটি ভাল কৰিব পাৰে সেই কথাটো মাথোন অসমীয়াই জানে। আপোনহাত জগন্নাথ বুলি ভাবিব পৰা অসমীয়াই নিজে গঢ়া বানবাটি, মাইহাং বাটি, কাঁহৰ কাঁহী, পিতলৰ টৌ সমুলঞ্চে এৰি কেতিয়াও বাহিৰৰ বাচন-বৰ্তনক আপোন সম্পদ বুলি গ্ৰহণ নকৰে। চাহ অসমীয়াৰ জাতীয় পানীয় বুলি গৌৰৱ কৰাৰ উপযুক্ত স্থল থাকোঁতে, আন দেশৰ পানীয়ক কেতিয়াও আদৰি নলয়।

খাদ্য ৰীতিক লৈও পৰম্পৰাগত জ্ঞান আৰু অভিজ্ঞতাৰে অসমীয়া সমাজ পূৰ্ণ। এতেকে আনৰ খাদ্য ৰীতি ধাৰ নকৰে। পৰম্পৰাগত জ্ঞানেৰেই অসমীয়াই ভাত আৰু ভোকৰ সম্বন্ধ নিৰ্ণয় কৰি আহিছে — 'ভোকৰ সমান ব্যাধি নাই, ভাতৰ সমান ঔষধ নাই।' পৰম্পৰাগত অভিজ্ঞতাৰেই খাদ্য আৰু স্বাস্থ্যৰ সম্বন্ধ নিৰ্ণয় কৰি আহিছে — 'ভোকৰ ভাত, পিয়াহৰ পানী, তাক ন'হলে দেহ হয় হানি।' খাদ্যৰ পৰিমাণৰ লগত স্বাস্থ্যৰ সম্বন্ধ নিৰ্ণয় কৰি আহিছে — 'ভোকত নাখায় ঔ, পিয়াহত নাখায় মৌ।' খোৱা বোৱাৰ স্বভাৱ চাই ব্যক্তিৰ ব্যক্তিত্ব নিৰ্ণয় কৰি আহিছে — 'জ্ঞানীক ভাত দিলে তলমূৰ কৰি খায়, অজ্ঞানীক ভাত দিলে চালে-বেৰে চায়।' এনেধৰণৰ আৰু বহু উদাহৰণ ডাঙি ধৰিব পাৰি। পৰম্পৰাগত এনে জ্ঞান আৰু অভিজ্ঞতা

অসমীয়াৰ কেতিয়াও মচ নাখায়।

নিজস্বতাকলৈ অসমীয়াৰ অহংকাৰ এফেৰা আছে। এনে অহংকাৰ জাতীয় চৰিত্ৰৰ বাবে প্ৰয়োজন। চিৰাভজা, মুড়ি-আদা-জলকীয়া-পিয়াজৰ মিশ্ৰণ, সান্দহ-আদা-জলকীয়া-পিয়াজৰ মিশ্ৰণ, ভীমকল আৰু জলপানৰ মিশ্ৰণ, পিঠাগুৰি আৰু গাখীৰৰ মিশ্ৰণ আদিক ইনষ্টেণ্ট ফুড আৰু জাংক ফুড বুলি ক'বলৈ অসমীয়াৰ জিভা ঘূৰ নাখায়। ততালিকে পাব পৰা মিঠা খাদ্যই ইনষ্টেণ্ট ফুড বা নিমখীয়া খাদ্যই জাংক ফুড। উল্লেখ কৰা মিশ্ৰণবোৰ ততালিকে খাব পৰা খাদ্য। সেই অৰ্থত ইনষ্টেণ্ট ফুড বা জাংক ফুডলৈ প্ৰমোচন পাব লাগে। কিন্তু অসমীয়া এনেবোৰ খাদ্যৰ নিজস্বতা আছে বাবেই ইনষ্টেণ্ট ফুড বা জাংক ফুড হৈ বাটে-ঘাটে, বজাৰে-সমাৰে, হোটেল-ৰেষ্টুৰেণ্টে ঘূৰি ফুৰা নাই। অসমীয়া খাদ্যৰ এক সুকীয়া ওজন আছে।

খাদ্য গ্ৰহণ, পৰিবেশন, সংৰক্ষণ আদিৰ ক্ষেত্ৰত অসমীয়াৰ নিজস্ব কিছুমান ৰীতি-নীতিও আছে। যেনে — বাহী চোতাল সাৰি উঠি পুৱাই গৃহস্থক চাহ দিব লাগে, বাহী মজিয়াত ভাত-পানী দিব নালাগে, বাহী গাৰে ভাত ৰান্ধিব বা পাগ-পানী কৰিব নালাগে। বাহী ভাত ঘৰৰ মূল মানুহজনক দিব নালাগে, বাহি-বাচনত পুৱাই গাখীৰ খীৰাব নালাগে, বাহী ফুৰা কাম ফেৰা ৰাতিপুৱাই কৰিব লাগে, বাহী কাপোৰ পিন্ধি আলহী আপ্যায়ণ কৰিব নালাগে, বাহী ঘৰত অপ্যায়ণ নিষেধ আদি খাদ্য সম্পৰ্কীয় এশ এবুৰি বিধান বিদ্যমান।

অসমীয়া চাহৰো থলুৱা কেইবাটাও নামেৰে শ্ৰেণীবিভাগ অসমীয়াই কৰিছে। যেনে — ৰঙা চাহ, ফিকা-চাহ, চেলেকা-চাহ, জালুক-চাহ, আদা-চাহ আদি। পশ্চিমপন্থীসকলে তাৰ লগতে যোগ দিছে — বে'ড টি, গ্ৰীণ-টি, লেমন-টি আদি। এনেদৰে দুই-তিনিটা নাম সংযোগ ঘটিলেই চাহৰ জাতীয় মৰ্যাদা বিঘ্নিত হ'ব বুলি ভাবিব নালাগে। ভাতৰো যে কিমান বিধে বিধে নাম। যেনে - কৰ্কৰা, মাৰ, মুটুকীয়া, পইতা, জৰজৰীয়া, মখা, পেনপেনীয়া, চাউলীয়া, তপত, অখুৰা ভাত আদি। প্ৰধান আহাৰ ভাতৰ ইমান বিধ নাম থকাৰ পাছত আহিলেই জানিবা ফ্ৰাইড ৰাইচ্, জিৰা ৰাইচ্ আদি দুটামান নাম। একোবিধ খাদ্যৰ থলুৱা ইমানবোৰ নাম থাকোতে ভয় খাব লগা একো কথা নাথাকে।

অসমীয়াত খোৱা-বোৱাক কেন্দ্ৰ কৰি ব্যক্তি বিশেষক বিশেষ খাপ খোৱা নামেৰে মতা হয়। খাদ্য গ্ৰহণ কৰোঁতাৰ খোৱাৰ ধৰণ-কৰণ লক্ষ্য কৰি জীৱ-জন্তুৰ লগত তুলনা কৰি একোটা নাম দিয়া হয়। যেনে — মনে মনে লুকাই খোৱাজনক মেকুৰী, গেলা-পচা বাচ-বিচাৰ নকৰাকৈ খোৱাজনক শগুণ, খিচিৰ-মিচিৰকৈ খোৱাজনক গাহৰি বুলি ইৰ্য্যাকি মাৰে। পানী খাই ধলং পলংকৈ অহাজনক মুটনি খোৱা, একেসাঁজতে দহজনৰ সমান ভাত গিলাজনক বকাসুৰ, খাইছেহে খাইছে কিন্তু মানুহটো পেটুৱা নহয়, তেনে ব্যক্তিক নাও পেটা বোলে। খাদ্য বিতৰণ কৰোঁতাকো খাদ্য বিতৰণৰ ধৰণ-কৰণ লক্ষ্য কৰি বিশেষ নামেৰে মাতা হয়। যি গৰাকী ৰান্ধনীয়ে একে সময়তে পেট, হৃদয় আৰু মনৰ খাদ্যৰে এজন খাওঁতাক সন্তুষ্ট কৰে সেই গৰাকীক লক্ষ্মী বুলি অভিহিত কৰে। খাই থাকোঁতে সংগী লাগে। লগে-ভাগে খালে খাদ্যৰ জুতি চৰে। পিছে খোৱাৰ সংগীজনে যদি খাই থাকোতে ভাত আৰু কথা সমানে চোবাই, নাকেৰে ঘনকৈ উশাহ টানে, নাকৰ পানী বাৰে বাৰে মচি থাকে খোৱাৰ তৃপ্তি পলাই ফাট মাৰে। খাই থাকোতেই যদি উগাৰ মাৰে, ঘনাই হাত চেলেকে, ভাত ফেনেকে, টকালি টকালি জিভা উলিয়াই খায় তেনে পেটপূজকৰ লগত কেতিয়াও প্ৰীতিভোজন নহয়। এনেবোৰ অভ্যাসৰে খোৱাজনক মৰ খকুৱা বোলে।

অসমীয়াৰ সমূহীয়া ভোজনৰ ছবিখন সবাতোকৈ মেলা খোৱা হ'ব সম্ভৱ। সমূহীয়াকৈ খোৱাৰ প্ৰবল হেঁপাহৰ প্ৰমাণ অসমীয়াই দিছে। আন জাতি-গোষ্ঠীৰ ক্ষেত্ৰত সংখ্যাতীত সমূহীয়া ভোজন নাই সম্ভৱ। সমূহীয়া ভোজনৰ কিমানবোৰ যে নাম! চাহ মেল, ভোজমেল, বালিভোজ, বনভোজ, নৈশ ভোজ, ন-খোৱা ভোজ, অন্নপ্ৰসন্ন, বৰভোজ, নৰা-চিঙা ভোজ, ভুঁই ৰোৱা ভোজ, আঠমঙলা, মৃতকৰ শ্ৰাদ্ধ, ভেলাঘৰৰ ভোজ, বছেৰেকীয়া সবাহৰ ভোজ আদি অলেখ। বৰ্তমান সময়ত খাদ্য মেলা, খাদ্য মহামেলা, বৌ-ভাত আদিও অন্তৰ্ভুক্ত হৈছে। কেইবাখনো গাঁৱৰ মানুহ লগ লাগি বৰভোজ খাই যি সম্প্ৰীতি ৰচনা কৰে, এনে সামূহিক খাদ্য গ্ৰহণৰ ছবি সম্ভৱ আন ঠাইত বিৰল। সমূহীয়া বিল-খালত সকলোৱে মাছ মাৰি বৃহৎ পথাৰত এনে ভোজ খায়। ধাননি পথাৰত কাপোৰেৰে আঁৰ-বেৰ দি ধান কটা দাৱনিয়ে খোৱা ভাত সাজৰ তৃপ্তি অতুলনীয়। অসমীয়া নাৰীয়ে খোৱাৰ জাকৈয়া পৰিস্থিতি ৰচনা কৰিব জানে। আঘোন মাহত ধানতলিত কলপাতত নিমখ জলকীয়া সানি ৰবাব টেঙা খোৱাৰ জাকৈয়া পৰিস্থিতিটো সচাকৈ উপভোগ্য।

প্ৰকৃততে খাদ্য বুলিলে জিভাই সোৱাদ লোৱা সমূহ বস্তুকে খাদ্য বোলা হয়। কিন্তু জিভাৰ বাহিৰেও মনৰ আৰু দেহৰো খাদ্য কিছুমান আছে। উদাহৰণ স্বৰূপে চুমা এবিধ মনৰ তৃপ্তিদায়ক আহাৰ। চুমা খালে মনে তৃপ্তি পায়। উজুটি কিল আদি দেহৰ দুখজনক আহাৰ। উজুটি আৰু কিল খালে মানুহে উস-আস্ কৰে অৰ্থাৎ দুখ পায়। ঘোচ এবিধ মনৰ বিকৃত তৃপ্তি পূৰণ কৰা আহাৰ। ঘোচ খাই মানুহ গৰ্বত বেলুন ফুলাৰ দৰে ফুলি উঠে। ভয় এবিধ মানসিক ভীতি উৎপন্ন কৰা আহাৰ। নিমখৰ নাটনি, আলুৰ নাটনি, পিয়াজৰ নাটনি আদি হ'লে মানুহে খাদ্য-দ্ৰব্যৰ দাম বাঢ়িব বুলি ভয় খায়। খঙো এবিধ মনৰ আহাৰ। ৰান্ধনীয়ে সময়মতে আহাৰ নিদিলে গৃহস্থই খং খায়। খাদ্য বস্তুৰ সোৱাদ লোৱা জিভাই আকৌ কেতিয়াবা দাঁতৰ কামোৰ খায়।

নকৰিবলগীয়া কাম কৰোঁতাক এক বিশেষ ধৰণৰ খাওঁতা বুলি অভিহিত কৰে। যেনে — 'খালি খালি। তই অজাতি ছোৱালী আনিলি।' — 'খালি খালি। বন কাটিবলৈ গৈ তামোল পুলিকে কাটিলি।' — 'খালি খালি। তই তোতকৈ সৰু জনকে সেৱা কৰিলি।' ঠিক সেইদৰে এজনে এটা বাক্য কওঁতে যদি থলুৱা শব্দতকৈ আন ভাষাৰ শব্দ বেছিকৈ কয়, তেতিয়া কোৱা হয় — 'খালি খালি। নিজৰ ভাষাকে খালি।' উদাহৰণ স্বৰূপে, এজনে এটা বাক্য কৈছে — 'আজি বেলিভিউ ৰেষ্টুৰেণ্টত বাৰ্থ দে পাৰ্টিৰ কেক্ কাটিলো আৰু ফিচ ফ্ৰাই, পৰ্কৰ মঙহ, ফ্ৰাইড ৰাইচ ফ্ৰেইন্দৰ লগত খুউব এন্‌জয় কৰিলো।' বাক্যটো শুনাৰ পাছত খালি খালি বুলি শব্দ মুখেৰে নোলোৱাকৈ পাৰে?

মাথোন ব্যক্তিৰেই মনৰ খাদ্য নাথাকে, ৰাইজৰো মনৰ সামূহিক খাদ্য থাকে। ৰাইজৰ মনতো দুখ লাগে- আনন্দ লাগে। উদাহৰণ স্বৰূপে — তামোল খাই থাকোতে এজনে কাহৰ উপৰি কাহ মাৰিছে। নৱ প্ৰজন্মৰ এজনক যদি সোধা হয় সেই যে কাহ মাৰিছে সেই ধৰণৰ কাহটোৰ নাম কি? উত্তৰ তপ্‌কৰে নোলায়। 'চৰ্চনি খোৱা বোলে' বুলিবলৈ অপাৰগ। ঠিক সেইদৰে পানী খাই থাকোতে কোনোজনৰ হঠাতে উশাহ নিশাহ বন্ধ হোৱাৰ উপক্ৰম হ'লে পিঠিৰ ফালে হেঁচা দিলে নৱ প্ৰজন্মই সুধে কি হ'ল? পানীয়ে বুকুত ধৰিছে বুলিলে কিং কৰ্তব্য বিমূঢ় দৃষ্টি দিয়ে। পানীয়ে বুকুত ধৰে নেকি বুলি অৱান্তৰ প্ৰশ্ন কৰে। এনে প্ৰশ্নৰ উত্তৰ স্বৰূপে কোনোৱে কয় — 'ছিঃ ছিঃ অসমীয়াৰ মান খালি।' আখল ঘৰৰ চাউল সিজোৱা চুলাৰ ওপৰ ভাগত এখন বাঁহৰ চাঙত ওলোমাই থোৱা থাকে। সেইখন চাঙৰেই বাচন-বৰ্তন, খোৱাৰ সামগ্ৰী আদি তুলি ৰখা হয়। সেই চাংখনৰ নাম কি? প্ৰশ্নৰ উত্তৰ স্বৰূপে ভেৱা লাগি চাই থকা এক দৃষ্টিহে নৱ-প্ৰজন্মই দিয়ে। পাভতি চাং বোলে বুলি ফুটাই কোনেও নকয় বাবে প্ৰশ্নকৰ্তাই উত্তৰ দিয়ে আৰু কয় — 'ছিঃ ছিঃ অসমীয়াৰ মান-ইজৎ গোটেই খালি।' সিজোৱা কণীতকৈ বয়েল কণী কৈ ভাল পায়। চৰবততকৈ মালাই বৰফ, আইচক্ৰিম, ক'ল্ড ড্ৰিংক, লেমনেড কৈ ভাল পায়। জোল, লুঠৰি বোলাতকৈ চুপ, জোচ কৈ ভাল পায়। শব্দৰ মাজৰ এনেবোৰ সংঘাতত পৰম্পৰাগত শব্দবোৰ উচ্ছেদৰ দিশে গতি কৰে যেন অনুভব হয়। এনে উল্লেখিত অনুভৱবোৰ এক প্ৰকাৰ সমূহীয়া অনুভব নহয় নে? এতেকে ৰাজহুৱা বা সমূহীয়া উপলব্ধিত ভোগে বাবেই মুখেৰে ফুটাই নক'লেও অন্তৰতে ৰাইজে কয় — 'হয় হয়। অসমীয়াৰ মান খালে।

কৈ অহা কথাখিনিৰ বেছিভাগ কথাই পৰম্পৰাৰ সপক্ষে গৈছে ভাবি প্ৰাচীন পন্থী চিন্তাৰ প্ৰকাশ বুলি কোনোৱে ক'ব। কিন্তু প্ৰাচীন পন্থী হ'লেও ভ্ৰান্ত অহংকাৰটো কৰা নাই। অসমীয়াই আনৰ ধাৰ নাখায় বুলি কিয় বা ক'লো? ৰূপান্তৰৰ পথত শব্দই অৱসৰ লয়, শব্দ বুৰঞ্জী হয়, শব্দৰ অৰ্ন্তভূক্তি হয়, শব্দৰ প্ৰবজন হয়, শব্দৰ বিতৰণ হয়,. সেয়ে ৰূপান্তৰৰ পথত খাদ্যৰ লগত জড়িত বাহিৰৰ বহু শব্দ অসমীয়া ভাষাত জাহ গৈছে বা গ'ল। অসমীয়া ভাষাৰ কলেৱৰ বৃদ্ধি হৈছে বা হ'ল। এনেবোৰ শব্দ হজম হ'বলৈ দীৰ্ঘ সময় লাগে বা লাগিল। কিন্তু বৰ্তমান সময়ত কিছুমান শব্দ ক্ষিপ্ৰ গতিৰে প্ৰৱেশ কৰিছে আৰু ক্ষিপ্ৰ ভাবে জাহ যাবলৈ লৈছে। ভাষা চহকী কৰাৰ নামত যদি যি কোনো শব্দ খায় তেনেহ'লে হজমৰ সমস্যা এটা হ'ব। সেইবাবে অসমীয়াৰ জিভাখনক যাতে আনে জিভা কটা বুলি ইৰ্য়াকি মাৰিব নোৱাৰে তাৰ বাবে সচেষ্ট হ'বৰ হ'ল।

মুখৰ ভিতৰত খাদ্য-অখাদ্য বাচ-বিচাৰ কৰাৰ ক্ষেত্ৰত জিভা সিদ্ধহস্ত। জিভাৰ বাবেই অখাদ্য শিলগুটি পেটৰ ভিতৰলৈ নাযায়। খাদ্যত থকা চকুৰে মনিব নোৱাৰা চুলি ডালো জিভাই উলিযায়। খাদ্যৰ বিশুদ্ধতা ৰক্ষাত জিভাৰ শক্তিশালী ভূমিকা আছে। ঠিক সেইদৰে মুখ গহ্বৰৰ পৰা ওলাব খোজা শব্দবোৰৰো বাচ-বিচাৰ কৰাৰ একমাত্ৰ ক্ষমতা আছে জিভাৰ। সেয়ে ভাবো জিভা নামৰ শব্দটো থকালৈকে অসমীয়াই ভাষাৰ অখাদ্য নাখায়। জিভা কটাৰ সমান লুভীয়া নাই। শব্দৰ প্ৰতিও অতি লোভ বৰ্জনীয়। শব্দৰ লোভত পৰি এজনে যদি কয় — 'অ' মাই গড! খাবলৈ কি টেষ্ট? একদম চুপাৰ ডুপাৰ।' শ্ৰোতাজনে বাক্যটো শুনি ক'ব — 'কি কলি জিভা কটা!' ■

## অমৃত বচন

*আনে কি কৰিছে, সেই কথা ভবাতকৈ নিজে কি কৰিছা সেই কথা ভবাহে বেছি দৰকাৰী।*

**— ৰাজা ৰামমোহন ৰায়**

# মহিলা আৰু মানৱ অধিকাৰ

**ৰূপা লস্কৰ,** সহকাৰী অধ্যাপিকা, ৰাজনীতি বিজ্ঞান বিভাগ

মানৱ অধিকাৰ বুলি কওঁতে সাধাৰণতে পুৰুষ আৰু মহিলা দুয়ো সমান অধিকাৰ সহিত জীৱন নির্বাহ কৰিব পৰা এটা পৰিবেশক বুজায়, য'ত পুৰুষ, মহিলা দুয়োৱে সমাজৰ সকলো সুযোগ সুবিধা সমানে উপভোগ কৰিবলৈ পোৱা উচিত, কিন্তু আমাৰ দেশত সেইটো সম্ভৱ হৈছেনে? ইয়াত অধিকাংশ মহিলাই হৈছে নির্যাতিতাৰ প্ৰতীক। আমাৰ দেশৰ প্ৰায়বোৰ মহিলাই সূৰ্য্য উদয়ৰপৰা সূৰ্যাস্তলৈকে হাড়ভঙা পৰিশ্ৰম কৰে কেৱল নিজৰ পৰিয়ালটোৰ বাবে, য'ত পুষ্টিহীনতা, ৰক্তহীনতা, অনিদ্ৰাই মহিলাগৰাকীক গ্ৰাস কৰি অকালতে মৃত্যুমুখলৈ ঠেলি দিয়ে। ৰাষ্ট্ৰসংঘৰ চনদত মহিলাৰ বাবে বিশেষ সুযোগ সুবিধাৰ কিছুমান দফা সন্নিবিষ্ট কৰা হৈছে। ৰাষ্ট্ৰসংঘৰ চনদৰ অনুচ্ছেদ নং ১৩, ১(খ) ৫৫(গ)ত মহিলাৰ অধিকাৰ ৰক্ষাৰ ওপৰত গুৰুত্ব দিয়া হৈছে। ১৯৫২ চনত ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই প্ৰথমবাৰৰ বাবে মহিলাৰ অধিকাৰ সুৰক্ষাৰ ওপৰত বিশেষ ব্যৱস্থা গ্ৰহণৰ প্ৰস্তাৱ লৈছিল। মহিলা ৰাজনৈতিক অধিকাৰৰ ওপৰতেই এই সভাত ঘাইকৈ আলোচনা কৰা হৈছিল। ১৯৬৭ চনত ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই মহিলাৰ ক্ষেত্ৰত বৈষম্য দূৰীকৰণ সম্পৰ্কীয় বিধেয়ক গ্ৰহণ কৰে। ১৯৭৫ চনত ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই International Rescarch and Trainning Institute for Advancement of women নামৰ এটি সংস্থা খোলাৰ প্ৰস্তাৱ গ্ৰহণ কৰি ১৯৭৯ৰ অক্টোবৰ মাহত ইয়াৰ কাম আৰম্ভ কৰে। মহিলাৰ অধিকাৰৰ ক্ষেত্ৰত এই গৱেষণামূলক সংস্থাটোৰ নেতৃত্বতেই ৰাষ্ট্ৰসংঘই মহিলাৰ অধিকাৰৰ ওপৰত বিশেষ ব্যৱস্থা লোৱাৰ অৱকাশ বৃদ্ধি পালে। ১৯৯৫ চনত চীনৰ ৰাজধানী বেইজিঙত অনুষ্ঠিত হোৱা মহিলাৰ বাবে সমতা, উন্নয়ন আৰু শান্তি শীৰ্ষক সন্মিলনৰ বিশ্বৰ প্ৰায় ১৭০০০ প্ৰতিনিধিয়ে যোগদান কৰি মহিলাৰ অধিকাৰ সুৰক্ষাৰ ক্ষেত্ৰত আৰু এখোপ অগ্ৰগতি লাভ কৰিছিল। এই সন্মিলনৰ মূল ধ্বনি আছিল "মহিলাৰ দৃষ্টিৰে পৃথিৱীক চোৱা" (Look at the world through women's sights)।

ভাৰতৰ প্ৰেক্ষাপটত নাৰীৰ অধিকাৰ ৰক্ষাৰ ক্ষেত্ৰত ভাৰতীয় সংবিধানে বিশেষ গুৰুত্ব প্ৰদান কৰিছে। সংবিধানৰ প্ৰস্তাৱনাৰ উপৰি অনুচ্ছেদ নং ১৫ (১) (৩)ত উল্লেখ আছে যে জাতি-ভাষা-ধৰ্ম, সম্প্ৰদায়, বৰ্ণ বা জন্মস্থান লৈ ৰাষ্ট্ৰই কোনো ক্ষেত্ৰতে বৈষম্যৰ সৃষ্টি কৰিব নোৱাৰিব। লগতে মহিলাৰ বাবে বিশেষ ব্যৱস্থাৰো পোষকতা কৰা হৈছে। ভাৰতীয় মহিলাৰ সম-অধিকাৰ ভোগ কৰাৰ ক্ষেত্ৰত সংবিধানৰ প্ৰস্তাৱনাত জাতি, লিংগ, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে সকলো নাগৰিককে সমান সুবিধা প্ৰদান কৰাৰ কথা কোৱা হৈছে। সংবিধানৰ ১৬ নং অনুচ্ছেদ আৰু ৭৩, ৭৪ নং সংশোধনীৰ যোগেদি মহিলাৰ অধিকাৰ সুৰক্ষিত কৰিব বিচৰা হয়। অনুচ্ছেদ ২৪৩ (ঘ)ত উল্লেখ আছে যে এক-তৃতীয়াংশ আসন মহিলাৰ বাবে সংৰক্ষণৰ ব্যৱস্থা কৰিব। ভাৰতীয় সংবিধানৰ ৮১ নং সংশোধনীত এক তৃতীয়াংশ আসন মহিলাৰ বাবে সংৰক্ষণৰ ব্যৱস্থা কৰা হয়।

এতিয়া কথা হ'ল মহিলাৰ অধিকাৰ সুৰক্ষাৰ ক্ষেত্ৰত ইমানবোৰ ব্যৱস্থা থকাৰ পিছতো কিয় ভাৰতত অধিকাংশ মহিলাই দুবেলা দুমুঠি পেট ভৰাই খাবলৈ, উপযুক্ত পৰিমাণে বিশ্ৰাম ল'বলৈ নাপায়। কিয় তেওঁলোকৰ জীৱনৰ নিৰাপত্তা নাই? আধুনিক সমাজতো কিয় নাৰীয়ে সদায় অন্ধবিশ্বাসৰ বলি হ'বলগীয়া হয়? বহুতো অঞ্চলত নাৰীক ডাইনী সজাই হত্যা কৰা হয়। কন্যা সন্তান জন্ম দিলে নাৰী গৰাকীকেই কিয় দোষাৰোপ কৰা হয়? মাতাল স্বামীয়ে যেতিয়া নাৰীক শাৰীৰিক অত্যাচাৰ কৰে সমাজৰ কোনো ব্যক্তিয়ে কিন্তু নাৰী গৰাকীক উদ্ধাৰ কৰিবলৈ সচৰাচৰ আগবাঢ়ি নাহে। নাৰীক সৃষ্টিকৰ্তা বুলি কোৱা হয়। যি নাৰী অবিহনে সমাজ বৰ্তি থাকিব নোৱাৰে, সেই নাৰীকেই বৰ্তমান সময়ৰ কিছুমান দুষ্ট ব্যক্তিয়ে বলাৎকাৰ কৰি ৰাস্তাৰ দাঁতিত পেলাই থৈ যাবলৈও কুণ্ঠাবোধ নকৰে। আইনৰ সুৰুঙাৰ বাবেও আমাৰ দেশত বহুতো দোষী ব্যক্তিয়ে শাস্তি নোপোৱাকৈ সাৰি যাবলৈ সক্ষম হয়।

প্ৰাচীন ভাৰতত নাৰীক যথেষ্ট মৰ্যাদা দিয়া হৈছিল। নাৰীক দেৱীৰ লগত তুলনা কৰা হৈছিল। সেই সময়ত আইন কানুন ইমান উন্নত নাছিল। তথাপিও নাৰী আজিৰ দৰে অসুৰক্ষিত নাছিল। আজিৰ আধুনিক সমাজত উন্নত শিক্ষা, উন্নত আইন কানুন সকলোবোৰ থকা স্বত্বেও কিছুসংখ্যক নাৰী ইমান অৱহেলিত যে তেওঁলোকৰ বাবে মানৱ অধিকাৰ শব্দটো এটা উপলুঙা মাথোন। ■

প্ৰসংগপুথি - পদ্মেশ্বৰ কাটনী, মানৱ অধিকাৰ।

# আজৰি সময়ৰ শিক্ষা

**সুৰুষস্মিতা বৰা,** স্নাতক তৃতীয় সান্মাসিক

Education is a life long process. It is continuous and comprehensive process. শিক্ষা হৈছে এক জীৱন জোৰা অবিৰত যাত্ৰা। ইয়াৰ পৰিধি কেৱল শিক্ষানুষ্ঠানৰ চাৰিবেৰৰ মাজতে আবদ্ধ নহয়। ইয়াৰ পৰিধি ব্যাপক আৰু সুদূৰ প্ৰসাৰী। শিক্ষা হৈছে এনে এক প্ৰক্ৰিয়া যিয়ে ব্যক্তি এজনৰ জীৱনলৈ আনি দিব পাৰে আমোল পৰিবৰ্ত্তন। শিক্ষা হৈছে এনে এক প্ৰক্ৰিয়া যিয়ে এজন ব্যক্তিক অন্ধকাৰৰ পৰা পোহৰলৈ আনিব পাৰে।

শিক্ষা বিষয়ৰ চিন্তাবিদ সকলে লাহে লাহে এই কথা অনুভৱ কৰিছে যে শিক্ষা কেৱল কামৰ বাবে নহয়, এই শিক্ষা আজৰি সময়খিনি সুস্থভাৱে কটাবৰ বাবেও ব্যক্তিক প্ৰয়োজন। যিখিনি সময়ত আমি আমাৰ কৰ্তব্যৰত কামৰ পৰা মুক্ত হৈ আৰাম অনুভৱ কৰো, সেই সময়খিনিয়ে এজন মানুহৰ জীৱনৰ মানদণ্ড সলনি কৰিব পাৰে। আজিকালি আজৰি সময় বুলি ক'লে আমাৰ ছাত্ৰ-ছাত্ৰীৰ লগতে সমাজৰ বিভিন্ন লোকে বেলেগ ধৰণে উপভোগ কৰে। সেই সময় ছোৱাত ৰাগিয়াল বস্তু সেৱন কৰা, বিভিন্ন ধৰণৰ ৰোমাণ্টিক ছবি চোৱা, আড্ডা মৰা, পাৰ্ক-ৰেষ্টুৰেন্টত যোৱা আদিতহে বেছি গুৰুত্ব দিয়ে। যিয়ে আমাৰ শৈক্ষিক দিশত বেয়া বাতাবৰণৰ সৃষ্টি কৰে। যিবোৰ কামৰ পৰা নিজৰ লগতে সমাজৰ কোনো পৰিবৰ্ত্তন নহয় বৰং ক্ষতি হোৱা দেখা যায়, এই সময়খিনি আমি সৎ কামত ব্যৱহাৰ কৰিলে নিজৰ লগতে সমাজৰো উন্নতি হয়। বৰ্ত্তমান বিজ্ঞানৰ যুগ। বিজ্ঞান আৰু কাৰিকৰী প্ৰযুক্তিবিদ্যা ইমান শক্তিশালী যে আমি আমাৰ আজৰি সময়খিনি বহুত সুন্দৰভাৱে কটাব পাৰোঁ। এই অৱসৰ সময়খিনিত ইণ্টাৰনেটৰ যোগেদি বহু বিখ্যাত জীৱনী তথা লেখা সমূহ পঢ়িব পৰা যায়। ছাত্ৰ-ছাত্ৰী সকলে আজৰি সময়খিনি শুই বহি কটোৱাতকৈ শৰীৰটো ভালে ৰাখিবৰ কাৰণে নৃত্য, ব্যায়াম, খেলা-ধূলাৰ মাজেৰেও কটাব পাৰে। এই সময়খিনিত এটা ভাল গান শুনিলেও মানুহৰ মনটো ভাল লাগে। সংগীত এনে এবিধ বস্তু যি মানসিক ভাৱে ভাগি পৰা লোকক অলপ সময়ৰ বাবে হ'লেও শান্তি দিব পাৰে। ছাত্ৰ-ছাত্ৰী সকলে অৱসৰ সময়ত বিভিন্ন ঐতিহাসিক, বুৰঞ্জী প্ৰসিদ্ধ ঠাই, চিৰিয়াখানা, প্লেনেটেৰিয়াম, সংগ্ৰহালয় আদি পৰিদৰ্শন কৰিব পাৰে। এই ক্ষেত্ৰত শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱক তথা সমাজৰ লোকৰ দায়িত্ব থাকে। ছাত্ৰ-ছাত্ৰী সকলে আজৰি সময়খিনি যাতে অপব্যৱহাৰ নকৰে তাৰ বাবে সতৰ্ক দৃষ্টি ৰাখিব লাগে।

শেষত এটা কথা সকলোকে অৱগত কৰাওঁ যে এই অৱসৰ, নাইবা আজৰি সময়খিনি যাতে আমাৰ নৱপ্ৰজন্মই ভাল কামত খৰচ কৰে তাৰ বাবে সমাজৰ প্ৰত্যেকজন লোকৰে দায়বদ্ধতা আছে। কাৰণ এই নৱ প্ৰজন্মই ভৱিষ্যতে সমাজৰ তথা দেশৰ গুৰি ধৰিব লাগিব। ■

**অমৃত বচন**

*পৃথিৱীত কিবা ডাঙৰ কাম কৰিব লাগিলে জীৱনৰ আগডোখৰত সাধনা লাগিবই আৰু সাধনাৰ সাৰু ক্ষেত্ৰ হৈছে নীৰৱতা।*

*— ড° বাণীকান্ত কাকতি*

# গদ্য-ৰীতি আৰু বেজবৰুৱা

**পদুম কাকতি**, সহযোগী অধ্যাপক, অসমীয়া বিভাগ

ঐতিহাসিক আৰু বৰ্ণনাত্মক প্ৰধানকৈ এই দুটা দৃষ্টিভঙ্গীৰে কোনো লেখকৰ গদ্য-ৰচনাক চাব পৰা যায়। ঐতিহাসিক দৃষ্টিৰে চাবলৈ হ'লে লেখকজনৰ পূৰ্ববৰতীসকলৰ ৰচনাৰ পৰিপ্ৰেক্ষিতত তেওঁৰ নতুনত্বখিনি বিচাৰিব লাগিব। তেওঁ সেই সকলৰ ওচৰত কিমানখিনি ঋণী তাৰো লেখ-জোখ হ'ব পাৰে। প্ৰকৃততে কোনো এটা যুগৰ এটা বিশিষ্ট গদ্য-ৰীতি আছে বুলি কোৱা টান। সকলো খ্যাতিসম্পন্ন লেখকৰ নিজৰ বৈশিষ্ট্য থাকে। একোটা যুগৰ একোটা বিশিষ্ট ধাৰাৰ লগত কেইবাটাও ধাৰা মিশ্ৰিত হয়। বিভিন্ন দলৰ লেখকক সেইবোৰে প্ৰভাৱান্বিত কৰে। কোনো কথাক নতুন ধৰণে কোৱা আৰু কোনো কথাক প্ৰাচীনধৰণে কোৱা এই দুয়োটা প্ৰবৃত্তি একে সময়তে চলি থাকে। কলাৰ জীৱনী-শক্তিৰ বাবে দুয়োটাই আৱশ্যক। 'সাহিত্যৰ বুৰঞ্জী ক্ৰিয়া আৰু প্ৰতিক্ৰিয়াৰে পূৰ্ণ।'

গদ্য-ৰচনাৰ বৰ্ণনাত্মক দৃষ্টিভঙ্গী বুলিলে শব্দ, বাক্য, অনুচ্ছেদ, লয় অলঙ্কাৰ আদি অনেক কথা ক'বলগীয়া হয়। গদ্য ৰচনাত শব্দৰ অৰ্থ অস্পষ্ট হোৱাটো উচিত নহয়। শব্দৰ অৰ্থ আৰু ভাৱৰ স্পষ্টতা গদ্য ৰচনাৰ 'মহৎ গুণ'। এজন লেখকৰ গদ্যত শব্দ সম্পৰ্কে আলোচনা কৰিবলৈ হ'লে প্ৰথমতে তেওঁৰ শব্দচয়ণ প্ৰণালীলৈ চকু দিব লাগে। তেওঁ সাধাৰণতে প্ৰচলিত শব্দবোৰকে ব্যৱহাৰ কৰে নে অপ্ৰচলিত শব্দ ব্যৱহাৰ কৰে? তেওঁৰ কিবা প্ৰিয় শব্দ আছে নে? এইদৰে লেখকৰ শব্দ-চয়নৰ কোনো এটা সাধাৰণ পদ্ধতি আৱিস্কৃত হ'ব পাৰে। কোনো লেখকে ব্যৱহাৰ কৰা শব্দবোৰৰ ভিতৰত তেওঁ উপযুক্ত শব্দবোৰ ব্যৱহাৰ কৰিছে নে যিকোনো শব্দ ব্যৱহাৰ কৰিছে তাকো চোৱা উচিত। এজন ভাল লেখকে কেৱল অপ্ৰচলিত আৰু কঠিন শব্দ কিছুমানৰ ব্যৱহাৰেৰে ৰচনাক দুৰ্বোধ্য কৰি তোলাত ব্যস্ত নাথাকে। ভাল লেখকৰ শব্দৰ ভাণ্ডাৰ যথেষ্ট বিস্তৃত। তেওঁ তাৰ দ্বাৰা উপযুক্ত স্থানত উপযুক্ত শব্দ ব্যৱহাৰ কৰি মনোভাব সুবন্দৰূপে ব্যক্ত কৰে, আনে তেনে কৰিব নোৱাৰে। ভাল লেখকে কেতিয়াবা নিজেও শব্দ সজাই লয়। কোনো লেখকৰ গদ্য ৰচনাৰ বিশেষ পৰিস্থিতত ব্যৱহৃত বৰ্গ-ভাষাৰ শব্দ উপভাষাৰ শব্দ, বিদেশ শব্দ, সৃষ্টি শব্দ, ভিন্ন অৰ্থজ্ঞাপক সমধ্বনিযুক্ত শব্দ, উদ্ধৃত শব্দ আদি সকলোৰে ওপৰত দৃষ্টি ৰখাটো দৰকাৰ।

শব্দৰ সমষ্টিয়ে বাক্য। বাক্য প্ৰথমতে ব্যাকৰণসন্মত হোৱা উচিত। কিন্তু ডাঙৰ লেখকসকলে কেতিয়াবা পৰিস্থিতি অনুযায়ী অৰ্থাৎ কোনো এজন লোকৰ বচনভঙ্গীক সুবন্দৰূপে দেখুৱাবলৈ ব্যাকৰণ অসন্মত, জতুৱা ঠাঁচ নথকা বাক্যৰ ব্যৱহাৰো কৰে। বাক্যৰচনাৰ ক্ষেত্ৰত আন এটা মন কৰিবলগীয়া কথা আছে। কোনো এটা বাক্য ক'বলৈ লেখা হৈছে নে পঢ়িবলৈ লেখা হৈছে? অকল পঢ়িবলৈ লেখা বাক্যবোৰ দীঘল হয়। নাটক আৰু উপন্যাসত ভিন্ন পৰিৱেশৰ চৰিত্ৰৰ মুখত ভাষাৰ কথিত ৰূপৰ প্ৰতিনিধিত্ব কৰোৱাই বাক্য ব্যৱহাৰ কৰা হয়। চিঠি-পত্ৰৰ গদ্য লিখিত আৰু কথিত গদ্যৰ মাজত পৰে। ব্যক্তিগত চিঠিৰ ভাষা সচৰাচৰ প্ৰচলিত কথিত ভাষাৰ অনুগামী হয়। দিনপঞ্জীৰ ভাষাও লিখিত আৰু কথিত ভাষাৰ মধ্যৱৰ্তী। ডাঙৰ লেখকে নানা তৰহৰ বাক্য ৰচনাৰ দ্বাৰা তেওঁৰ লেখনি ৰসাল কৰি তোলে।

বাক্যৰ সমষ্টিয়ে সৃষ্টি কৰে অনুচ্ছেদ। একোটা অনুচ্চেদত একোটা ভাৱ থাকে আৰু সি স্বয়ংসম্পূৰ্ণ হোৱা বাঞ্চনীয়। ভাল গদ্য-লেখকৰ ৰচনাত "একোটা অনুচ্ছেদে বিষয়বস্তুটোৰ একোটা দিশ প্ৰকাশ কৰে আৰু এটা অনুচ্ছেদেও আন এটা অনুচ্ছেদলৈ স্বাভাৱিকভাৱে পাঠকক লৈ যায়। প্ৰত্যেক অনুচ্ছেদত আকৌ একোটা মূল বাক্য থাকে। সিয়ে অনুচ্ছেদটোৰ ভাৱক সংক্ষেপতে প্ৰকাশ কৰে। সাধাৰণতে এটা অনুচ্ছেদৰ শেষৰ বাক্য আৰু তাৰ পৰৱৰ্তী অনুচ্ছেদৰ প্ৰথম বাক্যৰ মাজত ভাৱৰ সংলগ্নতা ৰক্ষিত হয়" (Bouitan, M; The Anatomy of prose)। একেবাৰে সম্পূৰ্ণৰূপে নহৈ আংশিকভাৱে হ'লেও যিকোনো গদ্য ৰচনাও

অনুচ্ছেদবোৰৰ মাজত সংলগ্নতাৰ বিষয়ে চকু দিয়া নিতান্ত যুগুত। অনুচ্ছেদবোৰ দীঘল-চুটি হয়। কেতিয়াবা দীঘল অনুচ্ছেদৰ পিছত চুটি অনুচ্ছেদ আহিলে পাঠকে অলপ সকাহ পায়। ডাঙৰ লেখকে দীঘল আৰু চুটি দুয়ো ধৰণৰ বাক্য প্ৰয়োগ কৰাৰ নিচিনা হ্ৰস্ব আৰু দীৰ্ঘ অনুচ্ছেদত নিজৰ ৰচনা বিভক্ত কৰে। এনে উপায়ৰ দ্বাৰা পাঠকৰ আমনি আঁতৰে। 'আমনি কলাৰ মৃত্যু"।

গদ্যৰ লয় গদ্য-ৰীতিৰ আন এটা আনুষংগিক কথা। কোনো এটা বাক্য অনুচ্ছেদ পঢ়ি গ'লে ৰৈ ৰৈ যেতিয়া অনুৰণৰ তোলে তেতিয়া সি লয়যুক্ত আখ্যা পায়। কোনো এশাৰী কবিতাৰ ছন্দৰ নিৰূপণ কৰিবলৈ তাক চৰণ আদি বিভিন্ন অংশত ভাগ কৰাৰ নিচিনা গদ্যৰ বাক্য একোটাকো তেনেদৰে ভাগ কৰিব পৰা যায়। লয়যুক্ত বাক্য হিচাপে ভট্টদেৱৰ এই বাক্যটো চাব পাৰি ঃ "জগত পাবন হৰি গুণ বিনে বিচিত্ৰ বাক্য কাক তুল্য কাথুক জনৰেসে প্ৰিয়, জ্ঞানীগণৰ নহে।"

বাক্যৰ লয় শব্দ চয়নৰ ক্ষমতা, সৰ্বসাধাৰণৰ ৰচনাত নোপোৱা খণ্ড-বাক্য, প্ৰবাদ-বচন, জতুৱা ঠাঁচ আদিৰ লগত অৱস্থা অনুযায়ী বাক্য-গঠনৰ কৌশল আদি সংযুক্ত হৈ কোনো লেখকৰ ৰচনা-ৰীতি বা শৈলীক কৌশল আদি সংযুক্ত হৈ কোনো লেখকৰ ৰচনা ৰীতি বা শৈলীক সুকীয়াৰূপে প্ৰতিষ্ঠিত কৰে। কিন্তু ব্যক্তিগত ৰচনা-ৰীতিৰ বাবে বিশেষকৈ ..... হয় লেখকৰ ব্যক্তিত্ব। তাৰ লগত যুক্ত হয় সজ্ঞানে অৱলম্বন কৰা কাৰিকৰী আৰু ভাষাৰ প্ৰতি থকা মনৰ স্বাভাৱিক ঢাল; ভাৱৰ নিজস্বতায়ো শৈলীৰ নিজস্বতা গঢ়াত সহায় কৰে। ব্যক্তিগত শৈলী আকৌ দুই ধৰণৰ হ'ব পাৰে। কোনো লেখকৰ ৰচনা সহজে বুজিব পাৰি। তেওঁৰ শব্দ আৰু বাক্য ৰচনাত কোনো প্ৰকাৰৰ আঁৰ নাথাকে। কোনো লেখকৰ ৰচনাত সহজতে পাঠকে প্ৰৱেশ কৰা টান। কঠিন অপ্ৰচলিত শব্দ গাঁথনি আৰু বাক্য ৰচনাই তেওঁৰ ৰচনাক সজ্জিত কৰে সঁচা; কিন্তু নানাভাৱে সজোৱা-পৰোৱা হ'লেই যে ভাল শৈলী হ'ব সেইটো নহয়। সেইটোৱে ভাল শৈলী য'ত লেখকৰ ব্যক্তব্যখিনি আৰম্ভণিৰপৰা শেহলৈকে এটা যোগসূত্ৰেৰে সংগঠিত হৈ স্তৱে স্তৱে অনুচ্ছেদে অনুচ্ছেদে ভাৱৰ বিকাশ ঘটি স্বাভাৱিকভাৱে ওলোৱা শব্দ আৰু বাক্য গাঁথনিৰে পৰিপূৰ্ণ হয়। তাত শব্দ আৰু ভাৱৰ কোনো অস্পষ্টতা নাথাকে। অদৰকাৰী শব্দ আৰু অনাৱশ্যক বাক্যৰো তাত স্থান নাই। উপযুক্ত বছা বছা শব্দ আৰু বাক্যৰে তেওঁৰ ৰচনা সমৃদ্ধ হয়।

গদ্য-ৰীতিক আন এটা দৃষ্টিভঙ্গীৰেও চাব পৰা যায়। এই পিনৰ পৰা ইয়াক পাঁচোটা ভাগত ভগোৱা হয়; যেনে বৰ্ণনাত্মক, যুক্তিমূলক, নাটকীয়, জ্ঞাননিষ্ঠ আৰু চিন্তামূলক। বৰ্ণাত্মকত কোনো সত্য বা কল্পিত কাহিনীক মনোৰমকৈ বৰ্ণোৱা হয়। যুক্তিমূলক ৰচনাত কোনো এটা বিষয়ক যুক্তিৰ দ্বাৰা পাঠকৰ মনত এটা বিশ্বাস জন্মোৱাৰ চেষ্টা থাকে। নাটকীয় গদ্যত নাটকীয় চৰিত্ৰ অনুযায়ী কথনভঙ্গী গঢ়ি উঠে। বিজ্ঞান বা আন কোনো বিষয়ৰ বিষয়ে জনাবলৈ ব্যৱহাৰ কৰা গদ্য জ্ঞাননিষ্ঠ। চিন্তামূলক গদ্যত প্ৰবন্ধ ৰম্য ৰচনা, ধৰ্মতত্ত্ব, দাৰ্শকিতত্ত্ব আদি নানা বিষয় সোমাই পৰে।

**গদ্য ৰচক বেজবৰুৱা**

অসমীয়া গদ্য-সাহিত্যৰ বুৰঞ্জী বৰ গৌৰৱপূৰ্ণ। পোন্ধৰ শতিকাত ৰচিত শঙ্কৰদেৱৰ অঙ্কীয়া নাটত অসমীয়া গদ্য-সাহিত্যই পাতনি মেলে যদিও সি এটা নিৰ্দিষ্ট ৰূপ লয় যোল্ল শতিকাত ভট্টদেৱে ৰচনা কৰা 'কথাগীতা' আৰু 'কথা ভাগৱত'তহে। আচাৰ্য প্ৰফুল্লচন্দ্ৰ ৰায়ে ক'বৰ নিচিনা "অসমীয়া গদ্য-সাহিত্যই বিকাশ লাভ কৰি সুদুৰ যোল শতিকাৰ ইংলণ্ডৰ হুকাৰ আৰু লেটিমাৰৰ ৰচনাৰ বাহিৰে পৃথিৱীৰ কোনো সাহিত্যই নোপোৱা এটা স্তৰ পাইছিল গৈ।" সোতৰ শতিকাৰপৰা ক্ৰমে ৰচনা কৰা বুৰঞ্জী-সাহিত্যৰ গদ্য পিছৰ অসমীয়া গদ্য-সাহিত্যৰ চানেকি। সৰ্বভাৰতীয় দৃষ্টিৰে চাই গ্ৰিয়াৰ্ছনে এই বিষয়ত অসমেই আগৰণুৱা বুলি মন্তব্য দিছে। বুৰঞ্জী-সাহিত্যৰ সমসাময়িকভাৱে ৰচিত আন এবিধ গদ্য হৈছে চৰিত-পুথিৰ গদ্য। এইবোৰৰ উপৰিও অসমীয়া সাহিত্যৰ মধ্যযুগৰ পশু চিকিৎসা ৰাজনীতি, নৃত্যবিদ্যা আদিলৈও গদ্য ৰচনা কৰা হৈছিল। এই ক্ষেত্ৰত বিশেষভাৱে উল্লেখযোগ্য হৈছে 'হস্তীবিদ্যাৰ্ণৱ' 'ঘোঁৰা-নিদান', 'নীতি লতাঙ্কুৰ', 'কামৰত্ন তন্ত্ৰ', 'শ্ৰী হস্তমুক্তাৱলী' আদি গ্ৰন্থ।

১৮৪৬ চনত আমেৰিকাৰ বেপ্টিষ্ট মিছনেৰিসকলৰ দ্বাৰা প্ৰকাশিত 'অৰুণোদয়' কাকতৰ প্ৰকাশৰ লগে লগে অসমীয়া আধুনিক গদ্যৰ সূচনা হয়। মিছনেৰিসকলে ইয়াৰ বাহিৰেও খৃষ্ট-ধৰ্ম প্ৰচাৰৰ অৰ্থে কেইবাখনো পুথি গদ্যত ৰচনা কৰিছিল। সুদূৰ আমেৰিকাৰ পৰা আহি ব্যাকৰণ অভিধান আদি নোহোৱা বিদেশীয়ে অসমীয়া ভাষা শিকি তাৰ মাধ্যমেৰে বিবিধ ধৰণৰ গদ্য পুথি ৰচনা কৰা হ'লেও তেওঁলোকৰ ৰচনাত অসমীয়া ভাষাৰ নিজস্ব বৈশিষ্ট্যই ধৰা দিয়া নাছিল। সময়ত কিছুমান স্থানীয় লেখক ওলাল। কিন্তু তেওঁলোকৰ গদ্যতো ইংৰাজী ভাষাৰ গঠনৰীতি আৰু জতুৱা ঠাঁচ আদিৰ ছাপ ৰৈ গ'ল। উদাহৰণস্বৰূপে তলৰ কাৰ্যখিনিলৈ আঙুলিয়াব পাৰি ঃ

(ক) "জদি দেখিব খোজা তেন্তে মোৰ পুথি পৰ্হি চোৱা।... হে লগৰ সখি সেই বাঞ্চিত ঠাইলৈ তুমি বাট জানানে?... তৰলে পথাৰেদি জাওঁতে কথোপকথন কৰি ইজনে সিজনে কথা ক'বলৈ ধৰিলে। ... মই জদি তোমাক কিছু বুধি দিওঁ, তুমি লবানে? (অৰুণোদয় ঃ জাত্ৰিকৰ যাত্ৰা)

(খ) "জদি সকলে একে বাক্য হৈ দেসৰ উপকাৰলৈ প্ৰতিগ্যা কৰে, তেন্তে কি হ'ব নোৱাৰে? ... কিন্তু জদি সভ্য আৰু সুখী হ'ব খোজা তেন্তে ....."(আনন্দৰাম ঢেকিয়াল ফুকন)

(গ) "জি জন পৰাক্ৰমি জয়যুক্ত মানুহে প্ৰথমে ভাৰতবৰ্ষত

আপোনাৰ ৰাজ্য থাপন কৰিলে, তেৱেঁ গজনিৰ বাদস্যা মহমদ। ...তেৱেঁ ভাৰতবৰ্ষক বেলিত্ৰ বেলিত্ৰ আক্ৰমণ কৰিছিল।" (নিধি লেভি ফাৰবেল)

পিছত গুণাভিৰাম বৰুৱা (১৮৩৮-৯৫) আৰু হেমচন্দ্ৰ বৰুৱাৰ (১৮৩৫-৯৬) ৰচনাত আধুনিক অসমীয়া গদ্যই এটা খোপনি পালে। হেমচন্দ্ৰ বৰুৱাই 'অসমীয়া ভাষাৰ ব্যাকৰণ' আৰু প্ৰথম মান্য অসমীয়া অভিধান 'হেমকোষ' উলিয়াই অসমীয়া ভাষাক কি ধৰণে সমৃদ্ধ কৰিব পাৰি তাৰ এটা সুনিশ্চিত পথৰ নিৰ্দেশ দিলে। এই দুজনা পুৰুষে নিজৰ নিজৰ ৰচনাৰে অসমীয়া সাহিত্য চহকী কৰাৰ উপৰিও দুখন আলোচনী উলিয়ায়। সেই দুখনে আধুনিক অসমীয়া ভাষা আৰু সাহিত্যৰ নৱযুগ সৃষ্টিত যথেষ্ট বৰঙণি আগবঢ়ায়। বেজবৰুৱাই এই নৱ-যুগৰ সাহিত্যৰ জলত অৱগাহন কৰি নিজস্ব বৈশিষ্ট্যৰে গদ্য ৰচনাত প্ৰবৃত্ত হয়। বেজবৰুৱা তেওঁৰ পূৰ্বৱৰ্তী লেখক সকলৰ ওচৰত বিশেষকৈ হেমচন্দ্ৰ বৰুৱাৰ সাপ্তাহিক কাকত 'আসাম নিউজ' আৰু গুণাভিৰাম বৰুৱাৰ 'আসাম বন্ধু'ৰ ওচৰত ঋণী আছিল। তেওঁ নিজেই লেখিছে ঃ "কেতিয়া 'আসাম নিউজ' আহিব মই বাটলৈ চাই থাঁকো আৰু আটাইৰে আগেয়ে মই কাকতখন মেলি পঢ়োঁ বুলিলে ঠিক কোৱা নহয়, গিলোঁ বুলিলেহে ঠিক হ'ব। বাস্তৱিকতে 'আসাম নিউজ' পঢ়ি তাৰ অসমীয়া লিখাৰ গঢ়ৰ ফালে ভালকৈ মন দিহে প্ৰথমতে মই অসমীয়া ভাষাত ৰচনা লিখিবলৈ শিকোঁ। ... এইটো ক'বই লাগিব যে অসমীয়া গদ্য আৰু গদ্যসাহিত্য সৃষ্টিৰ অৰ্থে spade work কোষৰ কাম কৰে, অৰ্থাৎ মাটি কুৰি চহাই দিয়ে।" (মোৰ জীৱন-সোঁৱৰণ)।

অকল আধুনিক যুগৰ সাহিত্যিকসকলৰ দ্বাৰায়ে বেজবৰুৱা প্ৰভাৱান্বিত হোৱা নাছিল। প্ৰাচীন আৰু 'মধ্যযুগীয়া অসমীয়া সাহিত্যয়ো বেজবৰুৱাৰ গদ্য ৰচনাত সহায় কৰিছিল। বেজবৰুৱা সকলো ধৰণৰ অসমীয়া সাহিত্যৰে সৈতে পৰিচিত আছিল। তেওঁ সেইবোৰ অকল পঢ়াই নাছিল, গিলিছিলো হজমো কৰিছিল। অসমীয়া সংস্কৃতিৰ লগত তেওঁৰ নিবিড় সম্পৰ্ক আছিল। পাশ্চাত্য সভ্যতাৰে সৈতে, ইংৰাজী ভাষা সাহিত্যেৰে সৈতে আৰু লগতে বঙলা ভাষা-সাহিত্যেৰ সৈতে ভাল ধৰণে পৰিচিত হোৱাৰ সুযোগো তেওঁ পাইছিল। বেজবৰুৱাৰ সময়ত অসমীয়া ভাষাই প্ৰকৃততে যেনে স্থান পাব লাগিছিল, তেনে স্থান নোপোৱা কাৰণে অন্তৰত গভীৰ দুখ অনুভৱ কৰিছিল। এই আটাইবোৰ কথাই বেজবৰুৱাৰ মনটো অসমৰ প্ৰতি, অসমীয়া ভাষা-সাহিত্যৰ প্ৰতি সম্পূৰ্ণৰূপে নিবিষ্ট কৰোঁৱাত সহায় হৈছিল। বেজবৰুৱাৰ ক্ষেত্ৰত তেওঁৰ অসমীয়া ভাষাৰ প্ৰতি ভালপোৱাটোৱে মুখ্য কথা অসমৰ বাহিৰতে তেওঁ জীৱন কটাবলগীয়াত পৰিছিল। এই ঘটনায়ো তেওঁক অসমীয়া ভাষাৰ আজীৱন প্ৰেমী আৰু সেৱকৰূপে প্ৰতিষ্ঠিত কৰাত সহায় কৰিছিল। তেওঁৰ নিজৰ ভাষাতঃ "এটা কথা আছে, 'দাঁত নসৰিলে দাঁতৰ মোল নুবুজি।' অসমৰ পৰা আমি সৰি নপৰিলে বা অসম আমাৰপৰা সৰি নপৰিলে অৰ্থাৎ অসমৰপৰা আমি বিদেশলৈ ওলাই নাহিলে, অসম অসমীয়া আৰু অসমীয়া ভাষাৰ আমি মোল বুজিব নোৱাৰোঁ।" আকৌ "অসমীয়া ভাষাৰ উন্নতি অসমীয়া সাহিত্যৰ উন্নতিৰ প্ৰথম ঢাপ।" সেইকাৰণে বেজবৰুৱাৰ প্ৰচেষ্টা আছিল জীৱন জুৰি অসমীয়া ভাষাক চহকী কৰা প্ৰচেষ্টা যাতে অসমীয়া ভাষাই বঙলা ভাষাৰ লগত সমানে স্থান অধিকাৰ কৰিব পাৰে।

এটা চহকী ভাষাই সকলো ধৰণৰ ভাৱ প্ৰকাশ কৰা শক্তি ধাৰণ কৰে। সময়ৰ লগে লগে ভাৱৰ বিকাশ আৰু পৰিৱৰ্তন ঘটে। পাশ্চাত্য সভ্যতাৰ সূচনাই অসংখ্য নতুন ভাৱ সুমুৱালে। সেইবোৰ অসমীয়া ভাষাত প্ৰকাশ কৰাটো এটা সমস্যা হ'ল। এনে সময়তে বেজবৰুৱাই নেতৃত্ব বহন কৰিলে। সেয়েহে তেওঁ ক'লেঃ 'কোনোটো ভাৱ কোনোটো চিন্তা আমাৰ ভাষাৰ শব্দেৰে প্ৰকাশ কৰিব নোৱাৰিলে সহজে বুজা বিদেশী ভাষাৰ শব্দ ধাৰকৈ আনি সেই কাৰ্যৰ নিমিত্তে তাৰ সহায় ল'লে ভাষাৰ মঙ্গলৰ বাহিৰে অমঙ্গল নহয় আৰু ভাষাৰ জাতো নেযায়।" এজন ভাষাবিজ্ঞানীৰ দৰে বেজবৰুৱাই স্পষ্টভাৱে ধাৰণা কৰিব পাৰিছিল যে কোনো এখন ঠাইৰ ভাষাত কোনো এক অঞ্চলৰ শব্দকে অকল ব্যৱহাৰ নকৰি উপভাষাৰ উপযুক্ত শব্দও গ্ৰহণ কৰা উচিত। সেইকাৰণে তেওঁ এটা আদৰ্শ মান্য ভাষাৰ চিত্ৰ দাঙি ধৰিবলৈ সক্ষম হৈছিল ঃ "অসমীয়া ভাষা উজনিৰো অকলশৰীয়া ভাষা নহয়, ভাটীৰো অকলশৰীয়া ভাষা নহয়। সি গোটেই অসমৰ ভাষা। ... উজনিৰ প্ৰাধান্য থকা ভাষায়ো ভাটীৰপৰা শব্দ সম্পদ ল'বই লাগিব।' এনে উদাৰ দৃষ্টিৰে বেজবৰুৱাই অসমীয়া ভাষাৰ চিত্ৰ মনত আঁকি লৈ নানা উপায়েৰে তাক চহকী কৰিবলৈ আজীৱন যত্ন কৰে।

আধুনিক অসমীয়া ভাষাৰ গঢ় দিওঁতা হিচাপে বেজবৰুৱাৰ নিজস্ব প্ৰতিভাৰ পৰিচয় তেওঁৰ গদ্য ৰচনাৰ মাজেদি পোৱা যায়। বেজবৰুৱাই নাটক উপন্যাস, চুটিগল্প, প্ৰবন্ধ, জীৱন-চৰিত, আত্মজীৱন-চৰিত, সাধুকথা, ৰম্য ৰচনা আৰু বিবিধ ৰচনাত অসমীয়া গদ্যৰ প্ৰয়োগ দেখুৱাইছে। এইবোৰত বেজবৰুৱাই শব্দ চয়ন সম্পৰ্কত আচৰিতধৰণে উদাৰ পন্থা অৱলম্বন কৰে। তেওঁ মুকলিভাৱে সকলো ধৰণৰ শব্দ গ্ৰহণ কৰিছিল। একেবাৰে ঘৰুৱা অসমীয়া শব্দৰপৰা আৰম্ভ কৰি উপভাষাৰ শব্দ, বিদেশী শব্দ সকলোকে লৈ য'ত যিটো উপযুক্ত বুলি ভাবিছিল তাকে বহুৱাইছিল। তলত সেইবোৰৰ কেইটামান উদাহৰণ দিয়া হ'ল ঃ

(ক) কাপ, মৈলাম, কাকত, তুলাপাত, মহী, বিতচকু, বাদুলি, সাঁচাৰ, সাঁচাৰ কাঠী দিয়া চলাই, জিয়াচলি, জুইশালি, চেলেউ, মাচিয়া জলপানি, জহ, ঘামকালি, ডাক-হৰকৰা, ডাকোৱাল, চৰতীয়া, নাগ-মাটি, সামাজিক।

(খ) বদলি, জাহাজ, দখল, মদং, জুলুমবাজ, হুকুম, জাহিৰ,

অনুচ্ছেদবোৰৰ মাজত সংলগ্নতাৰ বিষয়ে চকু দিয়া নিতান্ত যুগুত। অনুচ্ছেদবোৰ দীঘল-চুটি হয়। কেতিয়াবা দীঘল অনুচ্ছেদৰ পিছত চুটি অনুচ্ছেদ আহিলে পাঠকে অলপ সকাহ পায়। ডাঙৰ লেখকে দীঘল আৰু চুটি দুয়ো ধৰণৰ বাক্য প্ৰয়োগ কৰাৰ নিচিনা হ্রস্ব আৰু দীৰ্ঘ অনুচ্ছেদত নিজৰ ৰচনা বিভক্ত কৰে। এনে উপায়ৰ দ্বাৰা পাঠকৰ আমনি আঁতৰে। 'আমনি কলাৰ মৃত্যু"।

গদ্যৰ লয় গদ্য-ৰীতিৰ আন এটা আনুষঙ্গিক কথা। কোনো এটা বাক্য অনুচ্ছেদ পঢ়ি গ'লে বৈ বৈ যেতিয়া অনুৰণৰ তোলে তেতিয়া সি লয়যুক্ত আখ্যা পায়। কোনো এশাৰী কবিতাৰ ছন্দৰ নিৰূপণ কৰিবলৈ তাক চৰণ আদি বিভিন্ন অংশত ভাগ কৰাৰ নিচিনা গদ্যৰ বাক্য একোটাকো তেনেদৰে ভাগ কৰিব পৰা যায়। লয়যুক্ত বাক্য হিচাপে ভট্টদেৱৰ এই বাক্যটো চাব পাৰি ঃ "জগত পাবন হৰি গুণ বিনে বিচিত্ৰ বাক্য কাক তুল্য কাথুক জনৰেসে প্ৰিয়, জ্ঞানীগণৰ নহে।"

বাক্যৰ লয় শব্দ চয়নৰ ক্ষমতা, সৰ্বসাধাৰণৰ ৰচনাত নোপোৱা খণ্ড-বাক্য, প্ৰৱাদ-বচন, জতুৱা ঠাঁচ আদিৰ লগত অৱস্থা অনুযায়ী বাক্য-গঠনৰ কৌশল আদি সংযুক্ত হৈ কোনো লেখকৰ ৰচনা-ৰীতি বা শৈলীক কৌশল আদি সংযুক্ত হৈ কোনো লেখকৰ ৰচনা ৰীতি বা শৈলীক সুকীয়াৰূপে প্ৰতিষ্ঠিত কৰে। কিন্তু ব্যক্তিগত ৰচনা-ৰীতিৰ বাবে বিশেষকৈ ..... হয় লেখকৰ ব্যক্তিত্ব। তাৰ লগত যুক্ত হয় সজ্ঞানে অৱলম্বন কৰা কাৰিকৰী আৰু ভাষাৰ প্ৰতি থকা মনৰ স্বাভাৱিক ঢাল; ভাৱৰ নিজস্বতায়ো শৈলীৰ নিজস্বতা গঢ়াত সহায় কৰে। ব্যক্তিগত শৈলী আকৌ দুই ধৰণৰ হ'ব পাৰে। কোনো লেখকৰ ৰচনা সহজে বুজিব পাৰি। তেওঁৰ শব্দ আৰু বাক্য ৰচনাত কোনো প্ৰকাৰৰ আঁৰ নাথাকে। কোনো লেখকৰ ৰচনাত সহজতে পাঠকে প্ৰৱেশ কৰা টান। কঠিন অপ্ৰচলিত শব্দ গাঁথনি আৰু বাক্য ৰচনাই তেওঁৰ ৰচনাক সজ্জিত কৰে সঁচা; কিন্তু নানাভাৱে সজোৱা-পৰোৱা হ'লেই যে ভাল শৈলী হ'ব সেইটো নহয়। সেইটোৱে ভাল শৈলী য'ত লেখকৰ ব্যক্তব্যখিনি আৰম্ভণিৰপৰা শেহলৈকে এটা যোগসূত্ৰেৰে সংগঠিত হৈ স্তৰে স্তৰে অনুচ্ছেদে অনুচ্ছেদে ভাৱৰ বিকাশ ঘটি স্বাভাৱিকভাৱে ওলোৱা শব্দ আৰু বাক্য গাঁথনিৰে পৰিপূৰ্ণ হয়। তাত শব্দ আৰু ভাৱৰ কোনো অস্পষ্টতা নাথাকে। অদৰকাৰী শব্দ আৰু অনাৱশ্যক বাক্যৰো তাত স্থান নাই। উপযুক্ত বছা বছা শব্দ আৰু বাক্যৰে তেওঁৰ ৰচনা সমৃদ্ধ হয়।

গদ্য-ৰীতিক আন এটা দৃষ্টিভঙ্গীৰেও চাব পৰা যায়। এই পিনৰ পৰা ইয়াক পাঁচোটা ভাগত ভগোৱা হয়; যেনে বৰ্ণনাত্মক, যুক্তিমূলক, নাটকীয়, জ্ঞাননিষ্ঠ আৰু চিন্তামূলক। বৰ্ণাত্মকত কোনো সত্য বা কল্পিত কাহিনীক মনোৰমকৈ বৰ্ণোৱা হয়। যুক্তিমূলক ৰচনাত কোনো এটা বিষয়ক যুক্তিৰ দ্বাৰা পাঠকৰ মনত এটা বিশ্বাস জন্মোৱাৰ চেষ্টা থাকে। নাটকীয় গদ্যত নাটকীয় চৰিত্ৰ অনুযায়ী কথনভঙ্গী গঢ়ি উঠে। বিজ্ঞান বা আন কোনো বিষয়ৰ বিষয়ে জনাবলৈ ব্যৱহাৰ কৰা গদ্য জ্ঞাননিষ্ঠ। চিন্তামূলক গদ্যত প্ৰবন্ধ ৰম্য ৰচনা, ধৰ্মতত্ত্ব, দাৰ্শকিতত্ত্ব আদি নানা বিষয় সোমাই পৰে।

**গদ্য ৰচক বেজবৰুৱা**

অসমীয়া গদ্য-সাহিত্যৰ বুৰঞ্জী বৰ গৌৰৱপূৰ্ণ। পোদ্ধৰ শতিকাত ৰচিত শঙ্কৰদেৱৰ অঙ্কীয়া নাটত অসমীয়া গদ্য-সাহিত্যই পাতনি মেলে যদিও সি এটা নিৰ্দিষ্ট ৰূপ লয় যোল্ল শতিকাত ভট্টদেৱে ৰচনা কৰা 'কথাগীতা' আৰু 'কথা ভাগৱত'তহে। আচাৰ্য প্ৰফুল্লচন্দ্ৰ ৰায়ে ক'বৰ নিচিনা "অসমীয়া গদ্য-সাহিত্যই বিকাশ লাভ কৰি সুদূৰ যোল শতিকাৰ ইংলণ্ডৰ হুকাৰ আৰু লেটিমাৰৰ ৰচনাৰ বাহিৰে পৃথিৱীৰ কোনো সাহিত্যই নোপোৱা এটা স্তৰ পাইছিল গৈ।" সোতৰ শতিকাৰপৰা ক্ৰমে ৰচনা কৰা বুৰঞ্জী-সাহিত্যৰ গদ্য পিছৰ অসমীয়া গদ্য-সাহিত্যৰ চানেকি। সৰ্বভাৰতীয় দৃষ্টিৰে চাই গ্ৰিয়াৰ্ছনে এই বিষয়ত অসমেই আগৰণুৱা বুলি মন্তব্য দিছে। বুৰঞ্জী-সাহিত্যৰ সমসাময়িকভাৱে ৰচিত আন এবিধ গদ্য হৈছে চৰিত-পুথিৰ গদ্য। এইবোৰৰ উপৰিও অসমীয়া সাহিত্যৰ মধ্যযুগৰ পশু চিকিৎসা ৰাজনীতি, নৃত্যবিদ্যা আদিলৈও গদ্য ৰচনা কৰা হৈছিল। এই ক্ষেত্ৰত বিশেষভাৱে উল্লেখযোগ্য হৈছে 'হস্তীবিদ্যাৰ্ণৱ' 'ঘোঁৰা-নিদান', 'নীতি লতাঙ্কুৰ', 'কামৰত্ন তন্ত্ৰ', 'শ্ৰী হস্তমুক্তাৱলী' আদি গ্ৰন্থ।

১৮৪৬ চনত আমেৰিকাৰ বেপ্তিষ্ট মিছনেৰিসকলৰ দ্বাৰা প্ৰকাশিত 'অৰুণোদয়' কাকতৰ প্ৰকাশৰ লগে লগে অসমীয়া আধুনিক গদ্যৰ সূচনা হয়। মিছনেৰিসকলে ইয়াৰ বাহিৰেও খৃষ্ট-ধৰ্ম প্ৰচাৰৰ অৰ্থে কেইবাখনো পুথি গদ্যত ৰচনা কৰিছিল। সুদূৰ আমেৰিকাৰ পৰা আহি ব্যাকৰণ অভিধান আদি নোহোৱা বিদেশীয়ে অসমীয়া ভাষা শিকি তাৰ মাধ্যমেৰে বিবিধ ধৰণৰ গদ্য পুথি ৰচনা কৰা হ'লেও তেওঁলোকৰ ৰচনাত অসমীয়া ভাষাৰ নিজস্ব বৈশিষ্ট্যই ধৰা দিয়া নাছিল। সময়ত কিছুমান স্থানীয় লেখক ওলাল। কিন্তু তেওঁলোকৰ গদ্যতো ইংৰাজী ভাষাৰ গঠনৰীতি আৰু জতুৱা ঠাঁচ আদিৰ ছাপ বৈ গ'ল। উদাহৰণস্বৰূপে তলৰ কাৰ্যখিনিলৈ আঙুলিয়াব পাৰি ঃ

(ক) "জদি দেখিব খোজা তেন্তে মোৰ পুথি পৰ্হি চোৱা।... হে লগৰ সখি সেই বাঞ্চিত ঠাইলৈ তুমি বাট জানানে?... তৰলে পথাৰেদি জাওঁতে কথোপকথন কৰি ইজনে সিজনে কথা ক'বলৈ ধৰিলে। ... মই জদি তোমাক কিছু বুধি দিওঁ, তুমি লবানে? (অৰুণোদয় ঃ জাত্ৰিকৰ যাত্ৰা)

(খ) "জদি সকলে একে বাক্য হৈ দেসৰ উপকাৰলৈ প্ৰতিগ্যা কৰে, তেন্তে কি হ'ব নোৱাৰে? ... কিন্তু জদি সভ্য আৰু সুখী হ'ব খোজা তেন্তে ....."(আনন্দৰাম ঢেকিয়াল ফুকন)

(গ) "জি জন পৰাক্ৰমি জয়যুক্ত মানুহে প্ৰথমে ভাৰতবৰ্ষত

আপোনাৰ ৰাজ্য থাপন কৰিলে, তেৱেঁ গজনিৰ বাদস্যা মহমদ। ...তেৱেঁ ভাৰতবৰ্ষক বেলিত্ৰ বেলিত্ৰ আক্ৰমণ কৰিছিল।" (নিধি লেভি ফাৰৱেল)

পিছত গুণাভিৰাম বৰুৱা (১৮৩৮-৯৫) আৰু হেমচন্দ্ৰ বৰুৱাৰ (১৮৩৫-৯৬) ৰচনাত আধুনিক অসমীয়া গদ্যই এটা খোপনি পালে। হেমচন্দ্ৰ বৰুৱাই 'অসমীয়া ভাষাৰ ব্যাকৰণ' আৰু প্ৰথম মান্য অসমীয়া অভিধান 'হেমকোষ' উলিয়াই অসমীয়া ভাষাক কি ধৰণে সমৃদ্ধ কৰিব পাৰি তাৰ এটা সুনিশ্চিত পথৰ নিৰ্দেশ দিলে। এই দুজনা পুৰুষে নিজৰ নিজৰ ৰচনাৰে অসমীয়া সাহিত্য চহকী কৰাৰ উপৰিও দুখন আলোচনী উলিয়ায়। সেই দুখনে আধুনিক অসমীয়া ভাষা আৰু সাহিত্যৰ নৱযুগ সৃষ্টিত যথেষ্ট বৰঙণি আগবঢ়ায়। বেজবৰুৱাই এই নৱ-যুগৰ সাহিত্যৰ জলত অৱগাহন কৰি নিজস্ব বৈশিষ্ট্যৰে গদ্য ৰচনাত প্ৰবৃত্ত হয়। বেজবৰুৱা তেওঁৰ পূৰ্বৱৰ্তী লেখক সকলৰ ওচৰত বিশেষকৈ হেমচন্দ্ৰ বৰুৱাৰ সাপ্তাহিক কাকত 'আসাম নিউজ' আৰু গুণাভিৰাম বৰুৱাৰ 'আসাম বন্ধু'ৰ ওচৰত ঋণী আছিল। তেওঁ নিজেই লেখিছে ঃ "কেতিয়া 'আসাম নিউজ' আহিব মই বাটলৈ চাই থাঁকো আৰু আটাইৰে আগেয়ে মই কাকতখন মেলি পঢ়োঁ বুলিলে ঠিক কোৱা নহয়, গিলোঁ বুলিলেহে ঠিক হ'ব। বাস্তৱিকতে 'আসাম নিউজ' পঢ়ি তাৰ অসমীয়া লিখাৰ গঢ়ৰ ফালে ভালকৈ মন দিহে প্ৰথমতে মই অসমীয়া ভাষাত ৰচনা লিখিবলৈ শিকোঁ। ... এইটো ক'বই লাগিব যে অসমীয়া গদ্য আৰু গদ্যসাহিত্য সৃষ্টিৰ অৰ্থে spade work কোষৰ কাম কৰে, অৰ্থাৎ মাটি কুৰি চহাই দিয়ে।" (মোৰ জীৱন-সোৱৰণ)।

অকল আধুনিক যুগৰ সাহিত্যিকসকলৰ দ্বাৰায়ে বেজবৰুৱা প্ৰভাৱান্বিত হোৱা নাছিল। প্ৰাচীন আৰু 'মধ্যযুগীয়া অসমীয়া সাহিত্যয়ো বেজবৰুৱাৰ গদ্য ৰচনাত সহায় কৰিছিল। বেজবৰুৱা সকলো ধৰণৰ অসমীয়া সাহিত্যৰে সৈতে পৰিচিত আছিল। তেওঁ সেইবোৰ অকল পঢ়াই নাছিল, গিলিছিলো হজমো কৰিছিল। অসমীয়া সংস্কৃতিৰ লগত তেওঁৰ নিবিড় সম্পৰ্ক আছিল। পাশ্চাত্য সভ্যতাৰে সৈতে, ইংৰাজী ভাষা সাহিত্যেৰে সৈতে আৰু লগতে বঙলা ভাষা-সাহিত্যেৰ সৈতে ভাল ধৰণে পৰিচিত হোৱাৰ সুযোগো তেওঁ পাইছিল। বেজবৰুৱাৰ সময়ত অসমীয়া ভাষাই প্ৰকৃততে যেনে স্থান পাব লাগিছিল, তেনে স্থান নোপোৱা কাৰণে অন্তৰত গভীৰ দুখ অনুভৱ কৰিছিল। এই আটাইবোৰ কথাই বেজবৰুৱাৰ মনটো অসমৰ প্ৰতি, অসমীয়া ভাষা-সাহিত্যৰ প্ৰতি সম্পূৰ্ণৰূপে নিবিষ্ট কৰোৱাত সহায় হৈছিল। বেজবৰুৱাৰ ক্ষেত্ৰত তেওঁৰ অসমীয়া ভাষাৰ প্ৰতি ভালপোৱাটোৱে মুখ্য কথা অসমৰ বাহিৰতে তেওঁ জীৱন কটাবলগীয়াত পৰিছিল। এই ঘটনায়ো তেওঁক অসমীয়া ভাষাৰ আজীৱন প্ৰেমী আৰু সেৱকৰূপে প্ৰতিষ্ঠিত কৰাত সহায় কৰিছিল। তেওঁৰ নিজৰ ভাষাতঃ "এটা কথা আছে, 'দাঁত নসৰিলে দাঁতৰ মোল নুবুজি।' অসমৰ পৰা আমি সৰি নপৰিলে বা অসম আমাৰপৰা সৰি নপৰিলে অৰ্থাৎ অসমৰপৰা আমি বিদেশলৈ ওলাই নাহিলে, অসম অসমীয়া আৰু অসমীয়া ভাষাৰ আমি মোল বুজিব নোৱাৰোঁ।" আকৌ "অসমীয়া ভাষাৰ উন্নতি অসমীয়া সাহিত্যৰ উন্নতিৰ প্ৰথম ঢাপ।" সেইকাৰণে বেজবৰুৱাৰ প্ৰচেষ্টা আছিল জীৱন জুৰি অসমীয়া ভাষাক চহকী কৰা প্ৰচেষ্টা যাতে অসমীয়া ভাষাই বঙলা ভাষাৰ লগত সমানে স্থান অধিকাৰ কৰিব পাৰে।

এটা চহকী ভাষাই সকলো ধৰণৰ ভাৱ প্ৰকাশ কৰা শক্তি ধাৰণ কৰে। সময়ৰ লগে লগে ভাৱৰ বিকাশ আৰু পৰিৱৰ্তন ঘটে। পাশ্চাত্য সভ্যতাৰ সূচনাই অসংখ্য নতুন ভাৱ সুমুৱালে। সেইবোৰ অসমীয়া ভাষাত প্ৰকাশ কৰাটো এটা সমস্যা হ'ল। এনে সময়তে বেজবৰুৱাই নেতৃত্ব বহন কৰিলে। সেয়েহে তেওঁ ক'লেঃ 'কোনোটো ভাৱ কোনোটো চিন্তা আমাৰ ভাষাৰ শব্দেৰে প্ৰকাশ কৰিব নোৱাৰিলে সহজে বুজা বিদেশী ভাষাৰ শব্দ ধাৰকৈ আনি সেই কাৰ্যৰ নিমিত্তে তাৰ সহায় ল'লে ভাষাৰ মঙ্গলৰ বাহিৰে অমঙ্গল নহয় আৰু ভাষাৰ জাতো নেযায়।" এজন ভাষাবিজ্ঞানীৰ দৰে বেজবৰুৱাই স্পষ্টভাৱে ধাৰণা কৰিব পাৰিছিল যে কোনো এখন ঠাইৰ ভাষাত কোনো এক অঞ্চলৰ শব্দকে অকল ব্যৱহাৰ নকৰি উপভাষাৰ উপযুক্ত শব্দও গ্ৰহণ কৰা উচিত। সেইকাৰণে তেওঁ এটা আদৰ্শ মান্য ভাষাৰ চিত্ৰ দাঙি ধৰিবলৈ সক্ষম হৈছিল ঃ "অসমীয়া ভাষা উজনিৰো অকলশৰীয়া ভাষা নহয়, ভাটীৰো অকলশৰীয়া ভাষা নহয়। সি গোটেই অসমৰ ভাষা। ... উজনিৰ প্ৰাধান্য থকা ভাষায়ো ভাটীৰপৰা শব্দ সম্পদ ল'বই লাগিব।' এনে উদাৰ দৃষ্টিৰে বেজবৰুৱাই অসমীয়া ভাষাৰ চিত্ৰ মনত আঁকি লৈ নানা উপায়েৰে তাক চহকী কৰিবলৈ আজীৱন যত্ন কৰে।

আধুনিক অসমীয়া ভাষাৰ গঢ় দিওঁতা হিচাপে বেজবৰুৱাৰ নিজস্ব প্ৰতিভাৰ পৰিচয় তেওঁৰ গদ্য ৰচনাৰ মাজেদি পোৱা যায়। বেজবৰুৱাই নাটক উপন্যাস, চুটিগল্প, প্ৰবন্ধ, জীৱন-চৰিত, আত্মজীৱন-চৰিত, সাধুকথা, ৰম্য ৰচনা আৰু বিবিধ ৰচনাত অসমীয়া গদ্যৰ প্ৰয়োগ দেখুৱাইছে। এইবোৰত বেজবৰুৱাই শব্দ চয়ন সম্পৰ্কত আচৰিতধৰণে উদাৰ পন্থা অৱলম্বন কৰে। তেওঁ মুকলিভাৱে সকলো ধৰণৰ শব্দ গ্ৰহণ কৰিছিল। একেবাৰে ঘৰুৱা অসমীয়া শব্দৰপৰা আৰম্ভ কৰি উপভাষাৰ শব্দ, বিদেশী শব্দ সকলোকে লৈ য'ত যিটো উপযুক্ত বুলি ভাবিছিল তাকে বহুৱাইছিল। তলত সেইবোৰৰ কেইটামান উদাহৰণ দিয়া হ'ল ঃ

(ক) কাপ, মৈলাম, কাকত, তুলাপাত, মহী, বিতচকু, বাদুলি, সাঁচাৰ, সাঁচাৰ কাঠী দিয়া চলাই, জিয়াচলি, জুইশালি, চেলেউ, মাচিয়া জলপানি, জহ, ঘামকালি, ডাক-হৰকৰা, ডাকোৱাল, চৰতীয়া, নাগ-মাটি, সামাজিক।

(খ) বদলি, জাহাজ, দখল, মদং, জুলুমবাজ, হুকুম, জাহিৰ,

মানা, থেজ, নৰাজ, ৰফা, পোছাক, মাফ, ফয়দা, দোৱাত কলম, খালাচ, চলাথ।

(গ) পিতৃ-দেৱতা দেউতা মাতৃ-দেৱী আই; ক্ষুদ্ৰ, সৰু, শক্তি শকতি; ছাত্ৰ-ছাত্ৰৰ; শয্যা, শোৱা-পাটী; বিসূচিকা, জহনী; কটকিনা, কিৰ্পিণ।

(ঘ) কামি, পিৰালি; বৰা গাহৰি; ঘুমটি টোপনি; বোকা-চাউল, কোমল চাউল; আপী, ছোৱালী, লেজ, নেজ; ফুটা, সুৰুঙা, বিন্ধা; আটাহ পাৰ, কল ছেলো, চকখাই উঠ, জুই পুৱা।

(ঙ) বাট পছ ডকা-হকা, চাকৰ-নাকৰ, লগুৰ-লিকচৌ, বন্দী-বেটী, হাতী-ঘোঁৰা, ধন-বিত, পো-পোৱালি, কলিয়া-কোপ্তা, দাল-চৰ্চ্চৰী, টক-অম্বল।

(চ) গ্ৰেভ, কবৰ, মৈদাম; ছিৰি, খটখটী, লিফ্‌ট; ইজি-চেয়াৰ, আৰাম চকী; বেগ মোনা, থুনুপাক; ফটিকা, লাওপানী, মদ, গুদমৰ্ণিং, সুপ্ৰভাত।

বেজবৰুৱাই নিজৰ পিনৰ পৰাও কিছুমান শব্দ সজাইছিল; যেনে নিপনীয়া গাখীৰ লগৰীয়াণী, শিষ্য-শিষ্যাণী চয়তানীজনী, ডাঙৰতা, বুদ্ধিয়ে বিজুলীয়ালে, নিদীঘলাওঁ। কেতিয়াবা এটা শব্দৰ সাদৃশ্যত আন এটা শব্দ গঢ়িছিল; যেনে নেশ্যনেলিষ্ট, কিন্তু সনাতনিষ্ট, আৰ্য্য সমাজিষ্ট। তদুপৰি ইংৰাজী ভাষাৰ শব্দ কিছুমানৰ প্ৰতিশব্দ ৰূপে অনেক শব্দ ব্যৱহাৰ কৰিছিল। তলত কিছুমান উল্লেখ কৰা হ'ল।

অঙ্কবিদ্যা — ঃ অধৈৰ্যশীল —; অশিষ্ট — ; অপ্ৰীতিকৰ — ; অশাস্ত্ৰীয়ৰকমে — ; আদবকায়দা, দস্তুৰ — ; উপলুঙা নাম — ; উদ্যম শক্তি — ; উত্তমাঙ্গ — ; কল্পিত —; কাৰিকৰী —; কল-কাৰখানা — ; গুণ — ; গাড়ী ৰখা ঠাই — ; গলাগোপা — ; চুপ — ; চৈ — ; জয়লব্ধ চিন —; তাৰিখৰ কাকত — ; দোহাৰি — ; ধাৰা — ; নিজঘৰ-কাতৰুৱা — ; নিষেধ — ; নিয়মপ্ৰিয় — ; নিগাজী — ; প্ৰজা — ; প্ৰত্যাগ্নি — ; পথ প্ৰদৰ্শক — ; প্ৰতিপত্তিশালী — ; প্ৰাচীনমতাবলম্বী — ;পুৰ্ণৰ্বিচাৰ — ; ফপহতা — ; বচন — ; বাট — ; বায়ু পৰিৱৰ্ত্তন — ; বিমোৰ — ; বিদ্ৰূপাত্মক পদ্য — ; বেপৰোৱা — ; বেজিনী — ; বিজুলী-ডাক —; ব্যয়-সঙ্কোচ — ; ভাপ কল — ; মইমতীয়া — ; মাজথাজি — ; থূৰ — ; গধুৰ — ; ৰ'দ — ; শাস্ত্ৰীয়ৰকমে — ; সহজ অৱস্থা —; সঙ্গীম — ; সংজ্ঞা — ; সন্দিগ্ধ চিত্তৰ — ; সাংকেতিক চিহ্ন — ; স্থগিত — ; ক্ষেত্ৰতত্ত্ব — ; হাতনি পেৰা — !

কোনো শব্দৰ একোটা শব্দতে প্ৰতিশব্দ প্ৰতিশব্দ বিচাৰি নাপালে এটাতকৈ অধিক শব্দ প্ৰয়োগৰ দ্বাৰা তাক বুজোৱা হৈছিল; উদাহৰণ ঃ তিনি ভাগত দুভাগ পানী দিয়া .... মজলীয়া বিধৰ ......., অনিয়মিতভাৱে হায়ৰানি যুদ্ধ ....., কম বয়সত বিয়া কৰোৱা ...., হাতে কলথে হোৱা অভিজ্ঞতা ....; কু পথেদি নিয়োজিত ....., বিবেচক আৰু বিবেকী ...; বিকৃত ভাবপ্ৰৱণতা ....; নৱনবোন্মেশালিনী বুদ্ধি সম্পন্ন ব্যক্তি ....., ধান খেৰৰ জুমুধিৰে সজা মূৰ্ত্তি ...; বিয়াৰ উমেদাৰি ....; ঘৰুৱা-চিকিৎসক ....; জীৱন কাৰ্যৰ দৈহিক সংক্ষিপ্ত বিবৰণ ....।

কেতিয়াবা আকৌ প্ৰতিশব্দৰ আৱশ্যকতা অনুভৱ নকৰি ইংৰাজী শব্দটোকে ৰখা হৈছিল; যেনে ..... (ৰোমাণ্টিক) ... (টেক্স), ... (চেক), ... (ফেশ্যন) ... (টেঙ্ক), ....(প্লট), প্লেট, ছুপ, ৰোষ্ট্ৰ, কাৰি, কটলেট, ৰেছিছ, হেট, পাইপ, নাইট কেপ ইত্যাদি। এইবোৰ উপায় অৱলম্বন কৰি বেজবৰুৱাই অসমীয়া ভাষাৰ শব্দ-সম্ভাৰ যথেষ্টৰকমে চহকী কৰিলে।

আনহাতে বেজবৰুৱাত আমি পাওঁ অসমৰ পৰ্বত-পাহাৰ, মঠ মন্দিৰ ঃ অশ্বকান্ত, কামাখ্যা, হাজো, উমানন্দ, পৰশুৰাম কুণ্ড, বশিষ্ঠাশ্ৰম, ভুৱনেশ্বৰী; অসমৰ গছ-গছনি, শাক-পাছলি ঃ আম, কঠাল, তামোল, তেঁতেলি, নেমু, জামু ৰবাব, সুমথিৰা, মদাৰ, আঁহত, জৰি, নল-খাগৰি, মাদুৰি, ধান, মাহ, সৰিয়হ, লাই-লফা, ঢেৰুৱা, পালেং, বাবৰি, কচু, ঢেকিয়া; অসমৰ চৰাই-চিৰিকতি, মাছ-মঙহ; গঙ্গা চিলনী, কুৰুৱা, হাইঠা, কাউৰী, ফেচুলুকা, ঘঁৰিয়াল, কাছ দুৰা-কাছ, ৰৌ-চিতল, কাৰৈ, পাভ, পুঠি; অসমৰ নদ-নদী ঃ সন্ধ্যা-ললিতা-কান্তা সোৱণশিৰি, দিমৌ, ব্ৰহ্মপুত্ৰ, দিহিং দিমৌ; অসমৰ বয়-বস্তু, কানি-কাপোৰ, আ-অলঙ্কাৰ ঃ পাথৈত হোলোং, টুলুঙা নাওঁ, নামঘৰ বৰঘা বুলনি ঘৰ, গজাল, বটালি কৰত, হাতুৰি, চাৰ্ছ ....., পাক-ভোঁহৰ, দৈ, গুড়, চিৰা, সান্দহ, তিলৰ লাড়ু, মোৱা আলু, কাঠ আলু, চিনা আলু, ঘিলাপিঠা, চুঙাপিঠা, লাওপিঠা, ফেনিপিঠা, কাহদি, খাৰলি, খৰিচা, আমৰ গুৰি, বগৰিৰ গুৰি, ধঁপাত, কানি, ভাং, ফটিকা, লাওপানী, এঙাচোলা, চেলেং চুৰিয়া, গামোচা, কাণৰ লংকেৰু, হাতৰ গামখাৰু, আঙুলিৰ বাখৰ পতোৱা আঙঠি, ডিঙিৰ কোটমণি, গলপতা, সাতসৰী হাৰ, অসমীয়াৰ খেলা-ধূলা— টাংগুটি, পচি, লুকাভাকু, হৈ-গুদু, কচু-গুটি, বাঘ-গৰু, ম'হ যুঁজ, কণী-যুঁজ; অসমীয়াৰ মাৰ-কিল, গালি-শপনি— ঢকা, ভুকু, চৰ, গোৰ, হাৰ মজাদী, বদজাত, পাজী, গোটগৰু, এলাবাদ, নাকখাঁৰী, গেৰেলী, জাপৰী, ফেদেলী, বেকেতামুঈ, পেঙী, ওফোন্দা গালী, বেঙী, অসমৰ কালী-পূজা, বটুক-পাঠ, চ'তৰ বিহু, মাঘৰ বিহু, কাতি বিহু, বিয়াহ গোৱা, বিয়া নাম, ওজা গোৱা, পাল নাম; অসমৰ অতীত গৌৰৱ ঃ ৰংঘৰ, কাৰেংঘৰ, তলাতলঘৰ, জয়সাগৰ, শিৱ দ'ল, বিষ্ণু দ'ল, দেৱী দ'ল, বৰুৱা ফুকন, ভুঞা বৰবৰুৱা, নৰকাসুৰ, ভগদত্ত, নৰনাৰায়ণ আৰু অসমীয়াৰ বাবে লাগতিয়াল গুণসমূহ — তেজ, বল, সহিষ্ণুতা, একতা, স্থিৰতা, গাম্ভীৰ্য, ধৰ্মনিষ্ঠা। এনেকৈ মাধৱ কন্দলীৰ ৰামায়ণৰ পিছত অসমীয়া শক-থালা বেজবৰুৱাৰ ৰচনাত সংৰক্ষিত হৈ থাকিল।

বাক্য ৰচনাৰ ক্ষেত্ৰতো বেজবৰুৱাই অসামান্য ক্ষমতা দেখুৱাইছে। তেওঁ বিবিধ ধৰণৰ বাক্য ৰচনা কৰিছে। কেতিয়াবা

কোনো এটা বাক্য সম্পূৰ্ণ তদ্ভৱ শব্দেৰে গঢ়া আৰু কেতিয়াবা তৎসম শব্দেৰে ৰচা। কেতিয়াবা একোটা সংস্কৃত বাক্য লৈছে নতুবা এটা বাক্যৰ একাংশত সংস্কৃতৰ বাক্য ব্যৱহাৰ কৰিছে। কেতিয়াবা আকৌ ইংৰাজী বা আন ভাষাৰ বাক্যৰ অনুবাদৰূপে একোটা বাক্য ৰচনা কৰিছে। তলত আটাইবোৰৰ উদাহৰণ দিয়া হ'ল— উজনি ভাটী একোটা হৈ অসমীয়া জাতি। পৰম ব্ৰহ্ম পৰমেশ্বৰ স্বৰাট, বিশুদ্ধ, বিমুক্ত। জননী জন্মভূমিশ্চ স্বৰ্গাদপী গৰিয়সী। বাকীবোৰ লোষ্ট্ৰবৎ পৰদ্ৰব্যেষু পৰদাৰেষু মাতৃবৎ' ভাবি পৰিত্যাগ কৰিবি। মেহনত কৰি কোনো কবি হ'ব নোৱাৰে (Poet is born not made), সজ কাম নকৰাকৈ পলমকৈ কৰাও ভাল (better late than never), সিদ্ধিয়ে সিৰ্দ্ধিৰ লগ লয় (nothing succeeds like success), পূব পূবত, পশ্চিম পশ্চিমত, দুয়ো বিপৰীতফালে (east is east and west is west and never the twin shall meet)।

কেতিয়াবা শঙ্কৰদেৱে মাধৱদেৱৰ পৰা বাক্য বা বাক্যাংশ একোটা লৈছে, কেতিয়াবা লোক সাহিত্যৰ পৰা বা কোনো কবিতাৰ পৰা এশাৰী লৈ সেইবোৰ গদ্যৰ আকাৰ দিছে। ভট্টদেৱৰ গদ্যৰ অনুকৰণতো দুই-এটা বাক্য সজা হৈছে। উদাহৰণ— তুমি এই বয়সতে আপোন হাতে আপোনাক মাৰি আপোনাৰ মহামাৰি আপুনি চিন্তিবা এনে কথা হ'ব নোৱাৰে। (তু মাধৱদেৱঃ আপুনি আপোন বন্ধু আপুনি আপোন শত্ৰু আপুনি আপোন ৰাখে মাৰে। টেকেলা বোল (তু শঙ্কৰদেৱ ঃ অঙ্কীয়া নাট ৰাজা কৰযোৰ বোল)। টেকেলা বদতি ইটো কথা পৰম গুপুত (তু. দশম ঃ শুকমুনি বদতি শুনিয়ো পৰিক্ষিত); নাৰদত হন্তে মোৰ কৰ্ণগোচৰ হ'ল (তু. ভট্টদেৱে ঃ তুমাত হন্তেসে জগতৰ সৃষ্টি স্থিতি সংহাৰ হয়। যদি কোৱা অকল বিহাৰৰ ওপৰতে মাৰঘত পৰিল কিয়? (তু. ভট্টদেৱ ঃ যদি বোল বিষয়ত দৃষ্টি নহৈলে, কেতমনে ভোগকৰে)। মই কাবৌ কৰি ক'লো, ককা প্ৰসন্ন হোৱা, এইটো সুতলি..." (তু. ভট্টদেৱে ঃ হে জগন্নিবাস, প্ৰসন্ন হোৱা)।

বনগীত দুশাৰীকো কেতিয়াবা গদ্যৰ ৰূপ দিয়া হৈছে ঃ সম্পূৰ্ণ এবছৰ নপঢ়া-নুশুনা নামৰ ৰূপহী মদাৰজোপা জকমকীয়া হৈ ফুলিল; তল ভৰি সৰিল আৰু গুৰু-ভকত ক'তো তাৰ ফুল এপাহি নালাগিল (তু. কেলেই ফুলিলি ৰূপহী মদাৰ ঐ...)। ৰূপ সাগৰত বুৰ মাৰি অৰূপ ৰতনক তুলি চকুৰ আগত ধৰা। (তু ৰবীন্দ্ৰনাথ ঃ ৰূপ সাগৰে ডুব দিয়ে অৰূপ-ৰতন আশা কৰি)।

বেজবৰুৱাই য'তেই সুবিধা পাইছে ত'তেই অসমীয়া ফকৰা-যোজনা, প্ৰৱাদ-বচন, জতুৱাঠাচ আদি পৰ্যাপ্তৰূপে ব্যৱহাৰ নকৰাকৈ থকা নাই। তেওঁৰ ৰচনাত পাওঁঃ কথাতে কটা যায়, কথাতে বঁটা পায়; শাহুৱে গৰকা বোৱাৰী বাবা, শাকত নাখায় লোণ, পিটিকাত যায় তিনিগুণ; সাত পুৰুষত নহ'ল গাই কৰীয়া ল'ই খীৰাবলৈ যায়; আইৰ ঘৰলৈ যাম, দুই হাতে খাম, বিধাতাই বোলে মই পিচে পিচে যাম; গড় গঞা মিতিৰৰ ভাও, মুখে বোলে থাক থাক, ভৰিৰে হেচোকে নাও; মানুহে পাতে ঈশ্বৰে ভাঙে; নল মৰে গঁজালি উঠে; অসমীয়া চিৰকাল পৰৰ ওপৰত খোৱা ভটীয়া পানীত যোৱা; মোৰ ধাতু চুলিৰ আগ যদিও পালেগৈ, তথাপি মৰোঁ জীওঁ সোঁ আধিকৈ বুকুখন ডাঠ কৰি ক'লোঁ; তেওঁ বগা চাহাবসকলৰ ভৰিত ভালকৈ তেল টেঙা ঘঁহিব জানিছিল।

বেজবৰুৱাৰ বহুতো বাক্য প্ৰবাদ-বাক্যত পৰিণত হৈছে; যেনে— "জাতীয় সাহিত্য জাতীয় জীৱনৰ প্ৰতিবিম্ব। অসমীয়া ভাষাৰ উন্নতি অসমৰ উন্নতিৰ প্ৰথম ঢাপ। সদায় আঁউসী নেথাকে। কামৰ সৰু বৰ নাই।"

বাক্যবোৰো একে দৈৰ্ঘ্যৰ নহয়। এই ক্ষেত্ৰতো বেজবৰুৱাই বৈচিত্ৰ্যৰ সমাবেশ ঘটাইছে। তেওঁৰ আটাইতকৈ দীঘল বাক্যটো 534 টা শব্দৰে গঠিত। অসম সাহিত্য সভাৰ সভাপতিৰ ভাষণত সেই বাক্য সংৰক্ষিত হৈছে। তেওঁৰ আটাইতকৈ চুটি বাক্য এটা শব্দেৰে সজা। বেজবৰুৱাৰ বাক্যৰ বৈচিত্ৰ্যৰ আভাসস্বৰূপে এটাৰ পৰা দহোটা শব্দেৰে গঠিত দহোটা বাক্য তলত দিয়া হ'ল—

ক) লখীমপুৰ

খ) মনেই সকলো

গ) মানুহ ঈশ্বৰৰ সন্তান

ঘ) ছাঁ আচল বস্তু নহয়

ঙ) তুমি যেনে ভাবা তেনেকুৱাই হ'বা

চ) প্ৰকৃত আনন্দ হৈছে স্বৰূপানন্দ, ভগৱন্ত, পৰমেশ্বৰ

ছ) অখণ্ড, অব্যয়, ভুমানন্দ ঈশ্বৰৰ ৰাজ্যত নিৰানন্দ ক'ত

জ) মন শৰীৰৰ যেনে সহায়ক শৰীৰো মনৰ তেনে সহায়ক

ঝ) আঁওসীৰ পিছত প্ৰতিপদ দ্বিতীয়া আৰু শেহত পূৰ্ণিমা আছেই।

ঞ) লেখত সৰহ হ'লেই যে মনুষ্যত্বই যোগফল সৰহ হয় এনে নহয়।

হাস্য আৰু ব্যঙ্গৰসাত্মক ৰচনাত বেজবৰুৱাই কোনো কোনো সময়ত বীজ গণিতৰ সূত্ৰৰ আৰ্হিত বাক্য গঢ়িছে; যেনে—

ভোজ-মদ-কুকুৰা = ০ ; শৰাধ - দক্ষিণা = ০ ইত্যাদি।

বেজবৰুৱাৰ আটাইবোৰ ৰচনা সমপৰ্যায়ৰ নহয়। তথাপি তেওঁৰ ৰচনাত অনুচ্ছেদ-বিভাজন আৰু তাৰ দৰকাৰী গুণখিনি নোহোৱা নহয়। এই ক্ষেত্ৰত বিশেষকৈ তেওঁৰ চিন্তামূলক আৰু জ্ঞাননিষ্ঠ ৰচনাৱলী উল্লেখযোগ্য। বেজবৰুৱাৰ গদ্য অনেক ক্ষেত্ৰত লয়যুক্ত। তলৰ বাক্যবোৰে তাৰ সাক্ষী প্ৰদান কৰিব ঃ মতিৰাম ধনেৰে ধনী, গুণেৰে গুণী, খোলত বায়ন, গীতত গায়ন, কাঠৰ কামত বাঢ়ৈ, সম্বোধনত আতৈ। অখণ্ড, অব্যয়, ভুমানন্দ, ঈশ্বৰৰ ৰাজ্যত নিৰানন্দ ক'ত? ইয়াত ভৈয়ামৰ পচা শোক নাই, দুখ নাই, হিংসা নাই, খিয়াল নাই। যিপিনেই চাওঁ সেইপিনেই পুঞ্জীভূত সৌন্দৰ্য্য, স্তুপীকৃত মাধুৰ্য্য ৰাশীকৃত আনন্দ। জলত মধু, থলত

মধু, মানুহত মথু, ফলত মথু।

ডাঙৰ লেখকৰ ৰচনা স্বাভাৱিকভাৱে অলঙ্কাৰযুক্ত হয়। বেজবৰুৱাৰ ৰচনাকো বিবিধ অলঙ্কাৰে শোভিত কৰিছে। অলঙ্কাৰৰ ভিতৰত তেওঁ 'সাৰ' বা 'আৰোহ' অলঙ্কাৰ সঘনে প্ৰয়োগ কৰা দেখা যায়। তলত কিছুমান অলঙ্কাৰৰ উল্লেখ কৰা হ'ল।

উপমা ঃ কাণ দুখনি যেন দুটি হালধীয়া চিকুণ পখিলা। আঠীয়া কলৰ দিল যেন ভুৰযুৰি। মুখখনিত এনে এটা মধুৰ হাঁহি যেন সেইটি বন্দুলি ফুলৰ ঢোপকলিহে।

ৰূপক ঃ ভাষা-ভঁৰালত লোণ-তেল, ধান-চাউল আছে। ভাষা-শাকনিত শাক-পাচলি আছে, ভাষা বিলত মাছ আছে। সেই বায়ুৰ পাল মোৰ মন নাৱত ভালকৈ তৰি দিব পাৰিম।

যমক ঃ ইয়াৰ চাল-চলন কেনে?

মিঠা

মিঠা-তিতাৰ কথা মই কোৱা নাই।

অণুপ্ৰাস ঃ এখোজ দুখোজকৈ আহি সংসাৰত্যাগী সন্যাসীৰ শৰীৰত বিষয়বিৰাগী বৰাগীৰ গাত দুষ্ট কলি প্ৰৱেশ কৰিলে, বৰাগীৰ মনত বিকাৰ উপস্থিত হ'ল।

অতিশয়োক্তি ঃ বাস্তৱিকতে তেওঁ ডাঢ়িকোছা ইমান দীঘল আছিল যে এহেজাৰৰ ভিতৰত ন-শ নিৰানব্বৈটা মানুহৰ মুখত তেনে ডাঢ়িৰ হাবি সতকাই পোৱা নাযায়।

আৰোহ বা সাৰ ঃ আমি দেখিছো, আমি পাইছো, আমি বুজিছো অসমীয়া এটা ভিন্ন ভাষা। পঢ়ি চোৱা মিলাই চোৱা দেখিবা। হে অসমীয়া! ভয় কি? শংসয় কি আৰু আমনজিমনকৈ থাকা কিয়? বুকুত সাহ লৈ; ঈশ্বৰৰ আশীৰ্বাদ শিৰত লৈ, ভক্তি, বিনয়, নম্ৰতা অথচ মনুষ্যত্বৰ দাবীৰ কবচেৰে আবৃত হৈ, ধৰ্ম্মৰ সুবিমল জ্যোতিৰে বিমণ্ডিত হৈ আগবাঢ়ো। গাভৰুৰ কি লাহৰী হাতখনি! কি চকুৰ ঠৰ! কি খামোচে পোৱা কঁকালত! কি আঠীয়া কলৰ দিল যেন ভুৰযুৰি! নাহে, নেপাওঁ, গ'ল জনমলৈ গ'ল।

অৱৰোহ ঃ এতেকে হে জগতবাসী! হে ভাৰতবাসী! হে অসমবাসী! তাত প্লেট নাছিল, কাঁটা নাছিল, চামুচ নাছিল, ছুপ নাছিল, ৰোষ্ট নাছিল, কাৰি নাছিল, কটলেট নাছিল, আছিল মাথোন পঁইতা ভাত আৰু পোৱা মাছ।

সুভাষণ ঃ চুক ভেকুলীবোৰে ক্ষুদ্ৰ বিধ কাৰ্য্য সমাপি লৰ মাৰিছে। তহঁতৰ ঢাপত তিতালাও গজাম, ভেটিত গেৰেলাৰ হতুৱাই সি কথা কৰাম।

বাজ্যস্তুতি ঃ একতা-একতাৰ বিষয়ে অসমীয়া জাতি পৃথিৱীত অদ্বিতীয়। একতা মানে একেতা; অৰ্থাৎ গাই পতি এটা এটা গোট গোট।

লক্ষণা ঃ বগা ছালৰ উন্নতি শীঘ্ৰে হয়। সেই মহাপাপীৰ তেওঁ কস্মিন কালেও বদন দৰ্শন নকৰে।

সমাসোক্তি ঃ গুৱাহাটীৰ গাত লুইতৰ ৰিহা-মেখেলা ডিঙিত পৰ্ব্বতৰ 'সাতশৰী হাৰ, মূৰত ভুৱনেশ্বৰীৰ ধৱল কিৰীটি, বুকুত উমানন্দ আৰু উৰ্বশী। কেতিয়া কোনটো ছেগত ক'ব নোৱাৰো। মনে মনে টোপনিয়ে আহি মোৰ মূৰৰপৰা ভৰিলৈকে ঢাকি কলা কাপোৰ এখন মোৰ গাৰ ওপৰত পেলাই দিলে। আৰু... বাহিৰৰ বনুৱা-লগুৱা ইন্দ্ৰিবোৰে ৰোহ পাতি ধৰ্ম্ম-ঘট কৰি নিজৰ কাম বন্ধ কৰি দিলে। মই হাঁহিলে পৰ্ব্বতেও হাঁহে।

পুনৰুক্তি ঃ বৰ বৰুৱাৰ নিচিনা মানুহৰ পক্ষে খৰচ, আপদ, খৰচ বিপদ, খৰচ শনি আৰু তুহঁৰ অগনি। তেওঁ মৰিলেও খৰচ, নমৰিলেও খৰচ এধাজীয়া হৈ থাকিলেও খৰচ।

ধ্বন্যাত্মকতা ঃ ঘৰৰ ভিতৰত চিতৰ-পখৰা বোন্দা মহে কোণকোণনি লগাইছে, সৰু সৰু ল'ৰাবিলাকৰ কোনোটৰো পেন পেনাইছে, কোথোটোৱে কেনকেনাইছে।

বিষম ঃ সি যেনে তেজী তেনে কোমল, যেনে তপত তেনে চেঁচা, যেনে কটু তেনে মধুৰ।

ভ্ৰান্তিমান ঃ তই আকাশত উৰি ফুৰা মইনা চৰাই নে, পৰ্ব্বতৰ গাত ফুলা বনৰীয়া ফুল? তই পৰ্বতৰ জীয়ৰী গৌৰী নে, লুইতৰ জীয়ৰী কোনোবা জলকুঁৱৰী?

অলঙ্কাৰৰ লগতে আন এটা কথালৈ মন কৰিব পাৰি। বেজবৰুৱা ভাৰতীয় মহা-কাব্যদুখনেৰে সৈতে নিগূঢ় ভাৱে পৰিচিত থকাৰ কাৰণে তেওঁৰ ৰচনাত প্ৰায়ে 'ৰামায়ণ' আৰু 'মহাভাৰত'ৰ কাহিনীক স্থান দি সেইবোৰৰ আলমত তেওঁৰ চৰিত্ৰবোৰৰ বিশ্লেষণ দেখুৱাইছিল। এয়া তাৰ নিদৰ্শনঃ বৰুৱা ডাঙৰীয়াই মোৰ শোকাগ্নি নিৰ্ব্বাপণ কৰিবলৈ... চেষ্টা নকৰি লঙ্কা দাহ কৰি হনুমন্তই অশোক বনলৈ গুচি যোৱাদি ... ঘৰলৈ গ'ল। ... কংসাৰতাৰ ককাই সংবাদ পাই পুনজন্ম লাভ কৰা সুতুলিটিকো পূৰ্ব্বৰতে শিলত আফালি বধ কৰিলে। ... ঘৰত যি পঢ়ি-শুনি আহোঁ সিয়ো পাহৰণিৰ পঞ্চৱটীত সোমাই মায়া-মৃগ হৈ ক'ৰবালৈ লৰি পলাই গুচি যায়।

এতিয়া দেখা গ'ল যে বেজবৰুৱাই পৰৱৰ্তী সকলো ধৰণৰ গদ্য ৰীতিক সামৰি লৈ তেওঁৰ শব্দ-চয়ন, বাক্য গঠন, অনুচ্ছেদ বিভাজন গদ্যৰ লয় আৰু আলঙ্কাৰিক প্ৰয়োগ আদিৰে আধুনিক অসমীয়া গদ্যক বহুতখিনি উন্নতি কৰিলে। তেওঁ বিবিধ প্ৰকাৰৰ গদ্যও ৰচনা কৰে। তেওঁৰ শক্তিশালী ব্যক্তিত্ব, সজ্ঞান কাৰিকৰি অসমীয়া ভাষাৰ প্ৰতি থকা তেওঁৰ স্বাভাৱিক ঢাল আৰু অসমীয়া ভাষাৰ ওপৰত থকা দখলৰ দ্বাৰা তেওঁ এটা নিজস্ব ৰীতি গঢ়ি তুলিবলৈ সক্ষম হয়। সেইহেতুকে তেওঁৰ গদ্য-ৰীতিৰ প্ৰসঙ্গত ড° কাকতিয়ে কৈছিল— "বেজবৰুৱাৰ ৰচনা-পদ্ধতিৰ প্ৰতি সবিশেষ মন নিদিয়াকৈ অসমীয়া লিখিবলৈ যোৱাটো ভাষাৰ প্ৰতি অবিচাৰ কৰা হয়।" আন ভাষাত ক'বলৈ হ'লে বেজবৰুৱা আধুনিক অসমীয়া গদ্যৰ এজন প্ৰধান গঢ় দিওঁতা। তেওঁৰ গদ্যৰীতিয়ে অসমীয়া গদ্যৰ গৌৰৱ বঢ়াইছে আৰু অসমীয়া ভাষা সমৃদ্ধ হৈছে। ■

# অসম বুৰঞ্জীৰ অলিখিত এটি অধ্যায় 'ঢকুৱাখনাৰ ফাটবিহু'

**মণ্টু চেতিয়া**, সহকাৰী অধ্যাপক, বুৰঞ্জী বিভাগ

বহাগ বিহু বা ৰঙালী বিহু অসমৰ জাতীয় উৎসৱ যদিও ইয়াক বিভিন্ন অঞ্চল বা ঠাই ভেদে বিভিন্ন ৰূপত পালন কৰা হয়। অসমৰ এই ৰঙালী বিহুৰে এটা আঞ্চলিক ৰূপ হ'ল ঢকুৱাখনাৰ 'ফাটবিহু'। ডুবিৰ দেৱদাসী নৃত্য, জামুগুৰিহাটৰ 'বাৰে-চহৰীয়া ভাওঁনা', বৰপেটাৰ 'নাওখেল', চতিয়াৰ 'আঁহতগুৰিৰ বিহু', নলবাৰীৰ 'মূৰ্তিৰ ৰাস' আদি যেনেকৈ উক্ত অঞ্চলসমূহৰ সুকীয়া কৃষ্টি, ঠিক তেনেদৰে 'ফাটবিহু' ঢকুৱাখনাৰ একক আৰু অদ্বিতীয় বৰ্ণাঢ্য কৃষ্টি। আহোম যুগৰে পৰা প্ৰচলিত ঢকুৱাখনাৰ ঐতিহ্যবহনকাৰী এই লোক-উৎসৱটিৰ কিছুমান স্বকীয় বৈশিষ্ট্য আছে, যিবোৰে ইয়াক অন্যান্য আধুনিক বিহু উৎসৱসমূহৰ পৰা পৃথক কৰি ৰাখিছে। উল্লেখযোগ্য কথাটো হ'ল যে ঢকুৱাখনাৰ ফাটবিহু কোনো এটা জাতি বা সম্প্ৰদায়ৰ একক অনুষ্ঠান নহয়। ই হ'ল ঢকুৱাখনা অঞ্চলত বাস কৰা সকলোবোৰ জাতি-জনগোষ্ঠী আৰু সম্প্ৰদায়ৰ উমৈহতীয়া অনুষ্ঠান। ঢকুৱাখনাৰ ফাটবিহু ঢকুৱাখনা অঞ্চলৰ ঐক্য আৰু সমন্বয়ৰ প্ৰতীক।

অতি প্ৰাচীন কালৰে পৰা হাবুং অৰ্থাৎ বৰ্তমানৰ ঢকুৱাখনা এক উল্লেখযোগ্য ঠাই হিচাপে বিবেচিত হৈ আহিছে। এই অঞ্চলতেই ভূঞা আৰু চুতীয়াসকলে নিজৰ নিজৰ ৰাজ্য স্থাপন কৰি প্ৰবল প্ৰতাপেৰে শাসন চলাইছিল। আহোম ৰাজ্যৰ প্ৰতিষ্ঠাতা চুকাফাই ১২৪০ খৃঃত ৰাজধানী স্থাপনৰ বাবে সুবিধাজনক ঠাই বিচাৰি হাবুঙলৈ আহে আৰু তিনিবছৰ দিন ইয়াত আছিল বুলি বুৰঞ্জীত উল্লেখ আছে।[১] বুৰঞ্জীবিদ এডৱাৰ্ড গেইটৰ মতে আহোম স্বৰ্গদেউ চুহুংমুঙৰ ৰাজত্ব কালত আহোমসকলে ১৫১২ খৃঃত চুতীয়াসকলক পৰাস্ত কৰি এই গোটেই অঞ্চলটো নিজৰ দখললৈ আনে। বুৰঞ্জীৰ অন্যান্য কিছুমান সমলৰ পৰা জনা যায় যে এই হাবুঙতেই আহোমসকলৰ কেইবাখনো গুৰুত্বপূৰ্ণ যুদ্ধ সংঘটিত হৈছিল। মানৰ বিৰুদ্ধে আহোমসকলৰ এখন নিৰ্ণায়ক যুদ্ধ এই অঞ্চলৰ 'ঘিলামৰা' নামৰ ঠাইত সংঘটিত হোৱাৰ কথা জনা যায়। ভাৰতবৰ্ষ তথা অসমৰ স্বাধীনতা আন্দোলনৰ ক্ষেত্ৰত সমগ্ৰ দেশবাসীৰ লগতে ঢকুৱাখনাবাসীয়েও গুৰুত্বপূৰ্ণ সহযোগিতা আগবঢ়াইছিল - এই কথাৰ প্ৰমাণ বিভিন্ন সমলৰ পৰা পোৱা যায়।

কেতিয়া আৰু কেনেকৈ ঢকুৱাখনা অঞ্চলত 'ফাটবিহু' আৰম্ভ হৈছিল এই সম্পৰ্কে অসম বুৰঞ্জীত স্পষ্ট উল্লেখ পোৱা নাযায়। ঢকুৱাখনা অঞ্চলৰ এজন বিশিষ্ট লেখক ড° জিতৰাম কলিতাৰ মতে খৃষ্টাব্দ ১৬শ শতিকাৰ পৰাই ঢকুৱাখনাৰ চাৰিকড়ীয়া নদীৰ পাৰত ফাটবিহু অনুষ্ঠিত হৈ আহিছে। ঢকুৱাখনাৰ আন এজন বিশিষ্ট ব্যক্তি প্ৰয়াত খগেন গগৈৰ মতে ঢকুৱাখনাত ফাটবিহু ১৮ শ শতিকাৰ পৰাহে আৰম্ভ হৈছিল অৰ্থাৎ আহোম ৰাজত্বৰ শেষৰ সময়ছোৱাত। ঠিক তেনেদৰে এই বিহু অনুষ্ঠানটিৰ নাম কিয় 'ফাটবিহু' হ'ল এই সম্পৰ্কেও পণ্ডিতসকলৰ মাজত মতৰ পাৰ্থক্য দেখিবলৈ পোৱা যায়। কোনো কোনোৰ মতে চাৰিকড়ীয়া নদীৰ পাৰৰ বিহুত পূৰ্বতে কেতিয়াবা ঢোল ফাটিছিল, নাচোতে নাচনীৰ ৰিহা-মেখেলা ফাটিছিল, ঢুলীয়াই নাচনীক পলুৱাই নিওতে নাচনীৰ আঁচল ফাটিছিল আৰু বিহুনাম গাওঁতে মাত ফাটিছিল সেয়েহে এই বিহু 'ফাটবিহু' নামেৰে জনাজাত হয়। আন কিছুমানৰ মতে ঢকুৱাখনাৰ চাৰিকড়ীয়া নদীৰ পাৰৰ বিহু শিৱসাগৰৰ ৰংপুৰীয়া বিহুৰ পৰা ফাটি আহিছিল বাবেই এই বিহুক 'ফাটবিহু' বুলি নামকৰণ কৰা হয়। আনহাতে অনেক লোকৰ সমাবেশৰ ক্ষেত্ৰত কেতিয়াবা

'ফাট' শব্দটো ব্যৱহাৰ কৰা হয়। ঢকুৱাখনাৰ এই বিহুত হাজাৰ বিজাৰ ৰাইজ গোট খাইছিল। অঞ্চলটোৰ ৰাইজে 'ফাট' মাৰিছিল বাবে বহাগৰ সেই বিহুক 'ফাটবিহু' বুলি জনা যায়। অৱশ্যে এনেদৰে বিভিন্ন মন্তব্য আগবঢ়ালেও ইয়াৰ কোনোটোৱেই সৰ্বজন গ্ৰহণযোগ্য নহয়। বিস্তৃত অধ্যয়ন আৰু শেহতীয়া গৱেষণাৰ পৰা জানিব পৰা গৈছে যে ঢকুৱাখনাৰ চাৰিকড়ীয়া নৈ পাৰত আহোমৰ দিনৰ এটা 'ফাট' বা 'ঘাট' আছিল। 'ফাট' হৈছে টাই ভাষাৰ শব্দ। Ahom Lexicons মতে -- 'ফাট' মানে নৈৰ দাঁতিত কৰ সংগ্ৰহ কৰা আৰু বেহা-বেপাৰ কৰা ঠাই।[২] (a place where traders assembled for trade and payment of duty)। শিৱসাগৰ জিলাৰ 'নগাফাট', দৰং জিলাৰ 'ভূটীয়া ফাট', নগাঁও জিলাৰ 'হলাৰ ফাট', কাজিৰঙাৰ 'কলৰ ফাট' আদিও চাৰিকড়ীয়া ফাটৰ দৰে আহোম ৰজাৰ দিনৰ 'ফাট' আছিল। প্ৰতি বছৰে বহাগৰ প্ৰথম সপ্তাহত চাৰিকড়ীয়া নদীৰ এই ফাটলৈ আহোম ৰাজবিষয়াসকল কৰ সংগ্ৰহ কৰিবলৈ আহিছিল আৰু দূৰ দূৰণিৰ পৰা অহা প্ৰজাই বিহুনৃত্য আৰু গীতেৰে তেওঁলোকক সম্ভাষণ জনাইছিল। লগতে ৰঙালী বিহু উৰুৱা উৎসৱো তাতে পালন কৰিছিল। এনেদৰে 'ফাট'ত অনুষ্ঠিত হোৱাৰ বাবেই এই বিহুৰ নাম হ'ল 'ফাটবিহু'। উল্লেখযোগ্যযে জনসাধাৰণে ভাষাৰ সদায় সৰলীকৃত ৰূপ এটাহে বিচাৰে। আমাৰ ভাষাৰ ব্যাকৰণত এটা নিয়ম আছে যে ষষ্ঠী তৎপুৰুষত 'ৰ' ধ্বনি লোপ পায়। গতিকে 'ফাটৰ বিহু' নুবুলি ৰাইজে চমুকৈ 'ফাটবিহু' বুলিহে উচ্চাৰণ কৰে।[৩]

গুৰুত্বপূৰ্ণ কথাটো হ'ল যে ঢকুৱাখনাৰ ফাটবিহু হৈছে সৰ্বসাধাৰণ ৰাইজে অনুষ্ঠিত কৰা অসমৰ প্ৰথমখন বিহু সন্মিলন বা অনুষ্ঠান - য'ত কোনো ৰাজকীয় পৃষ্ঠপোষকতা নাছিল। ইয়াৰ আগতে বা সমসাময়িকভাৱে শিৱসাগৰৰ ৰংঘৰৰ বাকৰিত ৰাজহুৱা বিহু অনুষ্ঠিত হৈছিল যদিও এই বিহুত ৰাজকীয় পৃষ্ঠপোষকতা দেখা গৈছিল। অৱশ্যে, ঢকুৱাখনাৰ ফাটবিহুৰ ৰজাঘৰীয়া নহ'লেও কোনো গোট বা সংগঠনে পৃষ্ঠপোষকতা আগবঢ়াইছিল নে নাই এই সম্পৰ্কেও কোনো স্পষ্ট উত্তৰ পোৱা নাযায়। বিহু বিশেষজ্ঞ সূৰ্য্য দাসৰ মতে ঢকুৱাখনা ফাটবিহুত কোনো গোট বা সংগঠনৰ পৃষ্ঠপোষকতা নাছিল। ই আছিল প্ৰাকৃতিক, স্বতঃফূৰ্ট আৰু অসংগঠিত। অধ্যাপক চন্দ্ৰকান্ত শৰ্মাৰ গৱেষণাৰ মতে সম্ভৱত স্থানীয় লোকসকলেই ফাটবিহুৰ প্ৰধান পৃষ্ঠপোষক আছিল আৰু তেওঁলোকেই ওচৰৰ অন্যান্য গাঁওবাসীক চাৰিকড়ীয়া ফাটলৈ বিহু প্ৰদৰ্শনৰ বাবে আমন্ত্ৰণ জনাইছিল।

১৯১৮ চনত ঢকুৱাখনা অঞ্চলত এক আকস্মিক ঘটনা সংঘটিত হৈছিল, যিটো স্থানীয় লোকসকলৰ মাজত 'লুটপাট'ৰ ঘটনা বুলি জনাজাত। ঘটনাৰ বিৱৰণীৰ মতে ঢকুৱাখনাত সেই বছৰটোত এটা উৰাবাতৰি ওলাল যে প্ৰথম বিশ্বযুদ্ধত জাৰ্মানীয়ে ইংলেণ্ডক পৰাজিত কৰিছে, সেয়েহে ভাৰতৰ্বষ আৰু বেছিদিন বৃটিছৰ অধীনত থাকিব নালাগে। এই বাতৰি পোৱাৰ লগে লগে এই অঞ্চলৰ সহজ সৰল গণতন্ত্ৰ প্ৰেমী মানুহবোৰে বুজি পালে যে এতিয়াৰ পৰা সকলো স্বাধীন হ'ল। এনে বিশ্বাসৰ বশৱৰ্তী হৈ মোহন গাম নামৰ এজন মিচিং সম্প্ৰদায় লোকৰ নেতৃত্বত বৃটিছৰ দাসত্বৰ পৰা মুক্ত হ'বৰ বাবে একাংশ ৰাইজে বিদ্ৰোহ কৰি ঢকুৱাখনা চহৰৰ কেঞাৰ দোকান পোহাৰসমূহ লুটপাট কৰিছিল।[৪] ঢকুৱাখনা মানুহে এই দিনবোৰক লুটপাটৰ দিন বুলি বহুত দিনলৈকে মনত ৰাখিছিল। পৰৱৰ্তী সময়ত প্ৰথম মহাসমৰত মিত্ৰ শক্তিৰ জয়লাভ হোৱাত ভাৰতত ইংৰাজ শাসন বৰ্ত্তি থাকিল। ইংৰাজ চিপাহীয়ে লুটপাট কৰা বহুতো যুৱকক ধৰি শাস্তি দিছিল আৰু বহুতে ইংৰাজক ধৰা নিদি আত্মগোপন কৰে। মিছিং লোকসকলেই সৰহীয়াকৈ ৰাজ নিগ্ৰহত ভুগিলে। যি কি নহওক, এই ঘটনাৰ পাছৰ পৰাই ঢকুৱাখনা অঞ্চলৰ মিছিং তথা অন্যান্য জনজাতীয় লোকসকলে প্ৰশাসনৰ ভয়ত বহাগ বিহুৰ সময়ছোৱাত চাৰিকড়ীয়া নদীৰ পাৰৰ ফাটলৈ নহা হ'ল। ইয়াৰ লগে লগেই ঢকুৱাখনা অঞ্চলৰ এই থলুৱা বৰ্ণাঢ্য উৎসৱটিৰ সাময়িকভাৱে বিলুপ্তি ঘটিছিল।

এনেদৰে ১৯১৮ চনৰ পাছত ঢকুৱাখনাত কিছুবছৰলৈ 'ফাটবিহু' উদ্‌যাপন কৰা হোৱা নাছিল যদিও পৰৱৰ্তী সময়ছোৱাত ইয়াক যথাসম্ভৱ পুনৰোজ্জীৱিত কৰি তুলিবৰ বাবে বিভিন্ন প্ৰচেষ্টা হাতত লোৱা হয়। ১৯২৪ চনত প্ৰথম প্ৰচেষ্টা চলাইছিল প্ৰখ্যাত সাহিত্যিক তথা বুদ্ধিজীৱী হোমেন বৰগোহাঞিৰ দেউতাক ইন্দিবৰ বৰগোহাঞি ডাঙৰীয়াই।[৫] ঠিক তেনেদৰে ঢকুৱাখনাৰ আন কেইজনমান উৎসাহী ব্যক্তি ক্ৰমে প্ৰয়াত মহেন্দ্ৰ গগৈ, লীলাকান্ত দাস, ডিম্বেশ্বৰ দাস, প্ৰবীণ গগৈ, জয়চন্দ্ৰ গগৈ, খৰ্গেশ্বৰ হাজৰিকা, ডম্বৰুধৰ চেতিয়া আৰু যতীন্দ্ৰ কুমাৰ বৰুৱা আদি ব্যক্তিৰ সহযোগত ১৯৪৮,১৯৫৮ আৰু ১৯৬৫ চনত ফাটবিহুক পুনৰ নতুন ৰূপেৰে আনুষ্ঠানিক ভাৱে পালন কৰিবলৈ চেষ্টা চলোৱা হয় যদিও ধাৰাবাহিকতা ৰক্ষা কৰিব পৰা নাছিল। অৱশেষত ১৯৭৬ চনৰ পৰাহে ফাটবিহুক আনুষ্ঠানিক ৰূপত ধাৰাবাহিকভাৱে পালন কৰি অহা হৈছে - যি বহাগ মাহৰ শেষৰ ফালে চাৰিকড়ীয়া নদীৰ পাৰৰ 'ম'হঘুলী চাপৰি'ত বৰ্তমানেও বিদ্যমান।[৬]

বৰ্তমান সময়ত ঢকুৱাখনাৰ ফাটবিহুৰ প্ৰসাৰতা আৰু জনপ্ৰিয়তা লাভৰ ক্ষেত্ৰত বিশেষভাৱে বৰঙণি আগবঢ়োৱা ব্যক্তি সকলৰ ভিতৰত -- শিৱপ্ৰসাদ গগৈ, ছবিলাল জৈন, সৰ্বেশ্বৰ বৰুৱা, কেশৱ গগৈ, অমিয় কুমাৰ সন্দিকৈ, জীৱন চমুৱা, গিৰিন গগৈ,লালিত্য দাস, নন্দ চুতীয়া আদিৰ নাম বিশেভাৱে উল্লেখযোগ্য। বৰ্তমান 'বিহুবান' নামৰ এখন স্মৃতি গ্ৰন্থ' ফাটবিহু উদ্‌যাপনৰ লগত সংগতি ৰাখি প্ৰতি বছৰে প্ৰকাশৰ ব্যৱস্থা কৰা

হৈছে। এই 'বিহুৱান' খনে ঢকুৱাখনা অঞ্চলটোৰ নৱপ্ৰজন্মৰ মাজত সাহিত্য, সংস্কৃতি আৰু ইতিহাস অধ্যয়নৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে।

এই কথা অনস্বীকাৰ্য যে ঢকুৱাখনাৰ ফাটবিহুৱে বিভিন্ন কাৰণত যদিও পুৰণি ৰূপটো হেৰুৱাই বৰ্তমানৰ আনুষ্ঠানিক ৰূপটো গ্ৰহণ কৰিছে তথাপি বিভিন্ন দৃষ্টিকোণৰ পৰা ইয়াৰ গুৰুত্ব এতিয়াও উলাই কৰিব নোৱাৰি। ঢকুৱাখনাৰ অঞ্চলত বাসকৰা বিভিন্ন জাতি-জনগোষ্ঠী যেনে আহোম, চুতীয়া, কছাৰী, দেউৰী, মিছিং, কোঁচ, কলিতা আদিবোৰে নিজ নিজ কৃষ্টি- সংস্কৃতি এতিয়াও জীয়াই ৰাখিছে আৰু এইবোৰ বৰ্তমানেও প্ৰতিফলিত হয় চাৰিকড়ীয়া নদীৰ পাৰৰ ফাটবিহু তলিত।[৭] ফাটবিহুৱে কেৱল সাংস্কৃতিক বৈচিত্ৰ্যতাকে প্ৰতিফলিত কৰিছে বা পুৰণি ঐতিহ্যকে সংৰক্ষণ কৰিছে এনে নহয় -- ই অসমীয়াৰ বাপতি সাহোন ৰঙালী বিহুটিৰ নিজস্বতা আৰু বিশুদ্ধতাও ৰক্ষা কৰিছে। বৰ্তমান সময়ত আমাৰ চেনেহৰ ৰঙালী বিহুটিয়ে বিভিন্ন সময়ৰ মাজেৰে পাৰ হৈ আহি বিভিন্ন জনৰ সংস্পৰ্শত পৰি ৰূপ গ্ৰহণ কৰিছে সেয়া আমি নক'লেও সকলোৱেই জ্ঞাত। কিন্তু ঢকুৱাখনাৰ ফাটবিহু এই ক্ষেত্ৰত সম্পূৰ্ণ ব্যতিক্ৰমী। মুঠৰ ওপৰত এই কথা সত্য যে ইমানবোৰ পৰিৱৰ্তনৰ মাজেৰে অহাৰ পাছতো ফাটবিহুৱে যথেষ্ট পৰিমাণে ইয়াৰ নিজস্ব কিছুমান বৈশিষ্ট্য এতিয়াও অক্ষুণ্ণ ৰাখিব পাৰিছে – যিটোৱে ইয়াক বৰ্তমান সময়ত এটা সুকীয়া পৰিচয় প্ৰদান কৰিছে।

ঢকুৱাখনাৰ ফাটবিহুৰ আন এটা উল্লেখযোগ্য দিশ হৈছে অঞ্চলটোৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ লোকসকলৰ মাজত ঐক্য-সংহতি ৰক্ষাৰ ক্ষেত্ৰত ইয়াৰ বিশেষ ভূমিকা। অৱশ্যে এইটো উল্লেখ কৰিব লাগিব যে ঐক্য-সম্প্ৰীতি ৰক্ষাৰ ক্ষেত্ৰত প্ৰত্যক উৎসৱ-অনুষ্ঠানৰেই বৰঙণি থাকে। কিন্তু ফাটবিহুৰ ক্ষেত্ৰত এই অবদান বা প্ৰভাৱ অলপ বেলেগ ধৰণৰ। যিহেতু ঢকুৱাখনাৰ ফাটবিহু কোনো এটা জাতি বা সম্প্ৰদায়ৰ অনুষ্ঠান নহয়, সেয়েহে ইয়াক সকলো জাতি-জনগোষ্ঠী আৰু সম্প্ৰদায়ৰ লোকে মুক্তমনে অংশগ্ৰহণ কৰি আহিছে। ফাটবিহুৰ তলিত গঢ়ি উঠা এই সম্প্ৰীতিয়ে বছৰটো বাকী সময়ছোৱাতো ঢকুৱাখনাবাসীক গভীৰভাৱে প্ৰভাৱিত কৰি আহিছে। সেয়েহে অসমৰ বিভিন্ন অঞ্চলত গোষ্ঠী সংঘৰ্ষ হ'লেও ঢকুৱাখনাত ইয়াৰ উদাহৰণ দেখিবলৈ পোৱা নাযায়।[৮]

শেষত, ইয়াকে ক'ব পাৰি যে ঢকুৱাখনাৰ ফাটবিহুৱে বিভিন্ন কাৰণত পৰিপ্ৰেক্ষিতত অতীতত অসম বুৰঞ্জী তথা ইতিহাসৰ পৰা বঞ্চিত হ'ব লগীয়া হৈছিল যদিও বৰ্তমানে এই বিহুৱে গছৰ তলত হোৱা মুকলি বিহু, জেংবিহু, বিহুৱা-বিহুৱতীৰ সাজপাৰ, বিহুনৃত্য, বিহুগীত ইত্যাদিৰ ক্ষেত্ৰত থকা স্বকীয় বৈশিষ্ট্যৰ বাবে প্ৰত্যেকজন সংস্কৃতিপ্ৰেমী অসমীয়াৰ বাবে এটা পৰিচিত অনুষ্ঠানত পৰিণত হৈছে। শেহতীয়া ভাৱে ই অসমীয়াৰ লগতে দেশী-বিদেশী পৰ্যটকসকলকো বিশেষভাৱে আকৰ্ষিত কৰি অঞ্চলটোৰ সাংস্কৃতিক পৰ্যটনৰ বাট মুকলি কৰিছে। ■

---

**পাদটীকা -**

১. E.A.Gait, 'A History of Assam' কলিকতা, ১৯০৫, পুনমুদ্ৰন, গুৱাহাটী, ১৯৮৭, পৃঃ ৭৩
২. ডিম্বেশ্বৰ গগৈ, 'দেহা গৰকিলে প্ৰেমে' ঢকুৱাখনা, ১৯৮২, পাতনি
৩. ইছমাইল হুছেইন, 'ফাটবিহুৰ ইতিহাস আৰু ঐতিহ্য' গুৱাহাটী, ২০০২, পৃঃ ২৪
৪. জিতৰাম কলিতা, 'ইতিহাসে গৰকা ঢকুৱাখনা', ঢকুৱাখনা, ২০০১, পৃঃ ২২
৫. উল্লিখিত
৬. ব্যক্তিগত মুখামুখি ঃ শ্ৰীযুত যতীন্দ্ৰ কুমাৰ বৰুৱা, জ্যেষ্ঠ সাংবাদিক আৰু সমাজসেৱক, ঢকুৱাখনা
৭. ভাৰদ্বাজ গগৈ, 'Peserving a Legacy' আসাম-ট্ৰিবন ২০০৮, ১৬ মে', পৃঃ ৬০
৮. জগদীশ গগৈ, 'অতীতৰ ঢকুৱাখনা আৰু ফাটবিহু', দৈনিক জনমভূমি, গুৱাহাটী, ৩০ এপ্ৰিল, ২০০৭, পৃঃ ৪

# হোমেন বৰগোহাঞিৰ উপন্যাস 'মৎস্যগন্ধা' আৰু 'পিতাপুত্ৰ'ত গ্ৰামাঞ্চলৰ মৎস্যজীৱী সম্প্ৰদায়ৰ আৰ্থ-সামাজিক জীৱনৰ প্ৰতিফলন

**প্ৰশান্ত কুমাৰ দাস,** সহকাৰী অধ্যাপক, অসমীয়া বিভাগ

সুবালা, মৎস্যগন্ধা, পিতা-পুত্ৰ, হালধীয়া চৰায়ে বাওধান খায়, সাউদৰ পুতেকে নাও মেলি যায়, অন্তৰাগ, কুশীলব, তিমিৰতীৰ্থ ইত্যাদি উপন্যাসেৰে অসমীয়া সাহিত্যক সমৃদ্ধ কৰা যুদ্ধোত্তৰ যুগৰ এগৰাকী ঔপন্যাসিক হ'ল হোমেন বৰগোহাঞি। বৰগোহাঞিৰ সৰহ সংখ্যক উপন্যাসতে মানৱীয় মৰ্যাদাবোধৰ প্ৰশ্নটো গুৰুত্ব সহকাৰে উত্থাপিত হৈছে। শোষণ, নিৰ্যাতন ভিত্তিক সামাজিক-ৰাজনৈতিক ব্যৱস্থাই সাধাৰণ জনসাধাৰণক পশুতকৈও অধম, নিঃস্ব ক্লিষ্ট, জীৱন যাপন কৰিবলৈ বাধ্য কৰোৱাৰ বাবে সৃষ্টি হোৱা মানৱীয় মৰ্যদাবোধৰ প্ৰশ্নটোক অতি মৰ্মস্পৰ্শী আৰু বিশ্বাসযোগ্য ৰূপত তেওঁ প্ৰায় ভাগ উপন্যাসতে প্ৰতিফলিত কৰিছে। ইয়াৰ লগতে তেওঁৰ সফলতম উপন্যাস সমূহত অসমৰ গএগ্ৰা ৰাইজৰ বিচিত্ৰ অভিব্যক্তি বাস্তৱানুগ আৰু ৰসোত্তীৰ্ণ ৰূপত প্ৰকাশ পাইছে। এই প্ৰসঙ্গত ড° মদন শৰ্মাৰ এযাৰ মন্তব্য প্ৰণিধান যোগ্য — "গাঁৱলীয়া প্ৰকৃতিৰ সেই তুচ্ছ নগণ্য দৃশ্যবোৰ, গাঁৱৰ সেই সহজ-সৰল মানুহবোৰ' ৰ জীৱন সংগ্ৰাম বৰগোহাঞিয়ে গভীৰ আন্তৰিকতা, মমতা আৰু সহানুভূতিৰে ফুটাই তুলিবলৈ প্ৰয়াস কৰিছে।"১

আমাৰ এই অধ্যয়নত বৰগোহাঞিৰ 'মৎস্যগন্ধা' আৰু 'পিতা-পুত্ৰ' উপন্যাস দুখনত অসমৰ মৎস্যজীৱী সম্প্ৰদায়ৰ লোকসকলৰ অৰ্থনীতি, সামাজিক-স্থিতি, মৰ্যাদা, মানসিকতা, পৰম্পৰা, শৈক্ষিক দিশ, কুসংস্কাৰ ইত্যাদি দিশৰ প্ৰতিফলনৰ ওপৰত আলোকপাত কৰিবলৈ প্ৰয়াস কৰা হৈছে।

**মৎস্যগন্ধা —**

১৯৮৭ চনত প্ৰকাশ পোৱা মৎস্যগন্ধাত ঔপন্যাসিকে অসমৰ বৰ্ণহিন্দু আৰু আন উচ্চ সম্প্ৰদায়ৰ হাতত মৎস্যজীৱী সম্প্ৰদায়ৰ লোকসকলৰ হৃত মানৱিক মৰ্যাদাবোধৰ প্ৰশ্নটোক অতি সাহস আৰু গুৰুত্ব সহকাৰে উত্থাপন কৰিছে। উপন্যাসখনৰ পটভূমি উজনি অসমৰ ম'হঘূলি অঞ্চলৰ গৰৈমাৰী নামৰ এখন কৈৱৰ্ত গাঁও। কথাবস্তুৰ সময়সীমা প্ৰাক-স্বাধীনতা কাল। পৰম্পৰাগত জাতিভেদ প্ৰথাৰ গ্ৰাসত পৰা এখন অসমীয়া মৎস্যজীৱী সম্প্ৰদায়ৰ সমাজৰ ছবি ঔপন্যাসিকে অতি মৰ্মস্পৰ্শী ৰূপত উপন্যাসখনত অংকিত কৰিছে আৰু পৰম্পৰাগত মূল্যবোধ আৰু দৃষ্টিভংগীৰ ওপৰত ক্ষোভ উজাৰিছে। তাৰবাবে তেওঁ বাছি লৈছে উপন্যাসৰ মুখ্য চৰিত্ৰ মেনকাক। মেনকা এগৰাকী মৎস্যজীৱী সম্প্ৰদায়ৰ মহিলা। অকামিলা, ভাণ্ডুৱা আৰু কৰ্তব্যজ্ঞানহীন স্বামী পূৰ্ণৰ সৈতে তাইৰ এখন সংসাৰ আছে। মাছ মাৰি জীৱন অতিবাহিত কৰাৰ উপৰিও মেনকাৰ আন এটি বৃত্তি হ'ল 'বেজালি'। গ্ৰাম্য জনসাধাৰণৰ মাজত থকা কিছুমান অন্ধবিশ্বাস আৰু কুসংস্কাৰৰ সুযোগ লৈ মেনকাই অতি সহজতে এই বৃত্তি চলাই গৈছে। বাল্যকালৰ পৰা পোৱা আৰ্থিক-সংকট বা দৰিদ্ৰতা আৰু উচ্চসম্প্ৰদায়ৰ লোকসকলে কৰা দুৰ্ব্যৱহাৰৰ ক্ষোভৰ জুইত জ্বলি থকামেনকাই অৱশেষত অতি চতুৰতাৰে উচ্চ সম্প্ৰদায়ৰ বুলি ভণ্ডামিৰ মুখাপিন্ধা আহোম ল'ৰা মণিৰামৰ সৈতে কৈৱৰ্তকুলৰ কমলাৰ বিয়া পাতি দি পৰম্পৰাগত মূল্যবাধৰ বিৰুদ্ধে জেহাদ ঘোষণা কৰিছে। মূলতঃ এয়া ঔপন্যাসিক মনৰ

মাজত গুমৰিথকা ক্ষোভৰ বহিৰ্প্ৰকাশ মাথোন। গৰৈমাৰী কৈৱৰ্ত নামেৰে পৰিচিত মৎস্যজীৱী সম্প্ৰদায়ৰ সমাজখনক কথাবস্তুৰ মাজলৈ অনাৰ বাবে এই সমাজখনৰ অৰ্থনৈতিক, সামাজিক, শৈক্ষিক ইত্যাদি বহুতো দিশ উপন্যাসৰ পাতত প্ৰতিফলিত হৈছে। তলত এই বিষয়ে আলোচনা আগবঢ়োৱা হ'ল।

**'মৎস্যগন্ধা'ত মৎস্যজীৱী সম্প্ৰদায়ৰ অৰ্থনৈতিক দিশৰ প্ৰতিফলন —**

মৎস্যজীৱী সম্প্ৰদায়ৰ জীৱিকাৰ মূল উৎস মৎস্য চিকাৰ। বৰ্তমান সময়ত মৎস্য ব্যৱসায় এটি অতি লাভজনক ব্যৱসায় যদিও প্ৰাক্-স্বাধীনতাকালত এই ব্যৱসায়ে ইমান স্বচ্ছলতা লাভ কৰিব পৰা নাছিল। যাৰবাবে এই সম্প্ৰদায়ৰ লোকসকল গভীৰ অৰ্থ-সংকটৰ সন্মুখীন হ'বলগীয়াত পৰিছিল। ইয়াৰ মূল কাৰণ হ'ল যাতায়াত ব্যৱস্থাৰ অচলাৱস্থা। এই কথাষাৰ ঔপন্যাসিকে এনেদৰে বৰ্ণনা কৰিছে —

> মাছৰ বতৰত মাছৰ ওৰাদানি হয়, কিন্তু বজাৰত সিহঁতে কেতিয়াও মাছৰ উচিত মূল্য নাপায়। ... সেই সময়ত ৰাস্তা-ঘাট আৰু যান-বাহনৰ অভাৱত গোটেই ম'হঘুলি অঞ্চলটোৱেই বাহিৰৰ জগতৰ পৰা সম্পূৰ্ণ বিচ্ছিন্ন হৈ আছিল। ... গ্ৰাহকৰ অভাৱত পাচিয়ে পাচিয়ে মাছ গেলি পচি নষ্ট হয়, কিন্তু সুবিধাৰ অভাৱত সেই মাছ কেতিয়াও বাহিৰলৈ চালান দিব পৰা নহয়। থলুৱা গ্ৰাহকো নিচেই কম, কাৰণ চাৰিওফালৰ গাঁওবোৰৰ খেতিয়ক মানুহবোৰে কাচিৎহে মাছ কিনি বা ধানলৈ সলাই খায়।[২]

গতিকে মাছৰ সময়ত মানুহে যি অলপ ধন ঘটে সেয়া গোটেই বছৰৰ বাবে পৰ্যাপ্ত নহয়। তাৰবাবে তেওঁলোকে খেতি কৰিবলগীয়াত পৰে। ইফালে খেতি কৰিবলৈ মাটিৰো অভাৱ। সেয়েহে কাৰোবাৰ ঘৰত মৰকীয়া হৈ বা চাপৰিৰ হাবিত মাটি উলিয়াই খেতি কৰি কিছুদিনৰ ধান যোগাৰ কৰে। ঔপন্যাসিকৰ বৰ্ণনা অনুসৰি — "মাছ ধৰাই জীৱিকাৰ প্ৰধান উপায় যদিও সুবিধা বুজি চুবুৰীয়া গাঁৰৰ মানুহৰ ঘৰত মৰকীয়া হৈ বা চাপৰিৰ হাবি মাটি ভাঙি অন্ততঃ দুমাহলৈ খাব পৰাকৈ সিহঁতে খেতিও কৰে।"[৩]

ইয়াৰোপৰি আঘোন মাহত তিৰোতাবোৰে গাঁৰৰ উচ্চবৰ্ণৰ চহকী খেতিয়কবোৰৰ পথাৰত ধান দোৱাৰ ঠিকা লয়। মজুৰি হিচাপে দিনে এদোণ ধান পায়। এই কথাষাৰ ঔপন্যাসিকে এনেদৰে বৰ্ণনা কৰিছে —

> এই সময়ত তিৰোতাবোৰে ওচৰৰ কাঁড়ীগাঁও আৰু মহঘুলি গাঁৰৰ চহকী খেতিয়ক কেইঘৰৰ পথাৰত ধান দোৱাৰ ঠিকা পায়। মজুৰি দিনে এদোন ধান। যিবোৰৰ দিন ভিক্ষা প্ৰাণ ৰক্ষা অৱস্থা, সিহঁতে পোন্ধৰ দিনৰ ধান আগতেই আদায় কৰি চাউল উলিয়াই লয় বা দিনটোৰ ধান দিনে আনে।[৪]

মুঠতে এই মানুহখিনি যথেষ্ট পৰিশ্ৰমী যদিও পৰিশ্ৰমৰ উচিত মূল্য নাপায় বাবে অৰ্থনৈতিক দিশটো স্বচ্ছল নহয় আৰু সমগ্ৰ জীৱন অৰ্থনৈতিক সংকটে এওঁলোকক জুৰুলা কৰি ৰাখে।

**'মৎস্যগন্ধা'ত মৎস্যজীৱী সম্প্ৰদায়ৰ সামাজিক দিশৰ প্ৰতিফলন—**

উপন্যাসখনৰ কাহিনী ভাগ অনুসৰি মাছমৰীয়া সম্প্ৰদায়ৰ লোকসকল প্ৰতি মুহূৰ্ততে উচ্চবৰ্ণৰ লোকসকলৰ দ্বাৰা অৱহেলিত তথা লাঞ্চিত হ'বলগীয়া হয়। উচ্চবৰ্ণৰ লোকসকলে তেওঁলোকক দিয়া এটি বিশেষণ হ'ল 'ডোম'। এই বিশেষণটো উচ্চবৰ্ণৰ লোকসকলৰ বাবে আনন্দৰ কাৰণ আৰু এই শব্দটো ব্যৱহাৰেৰে এওঁলোকে মৎস্যজীৱী সম্প্ৰদায়ৰ লোকসকলক হীনমন্যতাৰ দৃষ্টি নিক্ষেপ কৰে। ইফালে মৎস্যজীৱী লোকসকলে এই শব্দটো শুনিলে ক্ষোভ আৰু বিদ্ৰোহত ভিতৰি ভিতৰি জাঙুৰ খাই উঠে। কিন্তু আৰ্থিক অভাৱ আৰু দুৰ্বল জন-গাঁঠনিৰে তেওঁলোকে বিদ্ৰোহ বা বিপ্লৱ কৰাৰ সাহসো গোটাব নোৱাৰে। গতিকে অকথ্য গালি-গালাজ কৰিয়েই তেওঁলোকে মনৰ ক্ষোভ প্ৰশমিত কৰে। উপন্যাসখনৰ পাতনিতে ঔপন্যাসিকে অৱতৰণিকাৰ দৰে নামবিহীন অধ্যায় এটি সংলগ্ন কৰি উক্ত কথাষাৰৰ আভাস দাঙি ধৰিছে। এই অধ্যায়ত উপন্যাসৰ মুখ্য চৰিত্ৰ মেনকাই বাটৰুৱাৰ মুখত 'ডোম' শব্দটো শুনি ঘৰৰ ভিতৰৰ পৰা অকথ্য গালি-গালাজ কৰা কথাটো এই সম্প্ৰদায়ৰ লোকসকলৰ ক্ষোভ আৰু বিদ্ৰোহৰ বহিৰ্প্ৰকাশ মাথোন।

মানুহ হিচাপে জন্ম লোৱাৰ পিছত প্ৰতিজন মানুহে কৰ্মকৰি জীয়াই থাকিব লাগিব। অৱশ্যে এই কৰ্মত সততা থকাটো বাঞ্ছনীয়। মাছমৰীয়া সম্প্ৰদায়ৰ লোকসকলেও সততাৰে মাছ-মাৰি জীৱিকা নিৰ্বাহ কৰে। কিন্তু এই কৰ্মৰ বাবে তেওঁলোকে উচ্চসম্প্ৰদায়ৰ লোকসকলৰ দৃষ্টিত অস্পৃশ্যত পৰিণত হ'বলগীয়াত পৰিছিল। ঔপন্যাসিকৰ বৰ্ণনা অনুসৰি মেনকাই সৰু কালতে উচ্চসম্প্ৰদায়ৰ মানুহ এঘৰৰ চোতালত মেলিদিয়া উখুৱা ধানৰ ওপৰত নিজৰ দেহৰ ছাঁ পেলাই গিৰিহঁতনী জনীৰ চৰ খাব লগিয়াত পৰিছিল। মাক মেমেৰীয়ে মেনকাৰ নিৰ্দোষিতা প্ৰতিপন্ন কৰিবলৈ যাওঁতে ওলোতাই গিৰিহঁতনী জনীয়েহে মেমেৰীক এনেদৰে অপমান কৰিছিল—

> কি ক'লি? কি ক'লি ডোমৰ জাত? তোৰ ইমানটো সাহ? ডোমৰ জীয়েকে গাৰ ছাঁ পেলাই এপাচিকৈ ধান নষ্ট কৰিলেও মই একো নেমাতি মনে মনে থাকিব লাগে বোলো বুঢ়ী মাৰক জোকাই নল'বি দেই কথা বেয়া হ'ব। কথা আৰু বেয়ালৈ যোৱাৰ আগতে তই এতিয়াই ভালে ভালে বাহিৰ হ।[৫]

প্ৰকৃততে উচ্চ সম্প্ৰদায়ৰ মানুহখিনিয়ে মাছমৰীয়া সম্প্ৰদায়ৰ লোকসকলক সঁচা কথা বা সত্য প্ৰকাশ কৰাৰ অধিকাৰ খিনিৰ পৰাও যে বঞ্চিত কৰিব বিচাৰিছিল এই কথাষাৰে তাকে প্ৰতিপন্ন কৰে।

এই ঘটনাই সেইদিনা মেনকাৰ মনত প্ৰথম বিদ্ৰোহৰ ভাব জগাই তুলিছিল আৰু লাহে লাহে তাই অভিজ্ঞ হৈছিল যে—

> ডোমৰ গাৰ ছাঁ পৰিলে কেৱল যে চোতালত শুকাবলৈ মেলি দিয়া উখুৱা ধানেই চুৱা হয় এনে নহয়; ডোমৰ হাত লাগিলে সকলো খাদ্য-বস্তুৱেই অখাদ্য হয়। হেঁদু মানুহৰ ঘৰৰ ভিতৰত সোমাবলৈ ডোমৰ অধিকাৰ নাই। পিয়াহত কাতৰ হৈ ডোমে কাৰোবাৰ ঘৰত পানী খাব খুজিলে বাটৰ কাষৰ কচুপাত ছিঙি লৈ গ'লেহে গিৰিহঁতে তাত পানী ঢালি দিয়ে। ঘৰৰ হালোৱা বা গৰখীয়া হৈ কাম কৰা ডোমৰ ল'ৰাক যদি গিৰিহঁতৰ ল'ৰা-ছোৱালীয়ে কেনেবাকৈ স্পৰ্শ কৰে, তেন্তে তৎক্ষণাৎ সিহঁতে গা ধুব লাগিব ইত্যাদি।[৬]

প্ৰকৃততে উচ্চবৰ্ণৰ লোকসকলৰ এনেবোৰ গোড়ামিয়ে এইসকল লোকক তেওঁলোকৰ বৃত্তি আৰু সম্প্ৰদায়টোক পূৰ্বজন্মৰ অভিশাপৰ ফল বুলি মানি ল'বলৈ বাধ্য কৰাইছিল।

জীৱন অভিশাপ যেন হ'লেও জীয়াই থকাৰ বাবে যেনেকৈ খাদ্যৰ প্ৰয়োজন তেনেকৈ মানসিক সন্তুষ্টিৰ বাবেও জীৱন-সংগীৰ প্ৰয়োজন। এই ক্ষেত্ৰত এইসকল লোকৰ বিবাহ পদ্ধতি সম্পৰ্কেও ঔপন্যাসিকে এনেদৰে বৰ্ণনা সংলগ্ন কৰিছে — " তেওঁলোকৰ সম্প্ৰদায়ত, অন্ততঃ সেই অঞ্চলত বাস কৰা তেওঁলোকৰ সম্প্ৰদায়ৰ মানুহবোৰৰ মাজত বিয়া বাৰু খুব কমেই হয়। গাভৰু হ'লেই প্ৰেমিকে ছোৱালীক পলুৱাই নিয়ে বা সিহঁতে নিজ খুচিমতে পলাই গৈ সংসাৰ পাতে।"[৭]

অৰ্থাৎ জীৱন সংগী নিৰ্বাচন পদ্ধতি নিজ সম্প্ৰদায়ৰ মাজতে সীমাবদ্ধ থাকে। সামাজিক বাধাৰ বিপৰীতে যদি কোনো উচ্চবৰ্ণৰ লোকে এই সম্প্ৰদায়ৰ ল'ৰা-ছোৱালীৰ সৈতে সম্পৰ্ক স্থাপন কৰে তেন্তে তেওঁক সমাজৰ পৰা এঘৰীয়া কৰাৰ লগতে পৰিয়ালৰ পৰাও বহিষ্কাৰ কৰা হয়। উপন্যাসখনৰ শেষত মণিৰাম নামৰ আহোম ডেকাজনৰ ক্ষেত্ৰত এনে ঘটনাৰে পুনৰাবৃত্তি ঘটা দেখিবলৈ পোৱা যায়।

বৃত্তি আৰু সম্প্ৰদায় ভিন্ন হ'লেও এইসকল লোক মূলতঃ অসমীয়া মানুহ। বছৰেকৰ ৰঙালী বিহুত সকলোৰে লগত অলপ নৃত্য-গীত কৰি এওঁলোকেও মানসিক উৎকৰ্ষ সাধন কৰিব বিচাৰে। কিন্তু উচ্চবৰ্ণৰ হিন্দুসকলৰ বাবে সেয়া সহনীয় নহয়। ঔপন্যাসিকৰ বৰ্ণনা অনুসৰি বিহুতলীত কৈৱৰ্ত গাঁৱৰ মানুহ খিনিয়ে বিহু পাতিলে ওচৰৰ গাঁৱৰ বামুণ, কলিতা, কোচ আৰু চুতীয়া সম্প্ৰদায়ৰ ডেকা সকলে বিহু চাবলৈ আহে যদিও পথাৰত নামি বিহু নানাচে। আনহাতে আহোমসকলে এই উচ্চ সম্প্ৰদায়ৰ লগত মিলি থাকিব লাগে বাবে সেইখন বিহুতলীত বিহু মাৰিবলৈকে এৰি দিলে। মুঠতে জীৱন যাত্ৰাত প্ৰতিপলে মানৱিক মৰ্যাদাবোধ লুণ্ঠিত কৰি অভিশাপ যেন লগা এক জীৱন বৃত্তৰ মাজত এইসকল লোকৰ সমাজ-জীৱন অতিবাহিত হৈছিল।

**'মৎস্যগন্ধা'ত মৎস্যজীৱী সম্প্ৰদায়ৰ শৈক্ষিক দিশ—**

এফালে অৰ্থনৈতিক সংকট আৰু আনফালে সম্প্ৰদায়টোৰ প্ৰতি উচ্চবৰ্ণৰ লোকসকলৰ হীনমন্যতা মনোভাৱে এই সকল লোকৰ শৈক্ষিক দিশটোক অতি পুতৌজনক কৰি তুলিছিল। ঔপন্যাসিকৰ বৰ্ণনা অনুসৰি সেই সময়ক কৈৱৰ্ত গাঁওখনৰ এটা মানুহেও 'ক'টোৰ কেইটা চুক তাকে চিনি নাপাইছিল। ইফালে শিক্ষানুষ্ঠান সমূহৰ গৰাকী পণ্ডিত সকলৰো সম্প্ৰদায়টোৰ প্ৰতি থকা অস্পৃশ্য দৃষ্টিভংগী আৰু অহমিকাবোধে আগ্ৰহী ল'ৰা-ছোৱালীকো শিক্ষাৰ পৰা বঞ্চিত কৰিছিল। প্ৰসঙ্গক্ৰমে উপন্যাসৰ এটি পাৰ্শ্ব চৰিত্ৰ মজলীয়া স্কুলৰ হেডপণ্ডিত ভূধৰ শৰ্মাৰ এই স্বগতোক্তিটো উদ্ধৃত কৰা হ'ল — "কটা ডোমৰ পো, যাৰ হাত লাগিলেও গা ধুব লাগে, তাৰ পুতেক এতিয়া বামুণ-গোসাঁইৰ ল'ৰাৰ লগত একে শাৰীতে গা ঘঁহাই বহি স্কুলত পঢ়িব। মাছ মাৰিবলৈ এৰি এতিয়া চকিত বহি ঠেং জোকৰা বাবু হ'ব।"[৮]

**'মৎস্যগন্ধা'ত মৎস্যজীৱী সম্প্ৰদায়ৰ মাজত প্ৰচলিত অন্ধবিশ্বাস, কুসংস্কাৰ আৰু বদঅভ্যাস—**

শিক্ষাৰ উন্নতিয়ে সমাজ এখনক অন্ধবিশ্বাস আৰু কুসংস্কাৰৰ পৰা মুক্ত কৰে। মৎস্যগন্ধাত বৰ্ণিত মাছমৰীয়া সম্প্ৰদায়ৰ সমাজখন শিক্ষাৰ দিশত তেনেই পিছপৰা। গতিকে এইখন সমাজত অন্ধবিশ্বাস আৰু কুসংস্কাৰে ক্ৰিয়া কৰাটো স্বাভাৱিক। সেয়েহে এইখন সমাজৰ লোকসকলে যিকোনো ৰোগ চিনাক্তকৰণ আৰু নিৰাময়ৰ ক্ষেত্ৰত বৈজ্ঞানিক যুক্তি আৰু পদ্ধতিতকৈ বেজ-বেজালিৰ ওপৰতহে বেছি নিৰ্ভৰশীল। উদাহৰণস্বৰূপে - উপন্যাসখনৰ পঞ্চম অংকত মেনকাৰ মাক মেমেৰিয়ে তেজ-হাগনি বা Blood Dysentary ৰোগ প্ৰতিকাৰৰ বাবে গাঁৱৰে টুপীধৰ বেজৰ ওচৰত মুখ ভঙোৱা, মেনকাই বনদৰবেৰে গৰ্ভপাত কৰোৱা, মৌজাদাৰৰ পুতেকৰ দাঁতৰ পোক উলিওৱা ইত্যাদি কথাবোৰে তাকেই প্ৰতিপন্ন কৰে।

এইসকল গ্ৰাম্য অশিক্ষিত লোকৰ মাজত প্ৰচলিত এটি বদ-অভ্যাস হ'ল কানিৰ প্ৰচলন। কানিৰ ব্যৱহাৰে এওঁলোকক ধ্বংসৰ গৰাহলৈ নিয়াৰ এটি অন্যতম কাৰণ। কানিক এওঁলোকে ঔষধ জ্ঞান কৰে। এওঁলোকৰ মতে যিকোনো পেটৰ অসুখৰ নিৰাময়ক দ্ৰব্য হ'ল কানি। সেয়েহে উপন্যাসখনৰ মুখ্য চৰিত্ৰ

মেনকা আৰু মাক মেমেৰীৰ ক্ষেত্ৰত ঔপন্যাসিকে এনেদৰে উল্লেখ কৰিছে — "দৰৱ হিচাপে আৰম্ভ কৰা কানি পিছলৈ এৰাব নোৱাৰা নিচাত পৰিণত হ'ল।"[৯]

গতিকে আহাৰ গ্ৰহণ নকৰাকৈ এইসকল লোকে ৰাতি শুব পাৰে কিন্তু কানি সেৱন নকৰাকৈ কোনোপধ্যে নোৱাৰে। উপন্যাসখনৰ ঔপন্যাসিকে মেনকা চৰিত্ৰৰ ক্ষেত্ৰত এই কথাষাৰ এনেদৰে বৰ্ণনা কৰিছে —

> এসাজ কিয়, দুসাজ-তিনিসাজ লোঘোনে থাকিও তাই নাক বজাই আৰামত টোপনি যাব পাৰে। অভ্যাস হৈ গৈছে। কিন্তু আজি টোপনি যাব নোৱাৰাৰ কাৰণ হ'ল নানা প্ৰকাৰে চেষ্টা কৰিও তাই আজি গধূলিৰ দৰৱকণ অৰ্থাৎ কানিৰ টিকিৰটো যোগাৰ কৰিব নোৱাৰিলে।"[১০]

এনেবোৰ কাৰণতে কেতবোৰ অন্ধবিশ্বাস, কুসংস্কাৰ আৰু বদ-অভ্যাস প্ৰাক-স্বাধীনতা কালত মাছমৰীয়া সম্প্ৰদায়ৰ লোকসকলৰ জীৱন যাত্ৰাৰ বাহক হৈ পৰিছিল।

**পিতা-পুত্ৰ —**

ভাৰতবৰ্ষই সাম্ৰাজ্যবাদী বৃটিছ সকলৰ পৰা স্বাধীনতা লাভ কৰাৰ আগৰ আৰু পাছৰ অসমৰ গ্ৰাম্য সমাজৰ ছবি প্ৰতিফলিত হোৱা পিতা-পুত্ৰ (১৯৭৫) বৰগোহাঞিৰ এখন অতি উচ্চাকাংক্ষী উপন্যাস। সাহিত্য অকাডেমী বঁটা প্ৰাপ্ত পিতা-পুত্ৰত বৰ্ণিত হৈছে দেশে স্বাধীনতা লাভ কৰাৰ পিছৰ পৰা তিনিটা দশক নিস্তৰংগ যেন লগা অসমৰ সমাজ তথা ব্যক্তিজীৱনলৈ অহা সংঘাত আৰু পৰিৱৰ্তনৰ লগতে মূলতঃ সামন্তবাদী সমাজ ব্যৱস্থাৰ অৱক্ষয়ৰ ৰূপটোক উপন্যাসিকে বস্তুনিষ্ঠতাৰে বৰ্ণনা কৰিবলৈ চেষ্টা কৰিছে। উপন্যাসখনৰ পটভূমি উজনি অসমৰ ম'হঘুলি নামৰ এক অঞ্চল আৰু কথাবস্তুৰ সময়সীমা স্বাধীনতাৰ প্ৰাক্ আৰু উত্তৰ কালছোৱা অৰ্থাৎ স্বাধীনতাৰ সন্ধিক্ষণ। মূলতঃ দুই পুৰুষৰ দ্বন্দ্ব আৰু পৰম্পৰাগত মূল্যবোধৰ অৱক্ষয়ে হৈছে পিতা-পুত্ৰৰ বিষয়বস্তু। এই বিষয়বস্তুক উপস্থাপন কৰোঁতে প্ৰসঙ্গক্ৰমে প্ৰথম পৰ্বৰ ষষ্ঠ আৰু সপ্তমখণ্ডত উত্থাপিত হৈছে মাছমৰীয়া সম্প্ৰদায়ৰ পৰিয়াল এটাৰ কথা। সেই পৰিয়ালটো বাসকৰা কৈৱৰ্ত গাঁও নামৰ মৎস্যজীৱী সম্প্ৰদায়ৰ সমাজ এখনৰ কিছু অৰ্থনৈতিক, সামাজিক আৰু শৈক্ষিক দিশৰ প্ৰতিফলন এইখন উপন্যাসতো দেখা যায়। এইখিনিতে উল্লেখযোগ্য যে মৎস্যগন্ধাৰ পটভূমি যেনেদৰে এখন কৈৱৰ্ত গাঁৱৰ মাজতে সীমাৱদ্ধ তাৰ পৰিৱৰ্তে 'পিতা-পুত্ৰ'ৰ পটভূমি বহু বিস্তৃত। সেয়েহে এই উপন্যাসখনত মাছমৰীয়া সম্প্ৰদায়ৰ সমাজ এখন সামগ্ৰিক ৰূপটো প্ৰতিফলিত নহয়। তথাপিতো প্ৰসঙ্গক্ৰমে মাছমৰীয়া সম্প্ৰদায়ৰ কথা উত্থাপিত হোৱা কেইটামান পৃষ্ঠাৰ কথাবস্তুৰ আধাৰত ওপৰোক্ত দিশবোৰৰ ওপৰত আলোচনা আগবঢ়োৱা হ'ল —

**'পিতা-পুত্ৰ'ত মৎস্যজীৱী সম্প্ৰদায়ৰ অৰ্থনৈতিক দিশৰ প্ৰতিফলন—**

মাছমৰীয়া সম্প্ৰদায়ৰ জীৱিকাৰ মূল উৎস মৎস্য ব্যৱসায় যদিও প্ৰাক-স্বাধীনতা কালত এই ব্যৱসায়ে সিমান স্বচ্ছলতা লাভ কৰিব পৰা নাছিল। ইয়াৰ এটি অন্যতম কাৰণ পিতা-পুত্ৰত ঔপন্যাসিকে এনেদৰে বৰ্ণনা কৰিছে —

> গাঁও-ভুঁইৰ বেছিভাগ মানুহেই নিজে মাছ মাৰি খায়, গতিকে কিনি মাছ খোৱা মানুহৰ সংখ্যা শিৱনাথৰ দৰে দুই-এঘৰ আঢ্যৱন্ত মানুহ আৰু দাৰোগা-ডাক্তৰ-পোষ্ট মাষ্টৰ-দোকানী আদি কেইজনমান মুষ্টিমেয় মানুহৰ মাজতে সীমাৱদ্ধ। গাঁৱৰ মানুহে বেছিভাগেই টকা দি মাছ নিকিনে, ধানৰ বদলি মাছ সলাই লয়। ... মুঠতে কৈৱৰ্ত গাঁৱৰ মানুহে মাছ বেচি যি উপাৰ্জন কৰে, তাৰে কোনোমতেই বছৰটোৰ কাৰণে সংসাৰ নচলে।[১১]

যিহেতু মৎস্য ব্যৱসায়ৰ পৰিধি কেইজনমান মুষ্টিমেয় মানুহৰ মাজতে সীমাবদ্ধ কৰি ৰাখিব লাগে গতিকে মাছমৰীয়া সম্প্ৰদায়ৰ লোকসকল গভীৰ অৰ্থ-সংকটৰ সন্মুখীন হয়। ইফালে খেতি কৰিবলৈ তেওঁলোকৰ মাটিও নাই। গাঁৱৰ পতিপত্তিশীল মানুহৰ মাটিত হালবাই তেওঁলোকে জীৱিকাৰ পথ প্ৰশস্ত কৰিবলৈ চেষ্টা কৰিছিল যদিও এটা খেতিৰ বিনিময়ত গৰাকীয়ে দিছিল মাত্ৰ দুবিঘা পকা ধান। নিয়োগকৰ্তাৰ তুলনাত কৰ্মীপ্ৰাৰ্থীৰ সংখ্যা ইমান বেছি যে দৰদাম কৰিবলৈ সিহঁতৰ কোনো উপায় নাথাকে, গতিকে গৰাকীয়ে যি দিয়ে তাকে মানি ল'বলৈ বাধ্য। ইফালে মহিলাসকলে ধান চপাবৰ সময়ত কোনো উচ্চবৰ্ণৰ মানুহৰ ঘৰত ধানদাই বা বিল-খাৰৈত জাল-জুলুকি বাই সৰুমাছ ধৰি তাকেই ঘৰে ঘৰে বেচি সামান্য ধন উপাৰ্জন কৰে। এই লোকসকলৰ আৰ্থিক অৱস্থা সম্পৰ্কে ঔপন্যাসিকে এনেদৰে বৰ্ণনা কৰিছে —

"মতা-মাইকীয়ে মিলি সমানে ইমান পৰিশ্ৰম কৰিও সিহঁতে দুবেলা দুমুঠি সদায় খাবলৈ নাপায়, সপ্তাহটোৰ ভিতৰত কমেও তিনি-চাৰিসাজ লঘোনে থাকিব লাগে বা অন্ততঃ আধা পেটী হৈ থাকিব লাগে।"[১২]

মুঠতে যথেষ্ট পৰিশ্ৰম কৰিও এই মানুহখিনিয়ে শ্ৰমৰ উচিত মূল্য নাপাইছিল আৰু সমগ্ৰ জীৱন অৰ্থনৈতিক সংকটে এওঁলোকক জুৰুলা কৰি ৰাখিছিল।

**'পিতা-পুত্ৰ'ত মৎস্যজীৱী সম্প্ৰদায়ৰ সামাজিক দিশৰ প্ৰতিফলন —**

'পিতা-পুত্ৰ' উপন্যাসখনতো পৰিলক্ষিত হয় যে — সেই

সময়ত মাছমৰীয়া সম্প্ৰদায়ৰ লোকসকলক উচ্চ সম্প্ৰদায়ৰ লোকসকলে অস্পৃশ্য আৰু ঘৃণাৰ দৃষ্টিৰে চাইছিল আৰু এনেকৈয়ে এই সম্প্ৰদায়ৰ লোকসকলে সমাজ জীৱন অতিবাহিত কৰিব লগিয়াত পৰিছিল। এই কথাযাৰ ঔপন্যাসিকে এনেদৰে বৰ্ণনা কৰিছে —

> মানুহৰ ঘৰলৈ আহিলে — আনকি শিৱনাথৰ ঘৰতো সিহঁতৰ কাৰো ভিতৰলৈ সোমাবলৈ অধিকাৰ নাই। সিহঁতৰ আসন চোতালৰ মাটিত। কাৰোবাৰ ঘৰত যদি ধান উখোৱাই শুকাবলৈ চোতালত মেলি দিছে, তেতিয়াহ'লে সিহঁতৰ চোতালত থিয় হ'বলৈকো অধিকাৰ নাই।[১৩]

একেদৰে আন এটি বৰ্ণনাত এই কথাযাৰ আৰু অধিক স্পষ্ট হৈ পৰিছে — "কোনো কৈৱৰ্ত মানুহ ঘৰৰ ভিতৰলৈ সোমাব নোৱাৰে, কৈৱৰ্ত হালোৱা কেইটাই দুপৰীয়া পথাৰৰ পৰা আহি পানী খাব খুজিলে কচুপাততহে সিহঁতক পানী খাবলৈ দিয়া হয়।"[১৪]

পুনৰ ঔপন্যাসিকৰ বৰ্ণনা অনুসৰি কৈৱৰ্ত মানুহ বহা মানুহজন উঠি যোৱাৰ পাছত গৃহস্থই সেই স্থান পানী চতিয়াই শুদ্ধ কৰা, উপন্যাসৰ মুখ্য চৰিত্ৰ শিৱনাথৰ কণমানি ছোৱালী জনীয়ে কৈৱৰ্ত কুলৰ কতীয়াক স্পৰ্শ নকৰাকৈ তামোলখন দলিয়াই দিয়া ইত্যাদি ঘটনা, উচ্চ সম্প্ৰদায়ৰ লোকসকলৰ এইসকল লোকৰ প্ৰতি থকা ঘৃণা আৰু অস্পৃশ্য মনোভাৱৰে পৰিচায়ক।

অকল বৰ্ণহিন্দুৰ দৃষ্টিতে যে মাছমৰীয়া সম্প্ৰদায়ৰ লোকসকল অৱহেলিত হৈছিল এনে নহয়। উপন্যাসখনৰ পটভূমি ম'হঘুলি অঞ্চলটো কোচ, বামুণ, কলিতা কছাৰী আদি ভিন্ন সম্প্ৰদায়ৰ লোকৰ বসতিস্থান। এই সম্প্ৰদায় সমূহৰ মাজতো কম-বেছি পৰিমাণে সাম্প্ৰদায়িক ভেদভাৱ আৰু বৈষম্য আছিল। কিন্তু সাম্প্ৰদায়িক ভেদভাৱ আৰু বৈষম্যৰ দ্বাৰা আটাইতকৈ বেছি ভাৰক্ৰান্ত হৈছিল মাছমৰীয়া সম্প্ৰদায়ৰ লোকসকল। এই কথাযাৰৰ ঔপন্যাসিকে এনেদৰে বৰ্ণনা কৰিছে — "আহোম, চুতীয়া আৰু কলিতা, বামুণৰ মাজতো সাম্প্ৰদায়িক ভেদভাৱ আৰু বৈষম্য আছে, কিন্তু এটা কথাত সকলো একমত ঃ কৈৱৰ্ত গাঁৱৰ মানুহবোৰ সমাজৰ একেবাৰে তলখাপৰ, সিহঁত অস্পৃশ্য।"[১৫]

উচ্চসম্প্ৰদায়ৰ লোকসকলে কৰা দুৰ্ব্যৱহাৰ বা ঘৃণাৰ দৃষ্টি অকল যে নিঃকিন মাছমৰীয়া বা আনৰ মাটিত হালবাই জীৱিকা নিৰ্বাহ কৰা শ্ৰেণীটোৰ ওপৰতে সীমাবদ্ধ আছিল তেনে নহয়। এই সম্প্ৰদায়ৰ শিক্ষিত সকলো জাতিভেদ প্ৰথাৰ অভিশাপৰ পৰা সাৰি যাব পৰা নাছিল। উপন্যাসখনৰ বৰ্ণনা অনুসৰি এবাৰ মুখ্য চৰিত্ৰ শিৱনাথে শ্ৰেণীত প্ৰথম হোৱা বাবে দেউতাকে বিদ্যালয়ৰ শিক্ষক কেইজনক জলপান খাবৰ বাবে ঘৰলৈ নিমন্ত্ৰণ কৰিছিল। শিক্ষক দলটোৰ মাজত এজন কৈৱৰ্ত শিক্ষকো আছিল। শিৱনাথৰ দেউতাকে কৈৱৰ্ত শিক্ষকজনক ঘৰৰ বাহিৰতে জলপান খাবলৈ দি বাকী কেইজনক ঘৰৰ ভিতৰলৈ মাতি নি জলপান পৰিবেশন কৰিছিল। এই ঘটনাটোৱে প্ৰমাণ কৰে যে মাছমৰীয়া বৃত্তি থাকক বা নাথাকক পুৰুষানুক্ৰমে এই সম্প্ৰদায়ৰ লোকসকল সদায় উচ্চবৰ্ণৰ হাতত অৱহেলিত হ'বই লাগিব আৰু হেৰুৱাব লাগিব মানৱিক মৰ্যাদাবোধ।

আন এটি উল্লেখযোগ্য কথা যে এই সম্প্ৰদায়ৰ লোকসকলক সেই সময়ত উচ্চসম্প্ৰদায়ৰ লোকসকলে ইমান হীনমন্যতাৰ দৃষ্টিৰে চাইছিল যে কোনো উচ্চসম্প্ৰদায়ৰ ব্যক্তিক যদি এইসকল লোকে প্ৰহাৰ কৰিছিল বা মাৰিছিল সেই ব্যক্তিজনে লজ্জাবোধৰ তাড়নাত আত্মহত্যা কৰিবলৈও কুণ্ঠাবোধ কৰা নাছিল। 'পিতা-পুত্ৰ' উপন্যাসত এনে এক ঘটনাৰো উল্লেখ পোৱা যায়। আত্মহত্যাকাৰী জনে মৃত্যুৰ আগতে লিখি থৈ যোৱা পত্ৰখনৰ মূল বাক্যটো হ'ল — "ডোমৰ চৰ খোৱাৰ পাছত প্ৰাণ ধাৰণ কৰি থকা অসম্ভৱ।"[১৬]

উপন্যাসৰ কাহিনীভাগৰ পৰা আন এটা কথা স্পষ্ট হৈ পৰে যে — মাছমৰীয়া সম্প্ৰদায়ৰ লোকৰ সৈতে উচ্চসম্প্ৰদায়ৰ কোনোলোকে সামাজিক সম্পৰ্ক স্থাপন কৰিলে তেওঁক সমাজৰ পৰা এঘৰীয়া কৰাৰ লগতে পৰিয়ালৰ পৰাও বহিষ্কাৰ কৰা হৈছিল। উদাহৰণ স্বৰূপে — উপন্যাসখনৰ মুখ্য চৰিত্ৰ শিৱনাথৰ বৰপুত্ৰ গৌৰীনাথে কৈৱৰ্তকুলৰ ছোৱালী বিয়া কৰাই পৰিয়ালৰ পৰা বহিস্কৃত হ'বলগীয়াত পৰিছে।

মুঠতে চাৰিওফালে ঘৃণা, বিদ্বেষ, অপমান আৰু অস্পৃশ্যতাৰ মাজত প্ৰতিমুহূৰ্ততে মানৱিক মৰ্যাদা লুণ্ঠিত কৰি পুতৌজনক ভাৱে এইসকল লোকৰ সমাজ জীৱন অতিবাহিত হৈছিল।

**'পিতা-পুত্ৰ'ত মৎস্যজীৱী সম্প্ৰদায়ৰ সমাজত শৈক্ষিক দিশ—**

ঘৃণা, অপমান, লাঞ্চনা আৰু অৰ্থনৈতিক সংকটৰ মাজত জীৱন অতিবাহিত কৰা এইসকল লোকৰ আনুষ্ঠানিক শিক্ষাৰ প্ৰতি মনোযোগ দিবলৈ আহৰি নাছিল বা পৰিস্থিতিয়েও এওঁলোকক বাধ্য কৰোৱা নাছিল। এইখন সমাজৰ শিশুৰ পৰা বৃদ্ধলৈকে জীৱনত মাত্ৰ এটাই চিন্তা যে — কেনেকৈ দুবেলা পেটটো ভৰাই ৰাখিব পৰা যায়? সেয়েহে এই সমাজৰ শিশু সকলক উদ্দেশি ঔপন্যাসিকে এটি সুন্দৰ বৰ্ণনা আগবঢ়াইছে—

> চৰাই-চিৰিকটিৰ কাৰণে নিজৰ বাহটো কেৱল যেনেকৈ ৰাতিটোৰ আশ্ৰয়স্থল মাত্ৰ, কৈৱৰ্ত গাঁৱৰ দুখীয়া ল'ৰা-ছোৱালীবোৰৰ কাৰণে নিজৰ ঘৰখনো ঠিক তেনেকুৱাই। ৰাতিপুৱা উঠিয়েই সিহঁত বাহিৰলৈ ওলাই যায়, কাৰণ ঘৰত ৰাতিপুৱাৰ কোনো আহাৰো নাই, পঢ়া-শুনাৰো প্ৰশ্ন নাই, অথবা খেল-ধেমালি

কৰি সময় কটাবলৈকো কোনো সুবিধা নাই।[১৭]

এনেদৰে ৰাতিপুৱাই ঘৰৰ পৰা ওলাই গৈ ল'ৰা-ছোৱালীবোৰে হাবিয়ে-বননিয়ে পিত-পিতাই ঘূৰি ফুৰি নিজৰ আহাৰ সংগ্ৰহতে ব্যস্ত থাকে গতিকে এইখন সমাজৰ শৈক্ষিক দিশটো তেনেই পিছপৰা।

**'পিতা-পুত্ৰ'ত মৎস্যজীৱী সম্প্ৰদায়ৰ মাজত প্ৰচলিত অন্ধবিশ্বাস, কুসংস্কাৰ আৰু বদঅভ্যাস —**

পিতা-পুত্ৰৰ বিষয়বস্তুৰ বহল পৰিধিৰ মাজত প্ৰসঙ্গক্ৰমে মাছমৰীয়া সম্প্ৰদায়ৰ সমাজ এখনৰ কথা সন্নিৱিষ্ট হোৱাবাবে উপন্যাসৰ পাতত এইসকল লোকৰ মাজত প্ৰচলিত অন্ধবিশ্বাস আৰু কুসংস্কাৰবোৰৰ স্পষ্ট প্ৰতিফলন দেখা নাযায়। তথাপিতো এটা কথা স্পষ্ট হৈ পৰিছে যে এইখন সমাজৰ লোকসকলৰ মাজত প্ৰচলিত এটি বদ অভ্যাস হ'ল কানিৰ প্ৰচলন। গভীৰ আৰ্থিক সংকটৰ মাজতো এইখন সমাজৰ লোকসকলে কানি সেৱন কৰিছিল। যাৰ ফলত এওঁলোকৰ জীৱন যাত্ৰা আৰু অধিক দুৰ্বিসহ হৈ পৰিছিল। উপন্যাসখনৰ এটি পাৰ্শ্ব চৰিত্ৰ কৈৱৰ্ত কতীয়া ইয়াৰ উৎকৃষ্ট উদাহৰণ। ঔপন্যাসিকৰ বৰ্ণনা অনুসৰি কতীয়াই মাছ-পুঠি কেইটা বিক্ৰী কৰি ল'ৰা-ছোৱালীলৈ খাদ্য যোগাৰ কৰাৰ পৰিৱৰ্তে প্ৰথমতে কানিতহে পইচা কেইটা ব্যয় কৰে।

**উপসংহাৰ —**

ওপৰৰ আলোচনাৰ অন্তত দেখা যায় যে স্বাধীনতাৰ পৰৱৰ্তীকাল বা আজিৰ প্ৰেক্ষাপটত মাছমৰীয়া সম্প্ৰদায়ৰ লোকসকলৰ আৰ্থিক আৰু সামাজিক স্থিতিৰ যথেষ্ট পৰিৱৰ্তন ঘটিছে যদিও প্ৰাক্-স্বাধীনতা কালত এইসকল লোকৰ অৱস্থা তেনেই পুতৌজনক আছিল। আমাৰ এই অধ্যয়নে প্ৰতিফলিত কৰা তেনে কেইটামান সত্য হ'ল —

১। প্ৰাক্-স্বাধীনতা কালত এইসকল লোকৰ আৰ্থিক সংকটৰ মূল কাৰণ সমূহ হ'ল —
ক) যাতায়াত ব্যৱস্থাৰ অচলাৱস্থা,
খ) কোনো এক নিৰ্দিষ্ট অঞ্চলৰ মুষ্টিমেয় মানুহৰ মাজতে মৎস্য ব্যৱসায়ৰ পৰিধিৰ সীমাবদ্ধতা আৰু
গ) এই সম্প্ৰদায়ৰ লোকসকলে শ্ৰমৰ উচিত মূল্য নোপোৱা।

২। সেই সময়ত মাছমৰীয়া সম্প্ৰদায়ৰ লোকসকল জীৱন যাত্ৰাৰ প্ৰতিটো পদক্ষেপতে উচ্চ সম্প্ৰদায়ৰ লোকসকলৰ অৱহেলা, লাঞ্ছনা আৰু ঘৃণাৰ সন্মুখীন হ'বলগীয়াত পৰিছিল।

৩। মাছমৰীয়া বৃত্তি থাকক বা নাথাকক এই সম্প্ৰদায়ৰ লোকসকলৰ মানৱিক মৰ্যাদাবোধ উচ্চবৰ্ণৰ লোকসকলৰ দ্বাৰা বাৰে বাৰে লুণ্ঠিত হৈছিল যাৰ ফলস্বৰূপে এইসকল লোকৰ বাবে জীৱন অভিশাপ স্বৰূপ হৈ পৰিছিল।

৪। মানৱিক মৰ্যাদাবোধ হেৰুৱাই ক্ষোভিত হৈ পৰিলেও পাৰিপাৰ্শ্বিক পৰিস্থিতিৰ বাবে এওঁলোকে বিদ্ৰোহ কৰিবলৈ শক্তি গোটাব পৰা নাছিল। অকথ্য গালি-গালাজ আৰু চকুপানীৰেই এওঁলোকে ক্ষোভ প্ৰশমিত কৰিছিল।

৫। উচ্চবৰ্ণৰ কোনো ব্যক্তিয়ে এইসকল লোকৰ সৈতে সামাজিক সম্পৰ্ক স্থাপন কৰিলে ব্যক্তিগৰাকীৰ পৰিয়ালটোক সমাজৰ পৰা এঘৰীয়া কৰা হৈছিল অথবা পৰিয়ালে তেওঁক বহিষ্কাৰ কৰিছিল।

৬। উচ্চসম্প্ৰদায়ৰ শিক্ষক সকলৰ দ্বাৰা গঠিত বিদ্যালয় কৰ্তৃপক্ষৰ মাছমৰীয়া সম্প্ৰদায়টোৰ প্ৰতি থকা অহমিকাবোধ আৰু আৰ্থিক দৈন্যতা এইসকল লোকৰ আনুষ্ঠানিক শিক্ষাৰ হেঙাৰ স্বৰূপ আছিল।

৭। শিক্ষাৰ অভাৱৰ বাবে এইসকল লোকৰ সমাজ জীৱনত কেতবোৰ অন্ধবিশ্বাস আৰু কুসংস্কাৰে ক্ৰিয়া কৰিছিল। লগতে কানি সেৱনৰ দৰে বদ অভ্যাসেও এওঁলোকৰ জীৱন যাত্ৰাক অতি ভয়াবহ কৰি তুলিছিল।

পৰিশেষত উল্লেখযোগ্য যে, মৎস্যগন্ধাৰ বিষয়বস্তু আৰু পটভূমিৰ ওপৰত ভিত্তি কৰি ঔপন্যাসিকৰ বাবে মাছমৰীয়া সম্প্ৰদায়ৰ সমাজ এখনৰ সামাজিক, অৰ্থনৈতিক আৰু বৌদ্ধিক অনগ্ৰসৰতাৰ ওপৰত গভীৰ অনুসন্ধানৰ নিশ্চিত সম্ভাৱনা আছিল। তথাপিতো স্বীকাৰ কৰিব লাগিব যে প্ৰাক্-স্বাধীনতা কালৰ মাছমৰীয়া সম্প্ৰদায়ৰ লোকসকলৰ নৃতাত্ত্বিক আৰু সমাজতাত্ত্বিক অধ্যয়নৰ ক্ষেত্ৰত হোমেন বৰগোহাঞিৰ মৎস্যগন্ধা আৰু পিতা-পুত্ৰ অসমীয়া সাহিত্যত এক অনবদ্য সম্ভাৰ। ■


**৪.০ সহায়ক গ্ৰন্থপঞ্জী —**

**৪.১ মুখ্য উৎস ঃ**

ক) বৰগোহাঞি হোমেন। মৎস্যগন্ধা, ষ্টুডেন্টচ্ ষ্টোৰচ, গুৱাহাটী - ১, ষষ্ঠ প্ৰকাশ, ২০১০।

খ) বৰগোহাঞি হোমেন। পিতা-পুত্ৰ, ষ্টুডেন্টচ্ ষ্টোৰচ, গুৱাহাটী - ১, অষ্টম প্ৰকাশ, ২০০৯।

# বিশ্বায়ন আৰু যুৱ সমাজ

**জলী ডেকাৰজা,** তৃতীয় যান্মসিক

বৰ্তমান যুগটো হৈছে বিজ্ঞানৰ যুগ। চাৰিওফালে বিজ্ঞানীসকলে বিজ্ঞানৰ বলে তাঁৰৰ বাতৰি, বেতাঁৰৰ বাতৰি, জলযান, আকাশীযান আদি নানা বস্তু আৱিষ্কাৰ কৰি বিশ্ব তোলপাৰ লগাইছে। বিজ্ঞানৰ অৱদান, কম্পিউটাৰ, ইন্টাৰনেট, ম'বাইল আদিৰ অবিহনে আজিৰ যুৱ প্ৰজন্মই জীৱনৰ বাটত এখোজ আগবঢ়োৱাটো অসম্ভৱ হৈ পৰিছে। বিজ্ঞানৰ আৱিষ্কাৰে আজিৰ গোটেই পৃথিৱীখনকে এখন গোলকীয় গাঁৱত পৰিণত কৰিছে। এজন ব্যক্তিয়ে আন এজনৰ সুখ-দুখৰ সমভাগী হোৱাৰ সুবিধা লাভ কৰিছে। কিন্তু এইখিনিতে এটা প্ৰশ্ন উদয় হ'ল— "বিজ্ঞানৰ মহৎ অৱদানবোৰে আজিৰ যুৱ সমাজত কেনে প্ৰভাৱ পেলাইছে?"

আজিৰ বিশ্বায়নৰ যুগত যুৱ-চামৰ মাজত নৈতিকতাৰ অৱনতি ঘটিছে। আজিৰ সমাজ যিমানে আধুনিক হৈছে সিমানে উঠি অহা প্ৰজন্মৰ চৰিত্ৰ, মূল্যবোধ আদিৰ অৱনতি ঘটিছে। পিতৃ-মাতৃ, শিক্ষাগুৰুক সন্মান, শ্ৰদ্ধা, ভক্তি কৰাৰ মনোভাব তেওঁলোকৰ পাহৰণিৰ গহ্বৰত পোত গৈছে আৰু তাৰ লগে লগেই আজি যুৱ চাম হৈ পৰিছে অসভ্য, উদণ্ড। অৱশ্যে তাৰ মাজতে এনে কিছুমান ছাত্ৰ-ছাত্ৰী আছে যি পিতৃ-মাতৃ, শিক্ষাগুৰু, জ্যেষ্ঠসকলক শ্ৰদ্ধা, ভক্তি কৰি জীৱনৰ বাটত আগুৱাই গৈছে। ছাত্ৰ-সমাজৰ মাজত বিয়পি পৰা কু-প্ৰভাৱবোৰ আঁতৰ কৰিবলৈ আজি সমাজত মূল্যবোধৰ শিক্ষা প্ৰদান কৰাটো অতিকে প্ৰয়োজন। এই শিক্ষাই আমাৰ সামাজিক জীৱন সুস্থভাৱে পৰিচালনা কৰাত অৰিহণা যোগায়। ড° সৰ্বপল্লী ৰাধাকৃষ্ণনদেৱে কৈছিল— "আমি বসবাস কৰা পৃথিৱীখন এখন নৈতিক পৃথিৱী, য'ত কৃতকাৰ্যতা লাভ কৰাতকৈ সৎ হ'বলৈ যত্ন কৰাটো বেছি ভাল।" বৰ্তমান এই বিশ্ববিশ্ৰুত দাৰ্শনিক গৰাকীৰ এই মহৎ বাণী মূল্যহীন হৈ পৰা দেখা গৈছে, য'ত আজি অধিকাংশ শিক্ষাৰ্থীয়ে সৎ হোৱাতকৈ কৃতকাৰ্যতা লাভ কৰাতহে অধিক গুৰুত্ব দিয়ে। হয়, আজিৰ যুগটো প্ৰতিযোগিতামূলক যুগ, য'ত প্ৰত্যেকজন শিক্ষাৰ্থীয়ে নিজকে আৰু প্ৰত্যেকজন অভিভাৱকে তেওঁলোকৰ নিজৰ নিজৰ সন্তানটিক শীৰ্ষ স্থান লাভ কৰাটো কামনা কৰে আৰু তাৰ বাবে অশেষ কষ্ট আৰু ত্যাগো কৰে। কিন্তু অতি দুখৰ বিষয় যে আজি প্ৰায়বোৰ শিক্ষাৰ্থীয়ে প্ৰতিযোগিতাত জঁপিয়াই পৰিছে কেৱল নিজৰ কেৰিয়াৰক লৈ, হাতে হাত ধৰি আগুৱাই যোৱাৰ পৰিবৰ্তে আনক গতিয়াই নিজে আগুৱাই যোৱাৰ উপক্ৰম কৰিছে। আজিৰ প্ৰায়বোৰ অভিভাৱক সকলৰে এটা ধাৰণা যে তেওঁলোকৰ সন্তানটিয়ে এজন ডাঙৰ, ধনী ডাক্তৰ, ইঞ্জিনীয়াৰ নাইবা কোনো অফিচাৰ হৈ এজন ডাঙৰ বিষয়া হয়। এজন ভাল, সৎ, সমাজসেৱী ডাক্তৰ, ইঞ্জিনীয়াৰ নাইবা এজন ভাল ডাঙৰ বিষয়া নহয়। কিয় এনে মনোভাৱ আজি অভিভাৱক সকলৰ?? এনে মনোভাৱ কেৱল অভিভাৱকৰে নহয় আজি প্ৰতিযোগীসকলৰো এনে মানসিকতা হৈ পৰিছে। দেশৰ উন্নতি, প্ৰগতিৰ বাবে সমাজৰ প্ৰতিজন ব্যক্তিৰপৰা এনে মানসিকতা দূৰ কৰাটো নিতান্তই প্ৰয়োজন।

আমাৰ দেশৰ প্ৰত্যেকজন লোকে অন্ধ হৈ পশ্চিমীয়া দেশৰ প্ৰতিটো দিশ অনুকৰণ কৰিবলৈ বিচৰা দেখা গৈছে। আমাৰ সমাজৰ লোকে এবাৰ বিচাৰ কৰা উচিত যে পশ্চিমীয়া দেশৰ সকলো দিশ আমাৰ বাবে গ্ৰহণযোগ্য নহয়। আমাৰ সমাজ ব্যৱস্থাত পোছাকৰ ক্ষেত্ৰত কিছুমান বান্ধোন থকাটো অতিকে প্ৰয়োজন। সম্প্ৰতি আমাৰ সমাজত কিছুমান অভিভাৱকে বা আমাৰ সমাজ ব্যৱস্থাই ল'ৰা-ছোৱালীবোৰক পোছাকৰ ক্ষেত্ৰত অবাধ স্বাধীনতা প্ৰদান কৰা পৰিলক্ষিত হয়, ফলত বিশেষকৈ ছোৱালীবোৰে পোছাকৰ ক্ষেত্ৰত শালীনতাৰ সীমা চেৰাই যাব বিচাৰে। কিয়নো তেওঁলোকে তেনেধৰণৰ পোছাক পিন্ধিহে আধুনিক তথা স্মাৰ্ট হ'ব পাৰে বুলি ভাবে, যিয়েই সমাজত বিশৃংখলতাৰ সৃষ্টি কৰিব পাৰে। সাজ-পোছাকৰ

মাজেৰে যিহেতু এজন ব্যক্তিৰ চৰিত্ৰ ফুটি উঠে, সেয়ে নিজৰ চৰিত্ৰ কলুষিত নকৰিবলৈ আমি শিক্ষাৰ লগতে সকলোৱে শালীনতাপূৰ্ণ কাপোৰ পৰিধান কৰিব লাগে।

পশ্চিমীয়া দেশত ১৪ ফেব্ৰুৱাৰী তাৰিখে উদযাপন কৰা 'ভেলেণ্টাইন ডে' আদি আমাৰ ছাত্ৰ-সমাজে অনুকৰণ কৰি নিজৰ সংস্কৃতি পাহৰি যোৱাটো অনুচিত। এই দিশবোৰক অনুকৰণ কৰাৰ লগতে যদি সেই দেশৰ লোকৰ শ্ৰম, জ্ঞানো আমাৰ দেশৰ প্ৰত্যেকজন লোকে অনুকৰণ কৰিবলৈ শিকে তেনেহ'লে আমাৰ দেশ ভাৰতবৰ্ষৰ এক উজ্জ্বল ভৱিষ্যত থকা বুলি আমি দৃঢ়তাৰে ক'ব পাৰিম।

আমাৰ সমাজৰ প্ৰত্যেকজন লোকে নিজে নিজক বুজি যদি সৎ হ'বলৈ চেষ্টা কৰো নিশ্চয় আমাৰ সমাজ ব্যৱস্থা নৈতিকতাপূৰ্ণ, মূল্যবোধ সম্পন্ন হ'ব। সেয়ে মহান ব্যক্তিৰ ভাষাৰে শেষত ক'ব বিচাৰো— "তুমি যদি চৰিত্ৰহীন, কৰ্মহীন আৰু পৰান্নভোজী হোৱা তেন্তে তুমি সুন্দৰ হ'লেও কুৰূপ, কুশ্চ আৰু ঘৃণনীয়। আকৌ তুমি যদি কৰ্মী, দানী আৰু চৰিত্ৰবান হোৱা তেন্তে তুমি কুৰূপ হ'লেও সুন্দৰ আৰু প্ৰিয়দৰ্শী। জগতৰ সকলো তোমাৰ বন্ধু। জগতে তোমাক দেখিবলৈ আহ্বান জনাইছে।" ■

**অমৃত বচন**

**'মানুহে মানুহক অন্ধকাৰৰ পৰা পোহৰলৈ আনিব পাৰে। মানুহক নতুন জীৱন দান দিব পাৰে। পৃথিৱীত প্ৰেম আৰু মহানুভৱতাই এই কাম কৰিব পাৰে।'**

**— মামনি ৰয়ছম গোস্বামী**



# মিচিংসকলৰ কৃষিভিত্তিক উৎসৱ-অনুষ্ঠান ঃ এটি চমু অৱলোকন

**ড° কুশল টাইদ,** সহকাৰী অধ্যাপক, অসমীয়া বিভাগ

অসমত বসবাস কৰা ভৈয়াম জনজাতিসকলৰ ভিতৰত মিচিংসকল অন্যতম। মিচিংসকল অসমৰ সৰ্ববৃহৎ দ্বিতীয় জনজাতি। বৰ্তমান তেওঁলোক উজনি অসমৰ লখিমপুৰ, ধেমাজি, গোলাঘাট, শোণিতপুৰ, যোৰহাট, শিৱসাগৰ, ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাসমূহৰ উপৰি প্ৰধানকৈ ব্ৰহ্মপুত্ৰ নদী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলবোৰত বসতি কৰি আছে।ইয়াৰোপৰি চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশৰ লোহিত আৰু চিয়াং জিলাতো মিচিংসকলৰ জনবসতি দেখা যায়। ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈবোৰৰ পাৰত বসবাস কৰি অহা মিচিংসকল নিজা পৰম্পৰাগত কৃষ্টি-সংস্কৃতি, উৎসৱ-পাৰ্বণ, ভাষা-সাহিত্যৰে সমৃদ্ধ। ভাষাগত আৰু গোষ্ঠীগতভাৱে তেওঁলোক মূলতঃ তিব্বত বৰ্মীয় ভাষা গোষ্ঠীৰ উত্তৰ অসম শাখাৰ অন্তৰ্গত। মিচিংসকল সৰ্বমুঠ নটা ফৈদত বিভক্ত। ইয়াৰ ভিতৰত পাগৰ, দীলু, অয়ান বা অয়েঙ্গীয়া, মঃয়িং বা ময়েঙ্গীয়া, ছাঃয়াং বা ছায়েঙ্গীয়া, দাম্বুক বা দাম্বুকীয়াল, চামুগুৰীয়া, তামাৰ, বিহিয়া আৰু বংকোৱাল আদি অন্যতম।বৰ্তমান মিচিংসকলৰ জনসংখ্যা ৬,৮০,৪২৪ জন।

অসমৰ অন্যান্য জনগোষ্ঠীৰ দৰে মিচিংসকলেও বছৰৰ বিভিন্ন সময়ত বিভিন্ন উৎসৱ-অনুষ্ঠান,পূজা-পাতল আদি পালন কৰে। মিচিংসকলে পৰম্পৰাগতভাৱে পালন কৰি অহা প্ৰায়ভাগ উৎসৱ-অনুষ্ঠানেই প্ৰধানকৈ কৃষিকেন্দ্ৰিক। এনে উৎসৱ-অনুষ্ঠানসমূহৰ ভিতৰত প্ৰধানকৈ আলি আঃয়ে লৃগাং, পঃৰাগ, আমৰাগ, মাগ বিউ, বআগ বিউ, কাতি বিউ, দবুৰ আদি উল্লেখযোগ্য।

**(ক) আলি আঃয়ে লৃগাং —**

মিচিংসকলৰ ঋতুকালীন তথা কৃষিভিত্তিক উৎসৱৰ ভিতৰত আলি আঃয়ে লৃগাং উৎসৱ অন্যতম। ই মিচিংসকলৰ আটাইতকৈ জনপ্ৰিয় কৃষিভিত্তিক তথা বসন্তকালীন উৎসৱ (Spring time festivals)। মিচিংসকলে আলি আঃয়ে লৃগাং উৎসৱক চমুকৈ 'আলি লৃগাং', 'আলিয়াই লৃগাং' বা 'লৃগাং' বোলে। 'আলি আঃয়ে লৃগাং' শব্দৰ অৰ্থগত বিশ্লেষণ এনেধৰণে উল্লেখ কৰিব পাৰি। 'আলি' মানে মাটিৰ তলত হোৱা আলু বা ফল, 'আয়ে' মানে গছৰ গুটি বা বীজ আৰু 'লৃগাং' মানে শস্যৰ বীজ সিঁচিবলৈ আৰম্ভ কৰাৰ দিন। অৰ্থাৎ শস্যৰ গুটি বা বীজ সিঁচাৰ আৰম্ভণিৰ প্ৰথম দিন। কৃষি কৰ্মৰ আৰম্ভণিতে মিচিংসকলে এই উৎসৱ অনুষ্ঠিত কৰে।

মিচিংসকলে আলি আঃয়ে লৃগাং পালন কৰিবৰ কাৰণে প্ৰায় এমাহৰ আগৰ পৰাই প্ৰস্তুতি চলায়। মহিলাসকলে পানীয় বস্তু আপং তৈয়াৰ কৰাৰ পৰা আৰম্ভ কৰি উৎকৃষ্ট ধানৰ কঠীয়া বা বীজ সংগ্ৰহ কৰি, খৰি অনালৈকে ব্যস্ত হৈ পৰে। গাভৰুসকলে ৰিঃবি গাচেং, গাপা-গাৰে, মিবু গালুক আদি পৰম্পৰাগত সাজ-পাৰ বোৱা কামত লাগে। ডেকাসকলে লৃগাং উৎসৱৰ কেইদিনমানৰ পূৰ্বে হাবি-জংঘলত গৈ চিকাৰ কৰি মাংস আদি সংগ্ৰহ কৰে। চিকাৰত পোৱা বনৰীয়া জীৱ-জন্তুৰ মঙহ বা সংগ্ৰহ কৰা মাছ আদি তেওঁলোকে লৃগাং উৎসৱৰ কাৰণে শুকোৱাই ৰাখে। এনে শুকান মাছ-মাংসক মিচিংসকলে 'ঙচান' আৰু 'দিন্‌চান' বোলে।

লৃগাং উৎসৱৰ প্ৰথমদিনা মিচিংসকলে 'লৃগগদ' পৰ্ব পালন

কৰে। 'লৃগগদ' মানে হৈছে শস্য ৰোপণ আৰম্ভ কৰা কাৰ্য। সেইদিনা আবেলি ধানৰ কঠীয়া সিঁচিবৰ কাৰণে ঘৰৰ মূল ব্যক্তিজনে পৰম্পৰাগত সাজ-পাৰ পৰিধান কৰি পথাৰৰ এডোখৰ ঠাইত উপস্থিত হয়। তাৰপাছত মাটি ডৰা কোৰেৰে চহাই লৈ তাৰ চাৰিওফালে কেইবাডালো পিংৰ বা ইকৰা( মেগেলা জাতীয় গছ) পোতে। এই পিংৰ গছৰ ফাঁকে ফাঁকে কপাহ আদি গুজি দিয়ে। পিংৰ গছক মিচিংসকলে প্ৰজননৰ প্ৰতীক হিচাপে গণ্য কৰে। এনে গছৰ দৰে সিঁচি দিয়া শস্যবোৰো লহপহকৈ ডাঙৰ-দীঘল হয় বুলি তেওঁলোকে বিশ্বাস কৰে। ইয়াৰ পাছতে সেইদিনা তেওঁলোকে পথাৰত আহু ধানৰ লগতে এঙে বা কচু, তাপা বা ৰঙালাউ, মৃৰ্চী বা জলকীয়া, তাকে-তালাপ বা আদা-নহৰু, ঔঙ্ন বা আলি বা কাঠ আলু আদি সিঁচি নতুবা ৰোপণ কৰি লৃগাং পৰ্বৰ শুভাৰম্ভ কৰে।

শস্য ৰোপণ কৰাৰ পাছত গৃহস্থই শস্য সিঁচাৰ নিৰ্দিষ্ট ঠাইত প্ৰথম চকা পংৰ আপং বা ছাইমদ আৰু পুৰা মাছ আদি আগবঢ়াই দিয়ে। ইয়াৰ তাৎপৰ্য হ'ল খেতি-পথাৰৰ মাটিৰ বুকুত সিঁচি দিয়া শস্য আদি পোক-পৰুৱা, প্ৰাকৃতিক দুৰ্যোগ, মহামাৰী, বনৰীয়া জীৱ-জন্তু আৰু চৰাই-চিৰিকতি আদিৰ পৰা পৰিত্ৰাণ পোৱা। উল্লেখ্য যে মিচিংসকলে মাছক লখিমীৰ প্ৰতীক আৰু আপঙক খাদ্যৰ প্ৰাণৰূপে গণ্য কৰে।

সেইদিনা পথাৰত কঠীয়া সিঁচি অহাৰ পাছতেই মুৰব্বীজনক প্ৰথমে গৃহস্থই পুৰা মাছ-মাংস, পুৰাং আপিন-আপঙেৰে আপ্যায়ন কৰে। খোৱাৰ পূৰ্বে মুৰব্বীজনে প্ৰথমতে জুইশালৰ চাৰি চুকত আপং ঢালি, পুৰাং আপিন, মাছ-মাংস আদি আগবঢ়াই পূৰ্বপুৰুষসকলক স্মৰণ কৰে আৰু পৰিয়ালৰ সকলোৰে মঙ্গল কামনা কৰি প্ৰাৰ্থনা জনায়। তাৰ পাছত সকলোৱে আহাৰ গ্ৰহণ কৰে। সেইদিনা পুৱাৰ পৰা ৰাতিলৈকে গাঁৱৰ প্ৰতি ঘৰে ঘৰে ভোজ-ভাতৰ আয়োজন চলে। পুৰাং আপিন অৰ্থাৎ তৰাপাতত বৰা চাউল বান্ধি বিশেষ ধৰণে সিজোৱা ভাত,পানীয় বস্তু আপং, শুকান মাছ,শুকান মঙহ আদিয়ে হৈছে লৃগাং উৎসৱৰ ভোজ-ভাতৰ মূল খাদ্য সম্ভাৰ।

সন্ধিয়া গাঁৱৰ ডেকা-গাভৰু, সৰু ল'ৰা-ছোৱালীবোৰে ঘৰে ঘৰে গৈ ভোজ-ভাত খায়। খাই বৈ উঠি গৃহস্থৰ ঘৰে ঘৰে সকলোৱে 'এই বছৰৰ দৰে অহা বছৰো এনেদৰে আনক খুৱাব পৰাকৈ গৃহস্থক শক্তি দি থাকিব লাগে আৰু খেতি-পথাৰৰ শস্যবোৰ নদন-বদন হ'ব লাগে' বুলি আশীৰ্বাদ দি গুচি যায়।

আনহাতে লৃগাং উৎসৱত গাঁৱৰ মিচিং ডেকা-গাভৰু, বুঢ়া-বুঢ়ী, সৰু ল'ৰা-ছোৱালী সকলোৰে মনত আনন্দ-উল্লাসৰ ঢৌ উঠে। ৰাতিলৈ গাঁৱৰ ডেকা-গাভৰুসকলে মিলি লৃগাং বিহু পাতে। এই বিহুক 'লৃগাং চংমান' বোলে। প্ৰথমে গাঁৱৰ গাঁওবুঢ়া বা গাম, সাতোলা নতুবা গাঁওখনৰ ধনী ঘৰৰ যিকোনো এঘৰত লেঃনং মাৰবাং বজাই 'লৃগাং চংমান' শুভাৰম্ভ কৰে। এই চংমানত ডেকা-গাভৰুসকলৰ লগতে গাঁৱৰ ৰাইজেও অংশগ্ৰহণ কৰি ৰং-আনন্দ কৰে। নৃত্য-গীতৰ শেষত গৃহস্থই দা-দক্ষিণা, আপঙৰ কলহ আগবঢ়াই সমূহ ৰাইজৰ আশীৰ্বাদ লয়। এনেদৰে গোটেই ৰাতি নৃত্য-গীতেৰে লৃগাং উৎসৱৰ প্ৰথম নিশাৰ বিহুৰ অন্ত পৰে। লৃগাং উৎসৱত বৰকাঁহ বজোৱাৰ তাৎপৰ্য হৈছে সুপ্ত মেঘক বৰকাঁহৰ শব্দৰে জাগ্ৰত কৰি বৰষুণ নমাই অনা আৰু এই নিৰ্মল বৰষুণে ৰোপণ কৰা বীজবোৰক অংকুৰিত কৰি পথাৰখন শস্য-শ্যামলা কৰি তোলা।

দ্বিতীয় দিনা পুৱাতে ডেকা-গাভৰুসকলে গাঁৱৰ ইমূৰৰ পৰা সিমূৰলৈ চংমানৰ শোভাযাত্ৰা দল এটি উলিয়াই প্ৰত্যেক ঘৰতে গুমৰাগ নৃত্য-গীত কৰে। গাঁৱৰ সৰু ল'ৰা-ছোৱালী তথা বোৱাৰী-জীয়াৰীবোৰেও সেইদিনা গুমৰাগ নৃত্যত সহযোগ কৰি ৰং-আনন্দত মতলীয়া হয়। চংমানৰ শেষত ঘৰৰ গৃহস্থই টকা-পইচা, আপং আদি আগবঢ়াই চংমান দল তথা ৰাইজক পুনৰ সেৱা জনায়।

লৃগাঙৰ তৃতীয় দিনা 'দপান-তৌংপান'ৰ আয়োজন কৰে। একেবাৰে লৃগাং উৎসৱৰ শেষত লগে-ভাগে ভোজ-ভাত খোৱা পৰ্বক 'দপান-তৌংপান' বোলে। লৃগাং বিহুত বিহু মাৰি পোৱা আপং, টকা-পইচাৰে সেইদিনা গাঁৱৰ সকলো ৰাইজে মিলি ভোজ-ভাত খাই লৃগাং বিহুক বিদায় দিয়ে।

লৃগাং উৎসৱৰ চতুৰ্থ দিনা 'গেনা' পালন কৰে। সেইদিনা বাঁহ, বেত, খেৰ, খাগৰি আদি গছ-গছনি আদি নাকাটে । তদুপৰি মিচিংসকলে সেইদিনা মাছ মৰা, মাটি খনা, পথাৰত জুই আদি জ্বলোৱা কাম-বনৰ পৰা সম্পূৰ্ণৰূপে বিৰত থাকে। সেইকেইদিন পৰম্পৰা অনুসৰি মিচিংসকলে পুৰা মাছ-মাংস, কণী, তেলৰ ভজা বস্তু আৰু টেঙা ফল-মূল আদিও নাখায়। এনে কৰিলে খেতি-পথাৰত সিঁচা শস্যবোৰ নগজে আৰু পুলিবোৰ গজিলেও লেৰেলি শুকাই যায় বুলি তেওঁলোকে বিশ্বাস কৰে।

লৃগাঙৰ পঞ্চম তথা অন্তিম দিনা প্ৰত্যেক ঘৰতে 'চাগ্লেন পৰ্ব' পালন কৰে। চাগ্লেন পৰ্ব হৈছে লৃগাং উৎসৱৰ গেনা ভঙা কাৰ্য। ইয়াক 'লৃংলেন পৰ্ব' বোলে। সেইদিনা গাঁৱৰ প্ৰত্যেক ঘৰৰ পৰা এজনকৈ চিকাৰলৈ যায়। চিকাৰলৈ যোৱা পৰ্বক 'ৰুগ্বাদ' বা 'কিংৰুগ' অথবা 'আপ্তা' বোলে। সেইদিনা সকলোৱে একেলগে হাবি-জংঘলত হৈ চৈ কৰি চিকাৰ কৰে আৰু এঠাইত বৈ পশু-পক্ষী তথা বনৰীয়া জীৱ-জন্তু মাৰে। অৱশ্যে চিকাৰত পশু বা জীৱ-জন্তু আদি পাবও পাৰে বা নাপাবও পাৰে। ইয়াৰ কোনো ধৰা-বন্ধা নিয়ম নাই। সেইদিনা অৱশ্যে পশু-পক্ষী মাৰিব পাৰিলে আই বসুমতী তথা পূৰ্বপুৰুষসকল সন্তুষ্ট হয় বুলি মিচিংসকলে বিশ্বাস কৰে।

সন্ধিয়া ভকত-সাতোলা বুঢ়া-বুঢ়ীসকলে গাঁৱৰ ঘৰে ঘৰে গৈ চিকাৰত পোৱা মাছ-মঙহৰে আঞ্জা ৰান্ধি ছাইমদৰ সৈতে চাগ্লেন পৰ্বৰ কাম সমাধা কৰে। আহাৰ গ্ৰহণৰ পূৰ্বে

ভকতসকলে সেইদিনা গৃহস্থৰ জুইশালৰ চাৰি চুকত আপং আৰু আঞ্জা অলপ আগবঢ়াই পৰিয়ালৰ সকলোৰে মংগল কামনা কৰি স্তুতি বা প্ৰাৰ্থনা কৰে।

লৃগাং উৎসৱত নৃত্য-গীত অপৰিহাৰ্য। লৃগাং উৎসৱত সাধাৰণতে গীততকৈ নৃত্যৰ প্ৰাধান্য বেছি। ইয়াত পৰিৱেশন কৰা নৃত্য-গীতক মিচিং ভাষাত 'বীঃৰৃগ নিঃতম' বা ঋতুগীত আৰু 'গুমৰাগ্ পাকচ্' বোলে। আনহাতে গুমৰাগ্ নৃত্য হৈছে মিচিংসকলৰ স্বকীয় পৰম্পৰাগত নৃত্য আৰু মিচিং ডেকা-গাভৰুসকলে একেলগে ৰং-আনন্দ কৰি বৃত্তাকাৰে বিভিন্ন ভংগিমাত এনে নৃত্য কৰে। মিচিংসকলৰ গুমৰাগ্ নৃত্য অতি মনোমোহা।

এনেদৰে পাঁচদিন ধৰি ৰং-আনন্দৰ মাজেৰে লৃগাং উৎসৱৰ সামৰণি পৰে।

**(খ) পঃৰাগ উৎসৱ —**

মিচিংসকল প্ৰধানকৈ কৃষিজীৱী। খেতিয়ে হৈছে তেওঁলোকৰ প্ৰধান জীৱিকা। বছৰৰ বিভিন্ন সময়ত তেওঁলোকে আহু ধান,গোমধান,বাওধান, শালিধান, সৰিয়হ, মাহ, আলু, কপাহ আদি বিভিন্ন ধৰণৰ খেতি কৰে। আহাৰ-শাওন মাহত তেওঁলোকে আহু খেতি চপাই মাঘ-ফাগুন মাহত আজৰি হয়। এনে সন্ধিক্ষণতে মিচিংসকলে 'পঃৰাগ' উৎসৱটিক অতি উলহ-মালহেৰে অনুষ্ঠিত কৰে। খেতি চপাই শেষ কৰি ধানৰ নৰা ছিগি যোৱাৰ পাছতে অনুষ্ঠিত কৰা হয় বাবে এই উৎসৱক অসমীয়া ভাষাত 'নৰাছিগা বিহু' বুলি কোৱা হয়।

'পঃৰাগ' শব্দটোৰ উৎপত্তি সম্পৰ্কে বিভিন্ন মতামত পোৱা যায়। প্ৰাপ্ত তথ্য অনুসৰি 'পঃৰাগ' শব্দটো মিচিংসকলৰ পঃৰ আপং অৰ্থাৎ ছাইমদৰ প্ৰথম বৰ্ণ 'প', পৰম্পৰাগত নৃত্য-উৎসৱ গুম্ৰাগ-আমৰাগ্ শব্দৰ 'ৰাগ' শব্দ যোগ হৈ পঃৰাগ (প + ৰাগ)ৰ সৃষ্টি হৈছে। সোণাৰাম পাএ্রাং কটকীয়ে তেখেতৰ 'মিৰি জাতিৰ বুৰঞ্জী' গ্ৰন্থখনত পঃৰাগ উৎসৱ সম্বন্ধে উল্লেখ কৰি কৈছে ভৈয়ামলৈ অহাৰ পাছত অসমীয়া মানুহৰ দৰে মিচিং ডেকা-গাভৰু সকলোৰে মিলি নৰাছিগা বিহু পাতিবলৈ ধৰিলে। ইয়াৰ অৰ্থ এয়ে যে আহিন-কাতি মাহত আহু ধানৰ নৰা ছিগে আৰু সেই ধান কামত লগায়। মিৰি ভাষাত ইয়াক পঃৰাগ বুলি কয়।

পঃৰাগ উৎসৱ প্ৰধানতঃ মিচিং ডেকা-গাভৰুৰ ৰং-আনন্দৰ উৎসৱ। তেওঁলোকৰ বাবে এই উৎসৱ প্ৰাণৰো প্ৰাণৰ, অতি আপোন। সেয়ে প্ৰধানতঃ ডেকা-গাভৰুৰ উদ্যোগত এই উৎসৱ উদ্‌যাপিত হয় কাৰণে ইয়াক কোনো কোনো ঠাইত 'য়াঃমে-মৃমবৃৰ দমান-তীঃমান' অৰ্থাৎ ডেকা-গাভৰুৰ প্ৰীতি ভোজ বুলি কোৱা হয়।

পঃৰাগ উৎসৱ আড়ম্বৰপূৰ্ণভাৱে পালন কৰিবৰ কাৰণে বিশেষকৈ আহল-বহল ঠাইৰ প্ৰয়োজন। গতিকে 'মুৰং অকুম' অৰ্থাৎ ডেকাচাঙৰ লগতে অস্থায়ীভাৱে ৰভা মুকলিকৈ সাজি উলিওৱা হয়। আনহাতে 'মুৰং অকুম' হৈছে পঃৰাগ উৎসৱৰ এক অবিচ্ছেদ্য অংগ। ই মিচিং সমাজৰ কৃষ্টিৰ কেন্দ্ৰ, সংস্কৃতিৰ কঠীয়াথলীও। ই একপ্ৰকাৰ জাতীয় অনুষ্ঠান। ইয়াত কেৱল উৎসৱেই নহয় মিচিং ডেকা-গাভৰু, গএগ্ৰ ৰাইজৰ বিভিন্ন সামাজিক কাম-কাজৰ স্থলো। গতিকে পঃৰাগ উৎসৱত মুৰং ঘৰৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। মুৰং বা ডেকাচাঙৰ উৎপত্তি সম্পৰ্কে তৰুণ চন্দ্ৰ পামেগামে 'মিচিং সংস্কৃতিৰ আলেখ্যত' উল্লেখ কৰিছে এনেদৰে - মঃৰং শব্দৰ অৰ্থ হৈছে মুকলি। এই মঃৰং শব্দৰ পৰাই বোধ হয় এই ঘৰৰ নাম মৰংঘৰ হৈছে। মৰঙৰ পৰা বাগৰি বহুতে এই ঘৰক 'মুৰং' বা 'মৃৰং' বুলি ক'বলৈ ধৰিলে। আনহাতে মিচিংসকলৰ মুৰংঘৰ হৈছে আহল-বহল এখন মুকলি চাংঘৰ। ইয়াক বিশেষকৈ বাঁহ-বেত, কাঠ আৰু খেৰৰ দ্বাৰা নিৰ্মাণ কৰা হয়। ইয়াত কোনো ধৰণৰ আঁৰ-বেৰ দিয়া নহয়। মুৰংঘৰৰ চাংঘৰত উঠিব পৰাকৈ দুয়োফালে কঃবাং বা জখলা থাকে। মিচিংসকলে মুৰং ঘৰ সাধাৰণতে গাঁৱখনৰ মাজত নতুবা গাঁৱৰ একেবাৰে মূৰত পূবা-পশ্চিমাকৈ সাজে।

পঃৰাগ উৎসৱ আয়োজনৰ কাৰণে মিচিংসকলে প্ৰায় এবছৰ আগৰ পৰাই প্ৰস্তুতি চলায়। মুৰংঘৰত কৌবাং বা ৰাজহুৱা মেল বহে। তাতে পঃৰাগ উৎসৱৰ প্ৰস্তুতি সম্পৰ্কে বিভিন্ন দিশত আলোচনা কৰা হয় আৰু ডেকা-গাভৰুৰ মাজৰ পৰা পৰিচালনা সমিতি বা উদ্‌যাপন সমিতি এখন গঠন কৰে। এই সমিতিৰ নেতৃত্বতে প্ৰত্যেকেই পঃৰাগৰ বাবে প্ৰয়োজনীয় টকা-পইচা, খাদ্য সামগ্ৰী আদি সংগ্ৰহ কৰে।

উদ্‌যাপন সমিতিৰ বিষয়বাববোৰৰ ভিতৰত মিগম বৰা আৰু বৰপোৱাৰীৰ তত্ত্বাৱধানতে পঃৰাগ উৎসৱৰ সকলো কাম পৰিচালনা হয়। মিগম বৰা শব্দটো অৰুণাচলৰ প্ৰদেশৰ আদী জনগোষ্ঠী আৰু অসমীয়া ভাষাৰ সংমিশ্ৰণৰ ফলত সৃষ্টি হোৱা বুলি মিচিংসকলে ক'ব খোজে। মিগমৰ অৰ্থ হৈছে ৰজা। সেই মিগম বৰাই কাৰোবাৰ মাজত হায়-কাজিয়া হ'লে বা কোনোবাই দায়-জগৰ লগালে তাৰ উপযুক্ত বিচাৰ কৰি দণ্ড বিহিব পাৰে। আনহাতে গাভৰুসকলৰ মাজত বিভিন্ন ধৰণৰ পদবী থাকিলেও বৰপোৱাৰীকে সাধাৰণতে গাভৰু সমাজৰ শ্ৰেষ্ঠ সন্মান কৰা হয়।

উল্লেখযোগ্য যে পঃৰাগ উৎসৱত ওচৰ-চুবুৰীয়া গাঁৱৰ ডেকা-গাভৰু তথা ৰাইজেও সহায়-সহযোগ আগবঢ়ায়। ইয়াৰ কাৰণে গাঁৱৰ ৰাইজে তেওঁলোকক সসন্মানে নিমন্ত্ৰণ জনায়।

পঃৰাগ উৎসৱৰ বৃহৎ পৰিমাণৰ আৰ্থিক তথা খাদ্য-সম্ভাৰ বা মাছ-মাংস, আপং, চাউল আদি সংগ্ৰহ কৰিবৰ কাৰণে মিচিংসকলে 'দাগলৃক' অথবা 'মাইন' ব্যৱস্থা কৰে।এনে ব্যৱস্থা হৈছে ৰাজহুৱা কামৰ বাবে প্ৰত্যেক ঘৰৰ পৰা একো-একোজনকৈ

ডেকা-গাভৰুৱে ওলাই আহি সমূহীয়াভাৱে কৰা কাম। এনে ব্যৱস্থাৰ জৰিয়তে মিচিং ডেকা-গাভৰুসকলে দল বান্ধি বিহুৰ সময়ত হুঁচৰি গাই পোৱা টকা-পইচা অথবা আনৰ খেতি-পথাৰত কাম কৰি পোৱা টকা-পইচাবোৰ ৰাজহুৱা ভঁৰাল অথবা ধন ভঁৰালীৰ হাতত জমা কৰি ৰাখে। পঃৰাগ উৎসৱত এই টকা-পইচাবোৰ বিভিন্ন কামত খৰচ কৰা হয়। ইফালে উৎসৱৰ মূল খাদ্য গাহৰি মাংসৰ কাৰণে প্ৰায় এবছৰ আগৰে পৰা গাঁৱৰ গাভৰুসকলক পোৱালি কিনি আনি ডাঙৰ-দীঘল কৰিবলৈ দিয়া হয়। ঠিক তেনেদৰে গাঁৱৰ আন আন ছোৱালীবোৰকো এমাহৰ আগৰে পৰা পানীয় বস্তু আপং যোগাৰ কৰিবলৈ দায়িত্ব অৰ্পণ কৰা হয়। এই আপং আৰু গাহৰিয়েই হৈছে পঃৰাগ উৎসৱৰ মূল খাদ্য। কেতিয়াবা যদি ৰাজহুৱা ভঁৰালৰ ধনৰ নাটনি হয় তেতিয়াহ'লে উৎসৱৰ কাৰণে ঘৰমুৰী চান্দাও উঠোৱা হয়। গাঁৱৰ প্ৰতি ঘৰৰ পৰা ৰাইজৰ সিদ্ধান্তমৰ্মে টকা-পইচা,ধান-চাউল আৰু আপং পানী আদি সংগ্ৰহ কৰা হয়।

পঃৰাগ উৎসৱৰ প্ৰথম দিনটো 'ইচাং পৰ্ব' অৰ্থাৎ উৎসৱৰ প্ৰতিষ্ঠা বা শুভাৰম্ভ কৰা দিন হিচাপে পালন কৰে। সেইদিনা গাঁৱৰ ৰাইজে ঢোলে-দগৰে, নৃত্য-গীতৰ সৈতে মিগম বৰা আৰু বৰপোৱাৰীক মুৰং ঘৰলৈ আদৰি আনে। তাৰ পাছত সাতোলা বা গাঁৱৰ গাঁওবুঢ়াৰ সহযোগত মিগম বৰা আৰু বৰপোৱাৰীয়ে দঃগ্ৰিং-পঃল, কাৰ্চিং-কাৰ্তাং আদি ইষ্ট দেৱ-দেৱতাক সাক্ষী কৰি ইচাং পৰ্বৰ শুভাৰম্ভ কৰে। সেইদিনা দূৰ-দূৰণিৰ পৰা অহা আলহী-অতিথি সকলোকে সসন্মানেৰে আদৰি আনি ভোজ-ভাত খুওৱা হয়। পঃৰাগ উৎসৱৰ এনে আলহী-অতিথিক 'মিনম' বোলে। 'মি' মানে মানুহ আৰু 'নম' মানে আমন্ত্ৰণ কৰা। এই মিনমসকলক ওচৰ-চুবুৰীয়া গাঁৱৰ অথবা আন আন ঠাইৰ পৰা আমন্ত্ৰণ কৰা হয়। খোৱা-লোৱাৰ অন্তত সেইদিনা মিনমসকলক আধা বাটলৈকে গাঁৱৰ ৰাইজে আগবঢ়াই থৈ আহে। পঃৰাগস্থলী এৰাৰ পূৰ্বে মিনমসকলেও ৰাইজৰ লগত সমূহীয়াভাৱে নৃত্য-গীত কৰি আনন্দ উপভোগ কৰে।

ইচাং পৰ্বৰ ৰাতি আকৰ্ষণীয় পৰ্ব এটি হৈছে 'পঃবৰ কাতনাম' অনুষ্ঠান। আপং চকা পৰ্বক পঃবৰ কাত্নাম বুলি কোৱা হয়। ই পঃৰাগ উৎসৱৰ আটাইতকৈ উল্লেখযোগ্য অনুষ্ঠান। সেইদিনা পঃৰাগ উৎসৱৰ কাৰণে পঃবৰত আপং ভৰাই আপং চকা পৰ্বৰ শুভাৰম্ভ কৰে। আপং চকা পাত্ৰক মিচিংসকলে সাধাৰণতে 'পঃবৰ' বোলে। ইয়াক বাঁহ-বেতৰ দ্বাৰা চুপি আকৃতিৰ দৰে বাঁহৰ সঁজুলিৰে বিশেষভাৱে সজা হয়।

পঃবৰত আপং ভৰাই শেষ হোৱাৰ পাছতে 'পানী ঢলা' নিয়ম কৰা হয়। সেইদিনা দঃগ্ৰিং-পঃল, কাৰ্চিং-কাৰ্তাং, গুমৃন-চঃয়িন ইষ্ট দেৱ-দেৱতাক সাক্ষী কৰি প্ৰথমে মিগম বৰা, বৰপোৱাৰী আৰু সাতোলাই পানী ঢালে। পানী ঢলাৰ লগে লগে ডেকা-গাভৰু তথা ৰাইজে একেলগে পঃবৰৰ চাৰিওফালে গুমৰাগ্ নৃত্য-গীতেৰে পাঁচবাৰ প্ৰদক্ষিণ কৰি পানী ঢলা কাৰ্য শ্ৰদ্ধা-ভক্তি সহকাৰে সম্পন্ন কৰে। কোনো কোনো গাঁৱত অপুষ্পিতা ছোৱালীয়েও এই কাম সম্পন্ন কৰে। এই কাৰ্যত অতিকৈ গুৰুত্ব দিয়াৰ কাৰণ হ'ল আপং বেয়া হোৱা মানে পঃৰাগৰ সকলো শ্ৰম অথলে যোৱা আৰু ই অমঙ্গলৰ চিন। আপং ভাল হোৱা মানে পঃৰাগ সফল আৰু অনাগত দিনত সকলো দিশতে গাঁৱৰ সফলতা লাভ কৰিব পাৰিব বুলি সাধাৰণ ৰাইজে বিশ্বাস কৰি আহিছে।

পঃবৰত আপঙৰ ৰস ওলোৱাৰ লগে লগে গাঁৱৰ ৰাইজৰ মঙ্গলাৰ্থে ইষ্ট দেৱ-দেৱতা আৰু পূৰ্বপুৰুষৰ নামত চেউৰী গাহৰি এজনী উচৰ্গা কৰা হয়। পঃৰাগ উৎসৱত গাহৰি উচৰ্গা কৰাৰ কিছুমান নীতি-নিয়ম আছে। প্ৰথমে গাহৰিজনীৰ বুকুৰ ওপৰত অলপমান ছাল কাটি এই ঠাইখিনিতে মিগম বৰা আৰু বৰপোৱাৰীয়ে এডাল জোঙাল বাঁহেৰে বুকুৰ ভিতৰলৈ সুমুৱাই দিয়ে। ফলত গাহৰিজনীৰ পৰা ক্ৰমে তেজ নিগৰি মাটিত পৰেহি। আহত গাহৰিৰ বুকুৰ পৰা যেতিয়া তপত তেজ চাৰিওফালে ছিটিকি পৰে, নৃত্যৰত গাঁৱৰ ৰাইজে তেতিয়া সেই তপত তেজ গ্ৰহণ কৰি তৃপ্ত হ'বৰ কাৰণে দঃগ্ৰিং-পঃল, কাৰ্চিং-কাৰ্তাং আদি ইষ্ট দেৱ-দেৱতাসকলৰ উদ্দেশ্যে আকুল প্ৰাৰ্থনা কৰে। ইয়াৰ উপৰি গাঁওবাসীয়ে অপায়-অমঙ্গল, বেমাৰ-আজাৰ তথা মহামাৰী ৰোগৰ পৰিত্ৰাণ পোৱাৰ লগতে এই কাৰ্যৰে গাঁৱৰ খেতি-পথাৰ শস্য শ্যামলা হোৱাৰ কামনা কৰে।

উল্লেখযোগ্য যে মিচিংসকলে অতীজৰে পৰা অদৃশ্য দেৱ-দেৱতাক সদায় উগ্ৰ, নিৰ্মম অনিষ্টকাৰী ৰূপে গণ্য কৰে। এনেধৰণৰ উচৰ্গাৰ জৰিয়তে উপৰি-পুৰুষ, দেৱ-দেৱতাসকল সন্তুষ্ট হৈ গাঁৱখনক সকলো দিশৰ পৰা ৰক্ষণাবেক্ষণ দিয়াৰ কামনা জড়িত হৈ থাকে।

পঃৰাগ উৎসৱৰ দ্বিতীয় দিনা 'যোঃনে-মেঃনে' অৰ্থাৎ অন্য গাঁৱলৈ বিয়া হৈ যোৱা জীয়াৰী-বোৱাৰীবোৰক আপ্যায়ন কৰা হয়। খোৱা-বোৱাৰ শেষত সেইদিনা যোঃনে-মেঃনে, ডেকা-গাভৰু সকলোৱে একেলগে গুমৰাগ্ নৃত্য-গীত কৰি আনন্দ উপভোগ কৰে। বৰ্তমান পঃৰাগ উৎসৱবোৰত যোঃনে-মেঃনেৰ লগত অহা ঢুলীয়া-নাচনী-নামতীবোৰৰ মাজত নৃত্য-গীতৰ প্ৰতিযোগিতাও চলে। পৰ্যায়ক্ৰমে প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰা দলক আয়োজকসকলে সাধ্যানুসাৰে প্ৰমাণ পত্ৰসহ টকা-পইচা অথবা বঁটা প্ৰদান কৰি পুৰস্কৃত কৰে। উল্লেখযোগ্য যে পঃৰাগ উৎসৱত বিয়া হৈ যোৱা জীয়ৰী-বোৱাৰীসকলক হিচাপ ৰাখি উৎসৱলৈ নিয়ন্ত্ৰণ কৰি অনাটো উৎসৱৰ প্ৰধান বিশেষত্ব। গতিকে গাঁৱৰ জীয়ৰী-বোৱাৰী য'তেই বিয়া নহওক কিয় তালৈকে গৈ নিমন্ত্ৰণ কৰে। জীয়ৰী-বোৱাৰীবোৰেও নিমন্ত্ৰণ ৰক্ষা কৰি বহু দিনৰ মূৰত বহু আশাৰে স্বামীৰ উপৰি লগত দুজনী গাভৰু ছোৱালী (নামতী বা

গায়িকা), ঢুলীয়া ডেকা দুজনৰ লগতে আপঙৰ কলহ, তামোল-পান আদি লৈ পঃৰাগ উৎসৱত অংশ গ্ৰহণ কৰেহি। সেইদিনা কোনোবা জীয়াৰী বুঢ়ী হৈ আহিব নোৱাৰিলে তেওঁৰ পুতেক নতুবা নাতিয়েকক প্ৰতিনিধি হিচাপে উৎসৱত অংশগ্ৰহণ কৰিবলৈ দিয়ে। খোৱা-বোৱা কৰি নৃত্য-গীতৰ শেষত সেইদিনা আবেলিলৈ গাঁৱৰ ৰাইজে যোঃনে-মেঃনে সকলোকে সসন্মানেৰে বিদায় জনায়।

পঃৰাগ উৎসৱৰ তৃতীয় দিনা গাঁৱৰ বোৱাৰী-মহিলাসকলক ভোজন কৰোৱায়।

পঃৰাগ উৎসৱৰ চতুৰ্থ তথা শেষৰ দিনা গাঁৱৰ ৰাইজে মিলি ভোজ-ভাত খায়। ভোজন পৰ্বৰ শেষত সকলোৱে মিলি নৃত্য-গীত কৰি ৰং-আনন্দ কৰে। শেষত মিগম বৰা আৰু বৰপোৱাৰীক ৰাইজে গুম্ৰাগ নৃত্য-গীতৰ মাজেৰে ঘৰত থৈ আহে। মিগম বৰা আৰু বৰপোৱাৰীয়েও পঃৰাগ উৎসৱৰ পৰিচালনাৰ ক্ষেত্ৰত হোৱা নানা ভুল-ভ্ৰান্তিৰ বাবে ৰাইজৰ ওচৰত ক্ষমা ভিক্ষা মাগে আৰু আশীৰ্বাদ লয়। পৰম্পৰা অনুসৰি মিগম বৰা আৰু বৰপোৱাৰীয়ে সেইদিনা ৰাইজক গাহৰি মাৰি খুৱাব লাগে যদিও সম্প্ৰতি আৰ্থিক অনাটনৰ কাৰণে এনে নিয়ম পৰিলক্ষিত নহয়। অৱশ্যে গাহৰি মাৰি খুৱাব নোৱাৰিলেও ৰাইজক মদ পানীৰে আপ্যায়িত কৰি বিদায় জনায়।

পৰম্পৰা অনুসৰি পঃৰাগ উৎসৱ পাঁচ দিনীয়াকৈ আয়োজন কৰা হয় যদিও বৰ্তমান প্ৰায়ভাগ মিচিং গাঁৱত তিনিদিনীয়াকৈহে উদ্‌যাপন কৰা দেখা যায়। বুধবাৰৰ দিনা আৰম্ভ কৰি শুক্ৰবাৰৰ দিনা সমাপ্ত কৰে। অৱশ্যে গাঁৱখনৰ জনসংখ্যা বেছি হ'লে তিনিদিনৰ পৰা পাঁচদিন ধৰি পালন কৰে।

মিচিংসকলৰ এই পঃৰাগ উৎসৱক একপ্ৰকাৰ সতীৰ্থ সমাৰোহ বা পুনৰ্মিলনৰ উৎসৱ (Get-Together) হিচাপে অভিহিত কৰিব পাৰি। ইয়াত পৰিয়ালৰ ককাই-ভাই ,বাই-ভনী, মাক-দেউতাকৰ সৈতে জীয়ৰী-বোৱাৰীসকলৰ পুনঃমিলন ঘটে। সেইদিনা সকলোৱে বহুদিনৰ মূৰত পৰস্পৰে পৰস্পৰক লগ পাই আনন্দত মতলীয়া হৈ পৰে। অতীতৰ মধুৰ দিনবোৰৰ কথা সুঁৱৰি আৱেগত উথলি উঠে। সুখ-দুখৰ কথা পাতে, ইজনে সিজনৰ খা-খবৰ লয়। আনন্দত গীত-নৃত্য কৰে।এনেধৰণৰ পুনৰ মিলন অনুষ্ঠান তথা পঃৰাগ উৎসৱে তেওঁলোকৰ মাজলৈ কঢ়িয়াই আনে সম্প্ৰীতি, ঐক্য আৰু সমন্বয়ৰ বতৰা। ইয়াৰ উপৰি পঃৰাগ উৎসৱে এখন গাঁৱৰ সৈতে আন এখন গাঁৱৰ ঐক্য-সম্প্ৰীতিৰ এনাজৰী দৃঢ় হোৱাৰ লগতে সামাজিক-সাংস্কৃতিক দিশৰ ক্ষেত্ৰতো আদান-প্ৰদান হয়।

**(গ) আমৰাগ্ উৎসৱ —**

কৃষিৰ লগত জড়িত মিচিংসকলৰ আন এটি লোক উৎসৱ হৈছে আমৰাগ্। আমৰাগ্ শব্দৰ উৎপত্তিগত অৰ্থ এনেধৰণৰ 'আম' মানে ধান আৰু 'ৰাগ্' হৈছে মিচিংসকলৰ পৰম্পৰাগত গুমৰাগ্ নৃত্যৰ ঢোলৰ বিশেষ ধ্বনি বা ছেও। ধান চপোৱাৰ সময়ত ঢোল বাদ্যৰ ছেও বা ধ্বনিৰ তালে তালে গীত-নৃত্যৰে উৎসৱমুখৰ কৰি তোলাই হৈছে আমৰাগ্ উৎসৱ। আহু ধান দাই শেষ কৰি এক সপ্তাহৰ ভিতৰত গাঁৱখনৰ বুঢ়া-বুঢ়ী, সাতোলা, মেধি আৰু মিতিৰ-কুটুম্বক লৈ মিলিজুলি প্ৰতি ঘৰে ঘৰে মৃতকক চাকি এগছি অৰ্পণ কৰি খোৱা-লোৱাৰ ব্যৱস্থা কৰা নীতি-নিয়মৰ প্ৰথাটোৰ নামে হৈছে আমৰাগ্ চাকি বা গাতচুম চাকি। এই পৰ্বৰ শেষত কৰা গীত-নৃত্যৰ পৰাই আমৰাগ্ উৎসৱৰ সৃষ্টি বুলিব পাৰি।

ভাদ-আহিন মাহৰ সময়ছোৱাক মিচিং ভাষাত 'আমৰাগ পঃল' বুলি কোৱা হয়। এই আমৰাগ্ মাহতে মিচিংসকলে আহু ধান কাটিবলৈ আৰম্ভ কৰে। ধান চপোৱা উপলক্ষে ৰং-আনন্দত মতলীয়া হৈ গাঁৱৰ ডেকা-গাভৰুসকলে 'লত্তা চঃমান' কৰে। এই লত্তা চঃমানতে ডেকা-গাভৰুসকলে গীত-নৃত্য কৰি আনন্দ উপভোগ কৰে। এনে নৃত্য-গীতৰ সমাহাৰতে সৃষ্টি হৈছে আমৰাগ্ উৎসৱ। এই উৎসৱত মিচিংসকলে ভোজ-ভাতৰ আয়োজন কৰাৰ লগতে মৃত পূৰ্বপুৰুষসকলৰ নামতো পূজা এভাগ আগবঢ়ায়। উল্লেখযোগ্য যে এই উৎসৱত লৃগাং আৰু পঃৰাগ উৎসৱৰ দৰে বিশেষ জাকজমকতাৰ পয়োভৰ নহয়।

**(ঘ) বিউ —**

বিহু অসমৰ প্ৰধান কৃষিভিত্তিক তথা জাতীয় উৎসৱ। অসমৰ অন্যান্য জনগোষ্ঠীসমূহৰ দৰে মিচিংসকলেও তেওঁলোকৰ স্বকীয় পৰম্পৰাৰে জাতীয় উৎসৱ বিহু তিনিটি পালন কৰে। তেওঁলোকে বিহুক 'বিউ' বোলে।

**ক. মাগবিউ ঃ** মাঘ বিহু খেতি চপোৱাৰ আনন্দ উৎসৱ। বিৰিঞ্চি কুমাৰ বৰুৱাৰ মতে মাঘ বিহু এক প্ৰকাৰ নবান্ন বা পিঠা উৎসৱ। মাঘ বিহুৰ লগত জড়িত মেজি,মেজি ঘৰ (ভেলা ঘৰ,হাৰলি ঘৰ) জুইত ন-ধানৰ চাউল,মাহ,তিল উচৰ্গা কৰা হয়। এই পিনৰ পৰা চাবলৈ গ'লে এইবোৰ অগ্নি তুষ্টিৰ অনুষ্ঠান,বৈদিক যুগৰ শস্য উৎসৱ অগ্ৰহায়ণ-ইষ্টিৰ লগত ইয়াৰ অলপ মিল দেখা যায়। মিচিংসকলে মাঘ বিহুক 'মাগ বিউ' বোলে। মিচিং সমাজতো মাগ বিউত মেজি সজাৰ পৰম্পৰা আছে। তেওঁলোকে বিশেষকৈ নৈৰ পাৰত নতুবা বালিচৰত মেজি সাজে। মিচিংসকলে মেজি সাধাৰণতে দুটা সাজে, এটা ওখ আৰু আনটো চাপৰ। তেওঁলোকে মেজি দুটাক 'নেং-মিলবং' বা মতা-মাইকী আখ্যা দিয়ে। আনহাতে মেজি সজা কাৰ্যক 'মাগ পাঃনাম' বোলে।

মেজি সাজিবৰ কাৰণে এমাহ আগৰে পৰাই মিচিং গৰখীয়াসকলে ইকৰা, নল, খাগৰি আৰু শুকান কাঠ, খৰি

আদি নৈৰ দাঁতিত বা বালিচৰত গোটাই থয়। উৰুকাৰ আবেলি ডেকাসকলে নিৰ্দিষ্ট ঠাইত মেজি সজা পৰ্ব আৰম্ভ কৰে। মিচিংসকলৰ মেজি সজাৰ পদ্ধতি সুকীয়া। প্ৰথমে মাটিত গাঁত খান্দি তাৰ চাৰি চুকত ওখ বাঁহ গছ চাৰিডাল পুতি লয়। তাৰ সোঁমাজতে আকৌ পাতসহ দীঘলকৈ এডাল বাঁহ গুজে। এই পাঁচডাল বাঁহৰ মাজে মাজে ইকৰা, নল, খাগৰি আৰু কাঠ-খৰি আদি থাক্ থাক্ কৈ জাপি দিয়ে। তাৰ চাৰিওফালে হালি যাব নোৱাৰাকৈ বাঁহ পাঁচডালক বেতেৰে বান্ধি মেজি সজা পৰ্ব শেষ কৰা হয়।ডেকা-ল'ৰাবোৰে গোটেই ৰাতি ঢোলে-দগৰে অইনিঃতম গাই মেজি পহৰা দিয়ে। উল্লেখ্য যে মিচিংসকলে মেজি থলীত কোনো ধৰণৰ ভেলাঘৰ নাসাজে আৰু নিশা ভোজ-ভাতৰো আয়োজন নকৰে।

পিছদিনা অৰ্থাৎ সংক্ৰান্তিৰ পুৱাই কাউৰী উৰাৰ পূৰ্বে ৰাইজে মেজি জ্বলায়। মিচিং লোক পৰম্পৰাত কাউৰী সদায় তেওঁলোকৰ বাবে অমঙ্গলীয়া জীৱ। গতিকে কাউৰী উৰাৰ আগে আগে মেজি জ্বলোৱাটো বাধ্যতামূলক। প্ৰথমে পিতৃ-মাতৃ থকা গাঁৱৰ ডেকা এজনে গা-পা ধুই ৰাইজে জয়ধ্বনি দিয়াৰ লগে লগে ডাঙৰ মেজিটো জ্বলায়। ঠিক কিছু সময়ৰ পিছতে সৰু মেজিটো জ্বলায়। মেজি জ্বলোৱাৰ লগে লগে ৰাইজেও নদীত গা-পা ধুই জুইৰ উত্তাপ লয়। সেইদিনা সকলোৱে দঃগ্ৰিঃ-পঃল, পূৰ্বপুৰুষসকলক সাক্ষী কৰি জ্বলি থকা জুইত মাহ কৰাই, কাঠ আলু, মিঠা আলু আদি দলিয়াই অনাগত দিনবোৰৰ কাৰণে মংগল কামনা কৰি সেৱা জনায়।

লোকবিশ্বাস অনুসৰি সেইদিনা মেজি থলীতে গাঁৱৰ সন্তানহীন দম্পতী অথবা ৰোগাক্ৰান্ত পৰিয়ালে আপঙৰ কলহ লৈ ৰাইজৰ পৰা আশীৰ্বাদ লয়। গাঁৱৰ গাঁওবুঢ়া সমন্বিতে উপস্থিত ৰাইজেও সেৱকীৰ মনোবাঞ্চা পূৰণৰ বাবে আশীৰ্বাদ দিয়ে। শেষত আপং পানী খাই সকলোৱে ঘৰা-ঘৰি হয়।

সেইদিনা দিনৰ ভাগত চেমনীয়া ল'ৰা-ছোৱালীবোৰে গাঁৱৰ ঘৰে ঘৰে গৈ চিৰা,আমবুক বা সান্দহ, কাঠ আলু, মিঠা আলু আদি খাই ফুৰে। গাঁৱৰ ৰাইজ তথা ভকতসকলে ৰাইজৰ শান্তি কামনাৰে সেইদিনা ৰাজহুৱাকৈ নামঘৰত চাকি-বন্তি জ্বলাই নাম-প্ৰসংগ কৰে। তাৰপাছত গাঁৱৰ পুৰুষ-মহিলাভেদে দল বান্ধি বান্ধি ঘৰে ঘৰে গৈ আপং পানী খাই বিহু মাৰে। এনেদৰে মাগ বিউ উৎসৱৰ সামৰণি পৰে। উল্লেখযোগ্য যে মাঘ বিহুৰ দিনা মিচিংসকলৰ প্ৰত্যেকে কাঠ আলু খোৱাটো বাঞ্ছনীয়। অন্যথা পিছৰ জনমত গাহৰিৰ ৰূপ লয় বুলি তেওঁলোকে বিশ্বাস কৰে।

**খ. বআগ বিউ ঃ** চ'ত আৰু ব'হাগৰ মহাবিষুৱ সংক্ৰান্তিত ৰঙালী বিহু পালন কৰা হয়। এই উৎসৱো মূলতঃ কৃষি উৎসৱ। চ'তৰ সংক্ৰান্তিৰ দিনা গৰু বিহু পালন কৰা হয়। কৃষিৰ মূল আহিলা গৰুক সন্তুষ্ট কৰি ৰাখিবৰ কাৰণে বিহুৰ প্ৰথম দিনাই গৰু বিহু উদ্‌যাপন কৰা হয়। সেইদিনা গৰুক মাহ-হালধিৰে নোৱাই ধুৱাই গো-সেৱা কৰা হয়। দ্বিতীয়দিনা মানুহ বিহু। গাঁৱৰ ৰাইজে হুঁচৰি গায়। ৰং-ধেমালি কৰি কটায়।

সেইদৰে মিচিংসকলেও ব'হাগ বিহুত মানুহ বিহু আৰু গৰু বিহু পালন কৰে। তেওঁলোকে ব'হাগ বিহুক 'বআগ বিউ' বা 'কম্বং চঃমান'বোলে। 'লৃগাং' আৰু 'পঃৰাগ' উৎসৱে যেনেদৰে এক নতুন উদ্যম, নতুন কৰ্ম প্ৰেৰণা আৰু আশাৰ বতৰা কঢ়িয়াই আনে ঠিক সেইদৰে ব'হাগ বিহু উৎসৱেও তেওঁলোককৈ কঢ়িয়াই লৈ আহে আশা আৰু আনন্দৰ বতৰা।

গৰু বিহুৰ দিনা পুৱাই গাঁৱৰ ডেকা-ল'ৰাবোৰে ঢোলে-দগৰে গৰু-ম'হক গা ধুৱাবলৈ নদীৰ পাৰলৈ লৈ যায়। প্ৰথমে গাঁৱৰ গাঁওবুঢ়াই দঃগ্ৰিঃ-পঃল বা চন্দ্ৰ-সূৰ্যক সাক্ষী কৰি গৰু-ম'হ আদি জীৱ-জন্তুৰ মংগল কামনা কৰি জয়ধ্বনি দিয়ে। ইয়াৰ লগে লগে গৰখীয়া ল'ৰাবোৰেও আগদিনাই যতনাই থোৱা হালধি, থেকেৰা, লাউ, বেঙেনাৰ চাকেৰে 'লাও খা বেঙেনা খা দিনে দিনে বাঢ়ি যা,মাৰে সৰু বাপেৰ সৰু তই হবি বৰ বৰ গৰু' বুলি কোৱাৰ দৰে মিচিংসকলেও 'লাও আমীং জাৰকামপী, বেঙেনাং আমীং জাৰকামপী পুঃপ-জাৰপ্লা তুৰয়াৰ কাঃলাংকা' বুলি কৈ গৰু-ম'হৰ গালৈ দলিয়াই গা ধুৱায়। এনেদৰে গৰু-ম'হক গা ধুওৱাৰ শেষত ৰৈ যোৱা চাকবোৰ আন আন গৰখীয়াৰ লগত সলনা-সলনি কৰে। এনে কৰিলে গৰু-ম'হৰ জাতবোৰ শক্তিশালী হোৱাৰ লগতে বিভিন্ন বৰণৰ হয় বুলি বিশ্বাস কৰে। উল্লেখযোগ্য যে মিচিংসকলে চাকত কেৰেলা কেতিয়াও ব্যৱহাৰ নকৰে। কেৰেলাই স্বাস্থ্য হানি কৰে বুলি তেওঁলোকে বিশ্বাস কৰে। সেইদিনাৰ পৰা গৰু-ম'হবোৰক পথাৰত মুকলিকৈ এৰি দিয়া হয়। বছৰটোত মহ-মাখি-দাঁহে কামুৰি আমনি নকৰিবৰ কাৰণে বিহুৰ এসপ্তাহলৈ গৰখীয়াবোৰে এছাৰিৰ সলনি মাখিয়তী আৰু দীঘলতী ডাল-পাত ব্যৱহাৰ কৰে।

সেইদিনা পুৱাই গাঁৱৰ জীয়াৰী-বোৱাৰীসকলে আপঙৰ কলহ আৰু তামোল-পাণ, দান-দক্ষিণা আগবঢ়াই বয়োজ্যেষ্ঠজনক সেৱা জনায়। গাঁৱৰ সকলোৱে সেইদিনা নতুন সাজ পিন্ধি ঘৰে ঘৰে গৈ পিঠা-পনা, চিৰা,ভাত-পানী খাই ফুৰে। বিহুৰ কেইদিন মিচিং গাঁওবোৰত উখল-মাখল পৰিৱেশৰ সৃষ্টি হয়।

সন্ধিয়া হোৱাৰ লগে লগে 'তাবুং ছুঃবৃ' বা তৰা গছৰ পঘাৰে গৰু-ম'হ বন্ধা হয়। তাৰ পাছত কপালৰ পৰা নেগুৰলৈকে তেল, মাহ-হালধি ঘঁহি গৰুক 'গৰু পিঠা' খুৱায়। অন্যান্য জনগোষ্ঠীৰ দৰে মিচিংসকলেও 'মাখিয়তী মাখি পাত,মাখি মাৰো জাক জাক' বুলি কোৱাৰ দৰে গধূলি গোহালিৰ ঘৰ পৰিস্কাৰ কৰি গোহালিৰ কাষতে ভাং পাত, বিহলঙনি, খেৰ, তুঁহ আদিৰে জাগ তথা ধোৱা দিয়া হয়। ইয়াৰ পাছত চাকি-বন্তি জ্বলাই পূজা-সেৱা কৰা হয়।

গৰু বিহুৰ পিছদিনা মানুহ বিহু। মানুহ বিহুৰ পিছদিনাৰ

পৰা মিচিংসকলে গাঁৱৰ ৰাইজৰ আৰু ঘৰৰ মংগলৰ কাৰণে চোতালে চোতালে হুঁচৰি গায়। উল্লেখযোগ্য যে মিচিংসকলে ব'হাগ বিহুত দুটা দলত বিভক্ত হৈ বিহু মাৰে। ইয়াৰ ভিতৰত ডেকা-গাভৰুৰ হুঁচৰি আৰু সৰু ল'ৰা-ছোৱালী তথা চেমনীয়া হুঁচৰি দল অন্যতম।

হুঁচৰিৰ প্ৰথম নিশা গাঁৱৰ গাঁওবুঢ়া, সাতোলা বা আঢ্যৱন্ত লোকৰ ঘৰত প্ৰথমে বিহু হুঁচৰিৰ শুভাৰম্ভ কৰে। তাৰ পাছত ক্ৰমান্বয়ে গাঁৱৰ ঘৰে ঘৰে গৈ বিহু হুঁচৰি মাৰে। মিচিং ডেকা-গাভৰুসকলে ৰং-আনন্দত অইনিঃতম গায় মনৰ ভাব প্ৰকাশ কৰে। মিচিংসকলৰ বিহু হুঁচৰিত গোৱা এনে অইনিঃতমবোৰত সাধাৰণতে মিচিং ডেকা-গাভৰুৰ প্ৰেম-প্ৰণয়মূলক অনুভূতিৰ প্ৰকাশ লক্ষ্য কৰা যায়।

এসপ্তাহ ধৰি গাঁৱৰ ইমূৰৰ পৰা সিমূৰলৈ মিচিং ডেকা-গাভৰুসকলে বিহু মাৰে। ঘৰৰ গৃহস্থইও তামোল-পাণ, মাননি আৰু আপঙৰ কলহেৰে হুঁচৰি দলক সেৱা জনায় আৰু আশীৰ্বাদ বিচাৰে। জনবিশ্বাস অনুসৰি হুঁচৰি দলৰ আশীৰ্বাদ ল'লে দুখ-ক্লান্তি আদি নাইকীয়া হয় বুলি বিশ্বাস কৰে। আনহাতে বিহু মাৰোতে যদি কেতিয়াবা কাৰোবাৰ ঘৰত কেনেবাকৈ হুঁচৰি গোৱা বাদ পৰি যায় তেতিয়াহ'লে হুঁচৰি দলে গৃহস্থৰ ঘৰখনক জৰিমনাসহ ক্ষমা ভিক্ষা মাগিব লাগে। অৱশ্যে এনে ঘটনা হোৱা দেখা নাযায়। বিহু মৰাৰ শেষত নিৰ্দিষ্ট দিনা হুঁচৰি গাই পোৱা টকা-পইচাৰে ডেকা-গাভৰু তথা গাঁৱৰ ৰাইজে মিলি ভোজ-ভাত খায়। খোৱা-লোৱাৰ শেষত সকলোৱে সেইদিনা গীত-নৃত্য কৰি ৰং-আনন্দ কৰে।

ৰাতিলৈ সেইদিনা মিচিংসকলে আনুষ্ঠানিকভাৱে বিহুক বিদায় জনোৱাৰ উদ্দেশ্যে নৈৰ বালিচৰত 'বিউ উৰুৱাইনাম' পৰ্ব অনুষ্ঠিত কৰে।

সেইদিনা প্ৰথমে বৃহৎ আকাৰৰ ঘঁৰিয়ালৰ প্ৰতিমূৰ্ত্তি এটি বালিৰে সাজে। ইয়াৰ পাছত ঘঁৰিয়ালটোৰ পূব তথা মুখৰফালে ডাল-পাতৰ সৈতে গছ এজোপা গুজি দি তাৰ চাৰিওফালে খুন্দা ধপাঁত , বগা ফুল আৰু পিঠাগুড়ি আদি ছটিয়াই দিয়ে। ঘঁৰিয়ালটো সজাৰ কাৰণ হ'ল সপ্তাহ ধৰি ডেকা-গাভৰুৱে বিহু মাৰি হুঁচৰি গাই দুখ ভাগৰ লাগিল; গতিকে উক্ত ঘঁৰিয়ালে পানীত পুনৰ বুৰ মৰাৰ লগে লগে ডেকা-গাভৰুৰ দুখ-ভাগৰবোৰো আঁতৰি যায় বুলি বিশ্বাস কৰে। এনেদৰে আটকধুনীয়াকৈ সজাই লোৱাৰ শেষত ৰাইজ তথা ডেকা-গাভৰুসকলে আনন্দত বিভোৰ হৈ বিহুক বিদায় দিয়াৰ উদ্দেশ্যে বৃত্তাকাৰে ঘূৰি ঘূৰি গীত-নৃত্য কৰে।

নৃত্য-গীতৰ শেষত বছৰৰ দোষ-ক্লান্তিবোৰ আঁতৰি যোৱাৰ উদ্দেশ্যে পৰম্পৰা অনুসৰি গছৰ ডাল-পাতবোৰত ডেকা-গাভৰুসকলে নিজে পৰিধান কৰা কাণফুলি, হাতৰ খাৰু আৰু মূৰত বন্ধা ৰঙা ৰিবন, ৰুমাল বা গামোচা আদি গছজোপাত গুজি দিয়ে। ইয়াৰ পাছত সকলোৱে ঘঁৰিয়ালৰ প্ৰতিমূৰ্ত্তিত খুচৰা পইচা আগবঢ়াই ভৱিষ্যতেবেমাৰ-আজাৰ, অপায়-অমঙ্গল নহ'বৰ কাৰণে দঃগ্ৰি-পঃল,কাৰ্চি-কাৰ্তাঙৰ ওচৰত সেৱা জনাই প্ৰত্যেকে নিজ নিজ ঘৰলৈ ওভতে। উলটি আহোতে বাটত পিছলৈ ঘূৰি নাচায়। পিছলৈ ঘূৰি চালে লগত দোষ-ক্লান্তিবোৰ গুচি আহে বুলি বিশ্বাস কৰে। সেইদিনা ঢোলৰ মাৰি, টকা বাদ্য আদি পৰ্বস্থলীতে এৰি থৈ আহে। পৰম্পৰা অনুসৰি মিচিংসকলে এনে পৰ্বৰ পাছৰে পৰা ঢোল-তাল আদিও নবজায়, পুনৰ বিহু নহা পৰ্যন্ত বিহুৰ পিঠা আদি খাব নাপায়। এনে পৰ্বৰ পাছৰে পৰা মিচিংসকলে ঢোল-তাল আদি বাদ্যবোৰ চাংঘৰৰ বেৰত সযতনে ওলোমাই থয়।

মিচিংসকলৰ বিহু পৰম্পৰাত সাধাৰণতে গছ-গছনিৰ তলত বা মুকলি পথাৰত হুঁচৰি মৰাৰ নিয়ম নাই। অথবা বিহুত বিহুৱান যচাৰ পৰম্পৰাও নাই। ইয়াৰ পৰিবৰ্তে মিচিং ডেকা-গাভৰুবোৰে নৃত্য-গীতৰ মাজেদিয়েই পৰস্পৰে পৰস্পৰক ভালপোৱাৰ মৰম-স্নেহ যাচে। উল্লেখযোগ্য যে অসমৰ জনজাতীয় সমাজত বিশেষকৈ মিচিং, সোণোৱাল কছাৰী আৰু দেউৰীসকলৰ মাজতহে বিহুৰ শেষত এনে পৰ্ব পালন কৰা দেখা যায়।

**(চ) কাতি বিউ ঃ** কাতি বিহু অসমীয়া সমাজৰ বাবে পবিত্ৰ তিথি। সেইদিনা অসমীয়া মানুহৰ প্ৰতি ঘৰৰ চোতালত তুলসী ৰুই সাত্ত্বিকভাৱে চাকি-বন্তি জ্বলাই ইশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনায়। সেই সময়তে ধাননি পথাৰ, ঘৰ-দুৱাৰ সকলোতে চাকি-বন্তি, ধূপ-দ্বীপ নৈবেদ্যৰে ধনাধিষ্ঠাত্ৰী দেৱী লক্ষ্মীদেৱীক আৰাধনা কৰা হয়। সেই দিনটোৰ পৰাই অসমীয়া ৰাইজে চাকি-বন্তি জ্বলোৱাৰ উপৰি আকাশ বন্তি জ্বলায়। অৰ্থাৎ আহিন-কাতিৰ সংক্ৰান্তিৰ দিনা অসমৰ সকলো ৰাইজে কাতি বিহু পালন কৰে। ই কৃষি বা শস্য উৎসৱ। আন অৰ্থত সেইদিনা খেতি-পথাৰৰ শস্য আদিৰ মংগলৰ কাৰণে চাকি-বন্তি জ্বলায়। ইয়াৰ উপৰি ভঁৰাল ঘৰৰ লগতে তুলসীৰ তলত চাকি-বন্তি জ্বলাই সকলোৱে মংগল কামনা কৰে। সেইদিনা সন্ধিয়া-আবেলি গৃহস্থই ধানৰ শ্ৰীবৃদ্ধিৰ কামনাৰে লখিমী দেৱীৰ ওচৰত ঔটেঙাৰ বাকলিত তেল ঢালি ধাননি পথাৰত শলিতা জ্বলায়। ইয়াৰোপৰি ভঁৰাল আৰু ঘৰতো শলিতা জ্বলাই পৰিয়ালৰ মঙ্গলাৰ্থে প্ৰাৰ্থনা জনায়। সেইদৰে মিচিংসকলেও কাতি বিউৰ দিনা পথাৰত ঔটেঙাৰ বাকলিত তেল ঢালি ধাননি পথাৰত শলিতা জ্বলায়। ঘৰতো দুই-এগছি চাকি জ্বলায়। অৱশ্যে 'মাগ' বা 'বআগ বিউ'ৰ দৰে কাতি বিহুক মিচিংসকলে গুৰুত্ব সহকাৰে পালন নকৰে।

অতীজত মিচিং সমাজত বিহু পালনৰ পৰম্পৰা নাছিল। বিহু কেতিয়াৰ পৰা পালন কৰিবলৈ ল'লে বা বিহু কেতিয়াৰ পৰা প্ৰচলন হ'ল তাৰ সঠিক তথ্যও পোৱা নাযায়। অৱশ্যে

এই কথা স্বীকাৰ্য যে ভৈয়ামলৈ নামি আহি মিচিংসকলে অসমৰ আন আন জাতি-জনগোষ্ঠী লোকসকলৰ লগত কৰা সহাৱস্থানৰ ফলত সাংস্কৃতিক সংমিশ্ৰণ আৰু বিনিময়ৰ যোগেদি এনে উৎসৱ পালনৰ পৰম্পৰাও সৃষ্টি হৈছে বুলি মিচিংসকলে ক'ব খোজে। গতিকে মিচিংসকলৰ পৰম্পৰাগত উৎসৱ-পাৰ্বণসমূহৰ লগত অন্যান্য উৎসৱৰ লগতে অসমীয়াৰ জাতীয় উৎসৱ বিহুটিৰো সংযোগ ঘটিল।

অসমৰ প্ৰায়ভাগ জাতি-জনগোষ্ঠীৰ মাজতে বিহু উৎসৱ পালন কৰা দেখা যায়। অৱশ্যে প্ৰত্যেকৰে বিহু উৎসৱৰ ৰীতি-নীতি তথা নামকৰণ প্ৰক্ৰিয়া বেলেগ বেলেগ যদিও প্ৰত্যেক জনগোষ্ঠীৰে বিহু পালনৰ উদ্দেশ্য একেটাই।

**(ছ) দবুৰ পূজা ঃ** মিচিংসকলৰ ধৰ্মীয় পূজা-পাতলসমূহৰ ভিতৰত উল্লেখযোগ্য পূজা-উৎসৱ হৈছে 'দবুৰ'। দবুৰ শব্দৰ 'দ' আৰু 'বুৰ' দুটা ধাতুৰ সমষ্টি। 'দ' ধাতুৰ লগত নাম, ইনাম 'পৰ' প্ৰত্যয় যোগ দিলে 'দনাম' বা খোৱা কাৰ্যক বুজায় আৰু 'বুৰ' ধাতুৰ লগত 'নাম', 'ইনাম' আদি 'পৰ' প্ৰত্যয় যোগ হ'লে নতুন শব্দ 'বুৰ্নাম' বা সাৰুৱা, উৰ্বৰা কৰা কাৰ্যক বুজায়। মিচিং ভাষাত 'দ' মানে খা বা খোৱা আৰু 'বুৰ' মানে মাটি উৰ্বৰা হোৱা। অৰ্থাৎ ভোজনৰ জৰিয়তে পূজা-পাতল কৰি খেতিৰ মাটি উৰ্বৰা কৰা প্ৰক্ৰিয়াই হৈছে দবুৰ পূজা। মিচিংসকলৰ 'দবুৰ' পূজাই সাধাৰণতে পৃথিৱীক উৰ্বৰা কৰা কাৰ্যক বুজায়। টাবু টাইদৰ মতে দবুৰ পূজা হৈছে গাঁৱৰ অপায়-অমঙ্গল দূৰীকৰণাৰ্থে পুৰুষসকলে একেলগ হৈ গাঁৱৰ ওচৰত মাজে সময়ে পালন কৰা আদিম প্ৰকৃতিৰ এক ধৰ্মীয় পূজা। এই পূজা-উৎসৱ প্ৰধানকৈ কৃষিৰ সৈতে জড়িত যদিও তেওঁলোকৰ দৈনন্দিন সমাজ জীৱনৰ লগতো ওতঃপ্ৰোতভাৱে জড়িত।

দবুৰ পূজা পালনৰ কেইবাটাও উদ্দেশ্য পোৱা যায়। যেনে -

ক) মাটিৰ উৰ্বৰতা বৃদ্ধিৰ জৰিয়তে খেতি-পথাৰৰ শইচ নদন-বদন হোৱা।

খ) খেতি-পথাৰৰ শইচ অনিষ্টকাৰী অপদেৱতাক পূজাৰ জৰিয়তে আঁতৰাই পঠিওৱা।

গ) গাঁৱৰ ৰাইজৰ অপায়-অমঙ্গল, বেমাৰ-আজাৰ আৰু বিপদ-বিঘিনি আদি দূৰ কৰি সমাজৰ সৰ্বাংগীণ উন্নতি কামনা কৰা।

ঘ) গাঁও তথা সমাজত হোৱা নানা অপায়-অমংগল, অপকৰ্ম, পাপ আদি দূৰ হোৱা।

বিভিন্ন উপলক্ষত অনুষ্ঠিত হোৱা দবুৰ পূজা কেইবা প্ৰকাৰৰ। এইবোৰৰ ভিতৰত মংপুন দবুৰ, কংচন দবুৰ, বুৰ্তী দবুৰ আৰু ৰাবান কংচন দবুৰ আদি উল্লেখযোগ্য। এই দবুৰ পূজাবোৰক বিভিন্ন নামেৰে নামকৰণ কৰি মিচিংসকলে সম্প্ৰতি নিম্নউল্লেখিত ধৰণে অনুষ্ঠিত কৰা দেখা যায়। এইবোৰ হ'ল — ক) আৰৃগ দবুৰ বা পথাৰত অনুষ্ঠিত কৰা দবুৰ পূজা। খ) ঔৰাং বা আতীগ দবুৰ বা পৰিয়াল বা ব্যক্তিগতভাৱে অনুষ্ঠিত কৰা দবুৰ পূজা।গ) ৰৗঙাম দবুৰ বা সামাজিকভাৱে অনুষ্ঠিত কৰা দবুৰ পূজা।

**(ক) ঔৰাং বা আতীগ দবুৰ ঃ** পৰিয়ালৰ দুখ-দুগতি আঁতৰাই সৰ্বতো প্ৰকাৰৰ মংগলৰ কাৰণে মিচিংসকলে এই দবুৰ পূজা অনুষ্ঠিত কৰে। তদুপৰি কোনো ব্যক্তিয়ে আৱেগৰ বশৱৰ্তী হৈ কৰা ভুল বা পাপ কৰ্মৰ পৰা পৰিত্ৰাণ পাবৰ কাৰণেও এই পূজা অনুষ্ঠিত কৰা হয়। ইয়াক বুৰ্ত্তী দবুৰ বুলিও কোৱা হয়। বুৰ্ত্তীৰ অৰ্থ হৈছে আজেং বা দায়-জগৰ লগা। পৰস্ত্ৰী গমন নাইবা কাৰোবাৰ ধান-মাহ, গৰু-ম'হ চোৰ অথবা তেনে ধৰণৰ পাপ কাম কৰিলে মানুহৰ দুৰাৰোগ্য বেমাৰ হয়। বেমাৰৰ লক্ষণৰ ওপৰত নিৰ্ভৰ কৰি আজেং বা দায়-জগৰৰ পৰা পৰিত্ৰাণ পাবৰ কাৰণে এই দবুৰ পতা হয়।

**(খ) আৰৃগ দবুৰ ঃ** আৰৃগৰ অৰ্থ হৈছে পথাৰ। খেতি-পথাৰত অনুষ্ঠিত কৰা পূজাক মিচিংসকলে আৰৃগ দবুৰ বা পথাৰত অনুষ্ঠিত কৰা দবুৰ বোলে। খেতি-পথাৰত পোক-পৰুৱাই শস্য আদি অনিষ্ট নকৰিবৰ কাৰণে এই পূজা অনুষ্ঠিত কৰা হয়। আৰৃগ দবুৰক 'মংপুন' বা 'মংতী' দবুৰ বুলিও কোৱা হয়। এই দবুৰত প্ৰথমে মেগেলা গছৰ পাতেৰে ধানৰ পাত এমুঠি মেৰিয়াই লোৱা হয়। তাৰপাছত উক্ত ধান পাতৰ সৈতে ভাত-মাংসৰ টোপোলা বান্ধি টোম এটাত ভৰাই লৈ পথাৰৰ টঙি ঘৰৰ খুটাত ওলোমাই ৰখা হয়। লগতে আপং পানী ঢালি শস্যৰ শ্ৰীবৃদ্ধিৰ কাৰণে ধৰিত্ৰী আইক পূজা-অৰ্চনা কৰা হয়।

**(গ) ৰৗঙাম দবুৰ ঃ** এই দবুৰ পূজাক সকলো মিচিং ৰাইজে সমূহীয়াভাৱে পালন কৰে। ই তেওঁলোকৰ সমাজত বহুলভাৱে প্ৰচলিত। পূজাৰ দিনা বয়োজ্যেষ্ঠসকলে পুৱাৰ ভাগতে পূজাৰ প্ৰয়োজনীয় মাংগলিক বস্তুবোৰ যোগাৰ কৰে। দুপৰীয়াৰ আগে আগে ল'ৰাবোৰে গাঁৱৰ অদৃশ্য অপদেৱতা বা অশুভ শক্তিবোৰক খেদি পঠোৱাৰ উদ্দেশ্যে নিৰ্দিষ্ট এঠাইত গোট খায়। হাতত বিশেষ ধৰণে চঁচা একোডাল নল আৰু কুকুৰা, গাহৰিৰ ভাৱ লৈ গাঁৱৰ ইমূৰৰ পৰা সিমূৰলৈ কেইবাপাকো ঘূৰে। ডেকা ল'ৰাবোৰে হাতে হাতে টোকোন বা মাৰিৰে মানুহৰ ঘৰে ঘৰে বেৰত আজেং বা অপায়-অমঙ্গল আছে বুলি ধৰি লৈ কোবাই যায় আৰু গৃহস্থক চিএৰ-বাখৰ কৰি এনেদৰে কয় -

আজীঔী আজীঔী<br>
নলুক ঔৰাঙা আজীঔী<br>
চিল্ আজীঔীম বিকুইকা।

(তোমালোকৰ ঘৰত দায়-জগৰ লাগিছে। অপায়-অমংগল,দায়-জগৰবোৰ আমাক ঘূৰাই দিয়া। আমি আজি দবুৰ পূজাৰ জৰিয়তে সকলো মৰিষণ কৰিম।)

এনেদৰে কোৱাৰ পাছত ঘৰৰ গৃহস্থয়ো সাধ্যানুসাৰে কুকুৰা, কণী, নিমখ, জলকীয়া, চাউল, আপং আদি আগবঢ়াই দিয়ে।

এনেদৰে গাঁওখনত কেইবাবাৰো ঘূৰাৰ পাছত ডেকাসকলৰ লগতে গাঁৱৰ ৰাইজে সংগ্ৰহ কৰা বস্তু-সামগ্ৰীবোৰ লৈ মুকলি গছ-গছনিৰ তলত নতুবা নৈৰ পাৰত দবুৰ পূজাৰ আয়োজন কৰে। প্ৰথমে ৰাইজে পূজাস্থলী কোৰেৰে পৰিস্কাৰ কৰি লয়। ইয়াৰ পাছত পুৰোহিত বা সাতোলাসকলে পুব দিশত একেটা শাৰীতে ইষ্ট দেৱ-দেৱতাৰ নামত ওখকৈ মাটিৰে বেদী নিৰ্মাণ কৰে। তাতে প্ৰত্যেক দেৱ-দেৱীৰ নামত বিভিন্ন ধৰণৰ ঘৰচীয়া জীৱ-জন্তু, বস্তু উপচাৰ আদি উচৰ্গা কৰা হয়। ইয়াৰ উপৰি অঞ্চলভেদে দবুৰ পূজাৰ বেদীত বাঁহৰ কাঠিৰে সৰীসৃপ আকৃতিৰ ছবি এটি সাজি ইয়াৰ মূৰৰ ফালে কণী এটি আগবঢ়োৱা দেখা যায়। সৰীসৃপৰ মুখত স্থাপিত কণীৰ অৰ্থই সাধাৰণতে বংশবৃদ্ধি বা সৃষ্টি সম্পৰ্কে সূচায় আৰু সৰীসৃপ আকৃতিটো মংগোলীয় গোষ্ঠীৰ উপাস্য 'ডেগ্ৰন'ৰ অৱশিষ্ট ৰূপো হ'ব পাৰে।

আনহাতে পূজাৰ বেদীত বিভিন্ন ধৰণৰ বস্তু-সামগ্ৰী অৰ্পণ কৰা হয়। যিবোৰ বস্তু-সামগ্ৰী নহ'লে দবুৰ পূজা সম্ভৱ নহয়। এনে প্ৰয়োজনীয় সামগ্ৰীবোৰৰ ভিতৰত বিশেষকৈ তাবীং বা দাৰ থকা গছ, ৰুগ্‌জি-ৰুগ্‌তাগ বা বিলহঙনী বা বনৰীয়া টেঁকীয়া, পিঃৰ বা মেগেলা বা ইকৰা জাতীয় গছ, পীৰ বা বাঁহৰ কাঠিৰে নিৰ্মিত এবিধ সঁজুলি,চেঃপৃদ বা বন্ধা কামত ব্যৱহাৰ কৰা পাতলীয়া বাঁহৰ কাঠি, গিতপুন বা নল এডালত বিশেষ ধৰণে চঁচা ফুল সদৃশ আদি অন্যতম। ইয়াৰোপৰি পূজাত ব্যৱহাৰ কৰা খাদ্য-সম্ভাৰবোৰৰ ভিতৰত ক'লা বৰণৰ মাইকী বা চেউৰী গাহৰি এজনী, কুকুৰা কেইবাটাও (সাধ্যনুসাৰে), পঃৰ আপং বা ছাইমদ, বনৰীয়া টেঁকীয়া বা বিহলঙনী, নিমখ-জলকীয়া আদি উল্লেখযোগ্য।

পূজাৰ বেদী নিৰ্মাণৰ পাছতে চেউৰী গাহৰি এজনীক ডিঙি চেপি দেৱতাৰ নামত উচৰ্গা কৰা হয়। তাৰপাছত ক্ৰমান্বয়ে প্ৰতিগৰাকী দেৱতাৰ নামত কুকুৰাবোৰো অনুৰূপ ধৰণে ডিঙি চেপি পূজাত উৰ্চগা কৰা হয়। উচৰ্গা কৰাৰ পূৰ্বে গাঁৱৰ ৰাইজৰ মংগলাৰ্থে দেৱ-দেৱতাৰ ওচৰত সাতোলা-পুৰোহিতে স্তুতি কৰে।পূজাৰ মাংগলিক কাম শেষ কৰাৰ পাছতে সংগৃহীত বস্তু আৰু পূজাত উচৰ্গা কৰা গাহৰি-কুকুৰা মঙহেৰে আঞ্জা ৰন্ধা হয়। আপং আৰু গাহৰি-কুকুৰা মাংসৰ আঞ্জাই হৈছে দবুৰ পূজাৰ মূল খাদ্য। ইয়াত ভাতৰ ব্যৱস্থা কৰা নহয়। ইয়াত কেৱল আঞ্জা আৰু আপঙৰহে ব্যৱহাৰ হয়। দবুৰ পূজাৰ আঞ্জা সাধাৰণতে তেল-পিয়াজ নিদিয়াকৈ মাংসৰ সৈতে বিহলঙনীৰে সিজাই প্ৰস্তুত কৰা হয়। আহাৰ গ্ৰহণৰ পূৰ্বে দেৱ-দেৱীৰ উদ্দেশ্যে আঞ্জা আৰু আপং অলপ পূজাৰ বেদীত অৰ্পণ কৰি সকলোৱে খোৱা-লোৱা কৰে। দবুৰ পূজাৰ শেষত ৰাইজ পূজাস্থলীৰ চাৰিওফালে কেইবাবাৰো প্ৰদক্ষিণ কৰি সকলোৱে ঘৰা-ঘৰি হয়।

দবুৰ পূজাত গাঁৱৰ মহিলা-তিৰোতাই অংশগ্ৰহণ কৰিব নোৱাৰে। ইয়াৰোপৰি ঘৰখনত মানুহ অশুচি হ'লে তেনে মানুহক পূজাথলীত প্ৰৱেশ কৰিবলৈ দিয়া নহয়। সেইদিনা গাঁৱত বাহিৰৰ কোনো লোককে প্ৰৱেশ কৰিবলৈ দিয়া নহয়। কোনোবাই যদি ভুলক্ৰমে প্ৰৱেশ কৰে তেতিয়াহ'লে দণ্ড লোৱা হয় নতুবা জৰিমনা ভৰিবলগীয়া হয়। পূজা শেষ নোহোৱা পৰ্যন্ত তেনে ব্যক্তিক গাঁৱত আৱদ্ধ কৰি ৰাখে। অৱশ্যে অত্যন্ত জৰুৰী হ'লে নিয়ম অনুযায়ী ব্যক্তিজনৰ পৰা কাপোৰ-কানি বা আন দুই এপদ বস্তু ৰাখি ব্যক্তিজনক যাবলৈ দিয়া হয়। আজিকালি অৱশ্যে বস্তুৰ সলনি টকা-পইচা লোৱা দেখা যায়। প্ৰণিধানযোগ্য যে পূজাৰ শেষত সেইদিনা উচৰ্গা কৰা গাহৰি-কুকুৰাৰ মূৰ, কাণ, ঠেং, পাখি কাটি গিতপুন বা ফুল সদৃশ চঁচা নল এডালত লগাই গাঁৱৰ একেবাৰে মূৰৰ বাট-পথত পূবা-পশ্চিমাকৈ গুজি দিয়া হয়। এনে কৰিলে গাঁওখনৰ বেমাৰ-আজাৰ, অপায়-অমঙ্গল দূৰ হোৱাৰ লগতে কল্যাণ সাধন হয় বুলি বিশ্বাস কৰে। পূজাৰ দিনা মিচিংসকলে কাম-বনৰ পৰা সম্পূৰ্ণৰূপে বিৰত থাকি গেনা পালন কৰে। কিছু কিছু ক্ষেত্ৰত পাঁচ সাজলৈ জ্বলা-পোৰা খোৱা নহয়।

পূৰ্বে উল্লেখ কৰি অহা হৈছে যে দবুৰ পূজাত সাধাৰণতে চাংঘৰবোৰ কোবাৱা হয়। সেয়ে আন জনগোষ্ঠীৰ লোকে দবুৰ পূজাক 'চাং কোবোৱা পূজা' বুলি ক'ব খোজে। অৱশ্যে সেয়া যুক্তিহীন। অঞ্চলভেদে পূজা আয়োজনৰ পদ্ধতি কিছু পৰিমাণে বেলেগ বেলেগ হ'লেও দবুৰ পূজাৰ মূল উদ্দেশ্য আৰু বিষয়বস্তু একেটাই। দবুৰ পূজা মিচিংসকলে প্ৰতি বছৰে জেঠ মাহৰ পোন্ধৰ তাৰিখে পালন কৰি আহিছে।

আনহাতে দবুৰ পূজাৰ সলনি অঞ্চলভেদে সমূহীয়াভাৱে 'কানিপাণ' পৰ্ব অনুষ্ঠিত কৰা দেখা যায়। এনে পৰ্বৰেও মিচিংসকলে গাঁৱৰ অপায়-অমংগল, বেমাৰ-আজাৰ দূৰ কৰাৰ লগতে খেতি-পথাৰৰ শ্ৰীবৃদ্ধি কামনা কৰে। এই অনুষ্ঠানৰ কাৰণে নিৰ্দিষ্ট এটি দিনত সমূহীয়াভাৱে ভকত বা সাতোলা-সাধু বুঢ়াই গাঁওৰ এমূৰত পথৰ দাঁতিত বেদী নিৰ্মাণ কৰে। সেইদিনা প্ৰধানকৈ ষাঠিজন দেৱতালৈ ষাঠিটা কানিৰ ছিলিম সাজি অৰ্পণ কৰা হয়। ভকতৰ সলনি কেঞা বা কেঁচাভকতৰ দ্বাৰাও পূজাভাগ সম্পন্ন কৰা হয়। এনে পৰ্ব লখিমপুৰ জিলাৰ বৰ অয়েঙীয়া, আলিমূৰ বালিচাপৰি আৰু মাজ বৰ্মামুখ গাঁও আদিত অনুষ্ঠিত কৰা দেখা যায়। আলিমূৰ গাঁওৰ চায়েঙীয়া

ফৈদৰ মিচিংসকলে এই পৰ্ব বিশেষকৈ আহুধান ওলোৱাৰ সময়ত অনুষ্ঠিত কৰে। দবুৰ পূজাৰ অনুৰূপ ধৰণে সেইদিনা বিভিন্ন উপচাৰৰ সৈতে ৰঙা কুকুৰা এটা উচৰ্গা কৰে। বৰ অয়েঙীয়া গাঁওৰ অয়েঙীয়া ফৈদ আৰু মাজ বৰ্ষামুখ গাঁৱৰ দাম্বুক ফৈদৰ মিচিংসকলে 'কানিপাণ' অনুষ্ঠিত কৰা পৰ্বত জীৱ-জন্তু বা পানীয় বস্তু আদি উচৰ্গা নকৰে। ইয়াত কেৱল ধূপ-চাকি শলিতা জ্বলাই যাঠিজন দেৱতালৈ যাঠিটা কানিৰ ছিলিম তৈয়াৰ নিৰ্মাণ কৰা বেদীত গুজি পূজা-অৰ্চনা কৰা হয়। সেই অঞ্চলৰ লোকসকলে কানিপাণ পৰ্বক 'তিনিকুৰি ছিলুম' বুলিও কোৱা হয়।

আলোচনাৰ শেষত ক'ব পাৰি যে অতীজৰে পৰা মিচিংসকলৰ কৃষিভিত্তিক উৎসৱ-অনুষ্ঠানবোৰে তেওঁলোকৰ সমাজ জীৱনত সমাদৰ লাভ কৰি আহিছে। অৱশ্যে আধুনিকতাৰ প্ৰভাৱত পৰি এনেবোৰ উৎসৱ-অনুষ্ঠানসমূহৰ পালনৰ ৰীতি-নীতিৰ ক্ষেত্ৰতো কিছু পৰিমাণে পৰিবৰ্তন পৰিলক্ষিত হৈছে। এনে উৎসৱ-অনুষ্ঠানবোৰে প্ৰধানকৈ আজৰি বিহীন লোকসমাজক একেলগে ৰং-ৰহইচ কৰিবলৈ সুবিধা প্ৰদান কৰে। আৰু উৎসৱৰ অৱসৰত পৰস্পৰৰ মাজত ভাৱ-বিনিময় কৰিবলৈ সুবিধা প্ৰদান কৰে। মিচিংসকলৰ এনে উৎসৱ-অনুষ্ঠানে তেওঁলোকৰ সমাজত ঐক্য আৰু সম্প্ৰীতিৰ ভাৱ জগাই তোলাৰ লগতে বৃহত্তৰ অসমীয়া জাতিৰ ঐক্য আৰু সমন্বয় সাধনত বিশেষ ভূমিকা পালন কৰি আহিছে। ■

**অমৃত বচন**



**জীয়াই থকাটোৱেই একমাত্ৰ উদ্দেশ্য নহয়। ভালদৰে জীয়াই থকাটোহে জীৱনৰ সাৰ কথা।**

— এৰিষ্টটল

# তিৱা জনগোষ্ঠী

**নিৰলা খাতুন,** তৃতীয় যান্মাষিক

তিৱা জনগোষ্ঠীটোক ভাৰতবৰ্ষৰ উত্তৰ-পূৰ্বাঞ্চলৰ পাহাৰ ভৈয়ামত বিশেষকৈ মৰিগাঁও আৰু নগাঁও জিলাত পোৱা যায়। তিৱা জনগোষ্ঠীৰ আন এটা নাম হ'ল লালুং। তিৱা শব্দৰ অৰ্থ বিভিন্ন ধৰণে জনা যায়। এটি ব্যাখ্যা মতে "তি" মানে 'পানী' আৰু "ৱা" মানে 'শ্ৰেষ্ঠ'। অৰ্থাৎ তিৱাসকলে প্ৰথমতে কোনো নদীৰ কাষত বসতি স্থাপন কৰিছিল আৰু তাৰপৰাই তেওঁলোকৰ নাম হ'ল 'তিৱা'। আন এক ব্যাখ্যা মতে তিৰ্ব্বত দেশৰপৰা অহাবাবেই তেওঁলোকক 'তিৱান' আৰু শেষত 'তিৱা' বোলা হৈছিল। এই জনগোষ্ঠীটোৰ নিজা ভাষা, সাজ-পাৰ, ৰীতি-নীতি আছে। তিৱা পুৰুষসকলৰ জাতীয় পোছাকটিৰ নাম 'বাপেৰে টাগলা' আৰু মহিলাসকলৰ জাতীয় পোছাকযোৰৰ নাম 'কাছংফাচকাই'।

তিৱা (লালুং) জনজাতিয়ে পূজা-পাৰ্বণৰ ওপৰত অধিক প্ৰাধান্য দিয়ে। তিৱাসকলৰ বিভিন্ন পূজাবোৰ যেনে জংকং পূজা, মহাদেউ পূজা, বাঢ়নি পূজা, ছগ্ৰামী পূজা, শনি পেলোৱা পূজা আদি। বৰ্তমান সময়ত তেওঁলোকৰ পূজা-পাৰ্বনবোৰ কমি অহা দেখা যায়। বৰঘৰৰ অস্তিত্ব হেৰাই যোৱাৰ লগে লগে তেওঁলোকৰ অতীতৰ থাল-থলিৰ অস্তিত্বও হেৰাই গৈছে। বৰ্তমানেও চলি থকা জোনবিল মেলা তিৱাসকলৰে মেলা। এই মেলাত আজিও বিনিময় প্ৰথা আছে। তিৱাসকল অতিশয় সংখ্যালঘু। তেওঁলোকৰ ওচৰে-পাজৰে বাস কৰা সকলো লোকৰে মাতৃভাষা অসমীয়া হোৱাৰ বাবে চৰ্চা আৰু প্ৰচলনৰ অভাৱত তেওঁলোকে নিজৰ দোৱান সম্পূৰ্ণৰূপে বিসৰ্জ্জন দি অসমীয়া ভাষাকেই নিজৰ মাতৃভাষা হিচাপে আদৰেৰে গ্ৰহণ কৰা দেখা যায়। অৱশ্যে উচ্চাৰণৰ ক্ষেত্ৰত অঞ্চল বিশেষে স্থানীয় প্ৰভাৱ পৰিলক্ষিত হোৱা দেখা যায়।

তিৱাসকল আদিতে মাতৃপ্ৰধান জাতি আছিল আৰু তেওঁলোকৰ সা-সম্পত্তি উত্তৰাধিকাৰী স্বত্ব তিৰোতাইহে ভোগ কৰিছিল। কালক্ৰমত তেওঁলোকৰ উত্তৰাধিকাৰী স্বত্ব তিৰোতাৰপৰা পুৰুষৰ হাতলৈ আহে। তিৱা জনগোষ্ঠীৰ লোকসকল সাধাৰণতে সহজ-সৰল, হোজা প্ৰকৃতিৰ। ই এটা সুকীয়া জাতি আৰু অসমৰ প্ৰাচীনতম জাতিসমূহৰ অন্যতম।

অতি দুখৰ বিষয় যে আজি এচাম তিৱালোকে নিজকে তিৱা বুলি পৰিচয় দিবলৈ লজ্জাবোধ কৰে। এনেলোকে নিজৰ পূজা-পাৰ্বণবোৰ ত্যাগ কৰি শংকৰীয়া ধৰ্মৰ গুৰুৰ ওচৰত শৰণ লৈ নিজকে অন্য এটা জাতিৰ নামেৰে পৰিচয় দিব ধৰিলে। কিন্তু এতিয়াও প্ৰায় আধা সংখ্যক লোকে পূৰ্বৰ লালুং হিচাপেই আছে আৰু পূৰ্বৰ পৰম্পৰা ৰক্ষা কৰি আছে।

যিসকল তিৱালোকে নিজৰ পৰম্পৰা পূজা-পাৰ্বণবোৰ ত্যাগ কৰি অন্য এক জাতি হিচাপে নিজকে পৰিচিত কৰে, তেনেলোক অসমীয়া সমাজৰ কোন শ্ৰেণীৰ অন্তৰ্ভুক্ত ধৰিব নোৱাৰা অৱস্থা। এনে শোচনীয় অৱস্থাৰ সন্মুখীন হৈ এই জাতিৰ অন্তৰাত্মাই হাঁহাকাৰ কৰি কান্দি উঠিছে। গতিকে আমাৰ উঠি অহা শিক্ষিত তথা সমাজ সচেতন প্ৰজন্মই জাতিৰ পূৰ্বৰ নাম পুনৰ গ্ৰহণ কৰিবৰ বাবে আগ্ৰহ প্ৰকাশ কৰিব লাগে আৰু বিহিত কাৰ্যপন্থা হাতত লোৱা উচিত। ■

# বন্ধুত্ব ঃ এক মধুৰ অনুভৱ

**স্নিগ্ধা বৰা,** পঞ্চম যান্মাসিক

"বন্ধুত্ব" শব্দটো বৰ মধুৰ আৰু আমেজভৰা। বন্ধুত্বৰ মিঠা সুবাসে মানৱ জীৱনক এক সজীৱ পুৰাৰ দৰে নতুনত্ব প্ৰদান কৰিব পাৰে। এই "বন্ধু" শব্দটোৰ উৎপত্তিৰ বিষয়ে ভাষাবিদসকলে কয় যে 'বন্ধ' ধাতুৰ পৰা 'বন্ধু' শব্দৰ উৎপত্তি হৈছে। ইয়াৰ অৰ্থ 'বন্ধন'। কিন্তু এই বন্ধন বন্দিত্বৰ বন্ধন নহয়, বৰঞ্চ জাতি-বৰ্ণ, বয়স, লিংগ নিৰ্বিশেষে বিশ্বাস আৰু নিৰ্ভৰতাৰ ভেটিত গঢ় লৈ উঠা এক অটুট, মধুৰ সম্বন্ধ।

বন্ধুত্ব হৈছে যিকোনো দুজন ব্যক্তিৰ মানসিক জগতৰ হাঁহি-কান্দোন, সুখ-দুখ, মান-অভিমান, আবেগ-অনুভূতিৰে সন্নিৱিষ্ট এক মধুৰ শিহৰণ। গভীৰতা আৰু বিশ্বাসৰ এনাজৰীৰে বান্ধ খোৱা প্ৰকৃত বন্ধুত্বৰ সম্পৰ্কটো সংজ্ঞাবদ্ধ কৰাটো বৰ জটিল। বিশ্বাস আৰু মনৰ মিলনে যিকোনো দুজনৰ মাজত ইয়াক স্বতঃস্ফূৰ্তভাৱে সৃষ্টি কৰে। উধাহৰণ স্বৰূপে এগৰাকী মাতৃৰ নিজ সন্তানৰ লগত, স্বামী-স্ত্ৰীৰ সম্পৰ্ক, ককা-নাতিৰ সম্পৰ্ক, সহপাঠীৰ মাজত এই বন্ধুত্ব গঢ় লৈ উঠে। বন্ধত্বৰ এনাজৰীডাল ইমানেই শক্তিশালী যে এজন বিপথগামী ব্যক্তিক এজন অন্তৰংগ বন্ধুৱেহে সৎ পথ লৈ ঘূৰাই আনিব পাৰে।

বন্ধুত্বই কোনো বান্ধোন স্বীকাৰ নকৰে, কোনো সীমাৰেখা মানি নচলে; যদিও বন্ধুত্ব দেখা যায় আকৰ্ষণ, সহানুভূতি, বিশ্বাস, সততা, পাৰস্পৰিক বুজা-বুজি, ভুলৰ স্বীকাৰোক্তি আৰু নিজক প্ৰকাশ কৰাৰ ক্ষমতা।

আমি কিছুমান কথা মা-দেউতা, ভাই-ভনী বা স্বামীক ক'ব নোৱাৰো, কিন্তু এজন সমনীয়া বন্ধুক সকলোবোৰ কথা খুলি প্ৰকাশ কৰিব পাৰো। সেই বুকুৰ আপোনজনকেই বা বিশ্বাসীজনকেই 'বন্ধু' বুলিব পাৰি, যদিহে সেই ব্যক্তিজন বিশ্বাসী হয়। অৱশ্যে, আমি সকলোৱে ইমান ভাগ্যৱান নহয় যে বিচাৰিলেই এজন ভাল বন্ধু পাম। প্ৰায়েই বন্ধু বুলি ভবাজনেই পিছলৈ ঘোৰ শত্ৰুত পৰিণত হয়। বিশ্বাসঘাটক ৰূপে অহা এজন বন্ধুয়ে আনজন বন্ধুৰ জীৱনলৈ আনি দিয়ে মৃত্যুময় যন্ত্ৰণা, হৃদয় ৰক্তাক্ত কৰে, ভাঙি চুৰ্ণ-বিচুৰ্ণ কৰে সম্পৰ্কৰ বুনিয়াদ। প্ৰকৃত শত্ৰুতকৈয়ো ভয়াবহ মিত্ৰস্বৰূপ। মিত্ৰৰ শত্ৰুৰূপ। সৰ্পদংশনতকৈয়ো বিষাক্ত শত্ৰুৰ দংশন। বন্ধুত্ব যেতিয়া শোকলৈ পৰিণত হয়, বন্ধু যেতিয়া বোজাভাৰ হয়, তেনে বন্ধু ত্যাগ কৰাই শ্ৰেয়।

প্ৰকৃত বন্ধুৰ সান্নিধ্য সঁচাই কঠিন। সঁচা অৰ্থত ক'বলৈ গ'লে বন্ধুত্ব হৈছে ভগৱানৰ দান। ভাল বন্ধুয়ে সদায় ভাল পথে পৰিচালিত কৰে। আনহাতে অসৎ বন্ধুয়ে জীৱন ধ্বংসৰ পথলৈ ঠেলি দিয়ে। সেয়ে বন্ধু নিৰ্বাচন কৰোঁতে সদায় সাৱধান হোৱা উচিত। এজন বন্ধুত্ব গঢ়িবৰ বাবে প্ৰয়োজন পৰস্পৰৰ মাজত বুজা-বুজি, মৰম-বিশ্বাস, সুখ-দুখৰ সমভাগী, নিঃস্বাৰ্থ মনোভাৱ আৰু সজ উপদেশ প্ৰদান আদি। কিন্তু বৰ্তমানৰ কেৰিয়াৰ সৰ্বস্ব যুগত প্ৰায় ৯৯ শতাংশ লোকৰেই বন্ধুত্ব গঢ়াৰ মানসিকতা নাই। আজিৰ যুৱ-সমাজৰ বাবে হাঁহি-ধেমালি, আড্ডা-পিক্নিক পাৰ্টি আদিয়ে বন্ধুত্ব। কিন্তু বন্ধুত্বৰ পৰিধি বৰ্তমান যুৱসমাজে ভবাৰ দৰে ইমান ঠেক নহয়। এজন প্ৰকৃত বন্ধুৰ সজ উপদেশে আনজন বন্ধুক উন্নতিৰ শিখৰলৈ লৈ যাব পাৰে। উধাহৰণস্বৰূপে হিন্দী বোলছবি "থ্ৰি ইডিয়ট"ৰ নাম ল'ব পাৰি। "থ্ৰি ইডিয়ট" ছবিখনত আমিৰখানে প্ৰকৃত বন্ধুৰ অভিনয়েৰে আন দুজন বন্ধুক নিজৰ জীৱন গঢ়াত সহায় কৰিছিল। সেইয়া সঁচাই প্ৰশংসনীয় আৰু আদৰ্শনীয়। বৰ্তমান যুগত এনে বন্ধুত্ব মাথো এক অলীক সপোন, কিতাপৰ পাতত সন্নিৱিষ্ট একো একোটা মনেসজা কাহিনী। বৰ্তমান সময়ত সুখৰ বন্ধু অনেক, দুখৰ বন্ধুহে পাবলৈ টান। বৰ্তমান ভোগবাদী পৃথিৱীখনত এজন বন্ধুৰ বিশ্বাসতকৈ নিজৰ স্বাৰ্থ সিদ্ধিৰ পথ মুকলি কৰাতহে অধিক গুৰুত্ব দিয়া দেখা যায়। কেতিয়াবা এজন বন্ধুৱে টকাৰ বিনিময়ত নিজৰ বিশ্বাসী বন্ধুকো প্ৰৱঞ্চনা কৰিব খোজে।

অৱশ্যে আজিৰ পৃথিৱীখনে Global Villageৰ অৰ্থাৎ

গোলকীয় গাঁৱৰ ৰূপ ধাৰণ কৰাৰ লগে লগে বন্ধুত্বৰ পৰিসীমাত গোটেই বিশ্বজুৰি সম্প্ৰসাৰিত হ'ব ধৰিছে। বৰ্তমান প্ৰজন্মই ভাৰ্চুৱেল পৃথিৱীখনক অতি আপোন কৰি লৈ আত্মহননৰ পথ মুকলি কৰিছে। Onlineৰ বিশ্বত এতিয়া বহু বন্ধু পোৱা যায়। ফেচবুক, টুইটাৰ আদিৰ যোগেদি নিমিষতে বিশ্বৰ বিভিন্ন প্ৰান্তৰ ব্যক্তিৰ সৈতে আমি বন্ধুত্ব স্থাপন কৰিব পাৰো। কিন্তু তেনে অধিকাংশ বন্ধুৰ কাৰ্যকলাপে আমাক ভবাই তোলে— তেওঁলোক যেন মগজুৰ দ্বাৰা পৰিচালিত নহয়, কম্পিউটাৰৰ বা লেপটপৰ কী বা ম'বাইল ফোনৰ ভিজিট কীৰ দ্বাৰাহে পৰিচালিত। সেয়ে হয়তো ভাৰ্চুৱেল পৃথিৱীত ইজনে-সিজনক নিঃশেষ কৰিবলৈ বা মনোকষ্ট দিবলৈ কুণ্ঠাবোধ নকৰে। ফেচবুকৰপৰা ফটো চুৰি কৰি অশ্লীল পেজত দি জনমানসত এজনী ছোৱালীক দুঃচৰিত্ৰা প্ৰতিপন্ন কৰাৰ কথা আমি প্ৰায়েই শুনো। ঠিক একেদৰে কোনো যুৱকে নিজ একাউন্টৰপৰা কোনো ছোৱালীক অশ্লীল বাৰ্তা প্ৰেৰণ আৰু অশ্লীল ফটো আপলোড কৰি ছোৱালীক মানসিকভাৱে আঘাত দিয়াৰ উপৰি তাইক ধ্বংসৰ পথলৈ আগুৱাই দিয়া ঘটনা আজি সহজলভ্য হৈ পৰিছে। সেয়ে কেতিয়াবা ভাৱ হয় এই ভাৰ্চুৱেল পৃথিৱীখন খুব 'টিপিকেল'। মাথো যন্ত্ৰবৎ, মগজুহীন লোকৰ আধিপত্য চলে তাত। যেনে অবিশ্বাসী, কুটিল আৰু পৰনিন্দাকাৰী বন্ধুৰ দপদপনিত ক্ৰমে অগ্ৰসৰ নৱপ্ৰজন্মৰ ভাৰ্চুৱেল বিশ্বৰ। এইচাম বন্ধুত্বৰ মূল নুবুজা বন্ধুৰ কাৰ্যই সকলোকে চিন্তান্বিত কৰি তুলিছে। ফেচবুক, টুইটাৰ, মেছেঞ্জাৰ আদিত অগণন বন্ধু। কিন্তু অপ্ৰকৃত বন্ধুৱেইচোন ঠাহ খাই আছে আমাৰ চৌপাশ। দশোদিশ স্বাৰ্থপৰ বন্ধুৱে আমাক বেঢ়ি ধৰিছে। কোন মুহূৰ্তত কোন বন্ধুৰ আক্ৰমণত চাৰিত্ৰিক স্খলন ঘটি পপীয়া তৰা হৈ খহি পৰিব লাগিব তাৰ ঠিক নাই।

অৱশ্যে তাৰ মাজতো কিছুমান বন্ধুৱে নিজৰ বন্ধুত্বৰ সাঁচ ৰাখি যায়। তথাপিতো কিছুমান ঘটনাই আমাৰ মনত বাৰুকৈয়ে প্ৰভাৱ পেলায়। অবাঞ্চিত এনে বহু ঘটনা আছে য'ত নিজ বন্ধুৱে মাথো কেইটামান টকাৰ লোভত বন্ধুক হত্যা কৰে আৰু মৃত্যু মুখলৈ ঠেলি দিয়ে। এয়াই জানো বন্ধুত্ব?... বন্ধুত্বৰ সংজ্ঞা? বন্ধুত্বৰ সংজ্ঞা আজি যন্ত্ৰবৎ। হয়তো আমাৰ ভোগবাদী বিশ্বই নিজৰ দৰে বন্ধুত্বকো কৰি তুলিছে অধিক হৃদয়হীন অধিক যন্ত্ৰবৎ।

কিন্তু সকলো বন্ধুৱেই হৃদয়হীন নহয়। বৰ্তমানৰ যান্ত্ৰিক আৰু ইণ্টাৰনেটৰ পৃথিৱীতো নিশ্চয় প্ৰকৃত বন্ধু নথকা নহয় আমাৰ সমাজত। বন্ধুত্বৰ সুবাস বিচাৰি নিঃস্বাৰ্থভাৱে এজনে আনজনৰ বাবে ত্যাগ স্বীকাৰ কৰা লোক এতিয়াও আছে। বন্ধুৰ চিকিৎসাৰ বাবে নিজৰ তেজদান কৰি বন্ধুৰ প্ৰাণ ৰক্ষা কৰা বন্ধুও আছে এই সমাজতে। আনহাতে বন্ধুৰ বাবে বন্ধুৰ বিয়োগত তেওঁৰ পৰিয়ালৰ সমস্ত ভৰণ-পোষণৰ দায়িত্ব মূৰপাতি লোৱা বন্ধুও নিশ্চয় আছে আমাৰ মাজতে...।

আজিৰ যান্ত্ৰিক পৃথিৱীয়েও নিঃশেষ কৰিব নোৱাৰা প্ৰকৃত বন্ধুত্বৰ বুকু জীপাল কৰি জীৱন পূৰ্ণ কৰা এনে মধুৰ সম্বন্ধ যেন চিৰকাল বৰ্তি থাকক। প্ৰকৃত বন্ধু হেৰাই নেযায়, মৃত্যুয়েও এনে বন্ধুত্ব নিঃশেষ কৰিব নোৱাৰে। বৰঞ্চ কোনো দুৰ্বল ক্ষণত ই আঘাতপ্ৰাপ্ত এখন হৃদয়ক দিয়ে এক অনাবিল শান্তি। সেয়ে বন্ধুত্বৰ সুবাস বিলাই পৰস্পৰে পৰস্পৰৰ হাতত হাত মিলাই গাঁও—

"বন্ধু মেলি দে তোৰ/ দুখৰ দুখনি হাত।
এবাৰ জিৰাওঁ তোৰ/ বুকুৰ শীতল ছাঁত।।" ■

*(সহায় লৈ)*

**অমৃত বচন**

*জীৱনত কেতিয়াও পৰাজিত নোহোৱাটো গৌৰৱৰ কথা নহয়। গৌৰৱৰ কথা হ'ল কোনো পৰাজয়তে হাৰ নামানি আগবাঢ়ি যোৱাটো।*

**— জৱাহৰলাল নেহেৰু**

# ধৰ্মৰ নামত চলা অপকৰ্মবোৰ ৰোধ কৰো আহক

**মুক্তাৰ হুছেইন,** স্নাতক ষষ্ঠ যান্মাসিক

বৰ্তমান শংকৰ-আজানৰ দেশ অসমৰ আকাশ-বতাহ কলুষিত হ'ব ধৰিছে কিছুমান সংকীৰ্ণ ধৰ্মীয় কৰ্ম কাণ্ডৰ দ্বাৰা। হিন্দু আৰু মুছলমান ভাই-ভাইৰ মাজৰ ভ্ৰাতৃত্ববোধৰ এনাজৰীডাল এচাম দুষ্ট চক্ৰই বাৰে বাৰে চিঙি চিঙি নিবলৈ অহৰহ প্ৰচেষ্টা অব্যাহত ৰাখিছে। নিজৰ ক্ষুদ্ৰ স্বাৰ্থ সিদ্ধিৰ লক্ষ্য আৰু উদ্দেশ্য আগত ৰাখি অতি দুৰ্ভাগ্যজনক ভাৱে আমাৰ মাজৰ এচামে সদায়েই ধৰ্মীয় ৰীতিনীতিৰ সুৰঙাক লৈ সাম্প্ৰদায়িক সংঘৰ্ষৰ সুত্ৰপাত ঘটাবলৈ উঠি পৰি লাগি আছে। প্ৰসংগক্ৰমে সত্ৰৰ সিংহাসনৰ সন্মুখ ভাগত গো-মুণ্ড উদ্ধাৰ হোৱা বা দুৰ্গা প্ৰতিমাৰ বিসৰ্জনৰ নামত কোনোবা মছজিদৰ কৰ্মকৰ্তাৰ দ্বাৰা অভিযোগ পত্ৰ বিলোৱা আদি - এইবোৰ কেৱল সাম্প্ৰদায়িক সংঘৰ্ষৰ সৃষ্টিৰ লক্ষ্য আগত ৰাখি ফুঁ দি থকা উমি উমি জ্বলি থকা একোৱা একোৱা জুইহে। ইয়াৰ পাছতো অসমীয়াৰ মাজত আঁৰ-কাপোৰৰ আঁৰত থকা সেইচামে কত যে কিমান ষড়যন্ত্ৰৰ কূট কৌশল ৰচনা কৰি ৰাখিছে তাক নুই কৰিব নোৱাৰি।..... এতিয়া মোৰ এটা প্ৰশ্ন, সেই কট্টৰবাদী হিন্দুসকল আৰু কট্টৰবাদী মুছলমানসকলৰ প্ৰতি, যিসকলে দিনে-ৰাতিয়ে বিভিন্ন প্ৰৰোচনামূলক মন্তব্য আগবঢ়ায়। হিন্দুৰ মন্দিৰত দেখোন গো-মুণ্ড ৰখাৰ অভিযোগত তিনিজনকৈ হিন্দু ব্যক্তি জড়িত হৈ পৰিল আৰু এজন মুছলিম ব্যক্তিও আছে। এতিয়া কওঁকচোন কোনে কাক দোষাৰোপ কৰিব?? নে অভ্যাসবশতঃ অতীজৰে পৰা চলি অহাৰ দৰে ক'ব এইয়া এক অমূলক "ষড়যন্ত্ৰ" বুলি। কেইবা শতিকা জুৰি চলি অহা চুকাফাৰ দেশত শংকৰ-আজানৰ ভাতৃত্ববোধৰ পটভূমি এইয়া। য'ত সূৰ্য উদয়ৰ আগে আগে পৱিত্ৰ নামাজৰ শব্দ শুনি সকলোৱে সাৰ পায় আৰু সূৰ্যোদয়ৰ লগে লগে নামঘৰৰ পৱিত্ৰ ডবা কাঁহ শঙ্খ ঘণ্টা উৰুলিৰ শব্দই চাৰিওদিশে আধ্যাত্মিকতাৰ ৰহন বুলাই সকলোৱে পৰমাত্মাৰ শ্ৰীচৰণত মস্তক দোঁৱায়। এনেকৈয়ে শ শ বছৰজুৰি চলি আহিছে আমাৰ ভাতৃত্ববোধৰ প্ৰেমৰ এনাজৰী। গতিকে এতিয়া যদি কোনোবা এজনে কয় যে মছজিদৰ আজান আৰু মন্দিৰৰ উৰুলিৰ শব্দই যন্ত্ৰণা দিছে তেনেহ'লে বুজিব লাগিব এইয়া কেৱল সাম্প্ৰদায়িক সংঘৰ্ষৰ বাবে উচটনি যোগোৱা মন্তব্য, তাৰ বাহিৰে একো নহয়। আমাৰ মহান গুৰুসকলে ধৰ্মক প্ৰতিষ্ঠা কৰিছিল, উদ্দেশ্য আছিল সমাজত হত্যা-হিংসা, উশৃংখলতা আদিবোৰ অপকৰ্ম মুচি এখন সুস্থিৰ সমাজ গঢ়াৰ। যদিহে আপুনিও আপোনাৰ ধৰ্মৰ প্ৰতি একান্ত অনুগত তেনেহ'লে আন এটা ধৰ্মৰ প্ৰতি আপুনি কেতিয়াও বেয়া মনোভাৱ পোষণ নকৰে। গতিকে সকলো কথা পৰ্যবেক্ষণ কৰি মোৰ মনলৈ এটায়েই ভাৱ আহে বৰ্তমানে অসমত চলি থকা যিবোৰ অপৰ্কম সেইয়া কেৱল সমাজৰ তৃতীয় এচামৰ কু-মন্ত্ৰণা, যিয়ে নিজৰ স্বাৰ্থ সিদ্ধিৰ উদ্দেশ্যে অহৰহ কু-কৰ্ম কৰি যাবলৈ চেষ্টা অব্যাহত ৰাখিছে। গতিকে আমি সকলো হিন্দু-মুছলমানে মিলি এনে অপকৰ্মবোৰক ওফৰাই দিওঁ আহক আৰু এটা যোগ্য প্ৰত্যুত্তৰ দিওঁ আমি শংকৰ-আজানৰ দেশৰ মানুহ বুলি। ■

# ই-আবৰ্জনা

**ৰিজু লস্কৰ,** সহকাৰী অধ্যাপিকা, ভূগোল বিজ্ঞান বিভাগ

যোৱা দুটা দশকত গোটেই বিশ্বজুৰি বৈদ্যুতিক আৰু ইলেক্ট্ৰ'নিক সা-সৰঞ্জামৰ উৎপাদন আৰু ব্যৱহাৰ অভাৱনীয়ভাৱে দ্রুতগতিত বৃদ্ধি পাইছে। অত্যাধুনিক বৈজ্ঞানিক প্রযুক্তিৰ বলত নিতৌ ন ন সামগ্ৰীৰ উদ্ভাৱন আৰু উৎপাদন হৈছে আৰু মানুহে সেই সামগ্ৰীবোৰ ব্যৱহাৰ কৰি দিনক দিনে জীৱন-যাপন পদ্ধতি সলনি কৰিবলৈ লৈছে। ফলত পৃথিৱীত ক্রমাগতভাৱে নিত্য নতুন কিছুমান সমস্যাৰো উদ্ভৱ হ'বলৈ ধৰিছে। এই সমস্যাসমূহৰ অন্যতম হৈছে ই-আবৰ্জনা।

সাধাৰণতে ব্যৱহাৰ অনুপযোগী, পেলনীয়া সামগ্ৰী সমূহকে আবৰ্জনা বুলি জনা যায়। যিবিলাক আবৰ্জনা বৈদ্যুতিক বা ইলেক্ট্ৰ'নিক সা-সৰঞ্জামৰ পৰা সৃষ্টি হয় সেইবোৰ আবৰ্জনাক ই-আবৰ্জনা বা ইলেক্ট্ৰ'নিক আবৰ্জনা বুলি কোৱা হয়।

সাধাৰণ আবৰ্জনাৰ দ্বাৰা মাটি-পানী, বায়ু যেনেকৈ প্রদূষিত হ'ব পাৰে বা মানুহৰ স্বাস্থ্যৰ হানিকাৰক হৈ পৰিব পাৰে, তেনেকৈ ই-আবৰ্জনাইও পৰিৱেশ প্রদূষিত কৰিব পাৰে বা মানুহৰ স্বাস্থ্যৰ ক্ষতি কৰিব পাৰে। সাম্প্ৰতিক সময়ত ই-আবৰ্জনাৰ সমস্যাটো এক বিশ্বব্যাপি বিপদজনক সমস্যাৰূপে পৰিগণিত হৈছে। এই সমস্যাটোৱে কেৱল উপভোক্তাসকলকে আক্রান্ত কৰা নাই, এই সামগ্ৰীসমূহৰ উৎপাদক, ব্যৱসায়ী, আমদানিকাৰক, ৰপ্তানিকাৰক, ধাৰক, বাহক, বিতৰক আনকি নবীকৰণ কৰ্মত জড়িত কৰ্মীসকলকো ব্যতিব্যস্ত কৰি তুলিছে।

ই-আবৰ্জনাৰ সৰ্বজন স্বীকৃত সংজ্ঞাটো হৈছে— "ই-আবৰ্জনা হৈছে সকলোবিলাক বৈদ্যুতিক আৰু ইলেক্ট্ৰ'নিক সামগ্ৰী আৰু ইয়াৰ উপাংশসমূহ যিবোৰক ব্যৱহাৰকাৰীয়ে নবীকৰণ বা পুণৰ ব্যৱহাৰ নকৰাকৈ পেলনীয়া বস্তু হিচাপে পেলাই দিয়ে বা জমা কৰি থয়।" এই আবৰ্জনাৰ বৈদ্যুতিক সামগ্ৰীবোৰ হ'ল ব্যৱহাৰ অনুপযোগী ফ্রিজ, এয়াৰ কণ্ডিচনাৰ, ওৱাছিং মেছিন, মাইক্রুৱেভ, অ'ভেন, ফ্লুৰচেণ্ট লাইটৰ বাল্ব, ইষ্ট্ৰি আদি আৰু ইলেক্ট্ৰ'নিক সামগ্ৰীবোৰ হৈছে কম্পিউটাৰ, টেলিভিছন, ম'বাইল ফোন, লেপটপ, টেবলেট, ডিটিপি, ফেক্স, স্কেনাৰ মেছিন আদি। আজিকালি ইলেকট্ৰমেগনেটিক বৃহৎ বৃহৎ আকাৰৰ বিকল যন্ত্ৰইও ই আবৰ্জনাৰ সমস্যা অতিমাত্ৰাত বৃদ্ধি কৰিছে। ২০০৯ চনৰ এক সমীক্ষামতে গোটেই বিশ্বত প্ৰতিবছৰে প্ৰায় ৪০ নিযুত টনৰ ই-আবৰ্জনাৰ সৃষ্টি হয়। আজিৰ তাৰিখত ইয়াৰ পৰিমাণ প্ৰায় দুগুণলৈ বৃদ্ধি পাইছে। উন্নত দেশ বিলাকত ক্ৰমশঃ বৃদ্ধি পোৱা ই-আৱৰ্জনাৰ ৮০ শতাংশ পুণৰ ব্যৱহাৰৰ উদ্দেশ্যে নবীকৰণৰ ব্যৱস্থা কৰা হয়। আমাৰ নিচিনা উন্নয়নশীল দেশ বিলাকেও ই-আবৰ্জনাৰ নবীকৰণৰ প্ৰক্ৰিয়া হাতত লৈছে যদিও প্রযুক্তিগতভাৱে সিমানখিনি সক্ষমতা লাভ কৰা নাই। সেয়ে উন্নত দেশবোৰত ই-আবৰ্জনা সৃষ্ট প্রদূষণ উন্নয়নশীল দেশবোৰতকৈ কম। অৰ্থাৎ উন্নয়নশীল দেশসমূহত ই-আবৰ্জনাজনিত ৰোগৰ দ্বাৰা আক্রান্ত হোৱা ৰোগীৰ সংখ্যা অধিক। প্ৰাথমিক অৱস্থাত চকু, মুখ, নাক আৰু উন্মুক্ত ছালৰ মাধ্যমেদি এই ৰোগীসকল আক্রান্ত হয়। অধিক সময় ই-আবৰ্জনাৰ সংস্পৰ্শত থকা ৰোগাক্রান্ত লোকসকলৰ পিছলৈ এজমা, কাহ, নিউমোনিয়া, স্নায়ুৰ বিকাৰ, স্মৃতিভ্ৰম আদি বিভিন্ন জটিল ৰোগৰ বলি হয়। বৈদ্যুতিক আৰু ইলেকট্ৰনিক সামগ্ৰীসমূহ নিৰ্মাণ প্ৰক্ৰিয়াত অধিক মাত্ৰাত সীহ, পাৰা, আৰ্চেনিক আদি স্বাস্থ্যৰ বাবে অতি ক্ষতিকাৰক দ্রব্যসমূহ ব্যৱহাৰ হোৱাৰ ওপৰিও ক্ৰমিয়াম, লিথিয়াম, মলিবডেনাম, এণ্টিমনি, চেলেনিয়াম, বেৰিলিয়াম, কেডমিয়াম, কবাল্ট, নিকেল, তাম, মাৰকাৰি, লিড আদি পদাৰ্থসমূহ কম বেছি পৰিমাণে ব্যৱহৃত হয়। ই-আবৰ্জনাত পৰিণত হোৱা সা-সৰঞ্জাম সমূহৰপৰা এই ক্ষতিকাৰক পদাৰ্থসমূহ অতি সহজতে সংস্পৰ্শত থকা মানুহৰ শৰীৰত প্ৰৱেশ কৰিব পাৰে। ২০১০ চনৰ এক সমীক্ষামতে ই-আবৰ্জনাৰ সংস্পৰ্শত থকা কৰ্মীসকলৰ মাজত যক্ষ্মা, ৰক্তহীনতা, হাওঁফাওঁৰ কৰ্কট, যকৃতৰ সমস্যা, কিড্‌নীৰ সমস্যা আদিত আক্রান্ত ৰোগীৰ সংখ্যা অধিক

মাত্ৰাত ধৰা পৰিছে। এই ক্ষেত্ৰত দীৰ্ঘকালীন আৰু নিৰন্তৰ অধ্যয়ন এতিয়াও সম্ভৱ হোৱা নাই। আন্তৰ্জাতিক শ্ৰম সংস্থাৰ এক সমীক্ষামতে পেলনীয়া সামগ্ৰী গোটাই ফুৰা আৰু অলাগতিয়াল সমাগ্ৰীবোৰ জ্বলাই দিয়া কামত নিয়োজিত শিশু আৰু কিশোৰসকল অধিক মাত্ৰাত এই ৰোগবোৰৰ চিকাৰ হৈছে। মানসিক ভাৰসাম্যহীনতা, কিড্‌নি, ৰেনেল আৰু স্নায়ুৰ বিকাৰজনিত সমস্যাৰ ক্ষেত্ৰত মাৰকাৰি বা পাৰা ধাতু, মানসিক বিকাৰগ্ৰস্ততা, বাধাগ্ৰস্ততা, আচৰণমূলক সমস্যা, কাণেৰে কম শুনা আদিৰ ক্ষেত্ৰত সীহ ধাতু, উচ্চ ৰক্তচাপ, মগজু, লিভাৰ, কিড্‌নি, হাড় আদিৰ সমস্যা সৃষ্টি কৰাৰ ক্ষেত্ৰত কেডমিয়াম আৰু পাকস্থলী শ্বাস-প্ৰশ্বাস, হাওঁ-ফাওঁৰ ৰোগৰ ক্ষেত্ৰত ক্ৰমিয়াম ধাতুৰ অৱস্থিতি ধৰা পৰিছে।

পৃথিৱীৰ উন্নত দেশবিলাকত ই-আবৰ্জনাৰ আধাতকৈ বেছিখিনি উন্নয়নশীল দেশবিলাকলৈ ৰপ্তানি কৰা হয় য'ত Recycling process ৰ সহায়ত ধাতুবিলাক যেনে— তাম, লো, চিলিকন, নিকেল, সোণ আদি পুণৰ ব্যৱহাৰ কৰিব পৰা হয়। উন্নয়নশীল দেশবিলাকৰ বিশেষকৈ ভাৰত, চীন, পাকিস্তান আদি দেশবিলাকত Recycling ৰ সুবিধা আছে। ইয়াত মানুহে নিজে সেই কামটো সম্পন্ন কৰে। সেয়েহে এই দেশবিলাকত ই-আবৰ্জনাত থকা বিষাক্ত পদাৰ্থবিলাকৰ দ্বাৰা ব্যৱস্থাটোৰ লগত জড়িত লোকসকল বেছিকৈ আক্ৰান্ত হয়। যিহেতু এনে দেশবিলাকত Recycling Processটো বিজ্ঞান সন্মত নহয় আৰু লগতে ইয়াত নিৰাপদ সাৱধানতা অৱলম্বন কৰা নহয়।

ভাৰততো Recycling পদ্ধতিৰ ব্যৱস্থা আছে যদিও ইয়াতো তাৰ ব্যতিক্ৰম নহয় অৰ্থাৎ বিজ্ঞানসন্মত ব্যৱস্থা নহয়। শ্ৰমিকসকলে এচিডৰে ধুই, মুক্ত জ্বলন প্ৰক্ৰিয়াৰে সোণ, ৰূপ, তাম আদি ই-আবৰ্জনাৰপৰা সংগ্ৰহ কৰে, যাৰ ফলত বায়ু, পানী, মাটি সকলো বিষাক্ত পদাৰ্থৰে দূষিত হৈ পৰে। বৈ যোৱা ৰাসায়নিক অবক্ষেপবোৰ মুকলি ঠাইত অথবা নলা-নৰ্দমাত অসাৱধানভাৱে পেলাই দিয়া হয়। যাৰ ফলত Recycling ব্যৱস্থাই এহাতে ই-আবৰ্জনাৰ পুণৰ ব্যৱহাৰত সহায় কৰিছে আনহাতেদি পৰিৱেশ প্ৰদূষণৰ মাত্ৰা বৃদ্ধি কৰিছে।

ই-আবৰ্জনাই সৃষ্টি কৰা সমস্যাবোৰৰ বাবে উৎপাদনকাৰী কোম্পানীবিলাকক জগৰীয়া কৰিব পাৰি। ইলেকট্ৰ'নিক সামগ্ৰীবোৰৰ মানদণ্ড নিম্নমানৰ হ'লে সোনকালেই সেইবোৰ বেয়া হৈ যাব পাৰে। সামগ্ৰীসমূহৰ উৎপাদন আৰু ব্যৱহাৰৰ ক্ষেত্ৰত আনুসংগিক ব্যৱস্থাবোৰৰ অভাৱেও সামগ্ৰীসমূহক সহজে ই-আবৰ্জনাত পৰিণত কৰিব পাৰে।

**ই-আবৰ্জনা কমোৱাৰ উপায় ঃ**

১। ইলেকট্ৰ'নিক সামগ্ৰীবোৰ ক্ৰয় কৰোতে ভাল কোম্পানীৰ পৰা উপযুক্ত মানদণ্ডৰ সামগ্ৰী ক্ৰয় কৰিব লাগে, যাতে সোনকালে বেয়া হোৱাৰ ফলত দলিয়াই দিব লগা নহয়।

২। কম্পিউটাৰ আৰু অন্যান্য ইলেকট্ৰনিক সামগ্ৰীসমূহ প্ৰস্তুত কৰোতে পৰিৱেশৰ ক্ষতিকাৰক পদাৰ্থৰ ব্যৱহাৰ কৰা অনুচিত আৰু নিতান্তই কৰিব লগা হ'লে অতি কম পৰিমাণতহে ব্যৱহাৰ কৰিব লাগে।

৩। পুৰণি কম্পিউটাৰত নতুন হাৰ্ড ড্ৰাইভ বা অতিৰিক্ত মেমৰি যোগ কৰি পুৰণি কম্পিউটাৰ উন্নত মানৰ কৰিব পাৰি। নেট সংযোগৰ বাবে মোবাইল ফোনেও প্ৰয়োজন পূৰাব পাৰে।

৪। ইলেকট্ৰনিক সামগ্ৰীসমূহ পৰাপক্ষত অলপ বেয়া হ'লেই পেলাই নিদি মেৰামতি কৰি ব্যৱহাৰ কৰিব লাগে।

৫। মোবাইল ফোন বা কম্পিউটাৰ বা অন্য ইলেকট্ৰ'নিক সামগ্ৰী প্ৰয়োজনতকৈ অধিক নাৰাখি হয় বিক্ৰি কৰি দিব পাৰে নহ'লে আগ্ৰহী ব্যক্তি বা অনুষ্ঠানক দান দিব পাৰে।

৬। যিবিলাক কোম্পানীয়ে বস্তু ঘূৰাই লয় বা সলনি কৰে তেনে কোম্পানীৰ পৰা ইলেকট্ৰনিক সামগ্ৰী কিনিব লাগে। তেনে কোম্পানীবোৰে ইলেকট্ৰনিক আবৰ্জনাবিলাক পুণৰ ব্যৱহাৰৰ উপযোগী সামগ্ৰী তৈয়াৰ কৰিব পাৰে অথবা বিষাক্ত পদাৰ্থবিলাক নিঃশেষ কৰিব পাৰে।

গোটেই বিশ্বতে ই-আবৰ্জনাৰ সমস্যাই সকলোৰে মনোযোগ আকৰ্ষণ কৰিছে। আমাৰ ভাৰত তথা অসমতো ই-আবৰ্জনাৰ বিষয়ত নতুনকৈ চিন্তা চৰ্চা কৰিবলৈ লৈছে। যদিও ইয়াৰ কু-প্ৰভাৱৰ বিষয়ে মানুহ ভালদৰে অৱগত নহয় আৰু সচেতনো নহয়। কিন্তু বৰ্তমান 'ই-আবৰ্জনা' বৃদ্ধিৰ হাৰ ইমান দ্ৰুতগতিত বাঢ়িছে যে অতি সোনকালে পৃথিৱীৰ প্ৰতিটো চুক-কোণ ইয়াৰ দ্বাৰা আক্ৰান্ত হ'ব। এক সমীক্ষাৰ তথ্যত চকু ফুৰালেই এই ভয়ংকৰ সত্যটো পৰিস্কাৰ হ'ব। ১৯৯০ চনত পৃথিৱীৰ মুঠ ই-আবৰ্জনাৰ পৰিমান আছিল ১৯.৫ নিযুত টন। ২০১০ চনত হ'লগৈ ৫৭.৪ নিযুত টন। ২০১৫ত ইয়াৰ পৰিমাণ ৭৫.০ নিযুত টন। ই-আবৰ্জনা বৃদ্ধিৰ হাৰ এনেদৰে থাকিলে অতি সোনকালেই পৃথিৱীৰ প্ৰতিজন মানুহ বৈদ্যুতিক আৰু ইলেকট্ৰ'নিক আবৰ্জনাৰ লগত সহবাস কৰিব লাগিব। সেয়ে সময় থাকোতেই জনসমাজত বিষয়ত সজাগতা আৰু সচেতনতা বৃদ্ধি কৰাৰ প্ৰয়োজনীয়তা হৈ পৰিছে। ■

# অসমৰ ঐতিহ্য বনভোজ স্থলী - টেঙাপানী

**পাৰ্থপ্ৰতিম নাথ,** স্নাতক তৃতীয় ষাণ্মাসিক

প্ৰকৃতিৰ অভিনৱ সৃষ্টিৰে ভৰপূৰ পৃথিৱীৰ বহুতো ঠাই আছে। অথচ কিছুমান ঠাই আমাৰ চকুৰ দৃষ্টিৰ পৰা আঁতৰত আছে। এনে এক ঐতিহ্যপূৰ্ণ ঠাই হৈছে নগাঁও জিলাৰ কঠীয়াতলীত অৱস্থিত টেঙাপানী।

নগাঁও জিলাৰ কঠীয়াতলীত অৱস্থিত এক ঐতিহ্যপূৰ্ণ ঠাই হৈছে টেঙাপানী। কঠীয়াতলীৰপৰা প্ৰায় ২ কিঃমিঃ নিলগত অৱস্থিত প্ৰকৃতিৰ এক অভিৱন সৃষ্টি টেঙাপানী। ঠাইখনৰ নাম অনুসৰি সেই ঠাইত থকা পানীখিনিও টেঙা। এই ঠাইৰ পানীখিনি কিয় টেঙা ইয়াক সঠিককৈ কোনেও ক'ব পৰা নাই। প্ৰবাদমতে অতীততে হেনো বৰষুণৰ সৈতে এটা প্ৰকাণ্ড শিল আহি এই ঠাইত পৰাত এই ঠাইৰ পানীখিনি টেঙা হৈ পৰিছিল। প্ৰকৃতিৰ অভূতপূৰ্ব সৃষ্টিৰে গঢ়ি উঠা ঠাইখিনিৰ পানীখিনি কোনো ঠাইৰপৰা বাগৰি অহা নহয়। এই ঠাইৰ পানীখিনি মাটিৰ তলৰপৰা নিগৰি নিগৰি ওলোৱা। সেই ঠাইতে আছে এটা নিজৰা, এটা চুইচগেট আৰু সু-উচ্চ পাহাৰ। এই ঠাই পৰিদৰ্শন কৰিবলৈ অসমৰ বিভিন্ন প্ৰান্তৰপৰা মানুহ আহে।

বনভোজৰ বাবেও ই এক উত্তম ঠাই। প্ৰকৃতিৰ মনোৰম সৃষ্টিৰে ভৰপূৰ এই ঠাই। এই ঠাইতে আছে সু-উচ্চ পাহাৰ, পাহাৰৰ পৰা বৈ অহা নিজৰা আৰু চাহবাগান। এই ঠাইৰ প্ৰাকৃতিক পৰিৱেশ মনোৰম আৰু স্বাস্থ্যকৰ। এই ঠাই চাবলৈ আৰু ইয়াৰ প্ৰাকৃতিক পৰিৱেশ উপভোগ কৰিবলৈ জানুৱাৰী, ফেব্ৰুৱাৰী মাহত বনভোজ খাবলৈ মানুহৰ সমাবেশ ঘটে। বিশেষকৈ ডিচেম্বৰ আৰু জানুৱাৰী মাহত ইয়াৰ বনভোজৰ আনন্দ ল'বলৈ দূৰ-দূৰণিৰ পৰা মানুহ ইয়ালৈ আহে।

এই ঠাই মানুহৰ মাজত অধিক জনপ্ৰিয় কৰি তুলিবলৈ আৰু বিভিন্ন টিভি চেনেল যোগে সম্প্ৰচাৰ কৰিবলৈ এই ঠাইত National Geography আৰু DY 365 ৰ মানুহ আহি ইয়াৰ ফটো লৈ গৈছে। এই ঠাইক জনপ্ৰিয় কৰি তুলিবলৈ কিছুমান লিখক-লেখিকাই ইণ্টাৰনেট যোগে www.assamspider.com নামৰ ৱেবচাইটটোত লিখি এই ঠাইৰ বিষয়ে অধিক জনপ্ৰিয় কৰি তুলিছে। এই ঠাইৰ প্ৰকৃতিৰ মনোৰম সৃষ্টিৰ মাজত অসমীয়া চলচিত্ৰ জগতৰ এখন চলচিত্ৰ শ্বুটিং ইয়াতে কৰা হৈছিল। যিখনৰ নাম আছিল ৰণাংগিনী। এইদৰে বিভিন্নজনে এই ঠাইক অধিক জনপ্ৰিয় কৰিবলৈ যত্ন কৰি গৈছে।

এই ঠাইক মনোৰম আৰু জাকত জিলিকা কৰি তুলিবলৈ চাহবাগানৰ কৰ্মকৰ্তাসকলে এই ঠাইৰ চাৰিওফালে পকীবেৰ দি ঠাইখনক অৰ্থাৎ টেঙাপানীক সুন্দৰ কৰি তুলিছে। ■

**অমৃত বচন**

*স্বদেশ স্বজাতিৰ উন্নতিৰ মঙ্গলমন্দিৰৰ সিংহদুৱাৰ হৈছে মাতৃভাষা।*

*— ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা*

# বিদেশ ভ্ৰমণৰ অভিজ্ঞতা

**হীৰেন্দ্ৰ নাথ শৰ্ম্মা,** ভাৰপ্ৰাপ্ত অধ্যক্ষ, কামপুৰ মহাবিদ্যালয়

কৰ্মব্যস্ত জীৱনৰ পৰা অলপ সময় উলিয়াই নিজৰ দেশখনৰ বিভিন্ন প্ৰান্ত ভ্ৰমণ কৰিছিলো। এইবাৰ চৰকাৰী ছুটী আৰু অনুমোদন আদিৰ কাম শেষ কৰি বিদেশ ভ্ৰমণৰ পৰিকল্পনা কৰিলো। মই পৰিয়ালৰ লগত ইউৰোপ ভ্ৰমণৰ সকলোখিনি দৰকাৰী কাম সম্পূৰ্ণ কৰিলো। আমি লণ্ডন, বেলজিয়াম, জাৰ্মানি, চেজ ৰিপাব্লিক, অষ্ট্ৰিয়া, ইটালী (ৰোম), ভেটিকান চিটি, চুইজাৰলেণ্ড আৰু ফ্ৰান্স (পেৰিচ) ভ্ৰমণৰ পৰিকল্পনা কৰিলো।

ইংৰাজী ২১ মে' (২০১৬) তাৰিখে আমি দিল্লীৰ Indira Gandhi International Airport ৰ পৰা ৰাতি ২ বজাত লণ্ডন অভিমুখে এয়াৰ ইণ্ডিয়াৰ বিমানত যাত্ৰা আৰম্ভ কৰিলো। একেৰাহে প্ৰায় আঠ ঘন্টা পঞ্চল্লিশ মিনিট অতিক্ৰম কৰাৰ পাছত লণ্ডনৰ সময়মতে ৰাতিপুৱা ৬-৪৫ বজাত হিথ্ৰ' (Heathrow) এয়াৰপোৰ্টত আমাৰ বিমানে অৱতৰণ কৰিলে। লণ্ডন আৰু ভাৰতৰ সময়ৰ পাৰ্থক্য প্ৰায় ৪ চাৰি ঘণ্টা। লণ্ডনৰ হিথ্ৰ' এয়াৰপোৰ্ট অতি ব্যস্ত আৰু অতি বিশাল। হাজাৰ হাজাৰ যাত্ৰী, কেইবাটাও টাৰমিনেল। অনবৰতে প্লেন উঠা নমা কৰিয়ে আছে। কৰ্মচাৰীৰ সংখ্যাও বহুত। সেয়েহে পাছপ'ৰ্ট ভিছা পৰীক্ষা কৰোতে কেইবাটাও স্তৰৰ মাজেৰে গৈ সোনকালেই লক্ষ্যস্থান পালো। বৰ শৃঙ্খলাবদ্ধ ব্যৱস্থা। বহুত সময় ৰ'ব লগা নহ'ল। কামখিনি শেষ কৰি এয়াৰপ'ৰ্টৰ বাহিৰ ওলালো। হোটেলৰ পৰা আগতে ঠিক কৰি থোৱা মতে এখন সুন্দৰ গাড়ীত হোটেললৈ যাত্ৰা কৰিলো। হোটেলত কিছুসময় জিৰণি লৈ আমি এখন গাড়ী ভাড়া কৰি লৈ লণ্ডন চহৰ চাবলৈ ওলাই আহিলো। ঠাইখন অত্যন্ত খৰচী। গাড়ীভাড়াত ভাৰতীয় হিচাপত বহুত টকা ভৰিব লগা হয়। আমি ভ্ৰমণ কৰা সময়ত ১ পাউণ্ডৰ মূল্য প্ৰায় ১০০ টকা।

লণ্ডন আই টেমছনদীৰ পাৰত এটা বৃহৎ চলন্ত চকৰি, কাষত বিগ-বেন (Big Ben) যিটো লণ্ডনৰ প্ৰতীক চিহ্ন। লণ্ডন আইৰ চকৰিৰ সম্পূৰ্ণ কাঁচৰ ডিম্বাকৃতিৰ ওলোমা কোঠাবোৰত উঠি ঘূৰি ঘূৰি সমগ্ৰ লণ্ডন চহৰখন চাই বিশেষ এক অনুভৱ হ'ল। ইয়াত আছে Parliament House, St. James Park, আটক ধুনীয়া ফুলনীখন, টেমছনদীৰ পাৰে পাৰে ঘূৰি ফুৰি এই মনোমোহা নদীখন চালো। আমাৰ কচমচৰ পৰা সেইদিনাই ৰাতি টেমচ নদীত সৰু জাহাজ এখনেৰে ফুৰাই গাইডে সুন্দৰকৈ বুজাই দিলে। এই নদীখনত প্ৰায় আঠখন মান দলং আছে। পৃথিৱী বিখ্যাত টাৱাৰ ব্ৰীজ দেখিলো। ই এখন দুইখলপীয়া দলং। পানী জাহাজ আহিলে দুইফালৰ দণ্ড দুটা দাং খাই যায়, তেতিয়া জাহাজ পাৰ হয়। এই দলংখন প্ৰায় সাত বছৰত সাজি উলিয়াইছিল। অন্য এখন দলং হ'ল লণ্ডন ব্ৰীজ (London Bridge) এই দলংখন ১৯৬০ চন মানত সজা হৈছিল। লণ্ডনত থকা দিন কেইটাত আমি সকলোখিনি চাই শেষ কৰিব পৰাটো সম্ভৱ নহ'লেও বিশেষ বিখ্যাত স্থাপত্য আৰু কাৰুকাৰ্য্যৰ লণ্ডনখন উপভোগ কৰিলো। বাকিং হাম পেলেচ আৰু ৰয়েল মিউচ (Buckinghum palace and the Reoyal Mews) হৈছে মহামান্য ৰাণীৰ অফিচ আৰু ৰাজপ্ৰসাদ। ইংলেণ্ডৰ সুন্দৰ অট্টালিকা দিনৰ ১১ বজাত Change of Guards অনুষ্ঠান হয়। লণ্ডন হাউড পাৰ্ক এখন বিশ্ববিখ্যাত পাৰ্ক। বাকিং হাম পেলেচৰ নিচেই কাষত। এলবাৰ্ট হ'ল ঘূৰণীয়া কাছপিঠীয়া চালিৰে এটা প্ৰকাণ্ড হল। "টাৱাৰ অব লণ্ডন" এক যুগমীয়া আকৰ্ষণ, ই নশ বছৰৰ পৰা এতিয়ালৈ ব্যৱহৃত হৈয়ে আছে। ইতিহাসৰ স্বাক্ষৰ বহন কৰা এই টাৱাৰ আছিল এটা বুৰঞ্জী প্ৰসিদ্ধ দূৰ্গ, ৰাজপ্ৰাসাদ। বৰ্তমান ই এটা প্ৰকাণ্ড মিউজিয়াম। টেমছ নদীৰ উত্তৰ পাৰে মধ্য লণ্ডনত অৱস্থিত। এইটো প্ৰায় বিশটা অট্টালিকাৰ সমষ্টি এই দুৰ্গটো ৰাজপ্ৰসাদ বিচাৰকক্ষ, বন্দীশাল, অস্ত্ৰ-শস্ত্ৰৰ ভাণ্ডাৰ, চিৰিয়াখানা হিচাপেও ব্যৱহৃত হৈছিল। আমি ক্ৰাউন জুৱেল টাৱাৰটোত সোমালোহি। ইয়াতেই বিখ্যাত কহিনুৰ হীৰা খটোৱা ৰাজমুকুতটো আছে। আমি এফালৰ পৰা মুকুটবোৰ চাই গ'লো। চলন্ত চিৰিয়েদি যাওঁতে কহিনুৰ খটোৱা মুকুটটো ধৰিব নোৱাৰিলো। সকলোবোৰেই জিলিকি আছে। টাৱাৰ অব লণ্ডন চাই শেষ কৰিলো। অন্য এদিন আমি আহি পালো ব্ৰিটিছ মিউজিয়াম। বৰ ডাঙৰ ব্ৰিটিছ মিউজিয়ামটো চাবলৈ বহুত সময় লাগে। ইয়াত ইংৰাজ সকলৰ অধীনত থকা পৃথিৱীৰ বিভিন্ন দেশৰ সমৃদ্ধ স্মৃতি, ইতিহাস সমৃদ্ধ সামগ্ৰী বিধে বিধে সুন্দৰকৈ সজাই ৰখা হৈছে। বিচাৰি বিচাৰি ভাৰতৰ ঐতিহাসিক

সমল থকা অংশটোলৈ গ'লো। অসমৰ বহু স্মৃতি বিজড়িত সামগ্ৰী ভৰি আছে। সোমাই দেখিলো টিভিৰ ডাঙৰ পৰ্দাত ৰাসযাত্ৰা (মানুহৰ ৰাস)ৰ তথ্যচিত্ৰ সম্প্ৰচাৰ হৈ আছে। এটা বিশেষ প্ৰদৰ্শনী চলি আছে বাবে ৰাসযাত্ৰা তথ্য চিত্ৰ প্ৰদৰ্শন কৰি থকা হৈছে। অসমৰ বৃন্দাবনী বস্ত্ৰ, শ্ৰীমন্ত শংকৰদেৱৰ ফটো, অসমীয়া শিপিনীৰ গামোচা, তাঁতশালত বৈ থকা ফটো, 'মুখা শিল্প'ৰ ওপৰত তথ্য চিত্ৰ, বিভিন্ন ভগবানৰ মূৰ্তি, স্থাপত্য ভৰি আছে। বৃন্দাবনী বস্ত্ৰ আমি ভবাতকৈ বহু দীঘল, ডাঙৰ দেখিলো। মন আনন্দেৰে ভৰি পৰিল। লণ্ডন এখন অতি ভদ্ৰ, সভ্য ৰাজকীয় চহৰ। আধুনিক, শৃংখলাবদ্ধ, অতি চাফ-চিকুন সুন্দৰ চহৰ। ৰাস্তাবোৰ আহল-বহল। খোজকঢ়া চাইকেল চলোৱা ভাগে ভাগে ৰাস্তা। ৰাস্তা পাৰ হ'বলৈ signal চাই পাৰ হ'ব লাগে। কিছু দূৰত্বৰ ব্যৱধানত একোটা চাইকেল ষ্টেণ্ড। বগা চাহাব, পৰ্য্যটক মহিলা, ল'ৰা-ছোৱালী সকলোকে চাইকেল চলাই ঘূৰি ফুৰা দেখিলো। ইয়াত যিকোনো ষ্টেণ্ড এটাৰ পৰা চাইকেল এখন লৈ গৈ ঘূৰি ফুৰি অইন এটা ষ্টেণ্ডত ঘূৰাই দিয়াৰ সুবিধা আছে।

চাইকেলৰ দৰে গাড়ীৰে ঘূৰিব পৰা ব্যৱস্থাও লণ্ডন, ইউৰোপৰ দেশবোৰত পোৱা যায়। এখন গাড়ী ভাড়া কৰি লৈ গোটেই ইউৰোপ ঘূৰি অন্য এখন ঠাইত ভ্ৰমণ সামৰি সেই কোম্পানীৰ কাৰ্য্যালয়ত গাড়ীখন ঘূৰাই দিব পৰা যায়। তাৰ বাবে তেওঁলোকে গাড়ীত বিশেষ sticker আৰু চাৰ্টিফিকেট দিয়ে। বেলেগ বেলেগ দেশৰ সীমান্তৰ তালাচী চকীত একো অসুবিধা নহয়। মাত্ৰ তাৰ বাবে উপযুক্ত পৰিমাণৰ খৰচ ভৰিব লাগে। আমি অৱশ্যে গাড়ী ভাড়া লোৱা নাই। কিয়নো আমি cosmos ৰ নিৰ্দ্ধাৰিত গাড়ীতহে ভ্ৰমণ কৰি আছো। লণ্ডনৰ অন্য আকৰ্ষণ হ'ল প্লেনেটেৰিয়াম আৰু মেডাম টুছোৰ ৱাক্স মিউজিয়াম। মেডাম চুছো আছিল ৰাজ পৰিয়ালৰ শিক্ষয়িত্ৰী। অসাধাৰণ নাৰী গৰাকীৰ শিল্প কলা পৃথিৱী বিখ্যাত। এই মিউজিয়াম মমৰ পুতলাৰে উপচি আছে। খেলিমেলিকৈ থকা মানুহবোৰৰ মাজত কিছুমান মমৰ পুতলা। সঁচা মানুহ আৰু পুতলাৰ মাজত পাৰ্থক্য ধৰিব নোৱাৰি। ভিতৰত ৰূমৰ পুতলাবোৰ হ'ল বিখ্যাত ৰাজনৈতিক ব্যক্তি, শিল্পী, খেলুৱৈ, মডেল আদি যেন সঁচাকৈয়ে থিয়হৈ নাইবা বহি আছে। ৰাণীৰ পৰিয়াল, ভাৰতৰ ইন্দিৰা গান্ধী, মহাত্মাগান্ধী, নৰসিংহ ৰাও ইত্যাদি। লেডী ডায়েনা, বিল ক্লিন্টন, দালাই লামা, বেনজিৰ ভুট্টো ইত্যাদিৰ মমৰ মূৰ্ত্তি। ভাৰতৰ বিখ্যাত অভিনেতা অভিনেত্ৰী অমিতাভ বচ্চন, ঐশ্বৰ্য্য ৰায়, চালমান খান, চাহৰুখ খান, ঋতিক ৰোশন, কেথৰিনা, কৰিণা, খেলুৱৈ শচীন তেণ্ডুলকাৰ আদিৰ মমৰ পুতলা দেখি মনটো বৰ ভাল লাগিল।

ইয়াতেই "স্পিৰিট অৱ লণ্ডন" প্ৰগ্ৰেমটোত লণ্ডনৰ বৰ্ণাঢ্য ইতিহাস আৰু ফ্ৰাচী বিপ্লৱ ভিক্টোৰিয়া যুগ ইত্যাদি প্ৰদৰ্শন কৰে। শব্দ, পোহৰ আৰু কৌশলৰ সমাহাৰ। লণ্ডন ভ্ৰমণ সামৰি আমি ৰাতিপুৱাই ইংলিচ চেনেল (English Channel) অভিমুখে যাত্ৰা কৰিলো। লণ্ডন চহৰৰ ৰাতিপুৱাৰ সৌন্দৰ্য্য উপভোগ কৰি, প্ৰায় ২ ঘণ্টা যাত্ৰা কৰাৰ পিছত English Channel ৰ Doverত উপস্থিত হ'লো। বয়-বস্তুবোৰ পৰীক্ষা-নিৰীক্ষা কৰি পাছপৰ্ট, ভিছা আদিৰ পৰীক্ষা সমাপন কৰিলো। তাৰপিছত নিৰ্দিষ্ট সময়ত আমি গৈ বৃহৎ ফেৰীখনত উঠিলোগৈ। তিনিমহলীয়া এই জাহাজখনত সকলো সা-সুবিধা আছে। আমি দুপৰীয়াৰ আহাৰ তাতেই খাই ল'লো। জাহাজখনৰ বাহিৰ ফালটো আইনাৰ বাবে যাত্ৰাটো উপভোগ কৰি গ'লো। ইংলিছ চেনেল পাৰ হওঁতে প্ৰায় ২ ঘণ্টা সময় লাগিল। সেই সময়ত ভাৰতৰ মিহিৰ সেন আৰু আৰতি সাহাৰ কথা মনত পৰিল। কেনেকৈনো তেওঁলোকে ইংলিচ চেনেল সাঁতুৰি পাৰ হৈছিল? ভাবিলেই আচৰিত লাগে। আজি আমাৰ যাত্ৰা বেলজিয়ামৰ ৰাজধানী Brussels লৈ। ইয়াত আমাক cosmos ৰ Guide মিচ্ আলেকজেণ্ডাৰ (Alexzendar) ৰ লগত পৰিচয় কৰাই দিয়া হ'ল। Border ৰ কাষত বহুতো ৰিফিউজি কেম্প দেখা পালো। এলেক্সে ক'লে যে সেইবোৰ নাইজেৰিয়াৰ শৰণাৰ্থী। এইবোৰে দেশখনত এক সমস্যাৰ সৃষ্টি কৰিছে। ৰাস্তাত আমি প্ৰাকৃতিক সৌন্দৰ্য্য উপভোগ কৰিলো। আমাৰ বাছখনৰ দুইকাষে থকা গছ-গছনি, সৰু সৰু টিলা, সুন্দৰ ঘাঁহনি, সৰিয়হ ফুল, নানা ধৰণৰ শস্য আদিৰে ভৰপূৰ এখন ধুনীয়া সেউজীয়া পৃথিৱীলৈ যেন গৈ আছো। যথাসময়ত ব্ৰাছেলত উপস্থিত হৈছো পাৰ্লিয়ামেণ্ট হাউচ, ধুনীয়া গ্ৰেণ্ড পেলেচ, টাউন হল চালো। ব্ৰাছেলছক চকলেটৰ ৰাজধানী বুলি কোৱা হয়। ইয়াত বিভিন্ন ধৰণৰ চকলেট পোৱা যায়। লগতে ঘৰত বনোৱা চকলেটো পোৱা যায়। ব্ৰাছেলছত ১৮০ টা এম্বেছী আছে। সুন্দৰ মাইকেল স্কোৱেৰত কিছুসময় কটাই বৰ ভাল লাগিল। এটা কণমানি শিশুৰ ফাউণ্টেনটো পৃথিৱী বিখ্যাত ব্ৰাছেলছৰ প্ৰতীক সদৃশ। দ্বিতীয় বিশ্বযুদ্ধত বোমা পেলাওঁতেও এই ফাউণ্টেনটো একেদৰেই আছিল। আন এটা স্থান "মেনকেন পিচ" চালো। ঘূৰিফুৰি এটা সময়ত আহি হোটেলত জিৰণি ল'লো।

পিছদিনাখন আমি ব্ৰাছেলছৰ পৰা আহি থাকোতে মাজত ৰাইন নদীত নৌকাবিহাৰ কৰি জাৰ্মানী উইজবাৰ্গ (Wuzeburz) অভিমুখে যাত্ৰা আৰম্ভ কৰিলো। আমাৰ গ্ৰুপৰ সকলোখিনিয়েই ভাৰতৰ বাহিৰৰ বিভিন্ন ঠাইৰ লোক। অষ্ট্ৰেলিয়া (মেলবৰ্ণ), নিউজিলেণ্ড, ফিনলেণ্ড, আমেৰিকা, কানাডা, আয়াৰলেণ্ড, ফ্ল'ৰিডা আদি পৃথিৱীৰ বিভিন্ন ঠাইৰ লোক। তেওঁলোকৰ লগত লাহে লাহে বন্ধুত্ব বাঢ়ি আহিছিল। ভ্ৰমণৰ লগতে বিদেশৰ পৰম্পৰা, সংস্কৃতিৰ লগত পৰিচয় হোৱাৰ বাবেই আমি কচমচ (cosmos) নামৰ ভ্ৰমণ এজেঞ্চীত (travel agency) গৈছিলো। দেখি আচৰিত হৈছিলো কানাডাৰ পৰা অহা বৃদ্ধা দম্পতীহালৰ ভ্ৰমণৰ প্ৰতি আগ্ৰহ দেখি। মেলবৰ্ণৰ পৰা অহা বেথনী নামৰ ৯ বছৰীয়া সৰু ছোৱালীজনী আৰু মাক, অষ্ট্ৰেলিয়াৰ (Shanta) চান্টা আৰু ডাৰ্ভি আমাৰ ভাল বন্ধু হৈ পৰিল। তেওঁলোকে ভাৰতৰ পৰিয়ালৰ মৰম প্ৰীতিৰ কথা সুধি, জানি ভাল পাইছিল আৰু আচৰিতো হৈছিল।

আমি জাৰ্মানীৰ ৰাইন নদীত জাহাজৰ ভ্ৰমণ কৰিলো। অলপ অলপ বৰষুণ পৰি আছিল। ৰাইন ইউৰোপৰ এখন ৩য় বৃহৎ দীঘল নদী। এই নৈখন চুইজাৰলেণ্ড, অষ্ট্ৰিয়া, জাৰ্মানী, ফ্ৰান্স, নেডাৰলেণ্ড আদিৰ মাজেৰে বৈ গৈছে। ৰাইন নদীখন ওলাইছে দক্ষিণ চুইজাৰলেণ্ডৰ পৰা।

মধ্য ৰেইনভেলীয়ে চহৰখনৰ সৌন্দৰ্য্য, অৰ্থনীতিত প্ৰভাবিত কৰিছে। আমি নৈত ভ্ৰমণৰ সময়ত বহু প্ৰাচীন অট্টালিকা, কিল্লা আঙুৰৰ খেতিপথাৰ, মনোৰম চহৰ, সুন্দৰ সুন্দৰ সৰু সৰু ঘৰ দেখিলো। জাৰ্মানীৰ বিখ্যাত cologne cathedral চালো। এই গীৰ্জাঘৰটো ৫৫ ফুট ওখ। জাৰ্মানীৰ প্ৰতীক চিহ্নৰ দৰে হৈ পৰা এই গীৰ্জাঘৰটোৰ কাৰুকাৰ্য্য চাবলগীয়া।

গধূলি ফুৰি আহি আমি চেক ৰিপাব্লিক (Czech Republic) ৰ ৰাজধানী প্ৰাগ (Prague) পালো। পৃথিৱীৰ মনোৰম চহৰবোৰৰ ভিতৰত অন্যতম এখন হ'ল প্ৰাগ। কমিউনিজিমৰ কাঢ়া শাসনৰ পৰা ওলাই আহি এই দেশে গণতন্ত্ৰ প্ৰতিষ্ঠা কৰে। প্ৰাগ চহৰ ভালটভা (valtva) নদীৰ পাৰত অৱস্থিত। এই চহৰক "The city of hundred spires" বুলিও জনা যায়। ইয়াত বিখ্যাত চাবলগীয়া বস্তুবোৰ হ'ল চাৰ্লচ ব্ৰীজ, পুৰণি ইতিহাস প্ৰসিদ্ধ বৰ্গাকাৰ স্থান (town square), ৰং বিৰঙৰ বিল্ডিং, চাৰ্চবোৰ, বিখ্যাত জ্যোতিষ ঘড়ী (Astronomical Clock) ইত্যাদি। ইয়াৰ মাটিকালি প্ৰায় 496km$^2$।

চাৰ্লচ দলংখন পৰ্য্যটকেৰে ঠাহ খাই আছে। মেলা, উৎসৱৰ দৰে পৰিবেশ, হাতত ভায়'লিন লৈ এজনে গীত গাইছে, এজনে গাত ৰং সানি পৰ্য্যটকৰ সৈতে ফটো লৈছে। গীত মাতৰ মাজেৰে উপাৰ্জনো কৰিছে। ভালটাভা নদীৰ পূৱপাৰে চহৰখনৰ মিউজিয়াম ব্যৱসায়ীক কেন্দ্ৰ, নাট্যশালা, সংগীতশালা আছে। পৃথিৱীবিখ্যাত, পাঁচশ বছৰীয়া জটিল কাৰুকাৰ্য্যৰে Austronomical Clock চহৰৰ মূল হৃদ অংশত (town square city centre) ত আছে। আমি ৰৈ এই ঘড়ীৰ লগত প্ৰতি ঘণ্টাত ওলোৱা যাদুকৰৰ দৃশ্য উপভোগ কৰিলো। এই ঘড়ীটোৰ বৈশিষ্ট্য হ'ল প্ৰতিঘণ্টাৰ মূৰে মূৰে সন্ত মহাপুৰুষৰ এক ঘূৰণীয়া যাত্ৰা আৰম্ভ কৰে। তাৰ পিচত যেতিয়া ঘণ্টাটো পূৰ্ণ হয়, মৃত্যু আত্মাৰ প্ৰতীক জকা সদৃশ হৈ ঘড়ীত কোব্ দিয়ে। এই দৃশ্য চাবলৈ প্ৰতিঘণ্টাত অগণন মানুহ Austrological Clock টোৰ আগত গোট খায়। এই ঠাইখিনি বা কেন্দ্ৰটো ঘূৰি ফুৰোতো আনটো ফালে মনোট্ৰেইন দেখিলো। এই মনোট্ৰেইনত উঠি এঘণ্টাত গোটেই চহৰখন দৰ্শন কৰাই পুনৰ আগৰ ঠাইত নমাই দিয়ে। প্ৰাগক ইউৰোপৰ সংস্কৃতিৰ ধ্বজা বাহক বুলিব পাৰি। প্ৰাগক কেন্দ্ৰ কৰি গঢ়ি উঠা সংস্কৃতি ঈহুদী সকলৰ এক ডাঙৰ অৱদান। আইনষ্টাইন, নিউটন, কাৰ্লমাক্স, ফ্ৰয়দ কাৰ্লয়ুং, হেগেল, স্নেত্না, মেণ্ডেলছন, কাফকা, ছয়গাল আদি পৃথিৱীৰ বিখ্যাত বৈজ্ঞানিক, দাৰ্শনিক, শিল্পী, সাহিত্যিক, সংগীতজ্ঞ এই ইহুদী সমাজৰ পৰাই আবিৰ্ভাৱ হোৱা। এই ইহুদী সকলেই ইউৰোপৰ আমূল পৰিবৰ্তনৰ সময়ত বিশেষ ভূমিকা লৈ ইউৰোপক উন্নতিৰ পথত আগবঢ়াই নিছিল। স্বাধীন চেক ৰিপাব্লিকৰ ৰাষ্ট্ৰপতি এই দেশৰ জনসাধাৰণে নিৰ্বাচন কৰে। ইয়াত কবি, সাহিত্যিক, দাৰ্শনিকৰ মাজৰ পৰা ৰাষ্ট্ৰপতি নিৰ্বাচন কৰা হয় ব্লকলাভ হাভেলক। প্ৰাগৰ সুন্দৰ দৃশ্য। চাৰ্লচ দলং পাৰ হৈ পশ্চিমফালে পাহাৰীয়া অঞ্চল।

পাহাৰৰ ওপৰত অৱস্থিত প্ৰাগৰ হৃদকানি দুৰ্গ, ৰাজপ্ৰাসাদ অঞ্চল, চেইণ্ট নিকোলাচ গীৰ্জা, ওলেষ্টাইন উদ্যান আদি বিখ্যাত প্ৰাসাদ সমূহ। এই সকলোবোৰ দৰ্শন কৰি উপভোগ কৰি প্ৰাগৰ সৌন্দৰ্য্য মনৰ ভিতৰত সজীৱ কৰি ল'লো।

গধূলি প্ৰাগৰ বিখ্যাত musical night উপভোগ কৰিলো। এখন স্থানীয় resturentত ৰাতিৰ আহাৰৰ লগতে বিশেষ সংগীত সন্ধিয়া। সকলো দেশৰ পৰ্য্যটকক আকৰ্ষণ কৰিব পৰাকৈ সেইদেশৰ আদৰণি গীত। ভাৰতবৰ্ষৰ হিন্দী ভাষাত আদৰণি গীত গাই আমাক সকলো দেশৰ গোট খোৱা লোক সকলে হাত চাপৰি মাৰি থিয় হৈ আদৰণি জনাওতে মন আপ্লুত হৈ পৰিল। বহুকেইখন হিন্দী চিনেমাৰ, তেওঁলোকৰ Folk song ৰ এই সংগীতানুষ্ঠানৰ দৃশ্য বিশেষভাৱে বিখ্যাত। এই চহৰ বিয়েৰ পানীয়ৰ বাবে বিখ্যাত। খাদ্য সম্ভাৰৰ লগত বিয়েৰ খোৱা wine খোৱা সকলক হেপাহ পলুৱাই খাবলৈ দিয়া হয়। তেওঁলোকৰ লোকগীত নৃত্যৰ এই সুন্দৰ অনুষ্ঠানত সকলো পৰ্য্যটককে অংশ গ্ৰহণ কৰাবলৈ বাধ্য কৰায়।

এই আনন্দ স্ফুৰ্ত্তিৰ মাজত আমি প্ৰাগ ভ্ৰমণ সামৰণি মাৰি হোটেললৈ উভতিলো আৰু পিছদিনাৰ ভিয়েনা যাত্ৰাৰ বাবে সাজু হ'লো।

আমি বহেমিয়াৰ পৰা ম'ৰাভিয়া হৈ দক্ষিণ-পশ্চিম দিশত চেকৰিপাব্লিকৰ সীমাপাৰ হৈ অষ্ট্ৰিয়াত উপস্থিত হওঁ। অষ্ট্ৰিয়াৰ ৰাজধানী ভিয়েনাত দুই ৰাতি থাকি ৰাজকীয়, চমৎকাৰ ভিয়েনাখন উপভোগ কৰাৰ মন। ৰাতিৰ সাজত অকল খাদ্যই নহয় স্থানীয় শিল্পীৰ সুন্দৰ গীতমাতৰ অনুষ্ঠান পৰিবেশন উপভোগ কৰো।

ভিয়েনাৰ সৌন্দৰ্য্য অতি মনোমোহা। ইয়াত আছে বিখ্যাত ভিয়েনা অপেৰা হাউচ, কাষত আছে পাৰ্লিয়ামেণ্ট হাউচ, টাউন হল, হীৰোৰ চ'ক (Hero square)এফালৰ পৰা ঘূৰি ঘূৰি সকলোবোৰ চাই গ'লো। ভিয়েনা সংগীতৰ বাবে বিখ্যাত ঠাই। ইউৰোপৰ পশ্চিমীয়া সংগীত চৰ্চাৰ প্ৰাণকেন্দ্ৰ আছিল ভিয়েনা। ৰজা, প্ৰজা সকলোৱে সংগীত আৰু লগতে সংগীতজ্ঞকো বৰ সন্মান কৰিছিল। মোজাৰ্ট, বিথোভেন, ব্ৰহমছ, ছুৱাট আদি বিখ্যাত সংগীতজ্ঞ সকল ভিয়েনাত বাস কৰিছিল। ভিয়েনাৰ প্ৰাচীন ঘৰবোৰত সুন্দৰ কাৰুকাৰ্য্য আৰু স্থাপত্যৰ আভাস পোৱা যায়। ভিয়েনাৰ ৰাস্তাবোৰ বৰ সুবিধাজনক। খোজকঢ়া, চাইকেলৰ, গাড়ীৰ, ট্ৰাম গাড়ী, মাটিৰ তলত ট্ৰেইনৰ ৰাস্তা বেলেগে বেলেগে বিভক্ত। ইমান শৃঙ্খলাবদ্ধ, সুন্দৰ পৰিস্কাৰ চহৰ কল্পনাতীত। ৰাস্তা-ঘাটৰ লেতেৰা পেলোৱা ডাষ্টবিনবোৰ দুভাগত বিভক্ত। প্লাষ্টিক আৰু জৈৱ সামগ্ৰী বেলেগে বেলেগে পেলাব লাগে। প্ৰায় ২ ঘণ্টাৰ মূৰে মূৰে এইবোৰ চাফা কৰি থকা দেখিলো।

ইয়াৰ পাচত ইউৰোপৰ সেউজ সৌন্দৰ্য্যৰ মাজে মাজে আমাৰ বাচখনেৰে আমাৰ ৪২ জনীয়া পৰ্য্যটকৰ দলটোৱে এটা দীঘলীয়া যাত্ৰা আৰম্ভ কৰিলো। অষ্ট্ৰিয়াৰ পৰা ইটালীলৈ।

এইবাৰ আমি আহিলো ভেনিচলৈ। ভেনিচ আদ্ৰিয়াটিক সাগৰৰ একেবাৰে উত্তৰ উপকূলৰ ফালে অৱস্থিত লেগুন (Lagoon) ৰ ওপৰত বনোৱা চহৰ। পানীৰ মাজৰ ভেনিচ এখন সোপনপুৰী। ইয়াৰ সাতোটি দ্বীপক জলপথেৰে সংযোগ কৰা হৈছে। এই চহৰ অতুলনীয় স্থাপত্য, কলা-ভাস্কৰ্য্য, সৌধ আৰু ৰোমাঞ্চৰে ভৰা। ভেনিচত ১১৮ টা দীপপুঞ্জ, ১৭০ টা খাল বা প্ৰণালী আৰু ৪০০ খন ব্ৰীজ আছে। ভেনিচত প্ৰধানকৈ চাবলগীয়া

স্থানসমূহ হ'ল— চেন্ট মাৰ্ক্ছ চ'ক, চেন্ট মাৰ্ক্ছ বাচিলিকা দজেজ পেলেচ, বাচিলিকা সমূহ, মিউজিয়াম, গ্ৰেণ্ড কেনেল, লেগুণ (Lagoon) আৰু সৰু সৰু দ্বীপবোৰ। মাৰ্ক্সৰ স্কোৱেৰে হল ভেনিচৰ কেন্দ্ৰস্থল। দজেজ পেলেচ, কয়দী ৰখা জেলখন, ক্লক টাৱাৰ যিটোত উঠি গোটেই ভেনিচৰ সৌন্দৰ্য্য উপভোগ কৰিব পাৰি। আমাৰ হাতত সময় থকাত মাৰ্ক্স স্কোৱাৰত বহি মানুহৰ সমাগম চাই, চৰাইবোৰে কেনেদৰে সোণত সুৰগা চৰাইছে চাই ৰ'লো।

ইয়াৰ পাচত খোৰানো গ্লাচ ফেক্টৰীত গ্লাচ এটুকুৰা তপতাই কেনেদৰে সামগ্ৰী তৈয়াৰ কৰা হয় দেখুৱায়। চমৎকাৰ কাৰখানা। চানমাৰ্কোজও অসম্ভৱ ধুনীয়া। চনমাৰ্কোজ গীৰ্জা আৰু ৰাজপ্ৰাসাদ, বাইজেনটাইন প্ৰণালীৰে সোণ চৰোৱা ঢালিৰ কাৰুকাৰ্য্যৰে গঠিত চালে চকুৰোৱা। তাৰ পিছত আমি উপভোগ কৰিলো পৃথিৱী বিখ্যাত 'গণ্ডোলা' (Gondola) নামৰ নৌকা বিহাৰ। সাগৰৰ পানী কেনেল বিলাকেৰে শাৰী শাৰী ঘৰৰ মাজে মাজে সোমাই গৈছে। তাত সুন্দৰ ধেনুভিৰীয়াকৈ সজা ৰং বিৰঙৰ নাওবোৰত প্ৰায় ছয়জনকৈ যাত্ৰী লৈ গোণ্ডুলিয়ান বা নাৱৰীয়াৰ গান শুনি কৰা নৌকা ভ্ৰমণ চিৰস্মৰণীয় হৈ ৰ'ব। ইয়াৰ পিছত আমি দুপৰীয়াৰ আহাৰ ভেনিচৰ এখন হোটেলত খাই ল'লো। তাৰ পিছত আমি এটা সৰু দ্বীপ "বুৰানো" (Burono) লৈ ৱাটাৰ টেক্সিৰে ফুৰিব গ'লো। তাৰ ঘৰবোৰৰ ৰং বেলেগ বেলেগ, ছবিৰ দৰে লাগিল। এই সৌন্দৰ্য্য তথা ভ্ৰমণৰ অভিজ্ঞতা লিখি শেষ কৰিব নোৱাৰি।

পিছদিনা আমি ভেনিচৰ পৰা ৰোমলৈ গ'লো। ৰাস্তাত Asstt.ত Fransisco ৰ জন্মস্থানত থকা গীৰ্জাঘৰটো (তিনিমহলীয়া) চালো। নিশা আমি নিশাৰ ৰোমৰ সৌন্দৰ্য্য চালো। গীৰ্জা ঘৰবোৰ চাই হোটেলত বিশেষ ৰাতিৰ আহাৰৰ লগতে সুন্দৰ গীত-মাত উপভোগ কৰিলো। ৰাতিপুৱা ওলালো ইটালীৰ ৰাজধানী পৃথিৱীৰ ইতিহাসৰ এখন চিৰযুগমীয়া চহৰ ৰোম পৰিভ্ৰমণ কৰিবলৈ।

ৰোমৰ বিখ্যাত স্থাপত্য সমৃদ্ধ স্মাৰক বোৰৰ বিষয়ে বহলাই লিখিলে বহুত লিখিব লাগিব। ৰোমত দেখিলো পৃথিৱী বিখ্যাত কলোচিয়াম (Coliseum) যিটো হৈছে দুহেজাৰ বছৰতকৈও পুৰণি খেল মঞ্চ। ইয়াৰ প্ৰায় ৫০০০ জীৱজন্তু ৰখা হৈছিল। এই জীৱজন্তুবোৰৰ মাজত বিশেষ অৱস্থাৰ সৃষ্টি কৰি যুদ্ধ লগাই সাধাৰণ প্ৰজা আৰু ৰজাই উপভোগ কৰিছিল। আশ্বৰ্য্যকৰ কথা হ'ল জেলত থকা কয়েডী, অপৰাধী আদিৰ মাজতো মল্ল যুদ্ধ পাতি উপভোগ কৰিছিল আৰু পৰাজিত জনক মৃত্যুদণ্ডও বিহা হৈছিল নাইবা ক্ষমা কৰি দিয়া হৈছিল। ৰোমৰ অন্য বিখ্যাত বস্তুবোৰ হ'ল— ৰোমান ফোৰাম, ভেনিচ পেলেচ, ৰোমৰ পুৰণি দেৱ দেৱীৰ মন্দিৰ পান্থেয়ন, ইত্যাদি। গধুলি আমি চহৰৰ মাজৰ অতি সৌন্দৰ্য্যৰ ঝৰণা বা ফাউণ্টেইনবোৰ চাই গ'লো। তাৰ ভিতৰত "Travi" নামৰ ফাউণ্টেইনটো এটা লোক বিশ্বাস আছে যে নিজৰ পিছফালেৰে এই ঝৰণাত এটি মুদ্ৰা দলিয়াই দিলে, ৰোমত পুনৰ এবাৰ আহিব পাৰি। ৰোমৰ গীৰ্জাবোৰ পৃথিৱী বিখ্যাত।

এই ভ্ৰমণ কাহিনীত অতি চমুকৈ দেখিবলৈ পোৱা ঠাইবোৰৰ বিষয়ে উল্লেখহে কৰা হ'ব। পিছদিনা ৰাতিপুৱাই পৃথিৱীৰ ক্ষুদ্ৰ ৰাষ্ট্ৰ ভেটিকান চিটি আৰু মিউজিয়াম চালো। আমি অভিভূত হৈ পৰিলো। আমাৰ পিছদিনাৰ গন্তব্যস্থান ফ্ল'ৰেন্স। অতি সুন্দৰ গীৰ্জা সমৃদ্ধ ইউৰোপৰ নৱজাগৰণৰ চিত্ৰ ফুটি ওলোৱা লিওনাৰ্ড ডা ভিঞ্চি, ডাণ্টে, জি অ'ট আদি মহান ব্যক্তিৰ জন্মস্থান। ইয়াৰ "ভেকিঅ'পেলেচ" হ'ল ফ্ল'ৰেন্সৰ প্ৰতীক চিহ্ন স্বৰূপ।

বহুত দীঘলীয়া যাত্ৰাৰ অন্তত আমাৰ এইবাৰৰ গন্তব্যস্থান চুইজাৰলেণ্ড পালো। বিখ্যাত লুৰ্চান নামৰ চহৰত ৰাতিটো থাকিলো। লুচৰ্নি হ্ৰদৰ লগতে বহুটো হ্ৰদ, chapel ব্ৰীজ নামৰ বিখ্যাত কাঠৰ দলংখন খোজ কাঢ়ি পাৰ হ'লো। ১৯৯৩ চনত এটা চিগাৰেটৰ টুকুৰাৰ পৰা উদ্ভৱ হোৱা জুয়ে এই দলংখন পুৰি পেলাইছিল, যদিও পিছত পুনৰ নিৰ্মাণ কৰা হয়। চুইজাৰলেণ্ডৰ বৰফৰ মাজত যাবলৈ (Mount Titlis) মাউণ্ট টিটলিছত টিকট কাটি আমি পৃথিৱীৰ স্বৰ্গ আল্পছ পৰ্বতৰ ওপৰত বৰফাবৃত মালভূমিলৈ যাত্ৰা কৰিলো। প্ৰথমে আমি গ'লো গ্লাচেৰে বাহিৰলৈ দেখা মাত্ৰ ছয়জন মানুহ যাব পৰা কেৱল কাৰত। তাৰ পিছত পৃথিৱীৰ প্ৰথম ঘূৰি থকা কেৱল কাৰ 'Titlis Rotair'ত প্ৰায় ৭০-৮০ জন লোক যাব পৰা) উঠি পৰ্বত শিখৰত উপস্থিত হওঁ। বৰফত খোজ কাঢ়ি, বৰফৰ লগত পৰ্য্যটকৰ খেল উপভোগ কৰি, হিন্দী চিনেমাৰ বিখ্যাত চুটিং স্থান চাই দিনটো পৰ্বতৰ ওপৰত বৰফৰ দেশত থাকি তললৈ উভতি আহিলো। মনবোৰ যেন এক অপূৰ্ব সুন্দৰ চিত্ৰৰ স্মৃতিৰে সমৃদ্ধ হৈ পৰিল। বেছিকৈ সাহসী লোকসকলে ওপৰৰ পৰা বেছি ওপৰলৈ গৈ 'Titlis Fly' নামৰ ঠাইলৈ যাত্ৰা কৰি আনন্দ লভিব পাৰে। চুইজাৰলেণ্ডৰ বিখ্যাত চুইচঘড়ী আৰু চুইচ বেংকবোৰ চালো। বৰ ভাল লাগিল। ইয়াত ভাৰতীয় ৰেষ্টুৰেণ্ট আৰু ভাৰতৰ পৰ্য্যটক বেছিকৈ দেখিলো।

আমাৰ ভ্ৰমণৰ শেষ স্থান ফ্ৰান্সৰ ৰাজধানী পেৰিছ। দিনটো ভ্ৰমণ কৰি গৈ আবেলি চাৰে চাৰি বজাত চুইজাৰলেণ্ডৰ পৰা পেৰিচত উপস্থিত হ'লো। মানুহে কয় সপোনপুৰী পেৰিচ, প্ৰেমৰ নগৰী পেৰিচ। সচাঁই ৰাতিৰ পেৰিচৰ সৌন্দৰ্য্য অতুলনীয়।

পেৰিচৰ প্ৰতীক স্বৰূপ হ'ল— "আইফেল টাৱাৰ" (Eiffel Tower)। পেৰিচত থকা প্ৰতিটো সন্ধিয়া প্ৰতি ঘণ্টাৰ মূৰে মূৰে উজ্বলি উঠা আইফেল টাৱাৰৰ সন্মুখত বহি সৌন্দৰ্য্য উপভোগ কৰিলো। দিনৰ ভাগত নেপলিয়ন বোনাপাৰ্তে বনোৱা ধেনুভেৰীয়া ওখ তোৰণ চালো। লগতে চালো প্লেচভিল্লা, কনকৰ্ড, অপেৰা হাউচ, মিউজিয়াম আদি। অহাৰ আগদিনা ৰাতি আমাৰ বিদায়ৰ বাবে এখন স্থানীয় ৰেষ্টুৰেণ্টত ৰাতিৰ আহাৰ আৰু গীত মাতৰ আয়োজন কৰা হৈছিল। আমাৰ বিয়াল্লিছ জনীয়া দলটোৰ প্ৰত্যেকৰে মনবোৰ গধুৰ হৈ পৰিল। সকলোৱে সকলোকে বিদায় সম্ভাষণ জনাই শেষবাৰৰ বাবে একেলগে আইফিল টাৱাৰত ২য় মহলালৈ উঠি ৰাতিৰ পেৰিচখনক চাই ল'লো।

পিছদিনা আমাৰ ঘৰমুখী যাত্ৰা। পেৰিচ এয়াৰপোৰ্টৰ পৰা এয়াৰ ইণ্ডিয়াৰ বিমানত দিল্লী অভিমুখে যাত্ৰা কৰিলো। ■

শ্ৰীহীৰেন্দ্ৰ নাথ শৰ্মাৰ প্ৰবন্ধ

# “বিদেশ ভ্ৰমণৰ অভিজ্ঞতা”

সম্পকীয় আলোকচিত্ৰ



লণ্ডন আই



আইফিল টাৱাৰ



কলছিয়াম, ৰোম



ভেনিছ, ইটালী

# প্ৰশাসনীয় সমিতি



ক্ৰমে - মজিবুৰ ৰহমান (অভিভাৱক সদস্য), সোণাৰাম বৰা (অভিভাৱক সদস্য), অনুৰূপ গোঁহাই বৰুৱা (বিশ্ববিদ্যালয় মনোনীত সদস্য), হীৰে
প্ৰাপ্ত অধ্যক্ষ, সম্পাদক), সভাৰাম মজুমদাৰ (সভাপতি), গৌতম গোস্বামী (বিশ্ববিদ্যালয়ৰ মনোনীত সদস্য), ৰোহিণী বৰুৱা (দাতা সদস্য), পূৰ্ণা
প্ৰতিনিধি), ৰূপা লস্কৰ (শিক্ষক প্ৰতিনিধি), ৰুণুমী শইকীয়া (অভিভাৱক সদস্য), পান্নালাল পুৰকায়স্থ (কৰ্মচাৰী প্ৰতিনিধি, অনুপস্থিত)

# মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকল



**বহি বাওঁফালৰ পৰা** - নলিনী বৰা, পাৰুল ভূঞা, প্লাৱিকা নেওগ, ৰূপা লস্কৰ, ৰিজু লস্কৰ, প্ৰদীপ লস্কৰ, হীৰেন্দ্ৰ নাথ শৰ্মা (ভাৰপ্ৰাপ্ত অধ্যক্ষ), পূৰ্ণানন্দ নাথ, পদুম কাকতি, দেবাশীষ শইকীয়া, প্ৰশান্ত লস্কৰ, মিনি দেৱী

**থিয় হৈ বাওঁফালৰ পৰা** - নিৰঞ্জন ঠেঙাল, জগজিৎ বৰুৱা, ভূপেন শৰ্মা, প্ৰশান্ত কুমাৰ দাস, দীপ কলিতা, মণ্টু চেতিয়া, ড° কুশল টাইদ, দীপামণি দাস (পু ভঁৰালী), এলিজাবেথ ঠেক, শিল্পীশিখা শইকীয়া, ৰীণা মেধি, প্ৰণামী লস্কৰ, হিমাক্ষী বৰা, (অনুপস্থিত - নমিতা বৰঠাকুৰ, বিনোদ চন্দ্ৰ বৰা, জ্যোতিৰূপা ডেকা)

# মহাবিদ্যালয়ৰ কৰ্মচাৰীবৃন্দ



**বহি বাওঁফালৰ পৰা** - পান্নালাল পুৰকায়স্থ, অতনু বৰা, অজিত বৰা, পুলিন বৰা, জ্যোতিৰেখা কলিতা, প্ৰদীপ লস্কৰ, অৰূপ বৰদলৈ

**থিয় হৈ বাওঁফালৰ পৰা** - জ্যোতিকা বৰুৱা, খৰ্গেশ্বৰ বৰা, লক্ষীপ্ৰভা ডেকা, নবীন বৰা, শান্তিৰাম লস্কৰ, কাশ্যপ বৰা, অৰূপ বৰুৱা

# আলোচনী সম্পাদনা সমিতি



বহি বাওঁফালৰ পৰা - নলিনী বৰা, বিজু লস্কৰ, মিনি দেৱী, প্ৰদীপ লস্কৰ, পূৰ্ণানন্দ নাথ, হীৰেন্দ্ৰ নাথ শৰ্মা (ভাৰপ্ৰাপ্ত অধ্যক্ষ), পদুম কাকতি, প্ৰশান্ত কুমাৰ দাস, প্ৰসান্ত লস্কৰ
থিয় হৈ বাওঁফালৰ পৰা - প্ৰিয়তম গোস্বামী, ময়ূৰী দাস (সম্পাদিকা), মোক্তাৰ হুছৈন



**সুৰষ স্মিতা বৰা**
মহাবিদ্যালয় সপ্তাহৰ শ্ৰেষ্ঠ গায়িকা



**জাহিৰ আব্বাছি**
মহাবিদ্যালয় সপ্তাহৰ শ্ৰেষ্ঠ খেলুৱৈ



**ৰূপালী বৰ্মন**
District Legal Authority Service ৰ
উদ্যোগত অনুষ্ঠিত ৰচনা
প্ৰতিযোগিতাত প্ৰথম স্থানপ্ৰাপ্ত



**মুনমুন কৰ**
District Legal Authority Service ৰ
উদ্যোগত অনুষ্ঠিত ৰচনা
প্ৰতিযোগিতাত তৃতীয় স্থানপ্ৰাপ্ত



**মন বাহাদুৰ লামা**
মহাবিদ্যালয় সপ্তাহৰ
শ্ৰেষ্ঠ মাৰাথান দৌৰবিদ

**২০১৫-১৬ বৰ্ষৰ মহাবিদ্যালয়ৰ
ছাত্ৰ একতা সভাৰ সদস্যসকলৰ একাংশ**



**কামপুৰ কেন্দ্ৰীয় ৰাস পথাৰত অনুষ্ঠিত
২০১৬ বৰ্ষৰ স্বাধীনতা দিৱসৰ শ্ৰেষ্ঠ এন.চি.চি. দল**





নৱাগত আদৰণী সভা
সাংস্কৃতিক শোভাযাত্রা
কামপুৰ মহাবিদ্যালয়
কামপুৰ মহাবিদ্যালয়
স্বচ্ছ ভাৰত অভিযান-২০১৬
কামপুৰ মহাবিদ্যালয়

গল্প

# নমস্কাৰ ছাৰ

**বিপ্লৱ মণ্ডল,** স্নাতক পঞ্চম ষাণ্মাসিক

চহৰৰ থানাৰ আটাইতকৈ পুৰণা চিপাহী ৰঙা টুপিৰ পুলিচ থানুৰাম নেওগ। সৰুতে গাঁৱৰ পঢ়াশালিত আমি একেলগে পঢ়িছিলো। আমাৰ গাঁওখন চহৰৰ পৰা বেছি দূৰত নহয়। থানা ৰ'ডৰ কাষতেই গাঁওখনৰ নাম বিলপাৰ।

থানুৰাম পুলিচ হ'ল যদিও স্বভাৱ একে থাকিল। ক্ষীণ-মিন চেহেৰা। সেই থানুৰাম দেখাত সেই একালৰ থানুৰামেই হৈ আছে। চামৰাৰ শকত পেটিডাল কৰ্কাঁলত থাকিবই নোখোজে। পুলিচৰ পোছাকটোৰে তাক বৰ আচহুৱা দেখায়।

থানাৰ থানুৰামৰ নিচিনা মানুহ চহৰখনত নাই। সহজ সৰল তাৰ স্বভাৱ। সেয়েহে সি সকলোৰে প্ৰিয়। থানুৰাম পঢ়াশুনাত খুব এটা ভাল নাছিল। দুখীয়া পৰিয়ালৰ ল'ৰা। সি সকলোকে মৰম লগাব জানিছিল। বয়সত ডাঙৰ লোকসকলক বিহিত সন্মান দিব শিকিছিল। পঢ়াশালিৰ শিক্ষকক বাটত দেখিলেতো কথাই নাই। পোনেই চিঞৰ মাৰি কয় — নমস্কাৰ ছাৰ।

এই নমস্কাৰ ছাৰক লৈ যি হ'ল এদিন, আমাৰ প্ৰধান শিক্ষক ভাৰত গোস্বামী মানে 'হেড ছাৰ' আমাৰ শ্ৰেণীত সোমাল। এইখিনিতে কৈ থওঁ ছাৰে অৱসৰ লোৱাৰ সময় হৈছিল। তেখেত বৰ খঙাল মানুহ আছিল। সেয়েহে আমি তেখেতৰ অজানিতে দুৰ্বাসা নাম দিছিলো। গালে মুখে দাড়ি আৰু টেলেকা চকু। সাইলাখ দুৰ্বাসা।

তেখেতক দেখিয়েই আমি ঘপহকৈ থিয় হ'লো। একেলগে সকলোৱে ক'লো — নমস্কাৰ ছাৰ।

ছাৰে একো নক'লে। সতৰ্ক দৃষ্টিৰে মাথো এজন এজনকৈ সকলোকে চকু ঘূৰাই গ'ল। শেষত ক'লে — থানুৰাম ক'ত?

ছাৰ সি অহা নাই।

তাৰ কি হৈছে? হেড্ ছাৰে সুধিলে।

নাজানো ছাৰ।

ওঁ। ছাৰে ক'লে।

তাৰ পিছত ধুতিখন আঁঠুলৈকে কোচাই আমাক সুধিলে —

এয়া দেখিছ?

দেখিছো ছাৰ। সকলোৱে সমস্বৰে চিঞৰিলে।

কি দেখিছ? আকৌ প্ৰশ্ন।

ছাৰ আপোনাৰ আঁঠুত কাপোৰ বন্ধা আছে।

কিয় কাপোৰ বন্ধা আছে আৰু কিয় বান্ধিব লগা হ'ল তহঁতে জান?

নাজানো ছাৰ। আটাইৰে মাতত আতংক নিহিত।

তাৰ কাৰণ হ'ল 'নমস্কাৰ ছাৰ'।

সকলোৱে মৌন হৈ ৰ'ল।

কিবা বুজিলিনে?

নাই বুজা ছাৰ। আমি যেন অলপ সাহ পালো।

তেনেহ'লে তহঁত সবেই শুন।

অলপ সময় ৰৈ ছাৰে আমাৰ সকলোৰে প্ৰতি দৃষ্টি নিক্ষেপ কৰিলে। তাৰ পিছত পুনৰ আৰম্ভ কৰিলে।

আজিৰ পৰা মই চাইকেল চলাই বাটেৰে গৈ থাকিলে তহঁতে কোনেও মোক নমস্কাৰ নিদিবি। বুজিলিনে?

বুজিলো ছাৰ।

কি বুজিলি গৰুহঁত?

আপুনি চাইকেল মাৰি গ'লে আমি নমস্কাৰ দিব নালাগে।

বেচ, আজি তহঁতক ছুটী দিয়া হ'ল।

হেড ছাৰ ওলাই যোৱাৰ পিছত কাউৰীৰ বাহত হে জুই লাগিল। আমি আনন্দতে কিতাপৰ টোপোলা ফলি আদি সামৰি বাহিৰলৈ ঢপলিয়ালো। কোনোবা দুটা মানে চিঞৰি চিঞৰি দৌৰি দৌৰি গাই গ'ল — ছুটী, ছুটী — গৰম গৰম ৰুটি?

থানুৰাম পিছদিনাও স্কুললৈ নাহিল। হেডছাৰে তাৰ খবৰ

লৈছিল। তেখেতে আমাক কৈ গ'ল, থানুৰামক ভয় কৰিবলৈ হাক দিবি। কাইলৈৰ পৰা সি স্কুল আহিব।

পিছদিনা থানুৰাম শ্ৰেণীলৈ আহিল। পিছৰ বেঞ্চত ভিজা মেকুৰীৰ দৰে বহি আছে। আমি তাৰ ওচৰলৈ গৈ বেৰি ধৰিলো। সুধিলো — কিহৰ বাবে তাক হেড ছাৰে বিচাৰি আছিল।

আচল কথাটো তেতিয়াহে জোলোঙাৰ মেকুৰী ওলোৱাৰ দৰে ওলাল। দেওবাৰৰ দিনা সি আলিৰ কাষত বৈ পি ডব্লিউ দিৰ মানুহে ৰাস্তা বনোৱা কাম চাই আছিল। কয়লাৰে চলা প্ৰকাণ্ড ৰে'লৰ ইঞ্জিনটো অগা পিছা কৰি আলিটো বেলনাৰে ৰুটি বেলাৰ দৰে সমান কৰি আছে। পাৰি থোৱা শিলৰ ভঙা টুকুৰাবোৰৰ ওপৰেৰে মানুহবোৰে সন্তৰ্পনে খোজ পেলাই দেওঁবৰীয়া হাটলৈ অহা যোৱা কৰি আছে। চাইকেল আৰোহী-বোৰেও একেথৰে তললৈ লক্ষ্য কৰি সাৱধানে শিল পাৰি থোৱা ঠাইখিনি পাৰ হ'বলৈ চেষ্টা কৰিছে। কিছুমানে সাহ নকৰি চাইকেলৰ পৰা নামি বাটডৰা পাৰ হৈছে।

এনেতে হাটৰ পিনৰ পৰা আহিল আমাৰ হেড ছাৰ। চাইকেলৰ হেণ্ডেলত আৰু কেৰিয়াৰত এবোজাকৈ বজাৰ। পাৰি থোৱা শিলৰ ওপৰেৰে হাফ পেডেল মাৰি পাৰ হ'বলৈ চেষ্টা কৰিলে হেড ছাৰে। চকু তললৈ। হেণ্ডেলত ভালদৰে ধৰি আছে সন্তোলন ৰাখিবৰ বাবে।

থানুৱে ছাৰক দেখা পালে। ওচৰ পোৱাৰ লগে লগে ৰ'লাৰৰ ঘৰ্ ঘৰ্ শব্দক তল পেলাই চিঞৰ মাৰি দিলে। 'ছাৰ নমস্কাৰ' — হাত দুখন তাৰ কপালত। ভোট খুজিবলৈ অহা প্ৰাৰ্থীৰ দৰে।

তাৰ টেটুফলা চিঞৰত হেড ছাৰৰ মনোযোগ ভঙ্গ হ'ল। মূৰ ঘূৰাই চাই নিমিষতে তাক দেখি তেওঁ ক'বলৈ খুজিলে নম ...। বাকীখিনি কণ্ঠৰ পৰা নোলাল। চাইকেলেৰে ৰ'লাৰখনৰ পিছফালে খুন্দা মাৰি দিলে। হেড ছাৰ চাইকেলৰ পৰা চিটিকি গ'ল। চাৰিওফালে হুৱা দুৱা লাগিল। কথা বিষম দেখি থানুৰাম ফৰিং ছিটিকা দিলে। সি ইমান ভয় খালে যে একেবাৰে নদী ঘাটত গৈ গৰা এটাৰ পিছফালে আন্ধাৰ নোহোৱালৈকে লুকাই থাকিল হেনো। স্কুললৈ আহিবলৈ তাৰ সাহস হেৰাই গ'ল।

এয়া হ'ল এক অধ্যায়। এতিয়া শুনক অইন এটা কাণ্ড।

আমাৰ পাঠশালালৈ নতুন শিক্ষক এজনৰ আগমন হ'ল। ডেকা মানুহ। তেখেত এনেই ভালেই আছিল। পিছে কথা ক'লে মাজে মাজে খকোজা লাগে। মানে তেখেতে কথা ক'লে খোনায়। আমাক পঢ়াই থাকোতে কেতিয়াবা কথা লাগি ধৰে। যেনে — বুবুৰ এজনী আছে ৰাজহাঁহ যোৰ পু ... পু ...। আমি সহায় কৰি দিওঁ — 'পুখুবীত' ছাৰ। ছাৰেও সকাহ পায়। আমালৈ চাই তৃপ্তিৰ হাঁহি মাৰে।

এদিন ছাৰৰ বিয়া হ'ল। নতুন কইনাৰে আহি পঢ়াশালি চৌহদৰ খেল পথাৰখনৰ সিমূৰত থকা খেৰীঘৰটোত থিতাপি ল'লে। আমাৰ খুব কৌতূহল। ছাৰৰ কইনাজনী কেনেকুৱা চাবলৈ সকলো উদগ্ৰীৱ। ভালদৰে ওচৰৰ পৰা কোনেও দেখা পোৱা নাই।

সেইদিনা ছাৰ শ্ৰেণীলৈ অহাত অলপ পলম হৈছে। সুযোগ এটা মিলিল। ছাৰক মাতি অনাৰ সিদ্ধান্ত হ'ল। সেই চলতে ন কইনাৰ দৰ্শন হ'ব। আমি দুটামানে ছাৰৰ ঘৰটোলৈ বুলি আগবাঢ়িলো. ওচৰ পাই শুনা পালো। ছাৰে কৈ আছে তু তু তুমি ফু ফু ফুল, ম ম মই ভো ভো ... আমাৰ লগত থকা থানুৱে চিঞৰ মাৰিলে। 'ভোমোৰা' ছাৰ।

ঘৰৰ ভিতৰত আতঙ্কিত নাৰী কণ্ঠ — কোন ঔ এইকেইটা।

একে দৌৰে গোটেই কেইটাই আহি শ্ৰেণীত সোমাই ভাল ল'ৰাৰ দৰে বহি ৰ'লো। বহু দেৰিলৈকে ফোপনি মৰাই নাছিল। সেইদিনা ছাৰৰ আমাৰ শ্ৰেণী লোৱা নহ'ল।

আকৌ এদিন আমাৰ বৰা ছাৰৰ ঘৰত পালনাম আছিল। ছাৰৰ সেয়েহে ভাগৰ পলোৱাই নাছিল। আমাক নিজে নিজে পঢ়ি থাকিবলৈ ক'লে। হুলস্থূল নকৰিবলৈ সাৱধান কৰি দি টেবুলত মূৰটো থৈ টোপনতি লালকাল দিলে। গৰমৰ দিন, তাতে মৃদু মলয়া বৈ আছে। ছাৰৰ মূৰটোত এডালো চুলি নাছিল। টপা মূৰটো ঘামত চিকচিকাই আছে। ছাৰৰ নাক বাজিছিল। তাকে শুনি বৰ ফুৰ্তি পাইছিলো। থানুৱে কিন্তু একান্ত মনে ছাৰৰ মূৰটোৰ পিনে চাই আছিল। তাৰ চকুত ৰক্তপিপাসু এটা ডাঙৰ মহ ধৰা পৰিছে। মহটোৱে ছাৰৰ টপা মূৰটোৰ ওপৰত দুবাৰমান ঘূৰি কোন ঠাইত পৰিব তাকে থিৰ কৰিব খুজিছিল বোধকৰো। থানুৰামৰো অৱস্থা পুতৌজনক। ভয়াৰ্ত্ত চকুৰে ছাৰলৈ চাই কান্দো কান্দো হৈ সি মাথো ক'লে ছাৰ মস্ত এটা মহ ...।

বাকীখিনি কি হ'ল আপোনালোকেই অনুমান কৰক। তাৰ পিছত মই খুড়াৰ লগত চহৰলৈ আহি তাতে থাকি পঢ়া শুনা কৰিলো। গতিকে বহু বছৰ থানুৰ খা-খবৰ পোৱা নাছিলো। পাছত এদিন জানিব পাৰিলো যে পুলিচ চাহাবৰ ঘৰত সি ঘৰুৱা সহায়ক হিচাপে হেনো খাটি আছিল। পুলিচ চাহাবে তেওঁৰ বদলি হোৱা সময়ত মৰমতে তাক ৰঙা টুপি চিপাহীৰ চাকৰিত ভৰাই দিছিল। পিছত সি বিয়াও কৰাইছিল বুলি শুনিছিলো। পিছে তাৰ তিৰোতাজনীয়ে তাক এৰি পিছত অইনলৈ বুলি গুচি গ'ল। বেচেৰাই সেই দুখতে নিতৌ আন্ধাৰ হ'লে ডিউটিৰ পিছত ডিঙিটো তিয়াই নিজক পাহৰিবলৈ চেষ্টা কৰে। তাৰ পিছত বীৰ দৰ্পে ঘাই পথত থিয় দিয়ে। ৰাস্তাৰে অহা যিকোনো গাড়ী আহিলে ইঙ্গিত দি ৰখাবলৈ নিৰ্দেশ দিয়ে। মদাৰ তলত তিনি আলিৰ চ'কত নমাই দিব লাগে। কোনেও আপত্তি নকৰে। বহুতে তাক চিনিও পায়। ভালো পায়।

সেইদিনা পিছে থানুৰামৰ ডিউটিৰ পৰা ঘৰলৈ ওভতাত বহু পলম হ'ল। নতুনকৈ অহা ডেকা চিপাহী কেইটাই তাক

দাদা বুলি মাতে। সিহঁতে থানুক তাহাঁতৰ বেৰেক লৈ মাতি নি মৰমতে অলপ বেছিকৈ খুৱাই দিলে। সিহঁতৰ মৰমক থানুৰামে নেওচা দিব নোৱাৰিলে। ফলত বহু নিশা হ'ল। মেইন ৰাস্তা পাওঁতে গাড়ী মটৰ নোহোৱা নিচিনাই। এনেতে আহক এখন এম্বেছাদৰ। ৰ'বলৈ দিয়াত ৰ'ল। আগফালৰ দৰজাখন খোল খালে। থানুৰামে ক'লে মদাৰ তলৰ তিনিআলিত নমাই দিব লাগে।

তাৰ মাতত কিছু কঠোৰতা। পুলিচ ড্ৰেছত আছে তাতে। ছিটটোত মূৰটো পেলাই দিলে। সুৰাদেৱীয়ে তাক আদৰ কৰিবলৈ আৰম্ভ কৰিছিল। তাৰ পিছত নিদ্ৰাদেৱীয়ে তাক আকোৱালি ল'লে।

এটা সময়ত মহৰ কামোৰত সি সাৰ পালে। দেখিলে নিজৰ ল'কআপত সি বন্দী। পিছত গম পালে সি উঠা গাড়ীখনত এছ পি চাহাব ক'ৰবাৰলৈ গৈছিল। তেখেতে তাক আনি থানাত গতাই দিছিল তেনে অৱস্থাত। ৱাৰ্নিং দি যেনিবা চাহাবে সেইবাৰলৈ পিছদিনা এৰি দিলে।

তেতিয়াৰে পৰা এছ পি চাহাবৰ নাম শুনিলেই সি ভয় খোৱা হ'ল। সেয়েহে এবাৰ থানাৰ টেলিফোনৰ ডিউটিত থাকোতে 'মই এছ পিয়ে কৈছো বুলি শুনিয়েই সি ছেলুট মাৰি দিলে। হাতৰ পৰা ফোন থনৰকৈ টেবুলত সৰি পৰিছিল। থত্ মত্কৈ সেইটো তুলি পুনৰ কাণত লগাই কৈছিল মই কনিষ্টবল শ্ৰীথানুৰাম নেওগে কৈছো ছাৰ। তাৰ স্বৰত তেতিয়া আতংক। অষ্ঠ কণ্ঠ শুকাই গৈছে তাৰ।

এছ পি চাহাবে সুধিলে — অ' চি আছেনে? মুখেৰে তাৰ উত্তৰ নোলাল। মূৰটো ওপৰ তলকৈ দুপিয়ালে। সম্মতিজনক ইঙ্গিতেৰে। মানে আছে। এনেতে যেনিবা ভাৱপ্ৰাপ্ত বিষয়াজনে একে থাপতে আহি ফোনটো ধৰি পৰিস্থিতি চম্ভালি ল'লে।

এইদৰেই থানুৰাম কনিষ্টবলৰ দিনবোৰ গৈ আছে। এবাৰ খৰালিত থানাৰ চৌহদৰ কুঁৱাৰ পানী কিমান নামিছে থানুৰামে চাবলৈ গ'ল। মূৰটো তললৈ কৰি কুঁৱাৰ দেৱালত পেটৰ ভেজা দি চাই থাকোতে কোনোবাই কোৱা শুনিলে এচ পি ছাৰ আহিছে। কি হ'ল সি ততেই ধৰিব নোৱাৰিলে। মূৰটো তল কৰি কুঁৱাৰ ভিতৰত সৰি পৰিল।

চাৰিওফালে হুৱাদুৱা লাগিল। ৰচি নমাই দিয়া হ'ল। অ' চিয়ে তাক ক'লে ভালদৰে ৰচিত ধৰি ল'।

কেইবাজনো মানুহে ৰচি টানিছে। থানুৰামে ৰচি ডালত ভালকৈ ধৰি লৈছে। লাহে লাহে তাক টানি ওপৰ উঠালে। তেনেতে সি এচ পিক দেখা পাই তেনে অৱস্থাতে ৰচিৰ পৰা হাত এৰি ছেলুট মাৰি দিলে। এক মুহূৰ্ততে সি সৰি পৰিল। কুঁৱাৰ পানীত জপংকৈ শব্দ হ'ল। অ' চিয়ে তাক খুব ধমকিয়ালে। আকৌ সি ওপৰ উঠিল। এচ পি চাহাবক দেখা পোৱাত আকৌ এনে কাণ্ড হ'ল।

এচ পি চাহাবে নিজেই তাৰ পৰা আঁতৰি গ'ল। এইবাৰ থানুৰাম কুঁৱাৰ ভিতৰৰ পৰা বাহিৰ ওলাল।

দূৰৰ পৰা এচ পি চাহাবে তাক দেখি মিচিকিয়াই হাঁহিলে। 'ক'ৰ বছুৱা অ' এইটো? তেওঁৰ মুখৰ পৰা আৰু দুটা শব্দ ওলাল। 'ফানি চ্যাপ'। ■

**অমৃত বচন**

*দানৰ সমান বিধি নাই, লোভৰ সমান শত্ৰু নাই, চৰিত্ৰৰ সমান ভূষণ নাই, সন্তোষৰ সমান ধন নাই।*

— বুদ্ধদেৱ

# চকুলোৰে হাঁহিৰ ফুলপাহ ফুলিল

**প্ৰগতী কলিতা,** স্নাতক তৃতীয় ষাণ্মাসিক

মানুহৰ ভাগ্যত কি লিখা থাকে কোনেও নাজানে। সকলোৰে মাথো বিচাৰে সুখ। হাঁহি হাঁহি পাৰ কৰিব বিচাৰে জীৱনৰ প্ৰতিটো পল, অনুপল। কিন্তু পায় জানো? পায় জানো সকলো মানুহে গোলাপে নিৰ্মিত সেই কোমল শয্যা? দুখ বেদনা আৰু হতাশাৰ চকুলো আদি সীমাহীন বেদনাৰে জীৱন ভৰি পৰিলেও আশাৰ বাবে জীয়াই থাকে মানুহ। এয়াই হয়তো সংগ্ৰাম, এয়াই হয়তো জীৱন।

'খুৰাদেউ! মোক কেইটামান পইচা লাগিছিল। বেয়া নাপায় যদি দিয়কচোন। হয় পথাৰৰ বোকা ৰুই দিম নহয় ধান-চাউল ছালি জাৰি দিম।' লগে লগে মুখ ভেঙুচাই খুৰাদেউ চিঞৰি উঠিল— 'তোৰ বাবে মই পইচা গোটাই থোৱা নাই। মোক কাম কৰি দিব নালাগে তই। আঁতৰ হ বেগতে।'

লাজ অপমানত জৰ্জৰিত হৈ লিনাই এটাও শব্দ উচ্চাৰণ নকৰি গুচি আহিল ঘৰলৈ। ভাবিলে তাই— 'কি কৰা যায়।' ল'ৰা-ছোৱালীহালৰ এড্‌মিশ্বনৰ ফিজ, বেমাৰী মাকৰ চিকিৎসাৰ খৰচ। জানে তাই, তাইৰ বাবে মান-সন্মানৰ কোনো মূল্য নাই। কিন্তু তাই কাৰো ঘৰত চুৰ কৰিবলৈ যোৱা নাই, এনেয়েও বিচৰা নাই। কেতিয়াবা অত্যন্ত ধনী মানুহৰ ঘৰতো একো নাথাকিব পাৰে, তথাপি এনেদৰে হ'লে কেনেকৈ জীয়াই থাকিব? সিদিনা অজন্তা খুৰীহঁতৰ ঘৰত কাম কৰিলে দিনৰ দিনটো। টকা-পইচাৰ কথা নায়েই, খালেনে নাই তাই সেই কথাও এবাৰলৈ কোনেও নুসুধিলে। সেয়া বিয়া ঘৰৰ ব্যস্ততা বুলি তাই পাহৰি যাব খুজিলে।

সিদিনা শেৱালি খুৰীদেউহঁতৰ পথাৰত পুৱা আঠ বজাৰ পৰা আবেলি ছাৰে পাঁচ বজালৈকে কঠিয়া ৰুই উঠি যেতিয়া খুৰীক তাই পইচা বিচাৰিছিল খুৰীয়ে চিধাই ক'লে — "তই পইচা নাপাৱ নহয়। মাৰৰ আগৰ ধাৰ আছিল, সেয়াই নমৰিল, বাকী থাকিলহে।" লিনা গুচি আহিল খালী হাতে উদাস মনেৰে। সেইদিনা লিনাৰ ঘৰত খুদকণো নাছিল। ভাবিলে তাই, ক'ত যাব, কি কৰিব। সন্ধ্যাও হৈ আহিছে।

ঘৰলৈ আহি দৌৰা দৌৰিকৈ হাতত মোনাখন লৈ ভবানীৰ দোকান পালেগৈ। ভবানীক ক'লে — "যেনেতেনে এক কেজি হ'লেও চাউল দিয়ক। কালিলৈ ধাৰ মাৰি দিম।" ভবানীয়ে একেষাৰতে নিদিও বুলি ক'লে। তথাপিও তাই অনুৰোধ কৰি ক'লে — 'চাওক, আজি বাকী নিদিলে তাইৰ ঘৰত আটাইকেইটাই লঘোণে থাকিব লাগিব।" এইবাৰ খঙেৰে ভবানীয়ে চিঞৰি ক'লে — "তোৰ ঘৰত মানুহ লঘোণে থাকিব মোৰ কি হ'ল। দাদাই বাকী দিবলৈ মানা কৰিছে মোক।"

হাতত খালী মোনাখন লৈ ঘৰলৈ উভতিল লিনা। মন ভৰি পৰিল বিষাদেৰে। খালী মোনাখন যেন বিৰাট গধুৰ হৈ গ'ল। কেৰাচিনো নাই। হয়তো ঘৰত আজি চাকিও নজ্বলিব। 'উস কি কৰা যায়!'

হাতৰ মোনাখন আন্ধাৰতে থৈ আন্দাজ কৰি লেম চাকি থোৱা ঠাইৰ পৰা চাকিটো খেপিয়াই লৈ কাষৰ অৰুণি নবৌৰ ওচৰলৈ গ'ল। অকণমান কেৰাচিন তেল বিচাৰি।

"নবৌ! এক আঙুলমান কেৰাচিন তেল দিয়কচোন। মই আনিলে দি দিম।" অৰুণি নবৌয়ে ক'লে — "নাই অ' লিনা। থাকিলে দিলোহেঁতেন।"

হাতত খালী চাকিটো লৈ ঘৰ পালেহি লিনা। মাকে কেকাই গেথাই বিছনাত শুই আছে। জোন আৰু সোণ কান্দি কান্দি বিছনাত উচুপি আছে। ফেকুৰি ফেকুৰি কৈছে সিহঁতৰ ভোক লাগিছে। তাইৰ কৰিবলৈ একো উপায় নাই। আন্ধাৰতে বহি তাই দুহাতেৰে মুখ ঢাকি উচুপি উঠিল।

লিনাই জানে, দিনৰ দিনটো আজি সিহঁত লঘোণে আছে। তথাপিও যে তাইৰ দিবলৈ একো নাই। কাম কৰিলেও যেতিয়া প্ৰাপ্য নাপায়, বাকী বা ধাৰলৈও বিচাৰিলে যেতিয়া অকণমান

সহায় নাপায়, তাইৰ উপায় ক'ত! তাইৰ জানো ভোক লগা নাই! গৃহস্থই যি অলপ খোৱা বস্তু পথাৰলৈ বান্ধি পঠাইছিল, সেয়া তাই ওভতাই পঠালে। কিয় ওভতালে সেই কথা আজি গোপন হৈয়ে থাকিল। দিনৰ দিনটো কামৰ ভাগৰত ক্লান্ত হৈ দুচকু মচি লিনা দুৱাৰ ঘৰ জপাই শুবলৈ গ'ল। বিচনাত উঠিবলৈ গৈ মনত পৰিল, ভৰি হাত মুখ একোৱেই ধোৱা নহ'ল। আকৌ তাই আন্ধাৰতে খেপিয়াই দুৱাৰখন খুলি ওলাই গ'ল। আগফালৰ পুখুৰীটোলৈ। চেন্দেল ক'ত থাকিল বিচাৰি উলিওৱাটো সম্ভৱ নহয়। ভৰি হাত ধুই আহি দুৱাৰ মুখত পাৰি থোৱা বস্তাখন জোকাৰি তাতে ভৰিহাল মচি দুৱাৰ জপাই বিছনাত উঠিল।

কেকাই কেকাই মাক উঠিল — "আই অ' লিনা। অকণমান পানীকে আনচোন। হায়ৰে হায় ভগৱান, ওচৰত পানী এটুপিও নাই যেন পাওঁ। এই জোন, সোণে আইতাকৰ ওচৰত অকণমান পানীও থ'ব নোৱাৰিলেনে।"

"দিয়াচলাইটো তোৰ ওচৰত আছে নেকি মা?" সুধিলে তাই। "আছে নেকি চাচোন গাৰুৰ তলত," ক'লে মাকে। খেপিয়াই খেপিয়াই লিনাই মাকৰ ওচৰ পালেগৈ। গাৰুৰ তলত হাত ভৰাই চলাইটো লৈ কাঠি এটা মাৰি লিনাই লৰালৰিকৈ পাকঘৰ পালেগৈ। জ্বলি শেষ হৈ যোৱা কাঠিটো পেলাই আন এটা কাঠি জ্বলাই তাই কোনোমতে পানী এঘটি লৈ আহিল। পানীকণ খাই মাকে ক'লে — 'আজি একো নাপালি। ইহঁত দুটা ভোকতে থাকিল।'

লিনাই মাকক কি ক'ব। একো নামাতিলে তাই। এমুঠি ভাতৰ বাবেই, দুটা টকাৰ বাবেই তাই কত পৰিশ্ৰম কৰিছে। লিনাই একো নমতা দেখি সোনমণিয়ে ক'লে — "মায়ে ঘৰে ঘৰে খাই পেট ভৰাই আহিছেতো। আমি ভোকত থাকিলে, মাৰ কি হ'ল।" লিনা স্তম্ভিত হৈ ৰ'ল। সোনমণিয়ে এয়া কি কয়। তাই উঠি অহা খণ্ডটো দমাই ল'লে। এৰা, ইহঁতৰ হয়তো বৰ ভোক লাগিছে। জোনমণিয়ে ক'লে — "ঐ পেক্‌পেকাই নাথাকিবি। মায়ে ছাগৈ ক'তো একো নাপালে। ভোক লাগিছে যদি পানী এগিলাছ খাই মনে মনে শুই থাক।"

জোনমণিৰ কথাই লিনাৰ বাক্‌ৰুদ্ধ হৈ পৰা হৃদয়ৰ দ্বাৰা ধুমুহা গতিৰে খুলি পেলালে। হুক্-হুকাই কান্দিবলৈ ধৰিলে। জোন, সোণ আৰু বেমাৰী আইতাকেও কান্দিবলৈ ধৰিলে।

লিনা মাকৰ চতুৰ্থ সন্তান। সৰুতেই দেউতাকক হেৰুৱাই মাকৰ অপৰিসীম কষ্ট আৰু মৰমৰ মাজত ডাঙৰ হৈছিল অজিত, ৰজিত আৰু বায়েক সুবৰ্ণৰ লগতে তাই। অত্যন্ত ধনী নহ'লেও যথেষ্ট মাটি-বাৰী, সা-সম্পত্তিৰ গৰাকী আছিল। পিছে দেউতাকৰ মৃত্যুৰ পাছত পৰিয়ালটোৰ জীৱনলৈ নামি আহিছিল দুখৰ ধুমুহা। এজনে আহি কৈছিল মোৰ ওচৰত ইমান ধাৰ আছে — আনজনে আহি ক'লে মোৰ ওচৰত ইমান এনেকৈ আছে। এই দৰে বহুজন ওলাইছিল সিহঁতৰ ঘৰত ধাৰ মূল বিচাৰি। কিন্তু প্ৰকৃততে দেউতাক জানো তেনেকুৱা বিধৰ মানুহ আছিল। তথাপিও ধাৰৰ বোজা লৈ সুখী জীৱন নিবিচাৰি সেই ধাৰ পৰিশোধ কৰিছিল মাকে। শেষত একো নোহোৱা হৈছিল। ফলত বহুত পৰিশ্ৰম কৰিব লগা হৈছিল মাকৰ লগত বায়েকেও। দিন পাৰ হৈ গৈ থাকিছিল তেনেকৈয়ে। বহুত দিনৰ মূৰত সুখৰ দিন হিচাপে সুজিত আৰু ৰজিতৰ চাকৰি হ'ল। ইয়াতকৈও আৰু কি লাগে সিহঁতক।

এদিন খুৱাকৰ ছোৱালী সীমাৰ গিৰিয়েকৰ বন্ধু চাকৰিয়াল সুজিতৰ লগত লিনাৰ বিয়াখন হৈ গৈছিল। সৰু ছোৱালী বুলি বহুত ওজৰ আপত্তি কৰা হৈছিল যদিও, সুজিতে নামানিলে। ছোৱালী চাবলৈ আহি লিনাক পছন্দ কৰিলে আৰু ক'লে যে তাইক বিয়া কৰাবলৈ নাপালে জীৱনত সি বিয়াই নকৰে।

এদিনতো ছোৱালী মানুহক বিয়া দি উলিয়াই দিবই লাগিব। সেয়েহে অদূৰদৰ্শিতা অথবা ভাগ্যৰ লিখনি মানিয়েই হৈ গৈছিল লিনাৰ বিয়াখন। আজিৰ পৰা তেৰ-চৈধ্য বছৰৰ আগতেই পোন্ধৰ বছৰীয়া লিনাই সংসাৰৰ একো নজনাকৈয়ে বোৱাৰী জীৱনত ভৰি দিছিল।

কোনেও ভবা নাছিল দেখাত ভদ্ৰ মৰমিয়াল সুজিতৰ যে স্বভাৱত এজন অতি তুচ্ছ মনৰ সন্দেহবাদী যুৱক। লিনাই জানো ভাবিছিল তাইৰ চিৰ জনমত সঙ্গী, হেপাহৰ সেই স্বামীজন কলুষিত মনৰ অধিকাৰী বুলি। ভাবিছিল তাই প্ৰাণৰ লগৰীজনৰ বুকুৰ মাজত থাকি ৰচি যাব তাই জীৱনৰ সাত ৰঙৰ ৰামধেনু। পৃথিৱীৰ আন বোৱাৰীৰ দৰেই সুখী হ'ব তাই। সুখৰেই ভৰি পৰিব সিহঁতৰ জীৱনৰ মুহূৰ্ত। কিন্তু বিয়াৰ কেইদিনমানৰ পাছৰ পৰাই সুজিতে লিনাক বিভিন্ন কথা কৈ অতিষ্ঠ কৰিবলৈ ধৰিলে। বিয়াৰ ডেৰ বছৰৰ মূৰত জন্ম হ'ল জোনৰ। জোনৰ পাঁচ বছৰৰ বয়সত জন্ম হ'ল সোণ। লাহে লাহে সিহঁত ডাঙৰ হ'ল। সিহঁত দুটাক স্কুলত নাম লগাই দিলে। সিহঁত দুটা স্কুললৈ যোৱাৰ পাছত লিনাই হাতত দাখন লৈ পাহাৰে পাহাৰে কেঁচা, শুকান খৰি বুটলে। পুৱা ৯ বজা আৰু সন্ধ্যা আগে আগে সিহঁতক ভাত কেইটা যতনাই দিব লাগে।

এদিন সুজিতে মাছ-মঙহ আনি নিজে ৰান্ধি অকলে খাই শুই থাকিল। জোন আৰু সোনে নিমখ, তেলেৰে ভাত খাই বিছনাত পৰি কান্দি আছিল। এপাকত সুজিতে শুই থকা লিনাৰ গাত পানী ঢালি দিলে। লিনাই একো নক'লে। কাৰণ তাই জানে যে তাই তাক কিবা সুধিব লাগিলে সি তাইক ডিঙি চেপি হত্যা কৰিব। বহুদিন, বহুৰাতি তাই এনেকুৱা অত্যাচাৰ সহি আহিছে। আৰু নহ'ব। তাইৰ মনলৈ সাহস আহিল। আহিল জীয়াই থকাৰ দুৰ্বাৰ আকৰ্ষণ।

লিনাই সাহস গোটালে। এই পৃথিৱীত সুজিতৰ অবিহনে জানো জীয়াই থাকিব নোৱাৰিব। জোন আৰু সোনক লৈ তাই মাকৰ ঘৰলৈ যোৱাৰ কথা ভাবিলে। সদায় মামা, মামাকৈ বিচাৰি কান্দি থকা জোনহঁতেও ক'লে— মা আমি মামা আইতাৰ

কাষলৈ গুচি যাওঁ ব'লা। তেওঁলোকৰ ওচৰত নির্ভয় মনে থাকিব পাৰিম।

লৰালৰিকৈ দুৱাৰখন জপালে। যাত্ৰাৰ প্ৰথম খোজটো দিবলৈ গৈ ৰৈ গ'ল লিনা। কিমান কষ্টেৰে ঘৰখন সজাইছিল। প্ৰয়োজনীয় সকলো বস্তু গোটাইছিলো। এই সকলোবোৰৰ মায়া এৰি সিহঁত যাবলৈ ওলাইছে মাকৰ সেই শৈশৱ বিজৰিত আপোন ঘৰলৈ। সকলোৱে সিহঁতক মৰমেৰে আকোৱালি ল'ব। এইবোৰ এৰি সুজিতক এৰি যোৱা মুহূৰ্ততো লিনাই ভগৱানক কাকুতি জনালে। হে ভগৱান! এই মনুষ্যত্বহীন পুৰুষজনক সুমতি দিয়া।

জোনে মাকক ক'লে 'মা কি ভাবিছা। দেউতা পালেহি তিনিওটা একেলগে মৰিব লাগিব। লিনাহঁত মাকৰ ঘৰলৈ গুচি আহিল। বহুদিন হ'ল ঘৰৰ মানুহে কোনোদিনে লিনাক একো কোৱা নাই। ওচৰৰ বা গাঁৱৰ মানুহে একো কোৱা নাই। মানসিক ভাবে সঁচাকৈয়ে লিনা হাৰি গৈছে। কি কৰিব তাই ইহঁত দুটাক মানুহ কৰাৰ সপোন বিফলে যাব নেকি?

জোনমনিয়ে মাকক ক'লে মা, ইয়াত অসহ্য লাগিছে। ব'লা গুচি যাওঁ। জোনৰ কথাত আচৰিত হ'ল লিনা। জোনে ক'লে — দেউতাৰ কথা মই জানো। মাৰ লগতে আমাকো বহুত শাস্তি দিলে। ভাবিছিলো মামাহঁতৰ ওচৰত আমি সহায় পাম, কিন্তু নাপালো।

ভবা মতেই কাম। তিনিওটাই প্ৰয়োজনীয় ইটো-সিটো লগত লৈ মাকৰ ঘৰলৈ যাবলৈ ওলাল। মাকৰ মৰম আৰু প্ৰেৰণাই হ'ল লিনাৰ পথ প্ৰদৰ্শক। ইমান অত্যাচাৰ, ইমান কথা শুনিও মাকে যেতিয়া বাৰে বাৰে তাইক কয় — ভুল নকৰিবি আই, পতিয়েই হ'ল পত্নীৰ দেৱতা। খঙত লিনাই কয় — যি দেৱতাই পূজাৰ অৰ্থ নাজানে, আৰতি গ্ৰহণ কৰিব নাজানে, সেই দেৱতাৰ পূজাৰ অৰ্থ ক'ত। এদিন মাকৰ ভৰিত সেৱা জনাই আশীৰ্বাদ বিচাৰিলে। হিয়া উজাৰি মূৰত হাত ফুৰাই মাকে আশীৰ্বাদ দিলে তাইক। সোন আৰু জোনেও সেৱা জনালে আইতাকক। আৰু গুচি গ'ল লিনাহঁত উভতি তাইৰ গিৰিয়েকৰ ওচৰলৈ। গুৱাহাটীলৈ। ভাগ্যত কি লিখা আছে সেয়া পাছত দেখা যাব। লিনাক যিমান বেয়া ব্যৱহাৰ নকৰক, কিন্তু লিনাই কাকো বেয়া ব্যৱহাৰ নকৰে।

'অনদা' নামৰ ওচৰৰ মানুহজনীয়ে কৈ কৈ কান্দিছে — আহিল তাই সহায় পাম বুলি ঘৰখনলৈ, কিন্তু নাপালে। আনকি নাপালে তাই ওচৰ-চুবুৰীয়াৰ এষাৰ মাত। পুৱা ছয় বজাত গুৱাহাটীৰ গণেশগুৰিত নাইট চুপাৰৰ পৰা নামি পৰিল লিনাহঁত।

মা, সৌৱা চোৱাচোন কোন? গাড়ীৰ পৰা নামিয়েই দেউতাকক দেখা পাই জোনে চিঞৰি উঠিল। দূৰৰ পৰা লক্ষ্য কৰিলে তাইৰ মানুহজনৰ মুখত আছেনে বাৰু সেই নিষ্ঠুৰতাৰ প্ৰলেপ। হ'লনে বাৰু তেওঁৰ হৃদয়ৰ পৰিৱৰ্তন। মা, চোৱাচোন। দেউতা আমাৰ ফালেই আহি আছে। আগবাঢ়ি আহি এখন হাতেৰে লিনাৰ পৰা ভি আই পিটো লৈ আনখন হাতেৰে হাত ফুৰালে সিহঁত দুটাৰ মূৰত। কথা ক'ব পৰা নাই সুজিতে। ডিঙিত যেন লাগি আছে গধুৰ কিবা বস্তু। লিনাই লক্ষ্য কৰিছে সুজিতৰ দুচকুত যেন সীমাহীন বুলৰ অযুত কাকুতি। লিনা! পাহৰিব নোৱাৰিবা জানো আগৰ কথাবোৰ। ভুল হ'ল, বহুত ভুল লিনা। দুচকু সেমেকি উঠিল সুজিতৰ। জানা লিনা, সদায় আহো সন্ধ্যা আৰু পুৱা এই ঠাই খনলৈ। জানোচা আহা তোমালোক। আজি মোৰ মিনতি শুনিলে তেৱাই। হে ভগৱান! ধন্যবাদ তোমাক। তোমাৰ মহিমা অপাৰ। পকেটৰ পৰা ৰুমালখন উলিয়াই দুচকু মচি মচি কৈ গ'ল সুজিতে। লিনা, কথা দিয়া মোক এৰি এনেদৰে গুছি নাযাওঁ বুলি। হুক হুকাই কান্দি উঠিল সুজিতে ব্যস্ত ৰাজপথৰ মাজত। নিৰৱে উচুপি উঠিছিল লিনা। আনন্দৰ সুখৰ। সুজিতৰ নিষ্ঠুৰ হৃদয়ত সঞ্চাৰিত প্ৰেমৰ ভাৱনাত। এনেকৈয়ে হাঁহি আৰু চকুলোৰ মিলন জ্যোতিৰে লিনাহঁতৰ জীৱনলৈ নামি আহিল একাজলি উজ্জ্বল পোহৰ। ■

**অমৃত বচন**

*নজনাটো কোনো লাজৰ কথা নহয়, কিন্তু শিকিবলৈ আগ্ৰহ নকৰাটোহে অতি লাজ আৰু পৰিতাপৰ কথা।*

— *হেমচন্দ্ৰ বৰুৱা*

# আধা লিখা কবিতা

**আতাবুৰ ৰহমান,** স্নাতক তৃতীয় ষাণ্মাসিক

হাতৰ ঘড়ীটোলৈ চালে ছাদিয়াই — ৭ বাজি ৪০ মিনিট। নাই, এতিয়াও তাই আৰু অফিচ পিয়নটোৰ বাহিৰে কলেজলৈ কোনো আহি পোৱা নাই। অৱশ্যে বৰ্তমান সহপাঠীসকল অলপ দেৰিকৈয়ে আহে, কলেজতো তেনে বিশেষ অনুষ্ঠান নাই বুলিবই পাৰি। কলেজৰ এই অকলশৰীয়া সময়বোৰত তাই বৰ অস্বস্তি অনুভৱ কৰে। তাইৰ মানসপটত অংকিত হৈ থকা ছবিবোৰ বহুত কষ্টেৰে পাহৰিব খুজিও নোৱাৰা হৈ পৰিছে।

"ছাদিয়া" নামটো তাইৰ মাক-দেউতাকহঁতে দিয়া নহয় আৰু জন্মসূত্ৰে পোৱাও নহয়। ব'হাগৰ এটি ৰিঙা ৰিঙা বতৰত এটি মিঠা আবেলিত এটা সুন্দৰ স্ব'কৈচৰ ভিতৰত এপাহ কপৌফুলৰ সৈতে তাই নামটো পাইছিল। এখন বগা কাগজত কেইটামান মিঠা মিঠা সম্বোধন "ছাদিয়া ... ফুলৰ ..."। আলফুলে স্ব'কৈচটো খুলি ফুলপাহ উলিয়াই আনিছিল। কপৌফুলৰ মৃদু সুবাস ... দেহৰ সিৰা-উপসিৰাত যেন কোনোবাই চুই গ'ল। তাই অনুভৱ কৰিলে এক অবুজ শিহৰণ। এক অনাবিল সুখত দুচকু মুদি সাৱটি ধৰিলে ফুলপাহক। প্ৰতিটো পাহতেই যেন অয়নৰ হাতৰ পৰশ আৰু মৰমবোৰ বিলীন হৈ আছে। তাইৰ এনে লাগিছিল যেন সেই পাহত থকা মৰমবোৰে এতিয়াও তাইৰ মৰমৰ বাবে ৰৈ আছে। পুনৰ ফুলপাহ স্ব'কৈচৰ ভিতৰত ভৰাই থ'লে।

সংসাৰৰ খলা-বমা পথেৰে আহি থাকোতে তাই বহুতো পথিককে লগ পাইছিল। তাইৰ হৃদয়ৰ ডায়েৰীৰ পৰা সকলোৰে ঠিকনাবোৰ হেৰাই গ'ল। কিন্তু অয়ন?? তাৰ ঠিকনাটো যে এতিয়াও ছাদিয়াৰ ডায়েৰীৰ মাজত থাকি গ'ল। সি যেন জন্ম-জন্মান্তৰৰ চিনাকি। কোনোবা আপোন, অতি আপোন।

কেইবছৰ মানৰ আগতে অয়নৰ সৈতে তাইৰ চিনাকি হৈছিল। তাৰ ঘৰুৱা সকলোবোৰ কথা জনাৰ পাছত কিয় জানো তাৰ প্ৰতি তাইৰ ইমান মৰম জাগিছিল, তাই বুজি নাপালে। প্ৰকৃততে তাই ভাবিছিল — অয়নে কিজানি বুজি পাইছে তাইৰ মনৰ কথা। সিও যেন তাইৰ পৰা মৰম বিচাৰে, প্ৰেৰণা বিচাৰে। তাই ভবা নাছিল যে সেয়া এক অভিনয় হ'ব বুলি।

সিহঁতৰ চিনাকিৰ পিছতে সিহঁতৰ মাজত এক গভীৰ বন্ধুত্ব আৰম্ভ হ'ল। দিন যোৱাৰ লগে লগে সিহঁতে এজনৰ অনুপস্থিতি আনজনে সহ্য কৰিব নোৱাৰা হ'ল। দিনটোৰ ভিতৰত যিকোনো প্ৰকাৰে ইজনে আনজনৰ মনৰ খবৰ লয়।

মেট্ৰিক পাচ কৰি হায়াৰ ছেকেণ্ডাৰীত এডমিচন লৈছিল যদিও এটা বছৰ কিয় সি পৰীক্ষা দিয়া নাছিল ছাদিয়াই জনা নাছিল। কিন্তু তাৰ পিছৰ বছৰত তাক পৰীক্ষা দিয়ালে। তাইৰ মৰম-অনুশাসনৰ মাজত থাকি সি যেতিয়া হায়াৰ ছেকেণ্ডাৰী পাছ কৰিলে, সেই দিনা যে তাই ইমান আনন্দ পাইছিল। তাই ভাবিছিল তাইৰ সমান সুখি কোনোৱেই নাই। ঈশ্বৰক নীৰৱে কৈছিল, "তুমি সঁচাকৈ মহান।"

কিন্তু আজি! ছাদিয়াই বুজা নাছিল সপোনবোৰ যে কাঁচৰ দৰে ঠুনুকা, বাস্তৱ বৰ নিষ্ঠুৰ। প্ৰত্যেক মানুহে দেখা সপোনবোৰ কেতিয়াও বাস্তৱত নেদেখে। মানুহেতো আকাশৰ তৰাটো আজুৰি অনাৰ সপোন দেখে, কৃষ্ণচূড়াৰ দৰে ৰঙীন ৰঙীন কল্পনা কৰে। কিন্তু নিয়তিৰ নিষ্ঠুৰ পৰিহাসত কালে সকলোবোৰ নিঃশেষ কৰি পেলায়।

ছাদিয়াই ভবা নাছিল অয়ন ইমান নিষ্ঠুৰ হ'ব পাৰিব। যিটো অয়নে ২৪ ঘণ্টাৰ ভিতৰত তাইৰ খবৰ নাপালে পগলাৰ দৰে ছটফটাই থাকে সেই অয়নে আজি তাইক নিৰুদ্বেগ ব্যৱহাৰ কৰে। ছাদিয়াৰ হাঁহি উঠি যায়, "কি স্বাৰ্থপৰ মানুহ!" নিজৰ স্বাৰ্থ সিদ্ধিৰ বাবে মানুহে কি কৰিব নোৱাৰে। মানুহক ওপৰলৈ উঠিবলৈ যিদৰে এডাল জখলাৰ প্ৰয়োজন, মাজপানীত থকা নাওঁখনকো তেনেকৈ পালখনৰ প্ৰয়োজন, কিন্তু ওপৰলৈ উঠাৰ পিছত জখলাডালৰ কোনো প্ৰয়োজন নাথাকে ঠিক তেনেদৰে

পাৰ পোৱাৰ পিছতো পালখনৰো প্ৰয়োজন নাথাকে। অয়নে তাইক ঘৃণা কৰা সত্ত্বেও ছাদিয়াই তাক আগৰ দৰে মৰম কৰে। তাই ঈশ্বৰক প্ৰাৰ্থনা জনায় যেন তাইৰ জীৱনৰ সকলো সুখ তাক দিয়ক আৰু তাৰ জীৱনৰ প্ৰত্যেকটো সংকটে তাইৰ জীৱনত ভুমুকি মাৰক। তাইৰ আশা মাথো সি সুখত থাকক। কাৰণ তাই তাক ইমান মৰম কৰে যে সি কোনোদিন দুখ পোৱাটো নিবিচাৰে।

সঁচাকৈয়ে কিয় জানো পাহৰিব খুজিও পাহৰিব পৰা নাই অতীতৰ স্মৃতি। প্ৰথম যেতিয়া অয়নে টেবুলৰ ওপৰত সৰু সৰু কবিতাৰ টুকুৰা কিছুমান লিখি থৈ গৈছিল, তাই অনুভৱ কৰা নাছিল। ভাবিছিল সি এইবোৰ এনেয়ে লিখা। তাই জানিছিল অয়নৰ কবি সুলভ মন এটা আছে। কিন্তু আন এটা কবিতাৰ পৰা তাই চিন্তা কৰিব লগা হৈছিল। কবিতাটো আছিল —

"বাস্তৱ যিমানেই কঠোৰ নহওক
প্ৰেম মই বুজো
মই স্বীকৃতি বিচাৰো
তোমাৰ প্ৰেমৰ।"

ছাদিয়াই টুকুৰাটো সযতনে থৈ দি বহুতো কথাই ভাবি গ'ল। ক্ষন্তেকৰ বাবে হ'লেও ধুমুহাজাকে হৃদয়খনক চুই কিবা যেন খেলি মেলি লগাই গ'ল। দুদিন মানৰ পিছত তাই পালে আন এটা কবিতা, ৰঙা চিয়াহীৰে লিখা —

"হৃদয় তন্ত্ৰীত ঝংকাৰ
আৰু তোমাৰ হাঁহিটিত
তেজবোৰ উদ্দাম জুৰি হয়
প্ৰেমবোৰ মৃদু মলয়া
ফুলবোৰে যেন
গুণগুণাই গীত গাই
মাজ সাগৰত নাৱৰীয়াজনে
নাওখন পালতৰি দিলে
মই যে বহুত পিছত।।"

ছাদিয়াই কবিতাটো পঢ়ি তাক কিবা সুধিম বুলি ভাবিছিল যদিও সুধিব নোৱাৰিলে। তাই মাথো ভাৱিছিল — তাই জানো এতিয়া কাৰোবাৰ হৃদয় তন্ত্ৰীত ঝংকাৰ তুলিব পাৰে। বহুদিন চিন্তা কৰিব লগা হৈছিল। ভাৱিছিল ব্যৱহাৰৰ কোনোবাখিনিত চঞ্চলতা প্ৰকাশ পাইছে।

দুদিনমান সি ছাদিয়াৰ ওচৰলৈ অহা নাছিল। সি তাইলৈ এখন চিঠি দি পঠিয়াইছিল। নাম ঠিকনা বিহীন চিঠিখনত মাথো লিখা আছিল — "সময় হাতত থাকিলে আৰু মন শান্ত হ'লেহে পঢ়িবা।" তাইৰ বুকুখন দুৰুদুৰুকৈ কপিছিল। কি লিখা আছে চিঠিখনত বাৰু, যে মন শান্ত হ'লেহে পঢ়িবলৈ কৈছে! তাইৰ ব্যগ্ৰতাৰ সীমা নাই। কিন্তু ঘৰত চাৰিওফালে মানুহ। কি কৰিব তাই। সকলোকে দেখুৱাই পঢ়িবও নোৱাৰে। কথাটো যদি ঘৰৰ মানুহে অন্য ধৰণে লয়।

লাহে লাহে আবেলিৰ পোহৰে বিদায় মাগিলে আৰু নামি আহিল সন্ধ্যা। তাই ঘৰত চাকি দিয়াৰ সময় হ'ল। কাৰণ গা-মূৰ ভাল থাকিলে চাকি-বন্তি দিয়া কাম ফেৰা আনক কৰিবলৈ দিয়াতকৈ নিজে কৰিলেহে তাইৰ ভাল লাগে। সেই সুযোগতে তাই চিঠিখন পঢ়িলে। এবাৰ ... দুবাৰ ... বহুবাৰ ... নাই ছাদিয়াই যেন বুজিও নুবুজে। তাই জানে সি তাইক মৰম কৰে, শ্ৰদ্ধা কৰে আৰু সিও জানে ছাদিয়াই তাক যিমান মৰম কৰে আন কাকো সিমান মৰম নকৰে। তেনেস্থলত সি আকৌ চিঠি লিখি জনাবলগীয়া হ'ল নে? নে ছাদিয়াৰ মৰমবোৰ সি কৃত্ৰিম বুলি ভাবিলে। সেয়ে হয়তো সি লিখিছে — "তুমি মোক বাহ্যিকভাৱেহে বুজা, মোৰ হৃদয়ৰ অভ্যন্তৰৰ বননিখন বুজাৰ চেষ্টা নকৰিলা। মোৰ এনে লাগে যে মোৰ কিবা অভাৱ আছে। হয়তো সাহসৰ অভাৱ, যাৰ বাবে মই কাৰোবাৰ পৰা কিবা বিচাৰিব নোৱাৰো।" ছাদিয়াই ভাবি নাপালে তাই কি কৰিব। মনটো বহু অতীতলৈ উৰা মাৰিলে। স্মৃতিৰ টুকুৰা কিছুমানে কোমল ঠাইটুকুৰাত খুন্দিয়াই থৈ গ'ল। তাই আৱেগক কঠোৰভাৱে দমন কৰিলে। এই বয়সত ইমান আৱেগিক হ'লে শোভা নাপায়। কিন্তু মানুহৰ বয়স বাঢ়িলেও হৃদয়খন চাগৈ কোমল হৈয়ে থাকে।

নিজকে কিবা অসহায় অনুভৱ কৰিছিল। তাই যে অয়নক হেৰুৱাব নুখোজে। কি জানো মায়া সনা আছে তাৰ দুচকুত। ইমান দিনে তাই তাক অনুশাসন কৰিছিল, মৰম কৰিছিল। কিন্তু এই মৰমবোৰ কি বুলি অয়নে ভাবিছিল। প্ৰেম ভালপোৱা নে আন কিবা। সেয়ে তায়ো প্ৰত্যুত্তৰত লিখি পঠিয়ালে যে তাই কোনোদিনে তাক বাহ্যিকভাৱে চোৱা নাছিল। চাইছিল মাথো আভ্যন্তৰীণভাৱেহে। সেয়ে তাই সদায় তাৰ হৃদয়ত জিৰাব বিচাৰে এজনী প্ৰেমিকা হিচাপে। উস! সেই চিঠিখনৰ উত্তৰত অয়নে লিখা শব্দকেইটামান কোনোয়েই পাহৰিব নোৱাৰিব। যেতিয়ালৈকে হৃদয় নামৰ যন্ত্ৰটো ধ্বংস নহয়। "তোমাৰ লিখনিবোৰ এজাক ধুমুহা বৰষুণ। খেতিয়কৰ হৃদয়ত জুৰ মলয়াৰ বা লগোৱাৰ বহু সময় অপেক্ষাৰ পিছত পোৱা এজাক বৰষুণ। যি শস্যৰ বাবে সময়ত প্ৰয়োজন হয়। হৃদয়ৰ হেনো নিজৰ ভাষা তাকে। আজি ময়ো উপলব্ধি কৰিছো আন একো নাথাকিলেও প্ৰেমেৰে পৰিপূৰ্ণ এখন হৃদয় থাকিলে মানুহ অনায়াসে জীয়াই থাকিব পাৰে।"

অয়নৰ এই চিঠিখনে ছাদিয়াক সলনি কৰিলে। তাই ভাবিলে — যদি তাইৰ মৰমৰ ভালপোৱাই অয়নৰ ভগ্ন হৃদয় জোৰা লগাই জীয়াই থকাৰ প্ৰেৰণা যোগাব পাৰে তেনে হ'লে তাই তাকে কৰিব। সঁচা মানুহক জীয়াই থাকিবলৈ টকা-পইচাৰ উপৰিও কাৰোবাৰ সঁচা হৃদয়ৰ মৰম, ভালপোৱাৰ প্ৰয়োজন। অয়নক লগ পোৱাৰ পিছত তাইৰ হেৰাই যোৱা ওঠৰ হাঁহিবোৰ আকৌ ঘূৰি আহিছিল। জেঠমহীয়া ৰ'দত শুকাই ফাট মেলা

পথাৰ খনত বৰষুণ পৰি জীপাল হোৱাৰ দৰেই তাইৰ মনটো তাৰ মৰমেৰে সজীৱ কৰি তুলিছিল। তাই অনুভৱ কৰিছিল যে তাৰ অবিহনে তাইৰ জীৱনটো আধৰুৱা। কিন্তু ছাদিয়াৰ যে সেইখিনিতেই ভুল হ'ল। প্ৰত্যেকজন মানুহৰ হৃদয় যে ইমান মহান হ'ব নোৱাৰে সেই কথা তাই ভাবিব পৰা নাছিল। অন্ততঃ একো নোপোৱাকৈ এজন ল'ৰাই তাৰ প্ৰেম জীয়াই ৰাখিব নোৱাৰে — সেই কথা বুজা উচিত আছিল। বৰ্তমান প্ৰেম মানেই Give and take ! সকলো Physical তাই ভাবিছিল হিয়া উদঙাই মৰম কৰিলে তাইক পাহৰি নাযাব। নাই তিনিটা বছৰৰ পিছত অয়ন অহা বাটেৰে উভতি গ'ল। উপহাৰ দিলে এবুকু বেদনা। সেয়ে হয়তো কবি ৰবীন্দ্ৰনাথ ঠাকুৰে কৈছিল — "প্ৰেমৰ আনন্দ স্থায়ী নহয়, বেদনাহে স্থায়ী।" কিহৰ শাস্তি দিলে অয়নে তাইক প্ৰেম নিবেদন কৰি। এইবোৰ কেতিয়াবা তাক তাইৰ সুধিবৰ মন যায়। অশেষ চেষ্টা কৰিও তাই অয়ন নামটো তাৰ প্ৰতিচ্ছবিটো হৃদয়ৰ পৰা মচিব পৰা নাই।

ৰবাৰ্ট ব্ৰাউনিঙলৈ এলিজাবেথে লিখা কবিতা এটি পঢ়ি অয়নে তাইলৈও এটি কবিতা লিখিলে —

Let you lose all hearts
Count the all always
to leave me.
Keats said,
"I can hear to die
I can not hear to leave you."
My sight shows such
My situation also thus.

তেনেহ'লে কি এইবোৰ অভিনয় আছিল? যদি সঁচাকৈ আছিল অয়নে ইমান সোনকালে পাহৰিব পাৰিলে কেনেকৈ? যেতিয়া ছাদিয়াই সিহঁতৰ সম্পৰ্ক ভুল বুলি কৈছিল, তেতিয়া অয়নে ডান্টে বিয়েট্ৰিছৰ প্ৰেমৰ উদাহৰণ দি কৈছিল — "মোক, তুমি নাপাহাৰিবা, তোমাৰ অবিহনে মোৰ এই জীৱন আধৰুৱা।" সি কৈছিল — কাৰোবাক পবিত্ৰ হৃদয়েৰে ভাল পোৱা সত্ত্বেও কিয় মাথো যন্ত্ৰণাহে উপহাৰ পায়? ছাদিয়াই নিজকে ভাগ্যবান বুলি ভাবিছিল। অয়নৰ অলপ সঁচা মৰম আৰু অকণমান সান্নিধ্যত জীৱনটোক সুন্দৰ কৰাৰ বাহিৰে তাই একো বিচৰা নাছিল। কিন্তু ঘড়ীৰ কাঁটাৰ পৰিৱৰ্তন হোৱাৰ দৰে, নৈয়ে গতি সলোৱাৰ দৰে অয়ন সলনি হ'ল কিয়?

টেবুলৰ ওপৰত থকা কাগজখন টানি আনি হাতত থকা কলমটোৰে কিবা এটা লিখিবলৈ চেষ্টা কৰিলে তাই —

"যি বাটেৰেই আহিছিলা এদিন
সেই বাটেৰেই গ'লা গুচি
এৰি গ'লা বিষাদৰ স্মৃতিবোৰ
আহিবানে আকৌ
শৰতৰ স্নিগ্ধ জোনাক আৰু
নিয়ৰসিক্ত শেৱালিৰ সুবাস লৈ
আচলত মুৰ থৈ জিৰাবলৈ
এবুকু মৰমৰ উমত!
আকৌ প্ৰবাহিত হ'বনে ফল্গু ধাৰা
মোৰ চোতালৰ তলেৰে ...!"

ঘটং! কাৰোবাৰ কিবা থোৱা শব্দত তাইৰ চিন্তাত বিঘিনি ঘটিল। কোনোবাই দেখাৰ আগতে লিখা হৈ থকা কবিতাটো বেগৰ ভিতৰত সুমুৱাই থ'লে। ইতিমধ্যে আন সহপাঠীবোৰ আহি নিজৰ নিজৰ ঠাইতে বহিল। তাইৰ কবিতাটো আধা লিখাতে ৰ'ল। ■

## অমৃত বচন



**একাগ্ৰতা থাকিলে সদায় অন্তৰৰ বাসনা পূৰ্ণ হয়।**

**—মহাত্মা গান্ধী।**

# এখনি অভিমানৰ নৈ

**লতামণি মহন্ত,** স্নাতক তৃতীয় ষাম্মাষিক

ৰীমা অফিচৰপৰা আহিয়েই বিচনাত দীঘল দি পৰিল। তাইৰ বহুত ভাগৰ লগা যেন লাগিল। আনদিনা হোৱা হ'লে তাই আহিয়েই হাত মুখ ধুই ফ্ৰেচ হৈ একাপ কফি খালেহেঁতেন। কিন্তু আজি তাইৰ মন যোৱা নাই। আজি যেন তাইৰ মূৰত পুৰণা খং এটাই উক দিছে। হৃদয়ত যেন এসোঁতা অভিমানৰ নৈ বৈ গৈছে। তাই চকুকেইটা জপাই দিওঁতেই দিনটোৰ ঘটনাবোৰ দৃশ্যপটত ভাঁহি আহিব ধৰিলে। হঠাৎ আজি অফিচত তাইক বিচাৰি এজনী ছোৱালী (বোৱাৰী বুলিয়েই ক'ব লাগিব) আহিছিল। সাধাৰণতে অফিচত তাইক লগ ধৰিবলৈ কোনো নাহে। তাইৰ কাম হ'ল অফিচৰ ফাইলবোৰ চাই দিয়া। তাই আঁচৰিতেই হ'ল।

পিয়নটোক ক'লে — "বাৰু তুমি পঠিয়াই দিয়াচোন"।

দুই মিনিটমানৰ পাছত এগৰাকী শকত মহিলাই হাঁহি মুখে দুৱাৰত নক কৰিলেহি। তাইৰ মানুহজনী ক'ৰবাত দেখা যেন লাগিল। তাই মানুহজনীৰ ফালে থৰ লাগি চাই ৰ'ল। মনৰ দৃশ্যপটত কিছুমান ছবি ভাঁহি আহিল।

— "আৰে চন্দনা" তাই জপিয়াই উঠিব খুজিছিল যদিও নিজকে চম্ভালি বহি ৰ'ল।

— "বাপৰে চিনি পাইছ তেনেহ'লে"।

— "অঁ', ইমান দিনৰ মূৰত ক'ৰ পৰা ওলালিহি"? অভিমানেৰে ভৰা কণ্ঠেৰে তাই ক'লে।

— অঁ', মই কিবা কাম এটাত ইয়ালৈ আহিছিলো। মহিলা সমিতিৰ কামত। তয়ো ইয়াতে থাক বুলি গম পালো। সেয়ে খবৰটোকে লৈ যাওঁ বুলি সোমালো।

চন্দনাৰ জীৱনৰ সুখ-দুখৰ কথাবোৰ তাইৰ আগত কৈ গ'ল। তাই বান্ধৱীৰ দুখৰ কথা শুনি আবেগিক হৈ পৰিছিল যদিও তাই বাহিৰত সেইটো নেদেখুৱালে। অলপ সময় কথা পাতি চন্দনা গ'লগৈ। তইয়ো অফিচৰপৰা সময়মতে গুচি আহিল। অহ্ আন্ধাৰেই হ'ল দেখোন। কথাবোৰ যে কিমান সময় ধৰি তাই ভাবি আছিল গমেই নাপালে। ল'ৰালৰিকৈ তাই উঠি গ'ল। একাপ কফি বনাই ল'লে। বেলকনিৰ কোমল শাৰদী জোনৰ পোহৰত কফিত চমুক দিলে।

চন্দনা আৰু তাই ল'ৰালি কালৰ বান্ধৱী আছিল। চন্দনা বেচ স্বল্পভাষী আৰু শান্ত স্বভাৱৰ আছিল। দুয়োজনীৰ ইমান মিলাপ্ৰীতি আছিল যে হোমৱৰ্ক পৰ্যন্ত একেলগে কৰিছিল। পাছত মাষ্টৰে একে হোৱা দেখা পাই দুয়োজনীকে গালি দিছিল। দুয়োজনীৰ মনৰ সকলো কথা শ্বেয়াৰ কৰিছিল দুয়োজনীয়ে। মেট্ৰিক আৰু হায়াৰ ছেকেণ্ডাৰী পৰীক্ষাত দুয়োজনীয়ে প্ৰথম বিভাগত পাছ কৰিছিল।

ইতিমধ্যে চন্দনাৰ দেউতাকৰ টেন্সফাৰ হৈছিল। গতিকে দুয়োজনী একেলগে পঢ়া নহ'ল। তাই দূৰৰ কলেজ এখনত নাম লগালে। তেতিয়া দুয়োজনীয়ে টেলিফোনতে ঘণ্টাৰ পিছত ঘণ্টা ধৰি কথা পাতিছিল। দুয়োজনীয়ে ভালকৈ পঢ়াৰ প্ৰতিশ্ৰুতি দিছিল।

তাৰ এমাহমানৰ পাছতেই....

কলেজৰ পৰা ৰীমা আহি থকাৰ সময়ত হঠাৎ চন্দনাৰ নিছিনা ছোৱালী এজনী দেখা পালে। ভালকৈ চাই দেখিলে আৰে তাইতো চন্দনায়ে হয়। লগত এজন অচিনাকি ল'ৰাও। তাই আচৰিত হৈছিল যে তাই কলেজৰ ইউনিৰ্ফমত আহিছে। তাকো এজন ল'ৰাৰ লগ.... ঘপহকৈ ৰীমাক তাই দেখিছিল। তাইৰ মুখৰ বৰণ সলনি হৈ গৈছিল। ৰীমাই মাত দিব বুলি ভাবিছিল কিন্তু.... তাই দেখিও নেদেখাৰ ভাও ধৰি গুচি আহিছিল।

ৰীমাই কথাটোত হয়ভৰ দি তাইৰ পাছ ল'লে। হঠাৎ মানুহজনী নোহোৱা হৈ গ'ল। অলপ সময়ৰ পাছত তাইক এখন গাড়ীত ল'ৰাজনৰ লগত কথা পাতি থকা দেখিবলৈ পালো। তাই মোক (অৰ্থাৎ দুয়োজনীকে) দেখা পাই অলপ অপ্ৰস্তুত হ'ল।

"তই ইয়াত অকলে কি কৰিছ, ক'ত যাব?" ৰীমাই ক'লে।

"নাই এনেই"

তাইক অলপ ধমক দি সোধাতহে তাই গোটেই কথাখিনি ক'লে... কথাখিনি কৈ তাই মুখ ঘূৰাইছিল। ৰীমাৰ তাইৰ কথাখিনি শুনি চক্ লগাদি লাগিছিল। তথাপিও তাই চন্দনাক বহুত বুজাইছিল। মাক-দেউতাকৰ কথা কৈ বহুত বুজাইছিল। তাই নিজৰ মতত কিন্তু অটল হৈ আছিল।

তেতিয়াই তাইৰ হৃদয়ৰ মাজেদি এখনি অভিমানৰ নৈ বৈ গৈছিল। ইমান ভাল, ইমান ওচৰৰ লগৰীয়া হৈ তাই মোক আৰু মাক-বাপেকক বিশ্বাসঘাটকতা কৰিলে। কিমান আশা আছিল তাইৰ ওপৰত মাক-বাপেকৰ একমাত্ৰ সন্তান বুলি। কিন্তু তাই...

তাৰপাছত আজি প্ৰায় ২০ বছৰৰ পাছত তাইক লগ পালো। তাইক বহুদিনৰ মূৰত দেখা পাই বহুত ভাল লাগিছিল যদিও সেইদিনাও তাইৰ ওপৰত বহুত অভিমানেৰে হৃদয়খন ভৰি আছিল এখনি অভিমানৰ নৈ হৈ। ■

# গহনা

**ধন্তি বৰদলৈ,** স্নাতক তৃতীয় যান্মাষিক

ভৰি ক'ত পৰিছে ক'বই নোৱাৰে তাই, কেৱল কাম আৰু কাম। এনেকুৱা যে তাইৰ ওপৰতে বিয়াৰ সম্পূৰ্ণ দায়িত্ব। কাক কি ক'ম, কোনে কি কৰিব, কোনোবা আলহীয়ে বেয়া পাই যাব নেকি, কাৰিকৰৰ কামবোৰৰ তদাৰক কৰা, বেণ্ড-পাৰ্টি বজোৱা মানুহক চাহ দিয়া হ'বনে নাই ইত্যাদি ইত্যাদি কামবোৰত যেন তাই সম্পূৰ্ণ চকু ৰাখিব।

এজনী মাত্ৰ বায়েক ঘৰখনত বিয়া বুলি এয়াই প্ৰথম, মনত যে কিমান উগুল-থুগুল। বিয়াৰ দিন ঠিক হোৱাৰ পৰাই যে পল্লৱীৰ আনন্দত সীমা নাইকীয়া হ'ল। বায়েকৰ বিয়া হ'ব, বিয়াত সকলো দূৰ-দূৰণিৰ পৰিয়ালৰ লোক আহিব, সকলোকে বহু দিনৰ মূৰত লগ পাব। দেউতাক মাকৰ সৈতে বিয়াৰ বজাৰ কৰিব, তাই কি কি কাপোৰ ল'ব বা বায়েকৰ কি কি কাপোৰ, গহণা কিনিব তাই তাৰ হিচাপ কৰিয়ে শেষ কৰিব পৰা নাই। তাই যে কলেজলৈ যাব লাগে পাহৰি পেলাইছে। তাইৰ গাত বিয়াৰ বতাহ সঁচাকৈ বিয়পি পৰিছে। হাতত কলম বহী লৈ সদায় যে কিমান হিচাপ! বায়েক জাহ্নৱীক কি কি বস্তুৰে সজালে ভাল দেখিব, কি পিন্ধিলে জাকত-জিলিকা হৈ উঠিব আদি চিন্তাৰে তাই বিভূৰ হৈ পৰিছে। দৰাঘৰৰ পৰা কেনেকোৱা বা গহণা দিয়ে, সেয়া পিন্ধাই দিয়াৰ পাছত বাক কেনেকুৱা লাগিব; আমাৰ ঘৰত বনোৱা খাৰু যোৰটো সৰু হ'লেও বাৰ হাতখনত ভালেই লাগিব ইত্যাদি ...।

পল্লৱীৰ সীমাহীন চিন্তাবোৰ দেখি বায়েক জাহ্নৱীয়ে কেতিয়াবা তাইকো গালি পাৰে যদিও মনতে ভালো পায়। পল্লৱী কলেজলৈ কেইদিনমান যোৱাই নাই, মাকে সেই কথা সোঁৱৰাই দিয়াত তাইৰ আজিহে চকু মেল খালে। তাই কলেজৰ কথা পাহৰিয়ে পেলাইছিল।

পল্লৱী যোৱা বছৰ প্ৰৱেশিকা পৰীক্ষাত পাছ কৰি উচ্চতৰ মাধ্যমিকৰ প্ৰথম বৰ্ষত নাম ভৰ্তি কৰি কলেজলৈ অহা-যোৱা কৰি আছে। প্ৰৱেশিকা পৰীক্ষাত দ্বিতীয় বিভাগত উত্তীৰ্ণ হোৱা পল্লৱীৰ এখন ব্যক্তিগত কনিষ্ঠ মহাবিদ্যালয়ত পঢ়িবলৈ মন মেলিছিল যদিও দেউতাকৰ সন্মতি নোপোৱাত চৰকাৰী মহাবিদ্যালয়তে নাম ভৰ্ত্তি কৰিলে। ব্যক্তিগত খণ্ডৰ মহাবিদ্যালয়ত পঢ়াত যিমান খৰচ বহন কৰিব লগা হয়, সেয়া যে দেউতাকে বহন কৰিব নোৱাৰে। পল্লৱীৰ দেউতাক এজন সাধাৰণ গাঁৱলীয়া সহজ-সৰল ব্যক্তি। কেনেবাকৈ ছোৱালী দুজনীৰ সৈতে চাৰিজনীয়া পৰিয়ালটোক পোহপাল দি আছে। ৰাতিপুৱাই কামৰ বাবে বাগানৰ দিশে ওলাই যায় আৰু প্ৰতিদিনে সাজ লগাৰ পাছতহে ঘৰ পায়হি। তেওঁলোকৰ গাঁৱৰ সিমূৰৰ পৰা আৰম্ভ হোৱা বাগানখনতে তেওঁ দিন-হাজিৰা কাম কৰে। এক কথাত বাগানত যদি কাম নাথাকিলহেঁতেন হয়তো পল্লৱী, জাহ্নৱীহঁতৰ পানীত হাঁহ নচৰা অৱস্থা হ'লহেঁতেন। সিহঁতৰ দেউতাক নগেনে বহুতই পৰিশ্ৰম কৰে, তেওঁ কেতিয়াও কাম পিছলৈ পেলাই নথয়। বহুত দুখ-কষ্টৰ মাজেৰেও কিন্তু ছোৱালী দুজনীক অলপো কষ্ট অনুভৱ কৰিবলৈ নিদিয়াকৈ পঢ়া, খোৱা, পিন্ধাৰ সকলো বস্তু যোগাৰ দি আহিছে। সিহঁতৰ পৰিয়ালটি এটা বৰ সুখীৰ পৰিয়াল, কোনোধৰণৰ তেওঁলোকৰ মাজত হাই-কাজিয়া হোৱা মনতে নপৰে। মাক বৰ সাদৰী, গাঁৱৰ সকলো মানুহেই সিহঁতক ভাল পায়, আচলতে সিহঁতক বেয়া পোৱা মানুহ নাই বুলিয়েই ক'ব পাৰি। পল্লৱীতকৈ জাহ্নৱী প্ৰায় আঠ বছৰমান ডাঙৰ। সেয়ে সিহঁত দুজনীৰ মাজত প্ৰায়ে কাজিয়া হোৱা মনত নপৰেই। পল্লৱীয়ে কেতিয়াবা যদিও বায়েকৰ ওপৰত খং কৰি মুখখন ফুলাই থাকে তথাপি বায়েক জাহ্নৱীয়ে একো নকৈ তাইক বুজাই দিয়ে। জাহ্নৱী এজনী নম্ৰ আৰু শান্ত স্বভাৱৰ ছোৱালী। তাই মাক দেউতাক বা অন্যলোকে বেয়া বুলি কোৱা কাম কেতিয়াও নকৰে। দেউতাকৰ এতিয়া এটাই সপোন, ছোৱালী দুজনীক যেনেকৈয়ে নহওক ভাল পৰিৱেশৰ ঘৰলৈ উলিয়াই দিব পাৰিলেই চিন্তা নাইকীয়া হ'ব।

কিন্তু দুখীয়াৰ জানো সহজতে সেয়া সম্ভৱ হয়। ডাঙৰ ছোৱালীজনী আজি প্ৰায় ছয়বছৰমান আগতে উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হৈছিল। দেউতাকে তাইক পঢ়িবলৈ দিছিল যদিও তাইহে ঘৰখনলৈ চাই আৰু পঢ়াৰ কথা নাভাবিলে। জাহ্নবীতকৈ পল্লৱী কিছু ব্যতিক্ৰম, তাই কিছুমান কথা বুজিও নুবুজাৰ ভাও ধৰে। আচলতে সৰুৰে পৰা তাইক সৰু বুলি সকলোৱে মৰম বেছিকৈ কৰাত আলসুৱা হৈ পৰিল।

নাই নাই বুলি তিনি কি চাৰিজনমান ল'ৰা আহি জাহ্নবীক চাইছিল। বিয়া পতাৰ প্ৰস্তাৱো দিছিল, কিন্তু দুখীয়াৰ কপালত জানো সেয়া ইমান সহজে সম্ভৱ হয়। কিবা এটা নহয় কিবা এটা অজুহাত ওলায় আৰু বিয়া ভাঙি যায়। নগেনৰো মনটো ভাঙি পৰিছে, লাহে লাহে ছোৱালীৰ বয়স বাঢ়ি আহিছে, যিমান সোনকালে পাৰি উলিয়াই দিব লাগে। জাহ্নবীটো কোনো ফালৰপৰাই পিছপৰা নহয়। তাই এজনী শিক্ষিত ছোৱালী, ঘৰৰ সকলো কাম কৰাৰ লগতে বোৱা-কটা, চিলাই কৰা, ফুল বচা আদি তাই যে সকলো কামেই কৰিব পাৰে। তাই আবেলি সময় উলিয়াই গাঁৱৰে সৰু সৰু ল'ৰা-ছোৱালী কেইটামানক টিউচন কৰে, তাৰ পইছাৰেই সুতা, উন আদি আনি বোৱা কটা কাম কৰে। পঢ়া শেষ কৰাৰ পাছৰেপৰা এটা এটাকৈ মাকৰ পৰা তাই সকলো বোৱা-কটা কামেই শিকি ল'লে। আচলতে তাইক সৰ্বগুণ থকা ছোৱালী বুলি ক'লেও ভুল কোৱা নহ'ব। কেইবাৰো বিয়া ভাঙি গৈছে যদিও তাই হতাশ হৈ পৰা নাই। তাই প্ৰতিদিনে যি কৰিব লগা কাম সেয়া কৰি গৈ আছে।

জাহ্নবীৰ মোমায়েকৰ ঘৰ সিহঁতৰ গাঁৱৰ পৰা অলপ গ'লেই পোৱা যায়। এইবাৰ ডাঙৰ মামীয়েকে জাহ্নবীৰ বাবে এটা ল'ৰা চালে। জাহ্নবীকো দেখুৱালে, ছোৱালী পচন্দ হ'ল, বিয়াৰ কথাবোৰ লাহে লাহে প্ৰায় আগবাঢ়িছে বুলিয়েই ক'ব পাৰি। ল'ৰাটোৱে কিবা ব্যৱসায় কৰে। ঘৰত মাক দেউতাক আৰু সি। বায়েক-ভনীয়েকক বিয়া দিয়াৰ পাছত ঘৰখনত এজনী বোৱাৰী প্ৰয়োজন হোৱাত অভিজিৎৰ বিয়াৰ বাবে মাক-দেউতাকে বৰকৈ লাগিছে। অভিজিত প্ৰথমে সন্মত নাছিল যদিও মাক-দেউতাকৰ কথা পেলাব নোৱাৰি আৰু জাহ্নবীৰ ৰূপক নুই কৰিব নোৱাৰি বিয়াৰ প্ৰস্তাৱত সন্মতি দিলে। লাহে লাহে বিয়াৰ কথা আগুৱাই গ'ল। দুয়োখন ঘৰৰে ঘনিষ্ঠতা বাঢ়ি আহিবলৈ ধৰিলে। অভিজিতে প্ৰায়েই জাহ্নবীহঁতৰ ঘৰলৈ অহা-যোৱা কৰিবলৈ ল'লে। ব্যৱসায়ৰ সময়ত যায় আৰু সময় পালেই পল্লৱীহঁতৰ ঘৰলৈ আহি জাহ্নবীৰ সৈতে সময় পাৰ কৰে। এক কথাত — যিটো ল'ৰাই এসময়ত বিয়াৰ নাম শুনিলেই জাঙুৰ খাই উঠিছিল সেই ল'ৰাটো আজি জাহ্নবীৰ প্ৰেমত পগলা হৈ পৰিছে। দিনটোত যদি এবাৰ সিহঁত দুটাৰ দেখা দেখি নহয় তেন্তে এনে অনুভৱ কৰা হয় যে সিহঁত বহুত দিন এজনে আনজনৰ পৰা বহুত দূৰত। অৰ্থাৎ জাহ্নবীয়েও অভিজিতৰ প্ৰতি সম্পূৰ্ণ উৎসৰ্গা কৰিলে। অভিজিতে জাহ্নবীৰ সৈতে ইমান মিলা-মিছা কৰাটো জাহ্নবীৰ মাক-দেউতাকে ভাল পোৱা নাছিল। বিয়াৰ আগত এজন ডেকা ল'ৰা আৰু এজনী গাভৰু ছোৱালী একেলগে থকাটো সিমান সুবিধাজনক নহয়। সেইবাবে তেওঁলোকে অতি সোনকালে বিয়াখন হৈ যোৱাৰ কথা ভাবিলে। যাতে গাঁৱৰ অন্যলোকৰ মুখবোৰ খোল খোৱাৰ আগতে বিয়াখন হৈ যায়।

এদিন বিয়াৰ দিন-বাৰ ঠিক কৰা আশা বুকুত বান্ধি জাহ্নবীৰ মাক-দেউতাক দেৱাশীষহঁতৰ ঘৰলৈ বুলি আহিল। অতি সহজতে বিয়াৰ দিন-বাৰ ঠিক হ'ল। জাহ্নবীৰ দেউতাকৰ মনটো কিবা এটা পাতল পাতল লাগিল। কিন্তু ভবা কথা নহয় সিদ্ধি, বাটত আছে কণা বিধি"। এই কথাষাৰ যে তেওঁলোকৰ ক্ষেত্ৰত আখৰে আখৰে মিলি গ'ল। বিয়ালৈ মাত্ৰ এমাহ আছে, অভিজিতহঁতৰ ঘৰৰপৰা খবৰ আহিল যে বিয়াত গহণা যিখিনি দবাৰ ঘৰৰপৰা দিয়াৰ কথা কৈছিল সেয়া আটাইবোৰ দিবলৈ অসমৰ্থ। সেয়ে গহণাৰ নামত আগত পাতি ৰখা কিছু কথা সলনি কৰি কন্যা ঘৰৰপৰা গহণা দিব লাগিব বুলি জনালে। এই খবৰ পোৱাৰ লগে লগে জাহ্নবীৰ দেউতাকৰ মূৰৰ ওপৰত যেন ক'লা মেঘে চানি ধৰিলে। সোণ বুলিটো আজিলৈকে কিনি পোৱাই নাই, জাহ্নবীৰ আইতায়েকে দি থৈ যোৱা পুৰণি লেখিয়া থুৰিয়া যোৰকে ভাঙি দুজনী ছোৱালীলৈ বুলি দুযোৰ খাৰু বনোৱাই থৈছিল। ভাবিছিল দুজনীক দুযোৰ দিব। কিন্তু এতিয়া ইমান কম দিনতে ক'ৰপৰা ইমান টকা গহণা বনাব। জাহ্নবীৰ মাক-দেউতাক দুখত ভাগি পৰিল। তেওঁলোকৰ চকুত টোপনি নাইকীয়া হ'ল। দুই তিনি দিনৰ ভিতৰতে তেওঁলোকৰ স্বাস্থ্য ভাগি পৰিবলৈ ধৰিলে। জাহ্নবীৰ মনটো বিদ্ৰোহী হৈ উঠিল। মানুহতকৈ গহণাক বেছি গুৰুত্ব দিয়া মানুহৰ ঘৰলৈ তাই কইনা হৈ নাযায়। তাই এইখন বিয়াত নবহে। মাক-দেউতাকক বুজালে। পল্লৱীয়েও বায়েকক সজোৰে সমৰ্থন দিলে। কথা মতে কাম। বিয়াখন ভাগিল। ■

# অচিন চিনাকি

**অৰ্চনা দেৱী,** স্নাতক ষষ্ঠ যাণ্মাসিক

গুৱাহাটীৰে কোনো এখন ঠাইত এঘৰ মানুহে বাস কৰিছিল। তেওঁলোকৰ ল'ৰা-ছোৱালী নাছিল। কিন্তু বহু দিনৰ পিছত তেওঁলোকৰ এহাল ল'ৰা-ছোৱালীৰ জন্ম হ'ল। তাৰে এটা ল'ৰা আৰু এজনী ছোৱালী। ল'ৰাটোৰ নাম পল আৰু ছোৱালীজনীৰ নাম ময়ূৰাক্ষী। এদিন তেওঁলোকৰ পৰিয়ালটোৱে ক'ৰবাত ফুৰিবলৈ গৈছিল। যাওঁতে বাটত তেওঁলোকৰ গাড়ীখনৰ এক্সিডেন্ট হ'ল। সেই গাড়ীৰ দুৰ্ঘটনাত পল আৰু ময়ূৰাক্ষীৰ মাক-দেউতাকৰ মৃত্যু হ'ল। ধুনু আৰু মুনু বাচিল। দুয়ো এদিন ফুৰিবলৈ যাওঁতে মানুহৰ ভিৰত মুনু হেৰাই গ'ল, আৰু ভিৰৰ মাজত পলে ময়ূৰাক্ষীক বিচাৰি ওলিয়াব নোৱাৰিলে। ময়ূৰাক্ষীক কোনো মানুহ এঘৰে পাই লৈ গ'ল। তাতে তাই ডাঙৰ হ'ল। ডাঙৰ হোৱাত তাইক স্কুলত নাম লগাই দিলে। তাই পঢ়াত খুউব ভাল আছিল আৰু হাইস্কুল শিক্ষান্ত পৰীক্ষাত ভালদৰেই পাছ কৰিলে। কিন্তু তাই এদিন গম পাইছিল যে তাইৰ ককায়েক এতিয়াও জীয়াই আছে। তাই ককায়েকক বহু বিচাৰিলে কিন্তু বিচাৰি নাপালে। এদিন তাই স্কুললৈ বুলি গৈ থাকোতে বাটত এটা ল'ৰা লগ পাইছিল। ল'ৰাটোক দেখি তাইৰ খুউব আপোন যেন লাগিছিল। পিছদিনাও ৰৈ আছিল ল'ৰাটো, সেইদিনা ল'ৰাটোৱে তাইক নাম ঠিকনা সকলো সুধিছিল কাৰণ তাৰো ছোৱালীজনীক নিজৰ কোনো আপোন যেন লাগিছিল। সেই কাৰণে সদায় তাই স্কুল যোৱা সময়ত সি ৰৈ আছিল। তাইক চাবলৈ। সেইদিনাও তাইক সি বহু কথা সুধিছিল। এদিন দুদিন কৰি কথা পাতোতেই দুয়োৰে মাজত এটা ভাল সম্পৰ্ক গঢ় লৈ উঠিল। এনেদৰেই বহু দিন পাৰ হ'ল। সদায় তাই স্কুল যোৱাৰ সময়ত সি ৰৈ আছিল সেই একেখিনি ঠাইতে। বহু দিন পাৰ হোৱাৰ পিছত হঠাৎ সেই ঠাইখিনিত ল'ৰাটোক নেদেখা হ'ল। ময়ূৰাক্ষীয়ে এদিন স্কুললৈ গৈ থাকোতে মানুহ এঘৰত ল'ৰাটোলে কাম কৰি থকা দেখিছিল। ল'ৰাটোক দেখি তাই মানুহ ঘৰলৈ সোমাই গ'ল আৰু ল'ৰাজনক তাৰ পৰিচয় সুধিলে। ল'ৰাজনৰ কথাবোৰত গম পাইছিল যে তাই ইমানদিনে বিচাৰি ফুৰা ককায়েকজন এইজনেই। তাই বৰ আনন্দিত হ'ল আৰু ককায়েকক তাইৰ লগত যাবলৈ জোৰ কৰিলে। ময়ূৰাক্ষী থকা ঘৰখনলৈ ককায়েক পলক লৈ গ'ল। ময়ূৰাক্ষী ঘৰ গৈ পোৱাত দুয়োকে নিজৰ নিজৰ পৰিচয় দিয়াত তেওঁলোকে দুয়োকে ৰখোৱাত অমান্তি হ'ল। সেই কাৰণে দুয়ো ঘৰৰ পৰা ওলাই গ'ল। পলে ক'ৰবাত কাম কৰি ভনীয়েকক পঢ়ালে। তাইও খুউব ভালদৰেই পৰীক্ষাত পাছ কৰি গৈ থাকিল। কিন্তু হঠাৎ এদিন ককায়েক ঘৰৰ পৰা ওলাই গৈ আৰু উভতি নাহিল। তাই বাট চাই থাকিল ককায়েক অহালৈ। কিন্তু ককায়েক নাহিল। বহুকেইদিনৰ পিছত তাই বাতৰি কাকতত ককায়েকক দেখি আচৰিত হৈ পৰিছিল। তাইৰ ককায়েকৰ দুৰ্ঘটনাত মৃত্যু হৈছে। তাই ককায়েকৰ অবিহনে বহু অকলশৰীয়া হৈ পৰিল। কিন্তু তাই কাৰোৰে পৰা সহাঁৰি নাপালে, তাইৰ সকলো আশা মনকে থাকিল। আৰু শেষত তাই পাগল হ'ল। এতিয়া ময়ূৰাক্ষী পাগলী। ময়ূৰাক্ষী পৰিয়ালৰ সকলো আৰু সকলো সপোন ভাঙি চুৰমাৰ হৈ গ'ল। ■

# সন্তাপ

**লক্ষ্যজ্যোতি বৰুৱা,** স্নাতক পঞ্চম ষান্মাসিক

আজি শনিবাৰ। পূজালৈ আৰু চাৰিদিন বাকী। জিন্তুৱে মাকলৈ চাই ক'লে - মা, এইবাৰ পূজাত মই এজোৰ কাপোৰ আৰু তোমালৈ এখন নীলা শাৰী আনিম। জিন্তুৰ এই কথা শুনি মাকৰ দুয়ো চকুৰে দুধাৰী চকুলো বৈ গ'ল। মাকৰ চকুত পানী দেখি জিন্তুৱে সুধিলে "মা, তুমি কিয় কান্দিছা?" অনবৰতে তুমি কান্দিয়ে থাকা, মই তোমাক বেয়া পাইছো যোৱা! কিবা এটা কথা ক'লেই তুমি কান্দি দিয়া। তোমাৰ কন্দাৰ বাহিৰে অন্য কাম নাই নেকি?" এইবুলি কৈ জিন্তুৱে মাকৰ ওচৰৰ পৰা আঁতৰি আহিল যদিও জিন্তুৰ মনটো দুখেৰে ভৰি পৰিল। তাৰ দেউতাকলৈ বৰকৈ মনত পৰিল। সেইবাবে সি মাকৰ ওচৰলৈ গৈ মাকক পুনৰ ক'লে গৈ — 'অ' মা, তুমি কিয় কান্দিছা, মই এতিয়াহে বুজি পাইছো। দেউতাৰ কাৰণে কান্দিছা ন মা। দেউতা এতিয়াও আহি পোৱা নাই নহয়। সেইদিনা ৰাতি খুৰা দুজনে যে দেউতাক লৈ গৈছিল তেতিয়াৰ পৰাই দেউতা ঘৰলৈ অহাই নাই। ৰ'বা মা, মই খুড়া দুজনক লগ পালে ক'ম — কি ক'ম জানা মা — তোমালোকৰ দেউতা নাই নেকি? যদি আছে তেনেহ'লে মোৰ দেউতাক কিয় নিলা? মই কাৰ লগত চাম? বাৰু মা, তোমাক এটা কথা সোধো। তোমাক দেউতাই যে এখন গুৱাহাটীপৰা শাৰী আনি দিছিল। সেই শাৰীখন নিপিন্ধা কিয়। মা, মোৰ জন্মদিন পাতিছে নেকি? জিন্তুৰ কথা শুনি মাকে কি ক'ব কি নক'ব ভাবিবলৈ ধৰিলে। তথাপিও মাকে অশেষ ধৈৰ্য্য ধৰি থাকিবলৈ সংকল্প ল'লে। তেনে সময়তে মাক-পুতেকৰ কথা শুনি থকা আইতাক আহি সেই ঠাইত উপস্থিত হ'ল। আইতাকে তাক তাৰ যে জন্মদিন নহয় সেই কথা ক'লে। জিন্তুৱে তেতিয়া আইতাকক পুনৰ প্ৰশ্ন কৰিবলৈ ধৰিলে। এবাৰ সি মাকক এৰি আইতাকক সুধিলে — তেন্তে আমাৰ ঘৰত ইমান ডাঙৰ ৰভা কিয় দিছে? তাক তাৰ কথা শুনি আইতাকে তাক সাৱটি ধৰি কান্দিবলৈ ধৰিলে। সি আইতাকক আকৌ সুধিলে — 'আইতা, দেউতা কেতিয়া আহিব? সি আইতাকক নেৰানেপেৰাকৈ লাগি থাকিল। নিৰোপায় হৈ আইতাকে তাক আচল কথাটো কৈ দিলে আৰু সি লগে লগে কান্দি দি আইতাকক ক'বলৈ ধৰিলে — 'আইতা আমাৰ দেউতাৰ দৰে আৰু বহুতো দেউতাক সেই খুড়া দুজনে নিছে তেনেহ'লে ভগৱানে কেতিয়াও তেওঁলোকক ক্ষমা নকৰে। ■

**অমৃত বচন**

*শিক্ষাৰ উদ্দেশ্য মন প্ৰশস্ত কৰা, চিন্তা শক্তি বঢ়োৱা, শিক্ষাৰ্থীক নানা ভাব দি ভৱিষ্যৎ জীৱন যুদ্ধত দেশৰ আৰু জগতৰ কল্যাণ সাধনত সৰ্বতো প্ৰকাৰে যোগ্যৱান কৰা।*

— **তৰুণ ৰাম ফুকন**

## কবিতা



# অমৰ কণ্ঠশিল্পী

সুমিত্ৰা দাস, স্নাতক পঞ্চম ষাণ্মাসিক

হে' মহামান্য অমৰ কণ্ঠশিল্পী
তোমাক চিৰ নমস্কাৰ,
তোমাৰ বিয়োগত বাঢ়িছে আজি
পাহাৰ ভৈয়াম একাকাৰ কৰা
লোতকৰ ধাৰ।
হে' দেৱতুল্য অমৰ সুধা কণ্ঠশিল্পী
তোমাক শতকোটি নমস্কাৰ
তোমাৰ সুললিত কণ্ঠসুৰে
বিশ্বমঞ্চৰ দুৱাৰ খোলে
পাহাৰে ভৈয়ামে দেশে-বিদেশে
শীতল শোণিতক জাগ্ৰত কৰা
তুমিয়েই অসমৰ সম্প্ৰীতিৰ পিতা
বুঢ়া লুইত আৰু বৰাকৰ দুই কূল
দেখিছো বিৰতিহীন নেত্ৰৰ ধাৰ
সিন্ধু, গংগা আৰু গোদাবৰী
মহানদী ফ্ৰাৰাকাত
তোমাৰেই বিননি
হে' মহামান্য অমৰ কণ্ঠশিল্পী
তোমাক চিৰ নমস্কাৰ।
তুমিয়েই যেন অসমৰ ভোটা তৰা
কাহানিও কোনেও
মচিব নোৱাৰা
উচ্চ, নীচ জাতি ভেদা-ভেদ ভাঙি
সমন্বয়ৰ সেতু বান্ধিলা
হে দেৱতুল্য অমৰ কণ্ঠশিল্পী
তোমাক শতকোটি নমস্কাৰ
তোমাৰ গানৰ প্ৰতিটো শব্দ কিম্বা
বুকুতে গুপুতে গাপদি থওঁ
হে চিৰ পূজ্য ড° ভূপেন হাজৰিকা
লোৱা তুমি পুনৰ জনম।
তুমি চিৰ পূজ্য, চিৰপূজ্য
যেন মই জগতক কওঁ। ■



# শ্ৰদ্ধাৰ হীৰেন ভট্টাচাৰ্য দেৱলৈ (হিৰোদা)

নিটুমণি লস্কৰ, স্নাতক তৃতীয় ষাণ্মাসিক

বকুল ফুলৰ দৰে উজলি উঠিছিলা
তোমাৰ সুৱাসতে আজি মন দিশহাৰা
নাম ল'লা তুমি সুগন্ধি পখিলা
হিৰুদা, আহা লিখা কবিতা।
তোমাৰ সুৱাসতে আপোন,
তোমাৰ সুৱাসতে ৰঙীন
জ্বলি ৰ'ম তোমাৰ ছায়াতে মই
থাকিবা আমাৰ মাজত
মৰমৰ হিৰুদা হে।
সোণেৰে গঢ়া অসম
ৰূপেৰে ভৰা মাটি
জ্যোতিৰে ভৰা আকাশ
য'তেই আছা, তুমি কুশলে থাকা
তোমাৰ কাৰণেই কাব্যপ্ৰেমী বলিয়া
নাম ল'লা তুমি সুগন্ধি পখিলা
হিৰুদা, আহা তুমি লিখা কবিতা।
হিৰুদা, আহা লিখা কবিতা।। ■

# শিক্ষাগুৰু

টিনামনি দাস, স্নাতক পঞ্চম ষাণ্মাসিক

শ্ৰদ্ধাৰ শিক্ষাগুৰু তুমি
অসমীৰ সন্তান,
সাৰ্থক জনম তোমাৰ
অমৃতৰ সন্তান,
তোমাৰ জ্ঞানৰ পৰশত
কত জ্ঞানী হ'ল.
শিক্ষাৰ সমল ৰাজি
অটুত হৈ ৰ'ল,
দুখ কষ্ট নেওচি
দিলা আনক দান
লভিলা শিক্ষাগুৰু তুমি
আমৰণ সু-নাম
কিৰিতিৰ আদৰ্শ তোমাক
শ্ৰদ্ধাৰে সোঁৱৰিম
ফুলৰ মালা ধাৰিৰে
তোমাকে পূজিম।। ■



# ৰেঙনি

অৰ্পনা বিশ্বাস, স্নাতক ষষ্ঠ ষাণ্মাসিক

হে প্ৰগতিৰ অনল শিখা!
অন্যায়, অনীতি, ভ্ৰষ্টাচাৰ
সকলোকে কৰি একাকাৰ,
অন্ধকাৰে আচ্ছন্ন সকলোকে
দিলা তুমি জ্ঞানৰ সম্ভাৰ।
পৰ্বত, পাহাৰ হিংস্ৰ জন্তু
আৰু অন্ধবিশ্বাসেৰে ভৰা,
এনে দুৰ্গম ঠাইত তুমি
বোৱালা সভ্যতাৰ নিজৰা।
হিংসা, বিদ্বেষ, অৰাজকতা
আৰু যি আছিল কু-সংস্কাৰ,
অমৃত পৰশেৰে তুমি
প্ৰচাৰ কৰিলা জ্যোতিৰ ধাৰ।
তোমাৰ অমৃতৰ ৰস
সেৱন কৰি,
আধুনিকতাৰ পোহৰত
উদ্ভাসিত হ'ল সকলোৱে।
তোমাৰ পৰশত জ্বলিছে শিখা
ঘৰে ঘৰে সকলোৰে,
পাইছে সকলোৱে নৱমুখ
এৰি থৈ অনীতি ভ্ৰষ্টাচাৰ। ■

# সাৰে থাকে আকাশ

জ্যোতিৰেখা কলিতা, কম্পিউটাৰ সহায়িকা

আকাশ শুৱানে কেতিয়াবা?
নে তুমি অতন্দ্ৰ প্ৰহৰী
জোনাক কোমল নিশা
কোনোবা বিৰহী কবিৰ বিষাদ গাথাৰ
ধাৰাসাৰ দুচকুৰ লোতক বোৱাই
হোৱানে তুমি নিৰপেক্ষ সাক্ষী?
নে কোনোৱা ৰক্তবীজৰ মাতাল দুভৰিৰ তাণ্ডৱত
ওৰে নিশা উচুপি থাকা তুমি
মায়াবী নিশাৰ মায়াবী খেলা।
অসহায় দুচকুৰ ভৰুণ বুকুৰ
মঙহৰ ভৰত হোৱা অবাধ বেচা কিনা
বুকুত সাৰটি বাৰুকৈয়ে চাগে' লাজ পোৱা তুমি।
আকাশ, মনত আছে চাগে'
অতীতৰ মানে অসমীক চেলাই খোৱা।
শৰাইঘাটৰ ৰণত লাচিতৰ হেংডাঙে খং কৰা
দেওৰজাই আনৰ পত্নীক মাতৃজ্ঞানে পূজা কৰা।
আকাশ, এতিয়াৰ পৃথিৱীৰ মলিন জোনাক
বিস্ফোৰণৰ শব্দ, বাৰুদৰ ধোঁৱাই
তোমাক বাৰুকৈয়ে আমনি কৰে চাগে'?
শুৱানে তুমি, আহেনে টোপনি
গুণ-গুণ কৈ আগুৱাই আহেনে
তোমাৰ উদাস দুচকুলে'
আয়ে গোৱা বহুদিনীয়া হেপাহৰ নিচুকনী গীত
"আমাৰ... মইনা... শুব... এ
বাৰীতে... বগৰী... ৰুব... এ। ■





# জীৱন

পিংকী কলিতা, স্নাতক পঞ্চম ষাণ্মাসিক

মই হ'লো এক বৈঠাবিহীন নাও
সাগৰৰ মাজত হেৰুৱালো
মোৰ লংগৰ।
ইপাৰ সিপাৰ দুয়োপাৰ
বহু নিলগত
আছো মই মাজতে ৰৈ
মাথো চাই আছো
একেথিৰে নীলিম আকাশলৈ
চেষ্টাৰ ত্ৰুটি নাই
আঁতৰাব পৰা নাই
বহুতো যান্ত্ৰণা বুকুতে বান্ধি
বলিয়া বতাহৰ সৈতে
অহৰহ যুঁজি যুঁজি
তথাপিও বাট চাওঁ বহু আশাৰে
নাও মোৰ পাৰত লাগিব এদিন
সেইদিনা সোঁৱৰিম মোৰ
পথৰ সাৰথিক, পথৰ সাৰথিক
কেৱল পথৰ সাৰথিক। ■

# নিৰুদ্দেশ যাত্ৰা

অৰূপ জ্যোতি বৰদলৈ, কম্পিউটাৰ সহায়ক

সপোন পুৰীৰ ৰঙীন পানীত বুৰ যোৱা
ভুৰৰ মাৰিডালৰ চাপৰি চাবলৈ সময়ে নাই
আলফুলীয়া-উল্লাসিত যৌৱনত নাচি উঠা সোণালী ধান
অনন্য সুগন্ধিৰ হত্যাকাৰী খোজৰ যাত্ৰাত ...
দুখ, ভাগৰ, আৰ্থিক আকালৰ ক্ষিপ্ৰ যন্ত্ৰণাত
বাস্তৱে চিঞৰি চিঞৰি হেৰুৱাই পেলাইছিল শব্দ
অথচ সীমাহীন যাত্ৰাৰ ভৰসাহীন কল্পনাত সাঁতুৰি
ভুৰখন, মাৰিডাল আৰু ৰহস্যময় তুমি
ক'লৈ গৈছিলো বাৰু আমি?

আমাৰ সেই যাত্ৰাত ...
নিৰৱতাই আটাহ পাৰি কান্দিছিল
নিশাৰ আন্ধাৰবোৰ ম্লান হৈছিল চকুলো-স্ৰোতস্বিনীৰ বুকুত
শব্দবোৰ ফুৰিছিল অশ্লীলতাৰ শেষ সীমনালৈ
সপোনে ৰিঙিয়াইছিল অনাগত কজলা ভৱিষ্যতক
তথাপি তুমি আৰু মই ...

ৰোমহৰ্ষক সমুদ্ৰৰ ইতিহাসত স্তব্ধ হ'ল যাত্ৰা
মৰহি গ'ল কলগছৰ টুকুৰা, বিচ্ছিন্ন হ'ল মাৰিডাল
শুকাই গ'ল সাগৰ
অকলে এখন মৰুত নিৰৱে ৰ'লো মই
ক'লৈ গ'লিনো কজলা স্বপ্ন তই?

অবুজ মোৰ দুনয়নে যেতিয়া উভতি চায়
আবেগ, অনুভূতি, দুখ, অভিমান, হাঁহিৰ অকাল মৃত্যুত
সপোন, শব্দ, নিৰৱতা আৰু নিশাৰ আন্ধাৰে বিধৱা সাজ পিন্ধি
শেঁতা ওঁঠবোৰত এজাক তাচিছল্যৰ হাঁহিৰ সমদল লৈ
নৃত্য কৰি আছিল মোৰ বুকুৰ নিঃসংগ মৰুভূমিত। ■

# জীৱনৰ গান

পূজামণি শইকীয়া, স্নাতক তৃতীয় ষাণ্মাসিক

মোৰ জীৱনটোৱে হ'ল
এটি সংগ্ৰাম।
জীৱনৰ প্ৰতি পলে পলে পলে
মোৰ জীৱনলৈ আহে
এজাক ধুমুহা
মই হৈ পৰো নিঠৰুৱা।
নিশাৰ আকাশত
তিৰ বিৰাই থকা
তৰাবোৰ দেখি
মই অনুভৱ কৰো
সীমাহীন শূন্যতা,
নিঃসঙ্গতাই মোক
কৰি তোলে দিগ্‌ভ্ৰান্ত।
তথাপিতো
জীৱন যুঁজত মই
হেৰুৱাই নেপেলাওঁ
সংগ্ৰামী মনৰ চেতনা।
মই হ'ব খোজো অজেয়।
বিলাব খোজো জগতত
তাৰেই সন্ধান।
মই গাব খোজো
জীৱনৰ জয়গান। ■

# কপিলীৰ পাৰৰ পৰা বৰপানী লৈ

বুল্টি দাস, স্নাতক পঞ্চম যাণ্মাসিক

কপিলীৰ পাৰৰ পৰা বৰপানী লৈকে
সেউজীয়া বনত মই
খোজ মিলাব পাৰো তোমাৰ স'তে ...,
যিমান দূৰলৈকে নদীখন
সিমান দূৰলৈকে ... গভীৰৰ পৰা গভীৰতালৈ ...
ঘন অৰণ্যৰ পৰা সেউজীয়া পথাৰলৈকে ...
ছবি আঁকিব পাৰো মই;
নীলা, বগা, সেউজীয়া
য'তেই তোমাৰ ঠিকনা হেৰায়
তাৰ পৰাই আৰম্ভ হয় পুনৰ যাত্ৰা ... মোৰ
কপিলী নৈৰ পাৰত
তোমাৰ চিঞৰ
তাত এতিয়া
ৰঙা বেলি মাৰ যাওঁ যাওঁ
জোনাকতো অন্ধকাৰৰ নিশা ...
বাৰ্তা পাইছো
একেখনেই নদী
একেখন নদীৰে ঘাট;
শুনিছো
জীৱন হেৰাইছে বোলে তাত ...।
যোৱাবেলি ধানডৰা বানে উটুৱাই নিলে
উদং ভঁৰাল।
এইবেলিও নৈখন বাঢ়িছে
পিতাইৰ চকুলো সৰিছে... আইৰ চিন্তা
বেংকত বন্ধুতো ধাৰ;
তথাপি আঁকিছো আকাশ
লয় পাৱক যত হা ... হুমুনিয়াহ
হয় যদি হওক তাতে জীৱনৰ মূৰ্ত প্ৰকাশ ...।■

# দুৰ্গম পথৰ যাত্ৰী

নজমূল কবিৰ, স্নাতক পঞ্চম যাণ্মাসিক

চাওঁ আলসুৱা সোণজনী,
তোমাক আজি ধুনীয়াকৈ
সজাই পৰাই দিওঁ।
তুমি আজি বহু ক্লান্ত, ভাগৰুৱা।
তুমি জয়ী তোমাৰ কলা সাধনাত
সেয়ে তোমাৰ গা সেমেকা
দুৰ্গম বাটত খোজ দিবলৈ
ক'ত পালা ইমান শক্তি!
হাহাকাৰ কৰি উঠে হৃদয়
তুমি উজুটি খোৱা নেকি কলিজাৰ
করুণ আৰ্তনাদত
তোমাৰ ওঁঠ যুৰি আজি সঁচাকৈয়ে শেঁতা পৰা
কিজানি তোমাৰ খৰখেদা যাত্ৰাৰ বাবে
সোণজনী,
অলপ সাৱধানে যাবা
মসৃণ, সেন্দূৰীয়া বাট চাই,
একো নোৱাৰিলেও আমি
জীয়াই তুলিম পলে পলে
তোমাৰ মধুৰ স্মৃতিক।■

# ভুলৰ বাবে

তহুলিমা খাতুন, স্নাতক ষষ্ঠ যাণ্মাসিক

প্ৰত্যাখানৰ প্ৰৱল হেঁচাত
জীৱন যেতিয়া স্তব্ধ হৈছিল
ঠিক তেতিয়াই কাৰোবাৰ স্বীকৃতি
হৃদয়ৰ মৃদুস্পন্দনে গতি কৰিছিল
গতিৰ নামেই যদি জীৱন হয়
মাতৃৰ মহানতাৰ পৰা কিয় বঞ্চিত হ'বা
ক্ষমা যেতিয়া মহানতাৰেই ভগ্নাংশ হয়
মই তাৰেই প্ৰত্যাশাত থাকিম।■

## জীৱন এখনি নৈ

**প্ৰাঞ্জল বৰা**, স্নাতক পঞ্চম ষাণ্মাসিক

জীৱন এখনি নৈ
ইপাৰে মোহ, মায়া
সিপাৰে মুক্তিৰ নিজৰা।
নৈৰ ইপাৰে আৰম্ভ হয়
শৈশৱৰ ধেমালি,
নৈৰ বালিত গঢ়ি উঠে
সপোনৰ বালিঘৰ।
লাহে লাহে কৈশোৰে দি যায়
হাঁহিৰ খলকনি,
গজি উঠে চাপৰিৰ বুকুত
মুঠি মুঠি কঠীয়া।
যৌৱনৰ বোকোচাত উঠি
ফাগুন নামে নৈৰ ইপাৰে,
লগতে লৈ আহে পলাশৰ ৰং
ফাগুনী পছোৱা কিম্বা সেই মাদকতা।
ফাগুনী উন্মাদনাই কঁপায় বুকু
লাহে লাহে ভাঁহি উঠে হৃদয়ত
কৃষ্ণচূড়াৰ আবেগ।
আয়তীৰ উৰুলিত মুখৰিত হয় ইপাৰ,
সংসাৰৰ মায়াজালত সোমাই
কেতিয়াবা ধৰফৰায় তেওঁ।
গভীৰ অৱকাশে আৱৰে আন্ধাৰ
ক্ৰমাৎ নৈয়ে গৰা খঁহায় এই জীৱনৰ
ক্ৰমে ক্ৰমে নৈৰে ভটিয়াই যায় সময়
বানে উটুৱাই নিয়ে সপোন...
লাহে লাহে সাজু কৰে তেওঁ
এখনি পালতৰা নাও
নৈৰে ভটিয়াই যায়গৈ
তেওঁ ... সিপাৰলৈ
তেওঁৰ অনুপস্থিতিত
আজি নিস্তব্ধতা
কেৱল নিস্তব্ধতা। ■

## তুমি সুখী হোৱা চিৰদিন

**দীক্ষিতা শৰ্মা**, স্নাতক পঞ্চম ষাণ্মাসিক

তুমি সুখী হোৱা চিৰদিন
মই থাকিম সদায় জীৱন যাত্ৰাত
তোমাৰ লগৰী হৈ
বোৱতী নৈৰ সোঁতে সোঁতে মই
বৈ যাম তোমাৰ কাষলৈ ...
তোমাক পাবলৈ মই আজি ব্যাকুল
তুমি মোৰ আৰু মই তোমাৰ ...
সকলোৰে আশীৰ্বাদত,
আমি এদিন লগ হ'ম সমাজৰ আগত,
প্ৰতিটো জনমত মই তোমাৰ হৈ ৰ'ম! ■

## অবুজ শিহৰণ

**অনিৰ্বাণ ৰাজখোৱা**, স্নাতক তৃতীয় ষাণ্মাসিক

নিসংগতাক
    বুকুত হেঁচা মাৰি থওঁ!
হেঁপাহৰ সঁচা সংগী বিচাৰি
    পোহৰ দিব পৰা সুখ!
হৃদয়ে হৃদয়ে
    বহু সুখ দুখৰ
    বাৰ্তালাপ !
পৰাণ জুৰাই যোৱাকৈ
    যাক স্পৰ্শ কৰিব পৰা নাযায়
দৃশ্যমান নহয়
কিন্তু অনুভৱ হয়
হৃদয় জুৰ পৰাকৈ
মন ভৰি যোৱাকৈ। ■

# সেউজী সখী

কংকনা লস্কৰ, স্নাতক তৃতীয় ষাণ্মাসিক

মোৰ গানে গানে
তুমি হাঁহিলা
মোৰ সুৰে সুৰে
তুমি উমলিলা

সাৰথি তুমি
সূৰুযৰ দৰে
লগৰী তুমি
মৰমৰ

তুমি যে বনৰ বতাহ
তোমাৰ দেহাত আছে
বনৰীয়া ফুলৰ সুবাস

তুমি বৰষা
তুমি ৰ'দালি
তুমি জীৱন
তুমি দিপালী

ডেউকা কোবোৱা তুমি
অসহায় পক্ষী
অথচ তুমি মোৰ
সেউজী সখী। ■



# অপেক্ষা

মীনাক্ষি হীৰা, স্নাতক পঞ্চম ষাণ্মাসিক

আছেনে মনত সেই দিনটোৰ কথা
যিদিনা অধীৰ অপেক্ষাৰে নদীৰ পাৰৰ ৰাস্তাৰ
কাষত ৰৈ বাট চাইছিলা
কেৱল মই অহালৈ।
তুমিযে কৈছিলা আমাৰ মৰমৰ স্নেহৰ
বান্ধোনেৰে সদায় এক হৈ থাকিম আমি
কিন্তু ... ক'তা?
তুমি দেখোন একোৱেই প্ৰতিশ্ৰুতি নাৰাখিলা
মোক তুমি কিয় অকলশৰীয়া কৰি
এনেদৰে আঁতৰি গ'লা।
তোমাক মনত পেলাই মই বাৰে বাৰে
চকুলো টুকিছো।
আজিও মই সেই নদীৰ পাৰৰ
ৰাস্তাৰ কাষত ৰৈ বাট চাইছো
কেৱল তুমি আহিবা বুলি।। ■

# অনুভৱ

মিংকু বৰা, স্নাতক পঞ্চম ষাণ্মাসিক

তুমি মোৰ অন্তৰৰ
গভীৰ কোণৰ
কোনেও কেতিয়াও দেখি নোপোৱা
এটুকুৰা নিভাঁজ
হীৰাৰ বাখৰ।

তোমাৰ অৱজ্ঞা,
তোমাৰ অৱহেলা
তোমাৰ অনাদৰত
উচুপি উঠে ব্যথা
মোৰ দুৰ্ভগীয়া হৃদয়ৰ?

তথাপি
তুমি মোৰ সপোনৰ ৰাণী
জীৱনৰ লগৰী
পৃথিৱীৰ প্ৰেম
শাৰদী, শাৰদী
আহিনৰ মেঘমুক্ত আকাশ। ■

# মোৰ দুখ

প্ৰশান্ত সৰকাৰ, স্নাতক পঞ্চম ষাণ্মাসিক

মই যি বিচাৰো এই জগতত,
নিদিয়ে মোক কিঞ্চিতো।
মোৰ মন যায় পখিলাৰ দৰে উৰিবলৈ,

পুৱাৰ সেই মনোৰম ৰূপ,
চাবলৈ বৰ ভাল।
সেই ৰূপ এতিয়া মাথো স্মৃতি,
অতীত স্মৃতি কিয় মনত পৰে?

নিশাৰ আকাশৰ তৰাবোৰ,
নিশাত জিলিকি ৰয়।
পুৱা হ'লেই আকাশে
ক'তনো লুকুৱাই থয়!

মোৰ ল'ৰালিৰ আকাশ
মোৰ জোনাকৰ আকাশ
বিচাৰি বিচাৰি
মোৰ মন যায়
পখিলাৰ দৰে উৰিবলৈ। ■

# আশা

গায়ত্ৰী লস্কৰ, স্নাতক তৃতীয় ষাণ্মাসিক

জোনাকীৰ পোহৰত লিখিবলৈ লোৱা
নীলা নীলা ভাষাবোৰৰ মাজত
প্ৰেৰণাৰ এটি মাথো শব্দ 'আশা'।

হাঁহোতে কান্দোতে মাথো
জীৱন পাৰ হৈ যায়
তথাপিও থাকি যায় আশা।

প্ৰতিটো খোজতেই মায়া
প্ৰতিটো চকুতেই অশ্ৰু
প্ৰতিটো লগ্নতেই আশা।

কল্পনাৰে ভাৰাক্ৰান্ত জীৱন
বিধাতাৰ নিষ্ঠুৰ বিধান,
মাথো মৃত্যুত শেষ হয়
হিয়াৰ বাসনা। ■

# তৃপ্তি

ছেলিনা আক্তাৰ, স্নাতক ষষ্ঠ ষাণ্মাসিক

তৃষ্ণাতুৰ জগতৰ
ছায়াময় দৃষ্টিৰ
মায়াময় ভাৱনাৰে
মিটাবানে তৃপ্তি
দেশৰ জাতি-উপজাতিৰ
একতাৰ দ্বীপ্তি!
জগাই দিয়া আজি বিশাল বিশ্বত
হৈ একে পথৰ যাত্ৰী;
হৈ উঠিব মহান জনতাৰ
এজন আনজনৰ ভাতৃ।
ভূ-ভোকাতুৰৰ তৃষ্ণা
মিটাই যোৱা।
ঐক্যৱদ্ধ বিশ্বৰ জন সম্প্ৰীতি
মাথোন আজিয়েই নহয়;
প্ৰৱাহিত নৈ,
ঐতিহ্যৰ বাটকুৰি বাই
আহিব আৰু যাব
সেয়া কেৱল তৃপ্তি তৃপ্তি
বিনিময় অনিবাৰ্য
ধৰাতলৰ যাত্ৰী একে গাড়ীত যাব
একেঠাইতে ৰ'ব;
শিলাময় বুকু ধ্বংস কৰি
সৃষ্টি কৰি মানৱতা
পৃথিৱীৰ বুকুত উজ্বলি
উঠিব কেৱল
আনন্দ আৰু তৃপ্তি। ■



# অচিনাকি মন

গোবিন্দ নাথ, স্নাতক তৃতীয় ষাণ্মাসিক

অচিনাকি তোমাৰ হিয়া
নাজানো ক'ত যে যোৱা
অভিমানী মন তোমাৰ
হয়তো চলনাৰে ভৰা।

মনত আছে বহু আশা
তোমাৰ লগত সুখ-দুখৰ
মনৰ কথা খুলি ক'ম।
লগ দিবানে মোক;
আশাৰে বাট চাই ৰ'ম।
আধৰুৱা জীৱন পূৰ্ণ কৰিম
সপোনতে সাজিম ঘৰ
তোমাকে বাট চাই

ৰংসনা তুমি
তোমাৰ ৰূপৰ তুলনা নাই
তোমাৰ ৰঙেৰে সজাই লৈছো
আজি মোৰ মন, মোৰ জীৱন
মোৰ বাস্তৱৰ ঘৰ। ■

# প্ৰেমেই জীৱন

জাহিৰ আব্বাছি, স্নাতক তৃতীয় ষাণ্মাসিক

তুমিয়েই মোৰ প্ৰেম
তুমিয়েই মোৰ প্ৰিয়তম।
তোমাৰ প্ৰেমতেই মই
প্ৰজাপতি হ'ম।।
তোমাৰ বন্ধুত্বই মোৰ
প্ৰেমৰ বাট মুকলি কৰিলে।
তোমাৰ প্ৰেমেই আজি মোৰ,
অন্ধকাৰ জীৱনক পোহৰাই তুলিলে।।
তুমিয়েই মোৰ একমাত্ৰ
সুখ-দুখৰ সংগী।
তোমাৰ লগত মই কেতিয়াও নকৰো
মিছা প্ৰেমৰ ভংগী।।
প্ৰেমেই জীৱন
প্ৰেমেই মৰণ।
তোমাৰ প্ৰেমেই আজি মোৰ,
ৰংহীন অন্তৰত সানিলে বৰণ।।
তোমাক লৈয়ে কৰিম মই
জীৱনৰ সকলো আয়োজন।
মোৰ আধৰুৱা জীৱনত আছে,
তোমাৰ প্ৰেমৰ প্ৰয়োজন।।
তোমাক লৈয়েই মই
প্ৰেমৰ তাজমহল বনাম।
তোমাৰ হাত ধৰিয়েই মই,
মাতৃভূমিক শেষ শ্ৰদ্ধা জনাম।। ■



# আনন্দ

ইক্ৰামুল ইছলাম, স্নাতক পঞ্চম ষাণ্মাসিক

যি আনন্দ
ফুলৰ গোন্ধত।
যি আনন্দ
মৌচুমী বতাহত।।
যি আনন্দ
পক্ষীৰ গানত।
যি আনন্দ
শিশুৰ প্ৰাণত।।
যি আনন্দ
সূৰ্যৰ ৰশ্মিত।
যি আনন্দ
বৰষুণৰ পানীত।।
যি আনন্দ
মুকলি আকাশত।
যি আনন্দ
ৰাতি তৰাৰ মাজত।।
এই সকলোবোৰ আনন্দৰে
তোমাৰ প্ৰাণ উঠক ভৰি।
এই সকলোবোৰ আনন্দ থাকক,
তোমাৰ জীৱন জুৰি।। ■

অন্যান্য শিতান

# কি, কিয়, কেনেকৈ

**পাৰুল কাকতি, প্ৰাক্তন ছাত্ৰী**

প্ৰঃ আমি আনন্দ উপভোগ কৰিলে বা প্ৰশংসা কৰিলে হাত চাপৰি দিওঁ কিয়?

উঃ গ্ৰীকসকলে কোনো থিয়েটাৰ হলত কাৰোবাক প্ৰশংসা কৰিবলৈ হ'লে হৰ্ষধ্বনি কৰিছিল আৰু হাত চাপৰি দিছিল। ৰোমান সকলেও হাত চাপৰি মাৰি সাধুবাদ দিছিল আৰু একে উদ্দেশ্যত আঙুলিৰে টিলিকিও মাৰিছিল।

সপ্তদশ শতিকাৰ সুছৰি বজোৱা, ভৰিৰে মাটিত শব্দ কৰা আৰু হাত চাপৰি বজোৱাক প্ৰশংসা জনোৱাৰ শুদ্ধ উপায় হিচাপে গণ্য কৰা হৈছিল। মনোবিজ্ঞানীসকলৰ মতে সকলোতে যে হাত চাপৰি মৰাক প্ৰশংসা জনোৱাৰ এক পদ্ধতি হিচাপে মানি লোৱা হৈছে তাৰ এক মনোবৈজ্ঞানিক কাৰণো আছে। আচলতে দৰ্শক-শ্ৰোতাই প্ৰদৰ্শনকাৰী ব্যক্তিজনৰ পিঠিত মৃদু থাপৰ এটা দি প্ৰশংসা জনোৱাৰ ইচ্ছা এটা পুহি ৰাখে। কিন্তু সেই মুহূৰ্তত যেতিয়া সেইটো সম্ভৱ নহয়েই, সেইবাবে নিজৰ হাততে থাপৰ এটা দি সেই ইচ্ছা পূৰণ কৰে। অন্তৰ্জগতত সৃষ্টি হোৱা উত্তেজনা বা আনন্দ প্ৰকাশৰো এক উপায় হ'ল হাত চাপৰি মৰা। এনে ধৰণৰ মুহূৰ্তত সৰু ল'ৰা-ছোৱালী আৰু চিম্পাঞ্জীবোৰে স্বতঃস্ফূৰ্তভাৱে হাত চাপৰি বজোৱা দেখা যায়। প্ৰশংসা সূচক হাত চাপৰি বজাবৰ বাবে মানুহক ভাৰা দি ৰখা প্ৰথাৰো অতীজৰপৰা প্ৰচলন আছিল। ৰোমান সম্ৰাট নিৰোৱে এনে ৫০০০ বৃত্তিধাৰী হাত চাপৰি বজোৱা লোকক ধন দি ৰাখিছিল। তেওঁলোকৰ কাম আছিল নিৰোৰ ৰাজহুৱা উপস্থিতিত হাত চাপৰি দি সমৰ্থন জনোৱা। তাৰ বাবে সেই মানুহবোৰে হাত ফোপোলা কৰি আৰু হাত পোন কৰি দুই ধৰণৰ হাত চাপৰিৰ প্ৰশিক্ষণ ল'বলগীয়া হৈছিল। ফ্ৰান্সতো কিছু লোকক টকা-পইছা দি দৰ্শকক মাজত বহুৱাই থোৱাৰ প্ৰথা প্ৰচলন আছিল। সেইসকলৰ কাম হ'ল হকে-বিহকে টকা দিওঁতাজনৰ স্বাৰ্থত হাত চাপৰি মৰা!

প্ৰঃ আমি কিয় গোন্ধ মনত ৰাখিব নোৱাৰো?

উঃ গোন্ধ হ'ল মানুহ আৰু কিছুমান জন্তুৱে পাব পৰা এক বিশেষ ইন্দ্ৰীয়ানুভূতি। এই অনুভূতি, জন্তু আৰু আদিম মানৱৰ পূৰ্ববৰ্তী প্ৰাণীবোৰৰ ক্ষেত্ৰত বৰ শক্তিশালী। নাকৰ ওপৰৰ অংশতথকা অলফেক্টৰী স্নায়ু বা গোন্ধজনিত স্নায়ুত থকা স্নায়ু ফিলামেণ্টবোৰেহে আমাৰ নাকত গোন্ধৰ অনুভূতিৰ সৃষ্টি কৰে। মগজুৰ লগত সেইবোৰৰ বিশেষ সম্পৰ্ক নাথাকে। সেইবাবে কোনো বস্তু নাকৰ ওচৰৰ পৰা আঁতৰাই দিয়াৰ লগে লগে আমি গোন্ধটো পাহৰি থাকো।

প্ৰঃ আমি আইনাত কিয় নিজকে দেখা পাওঁ?

উঃ আইনাৰ সন্মুখত থিয় হ'লে আমি নিজকে দেখা পাওঁ। ইয়াৰ মূল কাৰণ হ'ল আমাৰ দেহৰ প্ৰতিটো চুক-কোণৰ পৰা অহা পোহৰ ৰশ্মি আইনাত প্ৰতিফলিত হৈ পুনৰ ঘূৰি আহি আমাৰ চকুত পৰেহি।

পোহৰৰ ক্ষেত্ৰত এটা আমোদজনক কথা হ'ল যে পোহৰ ৰশ্মি নিজে অদৃশ্য, অৰ্থাৎ আমি প্ৰকৃততে পোহৰ দেখা নাপাওঁ, কিন্তু পোহৰৰ সহায়ত কোনো বস্তু দেখা পাওঁ। এইক্ষেত্ৰতো একেই কথাই খাটে। আমাৰ দেহৰ বিভিন্ন বিন্দুৰপৰা তাৰ উজ্জ্বলতা অনুযায়ী, কম-বেছি পৰিমাণৰ পোহৰ ৰশ্মি চতুৰ্দিশে ওলাই আহে। পোহৰ ৰশ্মিয়ে সৰলৰেখাত গতি কৰে। আইনাৰ পিছফালে থকা ৰূপজাতীয় পদাৰ্থত প্ৰতিফলিত হৈ কিছু পোহৰ ৰশ্মি পুনৰ আমাৰ ফাললৈকে ঘূৰি আহে। এই ৰশ্মি আমাৰ চকুত পৰাত আমি আমাৰ দেহৰ প্ৰতিটো বিন্দু (সহজ অৰ্থত আমাৰ প্ৰতিবিম্ব) দেখা পাওঁ। পোহৰ যদি প্ৰতিফলিত নহ'লহেঁতেন বা ঘূৰি নাহি পোনে পোনে গৈ

থাকিলহেঁতেন তেতিয়া আমি নিজকে দেখা নাপালোহেঁতেন আৰু এটা আমোদজনক কথা হ'ল, অসংখ্য পোহৰ ৰশ্মি আহি আমাৰ চকুত পৰাৰ বাবেহে আমি আইনাত নিজৰ প্ৰতিবিম্ব দেখা পাওঁ। অথচ এই পোহৰ ৰশ্মিবোৰ আমাৰ দৃষ্টিৰ অন্তৰালতেই থাকি গ'ল। আমাৰ মগজুত এনে এটা ধাৰণাৰ সৃষ্টি হ'ল যে আমি নিজেই যেন আইনাৰ সিটো পাৰত বৈ চকুত চকু থৈ চাই আছো!

আমাৰ দেহৰ যিকোনো এটা ফালৰ (ধৰা হওক বাওঁফাল) পৰা অহা পোহৰ ৰশ্মি সেই ফাললৈকে ঘূৰি আহে। সেইফালে আইনাত মুখা-মুখি হৈ থকা প্ৰতিবিম্বটোৰ সোঁফাল আমাৰ বাওঁফাল যেন লাগে। (দুবাৰ প্ৰতিফলিত হ'লে অৱশ্যে এনে নহ'ব। কিন্তু তেতিয়া আমি আমাৰ সন্মুখফাল দেখা নাপাম) সঁচা মানুহ এজন বৈ থাকিলে তেনে ধৰণৰ পৰিঘটনা নঘটে। কেৱল আইনাৰ প্ৰতিবিম্বৰ ক্ষেত্ৰতহে তেনে লাগে।

প্ৰঃ ক'ৰবালৈ যাওঁতে ৰাস্তাত মেকুৰী আগেৰে পাৰ হৈ গ'লে চালকে অলপ সময়ৰ বাবে গাড়ী ৰখাই দিয়ে কিয়?

উঃ ভাৰতকে ধৰি পৃথিবীৰ বিভিন্ন ঠাইত প্ৰচলিত এই সংস্কাৰৰ উৎপত্তি ইংলেণ্ডত। আগতে ইংলেণ্ডৰ পৰিয়ালত শিশুসকলে মেকুৰী পুহিছিল। মেকুৰীৰ সতে খেলি থাকোতে মেকুৰীটো দৌৰি গ'লে পিছে পিছে শিশুটিও দৌৰি আহিব বুলি গাড়ীখন ৰাখি দি সাম্ভাব্য বিপদৰ পৰা আঁতৰত থাকিব বিচাৰিছিল। সেই পৰম্পৰাৰেই আজিও মটৰ গাড়ী চালকে আগেৰে মেকুৰী পাৰ হৈ গ'লে অলপ সময় গাড়ী ৰাখি দিয়ে।

প্ৰঃ ক'লা ৰঙটো "দুখৰ বা শোকৰ ৰং" কিয়?

উঃ প্ৰাচীন ৰোমত নিজৰ প্ৰিয়জনৰ মৃত্যু হ'লে মহিলাসকলে লুগুব্ৰিয়া (Lugubria) নামৰ এক প্ৰকাৰৰ ক'লা পোছাক পিন্ধিছিল। পাছত ৰাজকীয় আদেশ দিয়া হ'ল যে কাৰোবাৰ মৃত্যুত দুখ প্ৰকাশ কৰিবলৈ হ'লে বগা পোছাক পিন্ধিব লাগিব। তাৰ পিছত বহুদিন বগা ৰঙেই দুখৰ ৰং হিচাপে চিহ্নিত হৈ থাকিল। প্ৰধানকৈ ফ্ৰান্স, স্পেইন আৰু ইংলেণ্ডত কাৰোবাৰ মৃত্যুত দুখ কৰিবলৈ হ'লে বগা পোছাক পিন্ধাটো নিয়ম হৈ পৰিছিল। ১৪৯৮ চনত এই নিয়মৰ ব্যতিক্ৰম ঘটালে অষ্টম চাৰ্লছৰ বিধবা 'এনি অব্ ব্ৰিট্ৰানী'য়ে। তেওঁ স্বামীৰ অন্ত্যেষ্টিক্ৰিয়াত ক'লা ৰঙাৰ এক পোছাক পিন্ধি উপস্থিত আছিল। ৰোমান যুগৰ পাছত প্ৰথম সেয়াই আছিল 'ক'লা শোক প্ৰকাশ'। জনশ্ৰুতিমতে ক'লা পোছাকযোৰে এনিক ইমান তুলি ধৰিছিল যে নতুন ৰজা ষষ্ঠ লুইয়ে মুগ্ধ হৈ এনিক তেওঁৰ পত্নী কৰি ল'লে। দ্বিতীয়বাৰৰ বাবে এনি ফ্ৰান্সৰ ৰাণী হ'ল। তাৰ পাছৰপৰাই 'দুখৰ ৰং' হিচাপে ক'লা ৰঙেই ব্যৱহৃত হ'বলৈ আৰম্ভ কৰিলে। ■ *(সহায় লৈ)*

**অমৃত বচন**

*অভিজ্ঞতাৰ ওপৰত প্ৰতিষ্ঠিত হ'লেও সাহিত্য বাস্তৱতে অভিজ্ঞতাৰ বেলেগ বা যাদুঘৰ নহয়। নিৰ্বাচন কৌশল, কল্পনা আৰু ৰীতিৰ সহায়েৰে অভিজ্ঞতাৰ হেঁচা সজুলি গঢ়িপিটি ল'লেহে প্ৰকৃত সাহিত্যৰ সৃষ্টি হয়।*

— **কৃষ্ণকান্ত সন্দিকৈ**

# জানানে

সংগ্ৰহ - ৰবিনচন বে, স্নাতক তৃতীয় যাণ্মাসিক

প্ৰশ্ন - কাৰবি আংলঙৰ আটাইতকৈ ওখ পাহাৰটোৰ নাম কি?

উত্তৰ - দাম্বু কচু।

প্ৰশ্ন - কাৰবি আংলঙৰ বিলাতী মাটিৰ কাৰখানা ক'ত আছে?

উত্তৰ - বোকাজানত।

প্ৰশ্ন - অসমত বিশ্ববিদ্যালয় ক'ত ক'ত আছে?

উত্তৰ - গুৱাহাটী, ডিব্ৰুগড়, যোৰহাট শিলচৰ আৰু তেজপুৰ।

প্ৰশ্ন - অসম সাহিত্য সভাৰ প্ৰথম সভাপতি কোন আছিল?

উত্তৰ - ঁপদ্মনাথ গোহাঞি বৰুৱা।

প্ৰশ্ন - অসম সাহিত্য সভাৰ বৰ্তমান সভাপতি কোন?

উত্তৰ - ডাঃধ্ৰুৱজ্যোতি বৰা।

প্ৰশ্ন - অসমৰ ৰাষ্ট্ৰীয় উদ্যানৰ নাম কি কি?

উত্তৰ - কাজিৰঙা, মানাহ, ডিব্ৰুচৈখোৱা আৰু ওৰাং।

প্ৰশ্ন - অসমত চিকিৎসা মহাবিদ্যালয় ক'ত ক'ত আছে ?

উত্তৰ - গুৱাহাটী, ডিব্ৰুগড়, শিলচৰ, যোৰহাট, তেজপুৰ আৰু বৰপেটাত।

প্ৰশ্ন - অসমৰ বৈজ্ঞানিক গবেষণাগাৰ ক'ত আছে?

উত্তৰ - যোৰহাট।

প্ৰশ্ন - অসমৰ মানসিক চিকিৎসালয় ক'ত আছে?

উত্তৰ - তেজপুৰত।

প্ৰশ্ন - অসমৰ পাৰ্বত্য স্বাস্থ্যকৰ ঠাইখনৰ নাম কি?

উত্তৰ - হাফলং।

প্ৰশ্ন - ভাৰতীয় ফুটবলৰ জনক কোন?

উত্তৰ - ঁনগেন্দ্ৰ প্ৰসাদ সৰ্বাধিকাৰী।

প্ৰশ্ন - বিশ্বকাপ ফুটবল খেলত একমাত্ৰ নোবেল বঁটা কোনে লাভ কৰিছিল?

উত্তৰ - আলৰ্বাট ক্যেমু।

প্ৰশ্ন - অসমত গৰম পানীৰ উহঁ ক'ত আছে?

উত্তৰ - নামবৰ হাবিত।

প্ৰশ্ন - ভাৰতৰ প্ৰথম মহিলা প্ৰধান মন্ত্ৰী কোন আছিল?

উত্তৰ - ইন্দিৰা গান্ধী।

প্ৰশ্ন - অসমৰ প্ৰথম গৰাকী মুখ্যমন্ত্ৰী কোন আছিল?

উত্তৰ - লোকপ্ৰিয় গোপীনাথ বৰদলৈ।

প্ৰশ্ন - ভাৰতৰ প্ৰথম মহিলা ৰাষ্ট্ৰপতি কোন?

উত্তৰ - শ্ৰীমতী প্ৰতিভা দেবী সিং পাটিল।

প্ৰশ্ন - অসমৰ প্ৰথম গৰাকী মহিলা মুখ্যমন্ত্ৰী কোন আছিল?

উত্তৰ - চৈয়দ আনোৱাৰ টাইমুৰ।

প্ৰশ্ন - ভাৰতৰ প্ৰথম উপ-ৰাষ্ট্ৰপতি কোন আছিল?

উত্তৰ - ড° সৰ্বপল্লী ৰাধাকৃষ্ণণ।

প্ৰশ্ন - অসম সাহিত্য সভাৰ প্ৰথম অধিবেশন ক'ত হৈছিল?

উত্তৰ - শিৱসাগৰত।

প্ৰশ্ন - পৃথিৱীৰ ভিতৰত আটাইতকৈ ডাঙৰ মৰুভূমিখনৰ নাম কি?

উত্তৰ - চাহাৰা মৰুভূমি।

প্ৰশ্ন - ভাৰতৰ প্ৰথম প্ৰধানমন্ত্ৰী কোন আছিল?

উত্তৰ - জৱাহৰলাল নেহেৰু (১৯৫২-১৯৬২)

প্ৰশ্ন - কোনজন ভাৰতীয়ই সাহিত্যত নোবেল বঁটা পাইছিল?

উত্তৰ - কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰ।

প্ৰশ্ন - প্ৰথম এছিয়ান গেমছ ক'ত আৰু কেতিয়া অনুষ্ঠিত হৈছিল?

উত্তৰ - দিল্লীত আৰু ১৯৫১ চনত।

প্ৰশ্ন - ক্ৰিকেট খেল কোনে আৰু কেতিয়া আবিস্কাৰ কৰিছিল?

উত্তৰ - ৰজা এডৰ্ৱাড বানৰ আৰু ১৩০০ খ্ৰীঃত।

প্ৰশ্ন - ৰবীন্দ্ৰনাথ ঠাকুৰে ৰচনা কৰা একমাত্ৰ ইংৰাজী কবিতাটিৰ নাম কি?

উত্তৰ - "The Children"

প্ৰশ্ন - অসমীয়া ভাষাৰ প্ৰথম ছপাপুথিখনৰ নাম কি?

উত্তৰ - বাইবেল।

■■■

# ৰন্ধন প্ৰণালী

**সংগ্ৰহ- গুপা দেবনাথ,** পঞ্চম ষাণ্মাসিক

১। **Paneer Croquettes**

**উপকৰণ ঃ-** পনীৰ, আলু, ময়দা, আটা, ধনীয়া পাত, কেঁচা জলকীয়া, ৰঙা জলকীয়াৰ গুৰি, পিয়াজ, নিমখ।

**প্ৰস্তুত প্ৰণালী ঃ-** পনীৰ, সিজোৱা আলু, ময়দা, আটা, ধনীয়া পাত, কেঁচা জলকীয়া, ৰঙা জলকীয়াৰ গুৰি, নিমখ আৰু কাটি থোৱা পিয়াজখিনি মিহলাব লাগে। এতিয়া মিহলোৱা আটাখিনিৰে সৰু সৰু লাডু বনাব লাগে। এটা বাটিত অলপ পানী আৰু ময়দা মিহলি কৰি আটা লাডুখিনি ডুবাই ওপৰত ছেও লগাই গৰম তেলত ভাজিব লাগে।

২। **Fried Seasme Cake**

**উপকৰণ ঃ-** এটা কণী, পানী, চেনি, মাখন, আটা, আমুল, বেকিং পাউদাৰ, নিমখ।

**প্ৰস্তুত প্ৰণালী ঃ-** এটা কণী, অলপ পানী, চেনি আৰু মাখন একেলগে মিহলাব লাগে। এতিয়া অলপ আটা, আমুল, বেকিং পাউদাৰ আৰু অলপ নিমখ দি ভালকৈ মিহলাব লাগে। এতিয়া আটাখিনিত মাখনখিনি দি মিহলি কৰি মিনিটৰ কাৰণে থৈ দিব লাগে। এতিয়া সৰু সৰু লাডু বনাই ওপৰত '+' কৰি কাটি অলপ পানী লগাই ওপৰত তিল দি গৰম তেলত ৰঙচুৱা হোৱাকৈ ভাজিব লাগে।

৩। **Jhinga Masala**

**উপকৰণ ঃ-** তেল, পিয়াজ, আদা-নহৰু, কেঁচা জলকীয়া, বিলাহী, নিমখ, গৰম মচলা, ধনীয়া গুৰা, ৰঙা জলকীয়াৰ গুৰা আৰু মিছা-মাছ (prawns)

**প্ৰস্তুত প্ৰণালী ঃ-** অলপ তেল গৰম কৰি তাত পিয়াজ, আদা-নহৰু বটা, কেঁচা জলকীয়া আৰু বিলাহী দি ভালকৈ ভাজিব লাগে। তাৰ পিছত অলপ নিমখ, গৰম মচলা, ধনীয়া গুৰা, ৰঙা জলকীয়াৰ গুৰা খিনি দি তাত অলপ পানী দি ভালকৈ লৰাই দিব লাগে। অলপ পিছত নমাই দিব লাগে।

৪। Vindi Seasme

**উপকৰণ ঃ-** ভেণ্ডী, ৰঙা জলকীয়া, সৰিয়হ, নৰসিংহ পাত, নাৰিকল, মগু দালি, নিমখ, তেতেলী souce.

**প্ৰস্তুত প্ৰণালী ঃ-** ভেণ্ডীখিনি সৰু সৰুকৈ কাটি তেল দি অলপ সময় ৰাখিব লাগে। এতিয়া কেৰাহিত অলপ তেল গৰম কৰি তাত ৰঙা জলকীয়া, সৰিয়হ, নৰসিংহ পাত আৰু ৰুকা নাৰিকল একেলগে ভাজি grind কৰিব লাগে।

আন এটা কেৰাহিত তেল গৰম কৰি তাত অলপ সিজাই থোৱা মগু দালি, নৰসিংহ পাত আৰু ভেণ্ডীখিনি দি তাত অলপ নিমখ দি অলপ সময় ভাজি তাত তেতেলী souce আৰু grind কৰা মচলাখিনি দি অলপ সময় ভাজিব লাগে। ভেণ্ডীখিনি নমাই ওপৰত অলপ তিল দি দিব লাগে।

■ ■ ■

# অমৃত বাণী

**সংগ্ৰহ- ৰাজশ্ৰী বৰা,** তৃতীয় ষাণ্মাসিক

- কাম কৰি যোৱা, শ্ৰমেই সকলো সম্পদ আৰু সকলো ধৰমৰ কৃষ্টি-সংস্কৃতিৰ উৎস। — *ৰামচন্দ্ৰ শুক্লা*
- সৃষ্টিৰ আটাইতকৈ সুন্দৰ হ'ল ফুল, কিন্তু তাৰে শিপাবোৰ থাকে মাটি গোবৰত। — *প্ৰতিমা পাণ্ডে*
- খং দমাবা, তেতিয়াহে ক্ষমাই তোমাৰ হৃদয়ত বাহ ল'ব।
  — *নীলছবি'ৰ*
- হৃদয়খন মহান হ'বলৈ প্ৰতিজন মানুহৰে মনটোও মহান হোৱা উচিত। — *মেঘনাথ সাহা*
- মানুহৰ শ্ৰেষ্ঠত্ব তেওঁৰ বুদ্ধিমত্তাতকৈ চেষ্টা আৰু অনুশীলনৰ ওপৰতহে বেছি নিৰ্ভৰশীল।
  — *আৰ কে নাৰায়ণ*
- ফুল আৰু পখিলাক বাহ্যিক ৰূপেৰে জুখিবা, কিন্তু মানুহক নুজুখিবা। — *সুভাষ চন্দ্ৰ বসু*
- দেহ, কুল বা জাতি পূজ্য নহয়, দৰাচলতে শ্ৰেষ্ঠ গুণহে পূজ্য। — *ৰামধাৰী সিং*
- আঁঠুকাঢ়ি থকা ভদ্ৰলোকতকৈ নিজৰ ভৰিত থিয় দিয়া কৃষক জনহে বেছি ডাঙৰ। — *মহিন্দ্ৰ অমৰনাথ*
- সন্মুখত থকা কৰ্তব্য যদি অৱহেলা কৰা, ই তোমাৰ নৈতিক সাহসৰ অভাৱহে সূচনা কৰিব। — *আগাথা ক্ৰিষ্টি*
- তুমি যদি জ্ঞানী হ'ব খোজা, তেন্তে প্ৰথমে জিভাক শাসন কৰা। — *এ.পি.জে আব্দুল কালাম*
- সৎ কৰ্মৰ অবিহনে মানুহে কেতিয়াও জীৱনত সুখী হ'ব নোৱাৰে। — *বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য*
- প্ৰচণ্ড ইচ্ছাশক্তি থাকিলে ভাগ্যও সলনি কৰিব পাৰি।
  — *বিৰিঞ্চি কুমাৰ বৰুৱা*
- লক্ষ্য সম্পৰ্কে সততে সচেতন হোৱাটোৱে সাফল্যৰ মূলমন্ত্ৰ। — *ভগৎ সিং*
- সেইজন মানুহেই উৎকৃষ্ট, যি জনে মানুহৰ কল্যাণ সাধন কৰে। — *ৰাধাগোবিন্দ বৰুৱা*
- বয়সৰ দ্বাৰা জ্ঞান অৰ্জন কৰিব নোৱাৰি, নিজৰ পৰিশ্ৰমৰ দ্বাৰাহে ই সম্ভৱ হয়। — *কালিৰাম মেধি*
- জীৱনত সাফল্য অৰ্জন কৰিবলৈ হ'লে দুটা বস্তুৰ প্ৰয়োজন অভিজ্ঞতা আৰু আত্মবিশ্বাস। — *বীৰেন্দ্ৰ সেৰাগ।*

# কৌতুক

সংগ্ৰহ- মঃ মফিদুল ইছলাম, স্নাতক পঞ্চম ষাণ্মাসিক

এটা সৰু ল'ৰা, সি সদায় মাকৰ সৈতে শুৱে। কিন্তু মাকে তাক প্ৰস্ৰাৱ কৰিব লগা বুলি কোৱাৰ সলনি 'গান গাব লগা' বুলি ক'ব দিছিল। সি তাকেই কয়। সেইদিনা আলহী অহাৰ বাবে ল'ৰাজনে দেউতাকৰ লগত শুলে। ৰাতি প্ৰস্ৰাৱ কৰিব লগাত সি দেউতাকক মাতিলে —

ল'ৰা ঃ দেউতা, অ' দেউতা, উঠা মোৰ গান গাব লাগিছে।

দেউতা ঃ বদমাছ, শুই থাকা কি ৰাতিখনত গান গাব বিচাৰিছ। মানুহে পাগল বুলিব। পিছত ৰাতিপুৱা গাবি হাঁ।

ল'ৰা ঃ নহয় দেউতা, মোৰ বৰকৈ গান গাব লাগিছে।

দেউতাক ঃ তেনেহ'লে মোৰ কাণতে কোনেও নুশুনাকৈ গান গাই থাক।

দেউতাকৰ অনুমতি পাই পুতেকে কাণতে প্ৰস্ৰাৱ কৰি দিলে।

# অমৃত বাণী

**সংগ্ৰহ- গোপা দেবনাথ,** পঞ্চম ষাণ্মাসিক

- নীতি অবিহনে ৰাজনীতি, পৰিশ্ৰম অবিহনে সম্পত্তি, নৈতিকতা অবিহনে বেপাৰ-বাণিজ্য, চৰিত্ৰ অবিহনে শিক্ষা, বিবেক অবিহনে আমোদ-প্ৰমোদ, মানৱতা অবিহনে বিজ্ঞান আৰু ত্যাগ অবিহনে উপাসনা — এই সাতোটায়েই সামাজিক পাপ।

*— মহাত্মা গান্ধী*

- দেশৰ সকলো শ্ৰেণীৰ মাজত আত্মোন্নতিৰ চেষ্টা নকৰিলে জাতীয় উন্নতি হ'ব নোৱাৰে।

*— অমিয় কুমাৰ দাস।*

- জীৱনটোৱে এখন প্ৰকৃত যুদ্ধ। এই যুদ্ধত নুযুঁজাকৈ একোৱেই লাভ কৰিব নোৱাৰি।

*— গীতা*

- মানুহৰ যি প্ৰতিভা থাকে, তাৰ শতকৰা নিৰান্নবৈ ভাগেই নিজৰ শ্ৰমৰ ফল, এভাগহে মাথো জন্মগত।

*— টমাচ্ আলভা এডিচন*

- ৰাতিপুৱাৰ এঘন্টা সময় অপচয় কৰিলে দিনটোৰ বাকীখিনি সময় সেই অপচয়ৰ মুহূৰ্ত্তবোৰৰ সন্ধানতেই হাবাথুৰি খাব লাগিব।

*— হোৱাইট অল্*

- শিল্পীয়ে যদি গোটেই পৃথিৱীৰ মানুহক সঁচা শিল্পীলৈ পৰিণত কৰিব পাৰে তেন্তে, পৃথিৱীখন দুষ্কৃতিৰ পৰা মুক্ত হৈ যাব।

*— জ্যোতিপ্ৰসাদ*

- নজনাটো সিমান লাজৰ কথা নহয়, শিকিবলৈ যত্ন বা ইচ্ছা নকৰাটোহে বেছি লাজৰ কথা। *— বেঞ্জামিন ফ্ৰেংকলিন।*
- সমস্ত প্ৰাণীক দেখিবেক আত্মসম উপায় মধ্যত ইটো অতি শ্ৰেষ্ঠতম।

*— শঙ্কৰদেৱ*

- আনে কোৱা কথা শুনা মাত্ৰকে বিশ্বাস নকৰিবা, পূৰ্ব প্ৰচলিত বুলিয়েই কোনো ৰীতি গ্ৰহণ নকৰিবা, লৰালৰিকৈ কোনো সিদ্ধান্তত উপনীত নহ'বা, অকল শাস্ত্ৰত থকা বুলিয়েই সকলো ৰীতি মানি নল'বা।

*— গৌতম বুদ্ধ।*

- মানুহৰ সেৱাৰ মাজেদি মই ঈশ্বৰক লগ পাব বিচাৰোঁ। কিয়নো, ঈশ্বৰ স্বৰ্গতো নাই, পাতালতো নাই, আছে মাত্ৰ আমাৰ প্ৰত্যেকৰে অন্তৰত।

*— মহাত্মা গান্ধী*

# কৌতুক

**সংগ্ৰহ- সৰস্বতী দেৱনাথ,** স্নাতক, ষষ্ঠ ষাণ্মাসিক

শিক্ষক — মাদ্ৰাজৰ নতুন নাম চেন্নাই কিয় হৈছে কোৱাছোন?

ছাত্ৰ — মাদ্ৰাজত প্ৰায় সকলো লোকেই লঙ্গি পিন্ধে আৰু লঙ্গিত চেইনৰ কোনো প্ৰয়োজন নাই সেয়ে "চেন্নাই"।

শিক্ষক — 'ভদ্ৰেশ্বৰে পৰীক্ষাত আনৰ বহী চাই লিখে "এই বাক্যটোত কৰ্ম কোনটো?" যদু তুমি কোৱাছোন।

যদু — ইয়াত কৰ্ম বুলিবলৈ একো নাই, গোটেইটোৱেই কু-কৰ্ম ছাৰ।

পানী পথৰ যুদ্ধৰ বিষয়ে পঢ়োৱাই থাকোতে শিক্ষকে গীতাক সুধিলে —

শিক্ষক — কোৱাচোন গীতা পানীপথৰ যুদ্ধ হোৱাৰ কাৰণ কি আছিল?

গীতা — ছাৰ স্থলপথেৰে যুদ্ধ কৰাৰ সুবিধা নাছিল সেইয়ে কাৰণ।

# English Section

# Kampur College – At a Glance

**Pradip Laskar,** Associate Professor, Dept. of Geography

Kampur College established in the year of 1968 in Kampur is a premier co-educational institution of Southern part of Nagaon. While catering to the needs of the student of Southern in particular this college has also attached students from all over the state from the very beginning emphasis has been laid on woman's education and removal of backwardness in scheduled caste (SC) scheduled Tribes (ST) and other backward classes (OBC) Inhabited surrounding areas through larger access to higher education. In spite of being a flood affected area Kampur has witnessed progress and prosperity du ring this years, in this silent path of progress and prosperity this institution has played a definite role since its establishment.

As a matter of policy the College started the co-education system from the very beginning of its in ception. Although a large number of people belonging to a cross section of the society donated generously in terms of paddy, it was under the leadership of a few visionaries like. Late Puniram Bora, Late Jugeswar Bora, Late Krishna Chandra Goswami, late Kanak Ch. Borthakur, Lane Kunar Mal Agarwala and Sri Lakheswar Gohain , Former revenue Minister of Assam that the college witnessed its growth to a fully-developed institute of higher learning with governmental aid for salary payment.

However, the physical development of the College took place only during the tenures of sri Tarun Chandra Saikia, Retired Principal in-charge of the college followed by Sri Sabharam Mazumder, Retired Principal in-charge of Kampur College. During the tenure of Mr. Mazumder the college received two grants of Rs. 5 lakhs each from the then Hiteswar Saikia led Congress Government and Mr. Prafulla Kumar Mahanta led AGP Government as well as.

With an enrolment of 336 student (154 male + 182 female) the college has developed in to a full grown institute of higher learning with major courses in 07 (Seven) except Hindi Subjects and imparting post Graduate Courses in Assamese, Maths, History, Economics, Political Science, M.Com subjects through the Post Graduate correspondence School (PGCS) of Gauhati University.

Located in a serene and tranquil area amidst the heart of recently declared Kampur Town, Kampur College with its population free environment attracts one and all interested in the pursuit of learning. The atmosphere is congenial for studies and higher studies in all respects.

The University Grants commission has sanctioned one woman Hostel for the Girls Student which is under construction. Under "Babu Jagjibon Ram Chatrawas Yojona" scheme one SC boys hostel is also under construction. For Sports facilities the College has also Constructed one Indoor sports facilitiy centre under UGC Grants .

For the development of infrastructure college



has got Rs. 1 Crore from Govt. of Assam, for construction of Classrooms, Digital classrooms and Digital Library facilities which is already completed.

From 2012 (Krishna Kanta Handique State Open University (KKHSOU) Study Centre is Started in the College. The study centre give facilities the drop out students Businessman. Different category of Woman to continue their studies in this centre. Moreover, the last four years D.EI. Ed programmes are also conducting by the (KKHSOU) Study Centre of Kampur College.

| Semester | Boys Students | Girls Students | Total Students |
|---|---|---|---|
| 1st Sem. | 256 | 264 | 520 |
| 3rd Sem. | 149 | 146 | 295 |
| 5th Sem. | 110 | 115 | 225 |
| Total | 515 | 525 | 1040 |

During the current session the total numbers of students enrolled in the college is shown as bellow (2016-17)

There is a career councelling and guidance cell in the college. The cell conducts workshops, seminars and careear counselling programmes among the students for better placement. There is a women's cell which highlight the women's issues problems of lady teacher and girls student.

The college has N.C.C. Unit and Scout and Guide Units for both boys and girls student.

For healthy living and positive thinking, college is conducting Yoga and meditation course. The college has organised cutting and tailoring course to make the girl student skilled and self dependent. Moreover, it is going to introduce some new programmes of Vocational Education and skill development Training jointly with ITI, Nagaon. The students can earn diploma in professonal courses parallel to their B.A. courses. ■

# Importance of a college Magazine

Hiran Kr. Hira, B.A. 5th Sememster

College Magazines are useful in many ways. They have a great educative value. They encourage students to think and write. So, they develop their writing skills and talent. We acquire knowledge from the works of great authors. But mere reading of books is not sufficient for education. So, the students are also taught how to write and express their own ideas in a good form and in different languages. With this aim Magazine is published. The college magazine is collection of articles, poems, stories etc. They are written mainly by the students and sometimes by teachers and ex-students, Infact, young talent finds its first exposure through this medium. Magazines are generally published annually.

For the management of the college Magazine, an editorial Board is formed comprising some of the teachers and students. The editor is very after a senior member of the college. He / She is assisted by good and intelligent students. They and their articles to the editor or any member of the editorial board. Then a selection is made and the best articles are published in the Magazine with necessary addition and changes. Besides literary and scientific articles, the college Magazine contains information of the work done by students in different spheres. The Magazine records the achievments of students and congratulates them for their hard work. They also contain information regarding the games and sports organised by the college. Sometimes, group photograph of the students and the staff are publishied. Thus the college Magazine highlights important activities of the college.

College Magazines are useful in developing the power of thinking and strengthening the imagination of the student writes. In this way the general knowledge of the students increases and they acquire the habit of reading and writing. A college Magazine also teaches the students the value of co-operation and encourage healthy competition.

Students find real joy when they see their names published in the school and college Magazine respectively. Besides, College Magazines are interesting for the ex-students of the college. They read articles and their memory of the past become fresh again. These Magazines bring the ex-students and all the members of the college in touch with one another. ■

# The Great man
# Dr. A.P.J. Abdul Kalam

Priyatam Goswami, B.A. 5th Sememster

Dr. A.P.J Abdul Kalam's full name is Avul pakir Jainalabedeen Abdul Kalam. He was born in a Tamil Muslim family on 15th Octobur 1931. His birth place was Rameshwaram in Ramnad district of Madras Presidency under British India. This place is presently in Ramanathapuram district, Tamil Nadu. He was a mediocre student at school and he had average grades, though he used to be highly appreciated for his will to study. He completed his school education from schwartz higher sceondary school at Ramanthapuram. After that he studied his B.Sc Degree education from Saint Joseph College in Tiruchirappalli, Tamil Nadu. He had his major in physics. He finally graduated from the College in the year 1954. Then he moved to Madras in 1955 to study aerospace engineering in Madras Institute of Technology. Though as a child he had a dream of becoming a fighter pilot, he missed his chance very narrowly. But it didnot break him down. His contributions are immense. He was responsible for the development of India's first satellite launch vehicle, the SLV-3, development and operation of strategic missiles and buildimg indigenous capability in critical technologies. He was appointed as the chairman of Tecnology projects and missions to take India into the 21st century. A.P.J Abdul Kalam was selected as the 11th president of India in 2002 and stayed in his position for 5 years. Widely referred to as the people's president, he returned to his civilian life of education, writing and public service after a single term. Abdul Kalam held various positions under ISRO and DRDO and become Principal Scientific Advisor to the Goverment of India holding the rank of a Cabinet Minister. He has recieved honourary doctorates from 30 universities and the country's three highest civilian honours -Padma Bhushan (1981), Padma Vibhushan (1990) and Bharat Ratna (1997). This great personality had his last breath while giving a lecture at IIM, Meghalaya on 27th July 2015. He had a sudden cardiac arrest and he died on the spot. Whole country was in shock and mourned the death of him. He may not be present physically but his works will always be remembered. And all we can do is to contribute our part as a new generation kid in making India a developed country. This is what he expressed in his book "India 2020 - A vision for the New Millennium."

■■■

# Terrorism - A Major threat to International Peace and Security

Juli Laskar, B.A. 5th Sememster

Terrorism happens to be the major problem currently being faced by the International Peace and Security. It is Posing Seriour threat to the Security of states and thereby to the International Peace and Security. Terrorism in its several forms Cross border terrorism, fundamentalist terrorism, jihadi terrorism, Harco terrorism, Ethnic terrorism and all other forms have been acting as a source of big strains on International relations.

Meaning of Terrorism : Terrorism which involves the use of naked force and violence in the form of killing of the people, particularly killing of officials and leaders of the state, abductions, form ranscon, hijacking of aeroplanes, harcotic Smuggling, ethnic killings and murder, shooting instances of Terrorist Attacks : The most heinous act or terror against humanity known till date is the dropping of atom bomb on the two japanese cities, Hiroshima and Nagasaki in 1945. Some of the incidents of terrorist attacks in recent years are :

- The destruction of the World Trade Centre on September 11, 2001.
- The simultaneous attacks on the Raghunath Temple and Shivalaya temple of jammu on November. 24, 2002.
- Terrorist bomb attack at Tavistock Square, London, England on july 7, 2005.
- Gunned blast Inside the jamma Masjid in Delhi.
- Serial blasts in Delhi on october 29, 2005.
- The serial blasts at seven local railway stations in Mumbai on july 11, 2006.
- The Instances of grenade attacks in the Kashmir valley which has amounted to 123 in the year 2006 alone.

**Causes of Terrorism :** Some Causes of Terrorism are given below

**Political Cause** - In the first place, terrorism arises out of Political grievances of or Political ambitions. Some people or groups of people having Political grievances or ambitions which they can not get redressed or fulfilled through normal constitutional processes, resort to terrorist methods as a short cut to success.

**Economic Causes :** Some people take to the gun because they feel they have been economically exploited. Naxal terrorism largely belong to this category. Sometimes young persons become terrorists because they harbour a feeling of having been discriminated against and treated as second class citizens. The appalling gaps between the rich and the poor, the privileged and the unpri vileged, the rich high caste and the low caste also give rise to terrorist activities.

**Socio Economic Conditions :** Socio Economic conditions of rising unemployment, lack of opportunity to earn a living, growing awareness of inequality in distribution of wealth and well being, exploitation these factors create a situation which

encourages youth to join terrorist groups and others to support them.

**State Causes :** The avid desire of some nations to extend their terror and establish their supremacy and might over other nations.

